
● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



ভাল আৰু বেয়া কেতিয়াও সমান হ'ব নোৱাৰে। বেয়াক ভালেৰে সলনি কৰক, তেতিয়া দেখিব আপোনাৰ শত্ৰুও বন্ধুত পৰিণত হৈছে।

মেছুট অ'জিল
*জাৰ্মান ফুটবল তাৰকা*

www.dainikagradoot.in

৫ পঞ্চম পৰ্যায়ৰ ভোটতো শীৰ্ষত ঋষি, চূড়ান্ত প্ৰতিদ্বন্দ্বিতাত
১৫ গুৱাহাটীত ঐতিহ্যমণ্ডিত ডুৰাণ্ড কাপ ফুটবল
৪ ৰাজদ্ৰোহ-ৰাষ্ট্ৰদ্ৰোহ আইনক লৈ চিন্তা-চৰ্চা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৮২তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ৫ শাওণ ১৪২৯ ভাস্কৰাব্দ ২২ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 22 July 2022 মূল্য ঃ ৯.০০ টকা

■ ৭০ শতাংশ ভোট লাভেৰে প্ৰত্যাশিত জয় এনডিএৰ প্ৰাৰ্থীৰ ■ পঞ্চদশ ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হোৱাত অভিনন্দন জনালে মোদীয়ে ■ দেশৰ দৰিদ্ৰ, প্ৰত্যন্ত আৰু নিম্নবিত্তৰ বাবে আশাৰ কিৰণ

# ইতিহাস ৰচি ৰাষ্ট্ৰপতি পদত দ্ৰৌপদী



দেশৰ ৰাষ্ট্ৰপতি পদত প্ৰথমগৰাকী আদিবাসী মহিলা ■ খানাপাৰত বিজেপিৰ সমদল ■ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো প্ৰশংসিত হৈছে দেশ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২১ জুলাই ঃ** 'ভাৰতে ইতিহাস ৰচিলে। ১৩০ কোটি ভাৰতীয়ই আজাদী কা অমৃত মহোৎসৱ উদ্‌যাপন কৰাৰ সময়তে পূব ভাৰতৰ আওহতীয়া আদিবাসী সম্প্ৰদায়ৰ এগৰাকী কন্যা ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হ'ল। এই বিজয়ত মই দ্ৰৌপদী মুৰ্মুক অভিনন্দন জনাইছো।' দেশৰ পঞ্চদশ ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হোৱাৰ পাছত এনডিএৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুক আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে টুইটাৰত অভিনন্দন জনালে। প্ৰত্যাশিতভাৱেই ইতিহাস ৰচনা কৰি দেশৰ আদিবাসী সমাজৰ প্ৰতিনিধিৰূপে প্ৰথমবাৰৰ বাবে সাংবিধানিক মুৰব্বীৰ আসনত অধিষ্ঠিত হ'ল মুৰ্মু। আজি সম্পূৰ্ণ ভোটগণনাৰ পূৰ্বেই তেওঁৰ বিজয় নিশ্চিত হৈ পৰিছিল। ৰাষ্ট্ৰপতিৰূপে জয়ী হ'বলৈ প্ৰয়োজনীয় ভোট মূল্য আছিল ৫,৪০,৯৯৬। তৃতীয় ৰাউণ্ড গণনাৰ পাছতে তেওঁ লাভ কৰে ৫,৭৭,৭৭৭ মূল্যৰ ভোট। আঠখন ৰাজ্য আৰু আঠ কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভোটগণনা বাকী থকা অৱস্থাতে ৬০ শতাংশৰো অধিক ভোটমূল্য লাভ কৰে মুৰ্মুৱে। তেওঁৰ এই ঐতিহাসিক জয়ৰ পাছত অভিনন্দন জনাই টুইট কৰাৰ উপৰি সোঁশৰীৰে ফুলৰ থোপা প্ৰদান কৰি মুৰ্মুক অভিনন্দন জনায় প্ৰধানমন্ত্ৰীয়ে। *আঠ পৃষ্ঠাত চাওক*

## অসমত কংগ্ৰেছ-ইউডিএফৰ ভোট মুৰ্মুলৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জুলাই ঃ** ৰাষ্ট্ৰপতি নিৰ্বাচনত বিজেপি নেতৃত্বাধীন এনডিএৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৱে অসমত ১০৪টা ভোট লাভ *১০ পৃষ্ঠাত চাওক*

ব্যক্তিগত বেদনাৰ কবলৰ পৰা উঠি আহি ৰাইচিনা হিললৈ সফলতাৰ যাত্ৰা দ্ৰৌপদী মুৰ্মুৰ

## স্বাধীনোত্তৰ ভাৰতত জন্মলাভ কৰা প্ৰথমগৰাকী তথা কনিষ্ঠতম ৰাষ্ট্ৰপতিও



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২১ জুলাই ঃ** ওড়িছাৰ কাউন্সিলাৰ হিচাপে ৰাজহুৱা জীৱন আৰম্ভ কৰা দ্ৰৌপদী মুৰ্মুৰ ভাৰতৰ প্ৰথমগৰাকী আদিবাসী আৰু দ্বিতীয়গৰাকী মহিলা ৰাষ্ট্ৰপতিৰূপে উত্তৰণ ইতিহাসৰ পাতত অংকিত হ'ব। এক ব্যক্তিগত ট্ৰেজেডিৰ মাজৰ পৰাই আৰম্ভ হৈছিল মুৰ্মুৰ এই বিজয়ৰ যাত্ৰা। দেশৰ সৰ্বোচ্চ সাংবিধানিক *আঠ পৃষ্ঠাত চাওক*

## ভয় শূন্য মুক্ত জ্ঞান?

**দেশ-কাল-সমাজ**
**ড° দীনেশ বৈশ্য**



**চিত্ত** য'ত ভয় শূন্য, মুক্ত য'ত জ্ঞান
পৃথিৱী য'ত খণ্ডিত নহয় বিশ্ব নহয় ক্ষুদ্ৰ
মনৰ কথা যেতিয়া
হৃদয় উৎসৰৰ বাধাহীন সোঁত হয়
দেশে দেশে দিশে দিশে
কৰ্মধাৰাৰ অজস্ৰ শক্তি প্ৰৱাহ
য'ত যুক্তিয়ে বাধা ভাঙি
পাৰ হয় প্ৰবল মৰুভূমি....


ৰবীন্দ্ৰনাথৰ এই বিখ্যাত কাব্যৰ প্ৰকৃত অৰ্থ আজিৰ তাৰিখত বুজা মানুহৰ বৰ অভাৱ। আজি জনগণ ভীতিগ্ৰস্ত। *১০ পৃষ্ঠাত চাওক*

বিজেপিত সালসলনি

## জামোৱালক উত্তৰ-পূৰ্বৰ পৰা মধ্যপ্ৰদেশ চত্তিছগড়ৰ দায়িত্ব অৰ্পণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জুলাই ঃ** আগন্তুক ২০২৪ৰ লোকসভা নিৰ্বাচনৰ বাবে ইতিমধ্যে ব্যাপক তৎপৰতা আৰম্ভ কৰা ভাৰতীয় জনতা পাৰ্টি (বিজেপি)য়ে আজি ৰাষ্ট্ৰীয় স্তৰত সাংগঠনিক ক্ষেত্ৰত একাধিক সালসলনি ঘটায়। এই সালসলনিত উত্তৰ-পূৰ্বাঞ্চলৰ *১০ পৃষ্ঠাত চাওক*

## মহিলাৰ বিৰুদ্ধে অপমানসূচক মন্তব্য ঃ পংকজ পাঠকক গ্ৰেপ্তাৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/হাউলী/টিহু, ২১ জুলাই ঃ** ব্যৱসায়িক লাভালাভৰ উদ্দেশ্যে সামাজিক মাধ্যমত *১০ পৃষ্ঠাত চাওক*

## ৰঙিয়াৰ অপহৃত শিশুক উদ্ধাৰ হাউলীত, অপহৰণকাৰী মহিলাক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া/হাউলী, ২১ জুলাই ঃ** ৰঙিয়া চহৰৰ মাজমজিয়াৰ পৰা কালি দিন দুপৰতে অপহৃত হোৱা শিশু ৰিম্পী দাসক আজি ৰঙিয়া আৰক্ষীয়ে বৰপেটা জিলাৰ হাউলীৰ পৰা উদ্ধাৰ কৰে। অপহৰণৰ ২৪ ঘণ্টা পাৰ *১০ পৃষ্ঠাত চাওক*

## টিহুৰ মাখিবাহাত হানি-খুঁচি হত্যা এজনক

**অগ্ৰদূত বাৰ্তা**
**টিহু, ২১ জুলাই ঃ** টিহুৰ মাখিবাহাৰ অধ্যাপকপাৰা চুবুৰিৰ প্ৰণৱ শৰ্মা নামৰ এজন যুৱকক আজি দিন দুপৰতে একে চুবুৰিৰে নীৰেন শৰ্মা নামৰ *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩২° | ২৬° |
| ডিব্ৰুগড় | ২৯° | ২৬° |
| দিল্লী | ৩১° | ২৭° |
| কলকাতা | ৩২° | ২৭° |
| মুম্বাই | ৩০° | ২৬° |
| চেন্নাই | ৩৪° | ২৭° |
| বাংগালুৰু | ২৮° | ২০° |
| শ্বিলং | ২৬° | ১৯° |

২১ জুলাই, ২০২২

## এক ঐতিহাসিক ক্ষণৰ সাক্ষী হ'ল দেশবাসী ঃ বিজয় উৎসৱত মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জুলাই ঃ** দেশৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটগণনা চলি থকাৰ সময়তে শাসকীয় এনডিএৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৰ বিজয় নিশ্চিত হৈ পৰাৰ পাছতে এক বিজয় সমদল উলিয়ায় ৰাজ্যিক বিজেপিয়ে। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰৰ পৰা আজি বিয়লি উলিওৱা এই বিজয় সমদলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিৰ পদত দ্ৰৌপদী মুৰ্মুৰ বিজয়ত সমগ্ৰ দেশ এক ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হৈ ৰ'ল বুলি মন্তব্য কৰে। খানাপাৰাৰ খেলপথাৰৰ পৰা পশু চিকিৎসা মহাবিদ্যালয় হৈ হোটেল ভিভাণ্টাৰ সন্মুখৰ পথৰে পুনৰ খানাপাৰাৰ খেলপথাৰত *১০ পৃষ্ঠাত চাওক*



## অৱশেষত বৰ্ষাশ্ৰীলৈ জামিন ঃ ৬৪ দিনৰ পাছত মুকলি আকাশৰ তললৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জুলাই ঃ** ৰাষ্ট্ৰ বিৰোধী কবিতাৰ লগতে অন্যান্য লেখা সামাজিক মাধ্যমত প্ৰচাৰ কৰাৰ অভিযোগত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰা কলেজীয়া ছাত্ৰী বৰ্ষাশ্ৰী বুঢ়াগোহাঁইক আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে জামিন প্ৰদান কৰে। ইয়াৰ ফলত গোলাঘাট কেন্দ্ৰীয়



কাৰাগাৰত বিগত ৬৪ দিনে বন্দী হৈ থকা ছাত্ৰীগৰাকী মুকলি আকাশৰ তললৈ ওলাই অহাৰ পথ প্ৰশস্ত হ'ল। এজন জামিনদাৰ আৰু ২৫ হেজাৰ টকাৰ বিনিময়ত উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ অজিত বৰঠাকুৰৰ আদালতে আজি এই জামিন মঞ্জুৰ কৰে। যোৱা ২২ জুনত বৰ্ষাশ্ৰীয়ে অধিবক্তাৰ জৰিয়তে উচ্চ *১০ পৃষ্ঠাত চাওক*

চেঙাৰ সমবায় সমিতিত তদন্তত ফাদিল কেলেংকাৰি ঃ ২৩৯৬ কুইণ্টল চাউল জব্দ

## আঠশ কুইণ্টল চাউলৰ দিব নোৱাৰিলে নথিপত্ৰ

**অগ্ৰদূত বাৰ্তা**
**আলোপতি, ২১ জুলাই ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাছুমাৰা আণ্ডাভাংগা বজাৰস্থিত দক্ষিণ বগুৰীবাৰী সমবায় *আঠ পৃষ্ঠাত চাওক*




## অৰুণোদয় হিতাধিকাৰীৰ ঘৰে ঘৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জুলাই ঃ** ৰাজ্যৰ ১৯ লক্ষাধিক অৰুণোদয় হিতাধিকাৰীৰ ঘৰে ঘৰে গৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে তথ্য পৰীক্ষা কৰিব। ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰৰ এনচিচি আৰু এনএছএছৰ *১০ পৃষ্ঠাত চাওক*

## অভিলেখ সৃষ্টি কৰি এক ডলাৰৰ বিপৰীতে ৮০.০৬ হ'ল টকাৰ মূল্য

■ নিউজ ব্যুৰ'
**মুম্বাই, ২১ জুলাই ঃ** পুনৰ পতন ঘটিল টকাৰ মূল্যৰ। আন্তৰ্জাতিক বজাৰত ডলাৰৰ বিপৰীতে টকাৰ মূল্য ক্ৰমশঃ নিম্নমুখী হৈছে। এই প্ৰৱণতা বিগত কে'বামাহ ধৰি অব্যাহত আছে। আজি পুনৰ নতুন অভিলেখ সৃষ্টি কৰি ডলাৰৰ বিপৰীতে টকাৰ মূল্য সৰ্বাধিক হ্ৰাস পালে।



আজিৰ দিনটোত এক ডলাৰৰ বিপৰীতে টকাৰ মূল্য হ্ৰাস হয় ৮০.০৬লৈ। আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য উৰ্ধ্বমুখী হোৱাৰ ফলত টকাৰ মূল্যৰ পতন হৈছে বুলি বিশেষজ্ঞ মহলে কৈ আহিছে। তদুপৰি মূলধনী বজাৰৰ পৰা বিদেশী বিনিয়োগকাৰীয়ে আঁতৰি যোৱাটো অন্যতম কাৰণ বুলি *১০ পৃষ্ঠাত চাওক*

■ ৰাহুলৰ পাছত এইবাৰ ইডিৰ কাৰ্যালয়ত কংগ্ৰেছ সভানেত্ৰী ■ দিল্লীত গ্ৰেপ্তাৰ হ'ল ৭৫ সাংসদসহ বহু কংগ্ৰেছী ■ বিজেপিৰ ৰাজনৈতিক প্ৰতিহিংসা বুলি গৰিহণা দিলে বিৰোধীয়ে

## তিনিঘণ্টা জেৰাৰ সন্মুখীন হ'ল ছোনিয়া

দিনৰ ১২ বজাৰ পৰা আৰম্ভ হোৱা জেৰা কালত ৫০টা প্ৰশ্নৰ মুখামুখি ঃ সোমবাৰে পুনৰ হাজিৰ হ'বলৈ চমন

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২১ জুলাই ঃ** নেছনেল হেৰল্ড গোচৰত ৰাহুল গান্ধীৰ পাছত এইবাৰ প্ৰৱৰ্তক সঞ্চালকালয় (ইডি)ৰ জেৰাৰ সন্মুখীন হ'ল তেওঁৰ মাতৃ তথা কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধী। আজি ইডিৰ কাৰ্যালয়ত প্ৰায় আঢ়ৈ ঘণ্টা জেৰাৰ সন্মুখীন হয় ছোনিয়া। অহা সোমবাৰে তেওঁক পুনৰ জেৰাৰ বাবে উপস্থিত হ'বলৈ ইডিয়ে চমন জাৰি কৰিছে। উল্লেখ্য যে একে গোচৰত যোৱা মাহত প্ৰায় ৫৩ ঘণ্টা জেৰাৰ সন্মুখীন হৈছিল ৰাহুল। আজি ৭৫ বছৰীয়া ছোনিয়াই ইডিৰ কাৰ্যালয়ত উপস্থিত হোৱাৰ প্ৰথম দিনাই তিনি ঘণ্টা জেৰাৰ সন্মুখীন হোৱাৰ সময়ত আন এটা *১০ পৃষ্ঠাত চাওক*



## মইনা নায়কৰ ঘটনাৰ উচিত তদন্ত-কঠোৰ ব্যৱস্থাৰ দাবী

দুমাহৰ পাছত ঘৰলৈ যাব পাৰিব ঃ বিনামূলীয়া চিকিৎসাৰ ব্যৱস্থা চৰকাৰৰ ঃ স্বাস্থ্য-চিকিৎসাৰ বুজ ল'লে মন্ত্ৰী মহন্তই



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জুলাই ঃ** যোৱা ১৯ জুলাইৰ ডিব্ৰুগড়ৰ লেপেটকটা চাহ বাগিচাৰ চিটিচি মেচিনত দুৰ্ঘটনাত পতিত হৈ গুৰুতৰভাৱে আহত হোৱা মইনা নায়ক (২২) নামৰ যুৱতীগৰাকীৰ স্বাস্থ্যৰ অৱস্থা সম্প্ৰতি সুস্থিৰ বুলি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল (জিএমচিএইছ)ৰ অধীক্ষক ডাঃ অভিজিৎ শৰ্মাই সদৰী কৰিছে। সকলো ঠিকেঠাকে আগবাঢ়িলে দুমাহৰ পাছত মইনা ঘৰলৈ উভতিব পাৰিব বুলিও ডাঃ শৰ্মাই সদৰী কৰে। উল্লেখ্য যে দুৰ্ঘটনাৰ ফলত লাওখোলাৰ এফাল ওলাই যোৱাৰ লগতে এখন হাতৰ হাড় ভঙা যুৱতীগৰাকীক কালি সংকটজনক অৱস্থাত ডিব্ৰুগড়ৰ *১০ পৃষ্ঠাত চাওক*

সাৰদা-লুই বাৰ্জাৰৰ বিৰুদ্ধে তদন্ত কৰিবলৈ সাহস নাই কিয় ঃ ভূপেন বৰা

## ছোনিয়াক জেৰাৰ প্ৰতিবাদ, শতাধিক নেতা-কৰ্মীক আটক




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জুলাই ঃ** কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীক আক্ৰোশমূলকভাৱে বিজেপি চৰকাৰে প্ৰৱৰ্তক সঞ্চালকালয় (ইডি)ক ব্যৱহাৰ কৰি হাৰাশাস্তি কৰি অহাৰ অভিযোগ তুলি আজি দেশজুৰি প্ৰতিবাদ সাব্যস্ত কৰে কংগ্ৰেছৰ নেতা-কৰ্মীসকলে। ইয়াৰ *১০ পৃষ্ঠাত চাওক*

■ অৱশেষত ইছৰ'ৰ দীৰ্ঘদিনীয়া প্ৰয়াসৰ সুফল লাভৰ পথ প্ৰশস্ত ■ সদৰী কৰিলে কেন্দ্ৰীয় বিজ্ঞান-প্ৰযুক্তি মন্ত্ৰীয়ে ■ বিদেশী পৰ্যটন প্ৰকল্পতকৈ ভাৰতত ইচ্ছুক যাত্ৰীৰ ব্যয় সুলভ হ'ব

## মহাকাশ ভ্ৰমণলৈ সাজু হওক আপুনিও

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২১ জুলাই ঃ** ব'লক, এবাৰ বিশ্বব্ৰহ্মাণ্ড ঘূৰি আহো! এইদৰে কোৱাৰ বাবে হয়তো বেছিদিন নাই। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰ'ৰ মতে সোনকালেই আহিব এনে দিন। শীঘ্ৰে ফুৰিবলৈ যাব পাৰিব মহাকাশলৈ। বিগত বহু বছৰ ধৰি নিৰন্তৰ গতিত কাম-কাজ কৰি থকাৰ পাছত এই তথ্য সদৰী কৰিছে ইছৰ'ৱে। মহাকাশত পৰ্যটন ব্যৱস্থা গঢ়ি তোলাৰ বাবে কাম কৰি আছে এই সংস্থাই। কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী জিতেন্দ্ৰ সিঙে কয় যে মহাকাশ সংস্থা 'লো আৰ্থ অৰবিট' (লিঅ')-এ মানুহৰ মহাকাশলৈ ফুৰিব যোৱাৰ লক্ষ্য লৈ কাম কৰি আছে। তেওঁ জনোৱা মতে, বৰ্তমান ৬১খন দেশৰ স'তে মহাকাশ গৱেষণাৰ বিভিন্ন ক্ষেত্ৰত কাম কৰিছে ইছৰ'ৱে। তদুপৰি ইণ্ডিয়ান নেচনেল স্পেছ প্ৰম'ছন *১০ পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত

গুৱাহাটী, ২২ জুলাই, ২০২২ শুকুৰবাৰ পৃষ্ঠা তিনি

## শিমলুগুৰি নগৰত জল জীৱন আঁচনিত ব্যাপক বিসংগতি

### টকা আত্মসাতৰ অভিযোগ ঠিকাদাৰ-বিভাগীয় বিষয়াৰ বিৰুদ্ধে

অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ২১ জুলাই ঃ** জল জীৱন আঁচনিৰ অধীনত কৰা পানী পাইপৰ বিসংগতিৰ বাবে জীয়াতু ভুগিছে একাংশ ৰাইজে। ঘৰে ঘৰে পানী যোগানৰ নামত চৰকাৰে লোৱা জল জীৱন আঁচনি *ছয় পৃষ্ঠাত চাওক*

## বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এজনক আটক ধিং আৰক্ষীৰ



অগ্ৰদূত বাৰ্তা

**ধিং, ২১ জুলাই ঃ** ৰাজ্যৰ আন ঠাইৰ লগতে সম্প্ৰতি নগাঁও জিলাৰ ধিঙতো অব্যাহত আছে ড্ৰাগছ বিৰোধী অভিযান। যোৱা নিশা ধিং আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিটু দাসৰ নেতৃত্বত চলোৱা এক ড্ৰাগছ বিৰোধী অভিযানত ২৪ টা ড্ৰাগছভৰ্তি চাবোনৰ বাকচৰ লগতে আজাদুৰ আলী ওৰফে গাঁওবুঢা নামৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে। লগতে ড্ৰাগছ সৰবৰাহত ব্যৱহৃত এএছ-০২ এন-১১৩১ নম্বৰৰ মাৰুতি *ছয় পৃষ্ঠাত চাওক*

## মাহ মাহ ধৰি কাম কৰি আছে কৰ্মচাৰীয়ে ঃ বিনাবেতনে বহুতৰ অৱসৰ-মৃত্যু

# চৰম সংকটত উন্নয়ন প্ৰাধিকৰণৰ কৰ্মচাৰী

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২১ জুলাই ঃ** মাহৰ পাছত মাহ ধৰি দৰমহাৰ পৰা বঞ্চিত হৈ থকা অসমৰ প্ৰাধিকৰণসমূহৰ প্ৰায় তিনিশজন শ্ৰমিক-কৰ্মচাৰীয়ে বৃহৎ আৰ্থিক সংকটৰ সন্মুখীন হৈছে। চাকৰিৰ চৰম নিৰাপত্তাহীনতাত ভুগি পানীত হাঁহ নচৰাৰ অৱস্থাৰ সৃষ্টি হৈছে যদিও কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষ আৰু প্ৰাধিকৰণৰ চৰকাৰী নিযুক্তিপ্ৰাপ্ত সভাপতিসকলৰ। প্ৰাধিকৰণৰ কৰ্মৰত কৰ্মচাৰীৰ নিৰাপত্তাৰ দিশটোত তদানীন্তন চৰকাৰৰ বিভাগক বাৰম্বাৰ দৃষ্টিগোচৰ কৰি অহাৰ পাছতো কোনো গুৰুত্ব আৰোপ নকৰাত উপায়বিহীন হৈ পৰিছে। কৰ্মৰত কৰ্মচাৰীসকলে মাহৰ পাছত মাহ ধৰি তেওঁলোকৰ ন্যায্য প্ৰাপ্য দৰমহাৰ পৰা বঞ্চিত হ'ব লগা হৈ বহুতে মৃত্যুক আঁকোৱালি *ছয় পৃষ্ঠাত চাওক*



*প্ৰথম আদিবাসী মহিলাৰূপে দ্ৰৌপদী মুৰ্মু ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাৰ লগে লগে ৰাজ্যত আদিবাসী সমাজৰ উল্লাস।*

## ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ কৰ্মীলৈ 'ইন্টাৰনেছনেল ৰেঞ্জাৰ' বঁটা

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২১ জুলাই ঃ** বন্যপ্ৰাণী বিশেষকৈ বাঘৰ সুৰক্ষাৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা অতি উৎকৃষ্ট সেৱাৰ বাবে ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পৰ বন সুৰক্ষা কৰ্মীলৈ ২০২২ৰ ইন্টাৰনেছনেল ৰেঞ্জাৰ বঁটা প্ৰদান কৰা হয়। ইন্টাৰনেছনেল ইউনিয়ন ফৰ কনজাৰভেচন অৱ নেচাৰ (আইইউচিএন) আৰু ৱৰ্ল্ড কমিছন অন প্ৰটেক্টেড এৰিয়াজ (ডব্লিউচিপিএ) নামৰ বিশ্বৰ দুই আগশাৰীৰ প্ৰকৃতি সংগঠনৰ দ্বাৰা প্ৰদান কৰা এই বছৰৰ বঁটা লাভ ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্প বিশ্বৰ মুঠ ১২ বঁটা প্ৰাপকৰ অন্যতম আৰু ভাৰতৰ ভিতৰত একমাত্ৰ। পূৱ আফ্ৰিকাৰ দেশ ৰাৱাণ্ডাৰ কিগালি চহৰত যোৱা বুধবাৰে নিশা হোৱা এক অনুষ্ঠানত এই বঁটাসমূহ আনুষ্ঠানিকভাৱে ঘোষণা আৰু প্ৰদান কৰা হয়। এই বঁটাত আছে এখন মানপত্ৰ আৰু নগদ ১০ হেজাৰ ডলাৰ। বঁটা লাভৰ দিনটো ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পৰ ইতিহাসত এক সোণালী আখৰেৰে লিখা থাকিব বুলি নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পটোৰ ক্ষেত্ৰ সঞ্চালক প্ৰদীপ্ত বৰুৱাই।

### এপিএছচি কাণ্ডৰ অভিযুক্তক সুৰক্ষা দিয়াৰ চেষ্টা

## চৰকাৰে এপিএছচিৰ অভিযুক্তক ৰেহাই দিছে কিয় ঃ ডিৱাইএফআই

**গুৱাহাটী, ২১ জুলাই ঃ** এপিএছচি কেলেংকাৰিৰ তদন্ত কৰি ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগে প্ৰতিবেদন দাখিল কৰাৰ পাছতো কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ভাৰতৰ গণতান্ত্ৰিক যুৱ ফেডাৰেছন (ডিৱাইএফআই)ৰ অসম ৰাজ্যিক কমিটীয়ে আক্ষেপ প্ৰকাশ কৰিছে আৰু তৎকালে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। ২০১৩ত লোকসেৱা আয়োগৰ নিযুক্তি কেলেংকাৰিৰ তদন্ত কৰাৰ বাবে গঠিত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ এজনীয়া তদন্ত আয়োগে দাখিল কৰা প্ৰতিবেদনত ২০১৩ত অবৈধভাৱে নিযুক্তি লাভ কৰাসকলক চাকৰিৰ পৰা বৰ্খাস্ত কৰা, এপিএছচিৰ সংস্কাৰ সাধন কৰাকে ধৰি কে'বাটাও পৰামৰ্শ আগবঢ়োৱা হৈছিল। কিন্তু আচৰিত ধৰণে এই পৰামৰ্শৱালী কাৰ্যকৰী কৰাৰ বাবে মুখ্য সচিব জিষ্ণু বৰুৱাৰ নেতৃত্বত পুনৰ এখন উচ্চস্তৰীয় কমিটী গঠন কৰা হয়। কিন্তু এই সমিতিয়ে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব নোৱাৰিলে। প্ৰকাশিত খবৰ অনুসৰি, যোৱা দুটা মাহত এই সমিতিয়ে মাত্ৰ এবাৰহে বৈঠক অনুষ্ঠিত কৰিছে। এপিএছচিৰ নিযুক্তি কেলেংকাৰিৰ দৰে গুৰুত্বপূৰ্ণ *ছয় পৃষ্ঠাত চাওক*

## মৰিয়নিৰ নকছাৰীত পানীত পৰি দুই কিশোৰীৰ শোকাৱহ মৃত্যু

অগ্ৰদূত বাৰ্তা


**মৰিয়নি, ২১ জুলাই ঃ** মৰিয়নিৰ নকছাৰীত আজি পানীত ডুবি দুগৰাকীকৈ কিশোৰীৰ শোকাৱহ মৃত্যু হোৱাৰ ঘটনাই শোকৰ ছাঁ পেলাইছে। দেৰেৰাপাৰ আৰক্ষী চকীৰ অন্তৰ্গত নকছাৰীৰ তিৰুৱাল গাঁৱত আজি দুপৰীয়া এই শোকাৱহ ঘটনা সংঘটিত হয়। ঘটনাৰ বিষয়ে জানিব পৰা মতে, তিৰুৱাল গাঁৱৰ পথাৰত কঠীয়া তোলাৰ পাছত এটা পুখুৰীত পিছলি পৰি দুয়োগৰাকী কিশোৰীৰ মৃত্যু হয়। স্থানীয় ৰাইজে জানিবলৈ দিয়া মতে, তিৰুৱাল চাহ বাগিচাৰ পকা লাইনৰ নিবাসী প্ৰয়াত নানা সিং মিৰ্ধাৰ কন্যা মৰমী মিৰ্ধা (১১ বছৰ) আৰু বুদুল মিৰ্ধাৰ কন্যা সৰস্বতী মিৰ্ধা (সাত বছৰ)ই দুগৰাকীমান সমনীয়াৰ স'তে তিৰুৱাল গাঁৱৰ পথাৰত কঠীয়া তুলি আছিল। কঠীয়া তোলাৰ মাজতে আটাইকেইগৰাকীয়ে ভৰি-হাত ধুবলৈ বুলি ওচৰৰে এটা পুখুৰীত নামোতেই সৰস্বতী পুখুৰীটোৰ পানীত পিছলি পৰে। সৰস্বতীক বচাবলৈ বুকি চেষ্টা কৰোতেই মৰমীও পানীত পৰে আৰু কিছু সময়ৰ পাছতেই দুয়োগৰাকী পানীত ডুব যায়। সেই সময়ত পাৰত থকা আন কেইগৰাকীয়ে চিঞৰ-বাখৰ কৰে যদিও ওচৰত *ছয় পৃষ্ঠাত চাওক*

### প্ৰথমটো বানতে ছিগিল পকী পথ ঃ এমাহ ধৰি নিৰ্মাণ হোৱা নাই বাঁহৰ দলং

## টংলা হাঁহিনী গাঁও-পানীপোটা সংযোগী পথত ৰাইজৰ দুৰ্ভোগ

অগ্ৰদূত বাৰ্তা

**টংলা, ২১ জুলাই ঃ** ওদালগুৰি জিলাৰ ৰতনপুৰ ভিচিডিচিৰ অন্তৰ্গত হাঁহিনীগাঁও বতাবাৰীত এইবাৰৰ প্ৰথমটো বানতে কুলশী নদীৰ খৰস্ৰোতা বাঢ়নী পানীয়ে বক্স কালভাৰ্টৰ পশ্চিম দিশে পকী পথটোৰ এটা অংশ খহাই নিয়ে। ফলত উক্ত বক্স কালভাৰ্টটো সম্পূৰ্ণ পথৰ পৰা মাটিত পোত খাই যোৱাত টংলা হাঁহিনী গাঁও-পানীপোতা সংযোগী পকী পথটোত ৰাইজৰ যাতায়াত স্তব্ধ হৈ পৰে। ফলত টংলা, হাঁহিনী গাঁও, বতাবাৰী, পানীপোতা, খাটুৱালপাৰা, আলিকাষ, ৰতনপুৰ আদি কে'বাখনো ৰাজহ গাঁৱৰ সহস্ৰাধিক ৰাইজে যাতায়াতৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগিব লগা হৈছে। বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে কৃষি *ছয় পৃষ্ঠাত চাওক*



### অসম কৃষি বিশ্ববিদ্যালয়ত বক্তৃতানুষ্ঠান

## পৰিৱেশ অৱক্ষয়ৰ বাবে কেৱল জনসংখ্যাৰ হাৰ বৃদ্ধিয়ে দায়ী নহয় ঃ ড° শইকীয়া

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২১ জুলাই ঃ** বিশ্বৰ উন্নত দেশসমূহৰ তুলনাত উন্নয়নশীল দেশসমূহৰ জনসংখ্যা বৃদ্ধিৰ হাৰ বেছি। উন্নয়নশীল দেশসমূহে পূৰ্বৰ তুলনাত জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্ৰণত আনিবলৈ সক্ষম হৈছে। তথাপি পৰিৱেশকেন্দ্ৰিক দৃষ্টিভংগীৰে সমগ্ৰ বিষয়টোত নতুন ধৰণেৰে চিন্তা চৰ্চা আৰম্ভ *ছয় পৃষ্ঠাত চাওক*

## গৌৰীসাগৰৰ সোণতলীছিগাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত পথ দুৰ্ঘটনা ঃ আহত এক

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ২১ জুলাই ঃ** শিৱসাগৰ জিলাৰ গৌৰীসাগৰ আৰক্ষী থানাৰ অন্তৰ্গত সোণতলীছিগাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা সংঘটিত হয় এক পথ দুৰ্ঘটনা। খাৰুপেটীয়াৰ পৰা শিৱসাগৰ নগৰৰ কেন্দ্ৰীয় বজাৰলৈ শাক-পাচলি কঢ়িয়াই অনা এএছ-০৪ বিচি-২৯৪৬ নম্বৰৰ ডিআই এখনে ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত বিকল হৈ থকা এএছ-০৬ বিচি-১৭০০ নম্বৰৰ ট্ৰাক এখনত প্ৰচণ্ড খুন্দা মাৰে। দুৰ্ঘটনাত শাক-পাচলি কঢ়িয়াই অনা গাড়ীখন নিমিষতে চূৰ্ণ-বিচূৰ্ণ হৈ পৰে। ইফালে, ঘটনাত খাৰুপেটীয়া পৰা শিৱসাগৰ জিলা চেণ্ট্ৰেল বজাৰলৈ শাক-পাচলি কঢ়িয়াই অনা দুৰ্ঘটনাগ্ৰস্ত গাড়ীখনৰ আৰোহী কাকজানৰ মইনুল আলী গুৰুতৰভাৱে আহত *ছয় পৃষ্ঠাত চাওক*

## শংকৰদেৱ বঁটা প্ৰাপক বৈকুণ্ঠী সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ দ্বিতীয় মৃত্যু বাৰ্ষিকীৰ স্মৃতিচাৰণ সভা সম্পন্ন



অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২১ জুলাই ঃ** সত্ৰীয়া সংস্কৃতিৰ গৱেষক, সংস্কৃত পণ্ডিত শংকৰদেৱ বঁটাৰে বিভূষিত নতুন কমলাবাৰী সত্ৰৰ বৈকুণ্ঠী সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ দ্বিতীয় মৃত্যু বাৰ্ষিকী উপলক্ষত আজি এখনি স্মৃতিচাৰণ সভা সম্পন্ন হয়। ৰামধনু শাখা সাহিত্য সভা কমলাবাৰীৰ উদ্যোগত নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰৰ চ'ৰাত আয়োজিত অনুষ্ঠানটি পৌৰোহিত্য কৰে ৰামধনু শাখা সাহিত্য সভাৰ সভাপতি জগন্নাথ দুৱৰীয়াই। নিৰ্দিষ্ট বক্তাৰ আসনৰ পৰা মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ *ছয় পৃষ্ঠাত চাওক*

## মধুটিঙত গাড়ীসহ অইলৰ চুৰি কনডেনচেট উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**দুলীয়াজান, ২১ জুলাই ঃ** এক গোপন সূত্ৰৰ ভিত্তিত নাওশলীয়া আৰক্ষী চকীৰ এটি দলে কালি নিশা এ এছ-২৩ এন-৮৮২২ নম্বৰৰ এখন নীলা ৰঙৰ ইয়ন গাড়ীত মধুটিঙৰ পৰা নাহৰকটীয়া দিশে অইলৰ চুৰি কনডেনচেট তেল কঢ়িয়াই নি থকা অৱস্থাত মধুটিঙৰ সমীপত উক্ত গাড়ীৰ পৰা ৫০ লিটাৰকৈ সাতটা গেলন ভৰ্তি তেল তথা ৩৫০ লিটাৰ অইলৰ চোৰাং *ছয় পৃষ্ঠাত চাওক*

## ৰূপহীহাটৰ শালপাৰাৰ ধৰ্ষণ কাণ্ডৰ মূল অভিযুক্তক আটক

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ২১ জুলাই ঃ** ৰূপহীহাট থানাৰ আৰক্ষীয়ে যোৱা নিশা ধৰ্ষণ কাণ্ডত লিপ্ত নুৰুল আমিন নামৰ অপৰাধীজনক আটক কৰে। এসপ্তাহ পূৰ্বে শালপাৰাত চাৰি দুৰ্বৃত্তৰ স'তে মিলি ধৃত নুৰুল আমিনে দলবদ্ধভাৱে ধৰ্ষণ কৰিছিল এগৰাকী ১৪ বছৰীয়া কিশোৰীক। আনকি নুৰুল আমিনৰ গ্ৰেপ্তাৰৰ দাবীত ৰাইজে তীব্ৰ প্ৰতিবাদো সাব্যস্ত কৰিছিল। পাছত *ছয় পৃষ্ঠাত চাওক*

## বিদ্যুৎস্পৃষ্ট হৈ গড়কাপ্তানী বিভাগৰ কৰ্মচাৰীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২১ জুলাই ঃ** বৃহস্পতিবাৰে বিহপুৰীয়াত এজন লোকৰ বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু ঘটে। মৃত লোকজন বিহপুৰীয়া নগৰৰ গড়কাপ্তানী বিভাগৰ পৰিদৰ্শন বাংলোৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ধৰ্মেশ্বৰ নাথ (৫৮)। সন্ধিয়া পৰিদৰ্শন বাংলোৰ কাষৰ এটা পৰিত্যক্ত খালত উদ্ধাৰ হয় নাথৰ মৃতদেহ। পৰিদৰ্শন বাংলোৰ কাষতে থকা এডাল বিদ্যুৎ পৰিবাহি তাঁৰত লাগিয়েই ব্যক্তিজনৰ মৃত্যু হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। ঘটনাস্থলীত বিহপুৰীয়া আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে।

## মইনা নায়কৰ নৰক যন্ত্ৰণাৰ বাবে দায়ী লেপেটকটা বাগিচাৰ মালিক-মেনেজাৰক গ্ৰেপ্তাৰৰ দাবী

### বাগিচাৰ চিকিৎসাৰ ব্যৱস্থা সম্পৰ্কে শ্বেতপত্ৰ প্ৰকাশৰ দাবী অসম মজুৰি শ্ৰমিক ইউনিয়ন-ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ

**গুৱাহাটী, ২১ জুলাই ঃ** অসম মজুৰি শ্ৰমিক ইউনিয়ন আৰু ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদে ডিব্ৰুগড় জিলাৰ লেপেটকটা চাহ বাগিচাত এটা কলঘৰৰ মেচিনে মূৰ থেতালি, লাওখোলালৈকে চুলি চেলাই, হাত ভাঙি মুমূৰ্ষু কৰি পেলোৱা মইনা নায়কৰ চৰম দুৰ্দশাৰ কাৰণে বাগিচাৰ মালিক, মেনেজাৰ তথা কৰ্তৃপক্ষক পোনপটীয়াভাৱে দায়ী কৰিছে আৰু তেওঁলোকক অবিলম্বে গ্ৰেপ্তাৰৰ দাবি তুলিছে। শ্ৰমিকৰ সুৰক্ষাৰ কোনো ব্যৱস্থা নৰখাকৈয়ে মহিলা শ্ৰমিক এগৰাকীক ছাল-চেলাই, হাত-মূৰ থেতালি মৃত্যু হ'ব পৰা পৰিস্থিতিয়ে সকলো শ্ৰমিক আইনক বুঢ়া আঙুলি দেখুৱাটোৱেই প্ৰমাণ কৰে বুলি সংগঠন দুটাই এক যৌথ বিবৃতিত অভিযোগ কৰিছে। বিবৃতিত লগতে কোৱা হৈছে যে বৰ্তমানে মালিকপক্ষই ওভতগোৰে নাচিবলৈ সাহস পাইছে। বৰাক উপত্যকাৰ ডলু-লালবাগৰ পৰা তাৰে অসম চাহ নিগমৰ ইচাবেল বাগিচালৈকে উচ্ছেদ চলোৱা এই চৰকাৰে অসম চাহ নিগমৰ ১২ খনকৈ বাগিচা লিজত দিবলৈ উচ্ছেদ চলাবলৈ লৈছে। বৰ্তমানৰ বিজেপি চৰকাৰৰ আমোলত কৰ্প'ৰেট পুঁজিপতিৰ *ছয় পৃষ্ঠাত চাওক*

### এটাৰ পাছত এটাকৈ জাহ গৈছে বাসগৃহ, ৰাজহুৱা অনুষ্ঠান- প্ৰতিষ্ঠান



## মালেগঞ্জত ব্ৰহ্মপুত্ৰ-মানাহ-বেঁকী নৈৰ খহনীয়াই লৈছে অধিক বিধ্বংসী ৰূপ

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২১ জুলাই ঃ** বিগত দিনতকৈ অধিক ভয়াৱহ ৰূপ ধাৰণ কৰিছে বঙাইগাঁও জিলাৰ যোগীঘোপা অঞ্চলৰ মালেগঞ্জৰ নৈৰ গৰাখহনীয়াই। উল্লেখ্য যে বেঁকী আৰু মানাহ নৈয়ে মালেগঞ্জৰ গোবিন্দপুৰ গাঁৱৰ ওচৰতেই মিলিত হোৱাত স্বাভাৱিকতে নৈৰ গতিবেগ অধিক। ইয়াৰ ফলতে বিগত বৰ্ষৰ পৰাই আৰম্ভ হয় নৈ কেইখনৰ গৰাখহনীয়া। চলিত বৰ্ষত খহনীয়াই বিধ্বংসী ৰূপ লৈ কে'বাটাও পৰিয়ালৰ ঘৰ-বাৰী, ভেটি মাটি উছন কৰি অঞ্চলবাসীৰ বাবে ত্ৰাসৰ সৃষ্টি কৰে। এনে অৱস্থাত জিলা প্ৰশাসনে অঞ্চলটো পৰিদৰ্শন কৰাৰ পাছত যোৱা গ্ৰামোন্নয়ন তথা বঙাইগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী *ছয় পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ৫ শাওণ ১৪২৯ ভাস্কৰাব্দ ২২ জুলাই ২০২২



# উদ্ধাৰৰ পথ ক'ত ?

ভাৰতত বিশ্বৰ ভিতৰত সৰ্বাধিক সংখ্যক শিশু চৰম দৰিদ্ৰতাৰ মাজত থকাৰ এটা ভয়ংকৰ পৰিণতি হ'ল এই দেশত শিশুৰ মৃত্যুৰ হাৰ অধিক। বিশ্বত যিমান শিশুৰ মৃত্যু হয়, তাৰ ২০ শতাংশই ভাৰতৰ। ৰক্তহীনতা, ওজন কম হোৱা আৰু বয়স অনুপাতে শৰীৰৰ উচ্চতা কম হোৱা, মৃত্যুৰ হাৰ আদি অসমতো কম নহয়। কেঁচুৱাৰ মৃত্যুৰ ৰাষ্ট্ৰীয় হাৰ ৪০ শতাংশৰ বিপৰীতে অসমত কেঁচুৱাৰ মৃত্যুৰ হাৰো উদ্বেগজনক। কেৱল কেঁচুৱা বা শিশুৱেই নহয়, প্ৰসূতি মাতৃৰ মৃত্যুৰ হাৰো অসমত বেছি। প্ৰতি এক লাখ জীৱিত কেঁচুৱাৰ জন্ম হ'লে তিনিশগৰাকী প্ৰসূতি মাতৃৰ অসমত মৃত্যু হয়। ইয়াৰ বিপৰীতে প্ৰসূতি মাতৃৰ মৃত্যুৰ ৰাষ্ট্ৰীয় হাৰ ১৬৭ গৰাকী। দৰিদ্ৰতাৰ মাজত থকা বাবেই শিশুসকল পুষ্টিহীনতাত ভুগিবলগীয়া হৈছে। পুষ্টিহীনতাত ভোগা শিশুৰ সংখ্যাও অসমত যথেষ্ট বেছি। শিশুৰ মৃত্যুৰ হাৰ বৃদ্ধি পোৱাৰ অন্যতম কাৰণো হ'ল পুষ্টিহীনতা। ওজন কম হোৱা আৰু বয়স অনুপাতে শৰীৰৰ উচ্চতা কম হোৱাৰ কাৰণো পুষ্টিহীনতাই বুলি ক'ব পাৰি; কিন্তু দৰিদ্ৰতা দূৰ কৰিব নোৱাৰিলে পুষ্টিহীনতাও দূৰ কৰাটো সম্ভৱ নহ'ব। চৰকাৰে অৱশ্যে চৰকাৰী বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া মধ্যাহ্ন আহাৰ যোগান ধৰি পুষ্টিৰ অভাৱ দূৰ কৰিব বিচাৰিছে। দেশৰ বহু শিশু এই আঁচনিৰ যোগেদি উপকৃত হৈছে যদিও মধ্যাহ্ন আহাৰ শিশুৰ পুষ্টিহীনতা দূৰ কৰাৰ বাবে যথেষ্ট নহয়। পুৱাৰ পৰা গধূলিলৈকে শিশুক পুষ্টিকৰ খাদ্যৰ প্ৰয়োজন। সেই প্ৰয়োজন পূৰণ কৰাটো দৰিদ্ৰ পিতৃ-মাতৃসকলৰ বাবে সম্ভৱ নহয়। বৰ্তমান সকলোবিধ খাদ্য সামগ্ৰীৰ দাম আকাশলংঘী হৈছে। চৰকাৰে দাম বৃদ্ধি ৰোধ কৰাত ব্যৰ্থতা প্ৰদৰ্শন কৰি আহিছে। শিশুসকলে পুষ্টিকৰ আহাৰ পাব কেনেকৈ ?

ভাৰতৰ তথা অসমৰ শিশুসকলে দৰিদ্ৰতাৰ চিকাৰ হৈছে নাইবা কৰুণ পৰিণতি ভুগিবলগীয়া হৈছে। এই দৰিদ্ৰতাৰ বাবে কিন্তু শিশুসকল দায়ী নহয়। এই চৰম দৰিদ্ৰতাৰ বাবে যদি দায়ী, তেন্তে সেয়া হ'ল দেশৰ শাসক শ্ৰেণী, চৰকাৰসমূহ, আইন প্ৰণেতা আৰু আঁচনি প্ৰস্তুতকৰ্তাসকল। অৱশ্যে আজিৰ ভাৰতৰ শিশুসকলে কেৱল দৰিদ্ৰতাৰ কৰুণ পৰিণতিয়েই ভুগিবলগীয়া হৈছে তেনে নহয়। দৰিদ্ৰ আৰু দৰিদ্ৰমুক্ত আৰু সম্পদশালী— সকলো শ্ৰেণীৰ শিশুৱে ভুগিবলগীয়া হৈছে নিৰ্মমতাৰ, হেৰুৱাবলগীয়া হৈছে শিশুৰ অধিকাৰসমূহ। ভাৰত চৰকাৰে ২০০৯তেই শিক্ষাৰ অধিকাৰ আইন প্ৰণয়ন কৰি শিশুৰ মৌলিক অধিকাৰসমূহৰ সুৰক্ষাৰো ব্যৱস্থা কৰিছিল। শিশুসকলৰ শাৰীৰিক তথা মানসিক শাস্তি নিষিদ্ধ কৰি এই আইন উলংঘা কৰাসকলৰ শাস্তিৰ ব্যৱস্থা কৰা হৈছিল। এই আইনে শিশুৰ ওপৰত চলোৱা অত্যাচাৰত বাধা আৰোপ কৰিছিল। উল্লেখ্য যে শিশুৰ অধিকাৰসমূহৰ ভিতৰত অন্যতম হ'ল অত্যাচাৰৰ পৰা মুক্তিৰ অধিকাৰ। ইয়াৰ লগতে শিশুৰ আন এক প্ৰধান অধিকাৰ হ'ল নিৰ্মম, অমানৱীয় আচৰণ তথা শাস্তিৰ পৰা মুক্তিৰ অধিকাৰ। জীয়াই থকাৰ অধিকাৰ আদি মৌলিক মানৱ অধিকাৰৰো গৰাকী হ'ল শিশুসকল; কিন্তু এইসমূহ অধিকাৰৰ পৰা দেশৰ শিশুসকল বঞ্চিত হ'বলগীয়া হৈছে। শিশুসকল নিৰ্মম আচৰণ, অত্যাচাৰ আদিৰ পৰা মুক্ত হ'ব পৰা নাই। তেওঁলোক ঘৰত, ঘৰৰ বাহিৰত, বিদ্যালয়ত নাইবা অন্যান্য শিক্ষানুষ্ঠানত নিৰ্মমতা আৰু অত্যাচাৰৰ বলি হ'বলগীয়া হৈছে। বৃহৎ সংখ্যক শিশু আজিও শ্ৰমিক হিচাপে নিয়োজিত হৈ আছে। গ্ৰামাঞ্চল আৰু চহৰ-নগৰসমূহত বন্দী জীৱন কটাবলগীয়া হৈছে বহুতো শিশু শ্ৰমিকে। অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগে 'শিশু সুৰক্ষা' নামৰ এটা ম'বাইল এপ মুকলি কৰিছে যদিও ইয়াৰ দ্বাৰা কি সুফল লাভ কৰা হৈছে সেয়া এই পৰ্যন্ত পোহৰলৈ অহা নাই। এই এপটোৰ সহায়ত শিশুসকলৰ অধিকাৰ উলংঘা কৰা নাইবা শিশুৰ ওপৰত শাৰীৰিক-মানসিক নিৰ্যাতন চলোৱা ঘটনাৰ বিৰুদ্ধে অসম শিশু অধিকাৰ সুৰক্ষা আয়োগক অভিযোগ দিব পাৰি। ৰাইজ সজাগ হ'লে শিশুৰ অধিকাৰ সুৰক্ষিত কৰাত এনেসমূহ ব্যৱস্থাৰ যোগেদি নিশ্চয় সফল হ'ব।

## খো লা ম ঞ্চ

### অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা



**অগ্ৰদূত** কাকতখনে ঘাত-প্ৰতিঘাতৰ অনেক বাটকুৰি অতিক্ৰম কৰি পাঁচটা দশকজুৰি অসমীয়া পঢ়ুৱৈ সমাজক সেৱা প্ৰদান কৰিবলৈ সক্ষম হোৱা হেতুকে মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। স্বনামধন্য কনকসেন ডেকাৰ বলিষ্ঠ সম্পাদনা আৰু সঠিক পথ প্ৰদৰ্শন আৰু নিষ্ঠাৱান কৰ্মচাৰীসকলৰ নিষ্ঠাৰে অগ্ৰদূতে অৰ্ধ শতিকা অতিক্ৰম কৰিবলৈ কত যে প্ৰতিযোগিতাৰ সন্মুখীন হোৱা সত্বেও সফলতাৰে নিজ পথত অগ্ৰসৰ হ'বলৈ সাহস গোটাইছে। অগ্ৰদূতৰ পঢ়ুৱৈ সমাজৰ বাবে অগ্ৰদূত মাথোঁ এখন বাতৰি কাকত হৈ থকা নাই। অগ্ৰদূত পঢ়ুৱৈ জীৱনৰ এক অভিন্ন অংগ হৈ উঠিছে। অসমৰ অনেক ঠাই ভ্ৰমণ কৰা কালত মই কিছুসংখ্যক নিষ্ঠাৱান পঢ়ুৱৈ দুপৰীয়া ১১-১২ বজালৈকে স্থানীয় হকাৰৰ ওচৰলৈ কে'বা কিলোমিটাৰ বাট চাইকেল চলাই আহি অগ্ৰদূত কাকতখন ক্ৰয় কৰি কাকতখন খুলি পঢ়ি কাষত বৈ থকা দুই এগৰাকী পৰিচিত ব্যক্তিক কিছু বাতৰিৰ কিয়দংশ উচ্চস্বৰে শুনোৱা কাৰ্য পৰিলক্ষিত কৰি আনন্দত বুকু ওফন্দি উঠে; যিহেতু মই নিজেও আজি প্ৰায় দুই দশক জুৰি অগ্ৰদূত কাকতখনলৈ মোৰ কবিতা, গল্প, প্ৰবন্ধ ইত্যাদিৰ জৰিয়তে অৰিহণা যোগাই আহিছো আৰু বিনিময়ত মোক অগ্ৰদূত কাকতখনে এক বিশাল পঢ়ুৱৈ সমাজৰ স'তে পৰিচিত হ'বলৈ

আৰ্চি নাথ, *লেখক*

সুযোগ প্ৰদান কৰিছে। সেয়েহে কোনোবা পঢ়ুৱৈয়ে 'মই অগ্ৰদূত'ক ভাল পাওঁ' বুলি কোৱা শুনিলে সেই ব্যক্তিজনে অগ্ৰদূত নহয়, মোক ভাল পাওঁ বুলি কোৱা যেন অনুভৱ হয় আৰু মোৰ মন উৎফুল্লিত হৈ পৰে।

আন অনেকবোৰ বাণিজ্যত থকা প্ৰতিযোগিতাৰ দৰেই সংবাদ প্ৰচাৰ তথা পৰিৱেশনৰ পৃথিৱীখনো প্ৰতিযোগিতাৰ কণ্টকময় পথেৰে পৰিপূৰ্ণ। ইয়াৰ মাজতো নিজৰ আত্মমৰ্যাদা সম্পূৰ্ণৰূপে সুৰক্ষিত ৰাখি আপোচবিহীন সংবাদ পৰিৱেশনেৰে বীৰদৰ্পে নিজ লক্ষ্যত উপনীত হ'বলৈ প্ৰতিনিয়ত প্ৰচেষ্টা চলোৱা কাৰ্য অতিকৈ প্ৰশংসনীয়। আন কিছু সংখ্যক সংবাদ পত্ৰৰ দৰে নিজৰ চাহিদা বৃদ্ধি কৰিবলৈ অতিৰঞ্জিত বাতৰি পৰিৱেশন কৰি পাছলৈ ক্ষমা খোজা নাইবা কাৰোবাৰ ৰোষত পৰি আইন আদালতত শিৰনত হ'বলগীয়া কাৰ্যৰ পৰা অগ্ৰদূতক মই আঁতৰত থকাটো পৰিলক্ষিত কৰি আহিছো। এই কাৰ্যৰ বাবে মই অগ্ৰদূতক ধন্যবাদ নজনোৱাকৈ থাকিলে ভুল হ'ব। সেয়েহে বিশ্বাসনীয় সংবাদ পৰিৱেশনৰ বাবে লোৱা প্ৰতিটো পদক্ষেপৰ বাবে মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

নামী-দামী কবি সাহিত্যিকসকলক অগ্ৰদূত কাকতত নিয়মীয়াকৈ তেওঁলোকৰ লেখা প্ৰকাশ কৰিবলৈ সুযোগ প্ৰদান কৰাৰ উপৰি অগ্ৰদূতে নৱপ্ৰজন্মৰ লেখক-লেখিকা সকলকো অসমীয়া পঢ়ুৱৈ সমাজৰ স'তে পৰিচিত হ'বলৈ অৱকাশ প্ৰদান কৰা কাৰ্যক মই অন্তৰেৰে সমৰ্থন কৰো আৰু সেই মহান কাৰ্য ভৱিষ্যতলৈকো চলাই অসমীয়া পঢ়ুৱৈ সমাজক ন-ন কবি- সাহিত্যিক সৃষ্টি কৰি অসমীয়া সাহিত্যৰ ভঁড়াল টনকিয়াল কৰিবলৈ অনুৰোধ জনালো অগ্ৰদূতৰ পৰিচালনা মণ্ডলীলৈ। অসমীয়া বাতৰি কাকতৰ প্ৰচলন ইণ্টাৰনেটৰ বহুল ব্যৱহাৰৰ বাবে কিছুসংখ্যক হ'লেও বাধাগ্ৰস্ত হোৱা কাৰ্য নিশ্চয়কৈ সকলোৰে দৃষ্টিগোচৰ হৈছে। অসমীয়া ভাষাৰ প্ৰতি অনীহাও বাতৰি কাকত বিক্ৰীৰ ক্ষেত্ৰত অন্তৰায় হিচাপে থিয় দিছে যদিও অগ্ৰদূতে ইয়াৰ মাজতে অৰ্ধ শতিকা অতিক্ৰম কৰি অসমীয়া বাতৰি কাকতৰ পঢ়ুৱৈ সমাজৰ মাজত নিষ্ঠাৱান পঢ়ুৱৈসকলক আঁকোৱালি ৰাখিবলৈ সমৰ্থ হোৱা কাৰ্য অতিকৈ প্ৰশংসনীয়। পঢ়ুৱৈ সমাজৰ এই আস্থা আৰু নিষ্ঠাৰে অগ্ৰদূত যেন শতবৰ্ষ পাৰ কৰিবলৈ সক্ষম হয় তাৰ আশা আৰু কামনাৰে মোৰ লিখা সামৰিলো।

*ফোন ঃ ৮৭৬১০২১১২৫*

# ৰাজদ্ৰোহ-ৰাষ্ট্ৰদ্ৰোহ আইনক লৈ চিন্তা-চৰ্চা


## চৰকাৰৰ বিৰোধিতা কৰাসকলক বুধি-বুধা কৰি ৰাষ্ট্ৰদ্ৰোহৰ লেখীয়া কামত চৰকাৰে সাঙুৰি লয়...

দেশদ্ৰোহ বা ৰাষ্ট্ৰদ্ৰোহক লৈ যোৱা কিছুদিন ধৰি অসমৰ ৰাইজৰ মাজত কিছু আলোচনা চলি আছে, বিশেষকৈ সংবাদ মাধ্যম, ফেচবুক, টুইটাৰ আদিত বিষয়টো বাৰুকৈয়ে চৰ্চিত হৈ পৰিছে। চৰকাৰৰ প্ৰতি হোৱা বিৰূপ সমালোচনাৰ তীব্ৰতা ইমানেই বেছি হৈছে যে মুখ্যমন্ত্ৰী আৰু তেওঁৰ সতীৰ্থ মন্ত্ৰী-বিধায়কৰ লগতে জিৎমল দলে, ভাস্কৰজ্যোতি মহন্ত আদিৰ দৰে বৰমূৰীয়া আৰক্ষী বিষয়ায়ো বিষয়টোক লৈ স্পষ্টীকৰণ দিবলগীয়া হৈছে। আলোচ্য বিষয়টো হ'ল নাং বৰ্ষাশ্ৰী শদিয়াখোৱা বুঢ়াগোঁহাই নামৰ এগৰাকী কলেজীয়া মেধাৱী ছাত্ৰীক উৰিয়ামঘাটৰ পুলিচে গ্ৰেপ্তাৰ কৰিছে 'দেশদ্ৰোহ'ৰ অপৰাধত আৰু দুমাহৰ ওপৰকাল ছোৱালীজনী জেলতে আছে। বৰ্ষাশ্ৰীয়ে এটা কবিতা ফেচবুকত দিছিল, য'ত আছিল 'আকৌ কৰিম ৰাষ্ট্ৰদ্ৰোহ' শীৰ্ষক বাক্যাংশ। ইয়াতেই চৰকাৰে ৰাষ্ট্ৰদ্ৰোহৰ গোন্ধ পালে আৰু কবিগৰাকীক জেলত ভৰালে। চৰকাৰী পক্ষৰ মতে কবিতা এটা লিখাৰ বাবে বৰ্ষাশ্ৰীক গ্ৰেপ্তাৰ কৰা নাই, তেওঁ হেনো 'আলফালৈ যাম' বুলি ধমকি দিছিল।

দেশদ্ৰোহ বা ৰাষ্ট্ৰদ্ৰোহ আইনৰ মূল হ'ল ৰাজদ্ৰোহ আইন আৰু প্ৰায়েই ৰাজদ্ৰোহৰ লগত ৰাষ্ট্ৰদ্ৰোহক একাকাৰ কৰা হয়। ১৮৩৭ত 'ৰাজদ্ৰোহ' আইনৰ ইতিহাসবিদ আৰু ৰাজনীতিজ্ঞ থমাছ মেকলেই (Thomas Babington Macaulay) ৰূপ দিছিল আৰু ভাৰতৰ ব্ৰিটিছ চৰকাৰে ১৮৭০ত ভাৰতীয় দণ্ডবিধি (Indian Penal code-IPC) ৰ ১২৪A ধাৰা হিচাপে প্ৰৱৰ্তন কৰিছিল Sedition Law in India নামেৰে। আইনখনৰ মুখ্য উদ্দেশ্য আছিল ব্ৰিটিছ শাসনৰ বিৰুদ্ধে মাত মতাসকলক আৰু স্বাধীনতা আন্দোলনকাৰীক ভীতিগ্ৰস্ত কৰি তোলাতো। পূৰ্বৰ আলোচনাৰ আঁত ধৰি কৈ থ'ব পাৰি যে ৰাষ্ট্ৰই অৰ্থাৎ শাসনাধিষ্ঠিত চৰকাৰে প্ৰজা বা নাগৰিকক ভীতিগ্ৰস্ত কৰি তোলাৰ ব্যৱস্থা 'ৰাষ্ট্ৰীয় সন্ত্ৰাস'ৰ ভিতৰত পৰে। ব্ৰিটিছ চৰকাৰেও এনে সন্ত্ৰাসৰ পোষকতা কৰিছিল। লক্ষ্যণীয় কথাটো হ'ল এই আইন প্ৰথমবাৰ প্ৰয়োগ কৰা হৈছিল মোহনদাস কৰমচাঁদ গান্ধী বা মহাত্মা গান্ধী আৰু বাল গংগাধৰ তিলকৰ ওপৰত। গান্ধীজীয়ে কৈছিল যে ৰাজদ্ৰোহ আইন হৈছে 'আই পি চিৰ ৰাজকুমাৰ।' পৰিতাপৰ কথাটো হ'ল ব্ৰিটিছ চৰকাৰে ভাৰতীয় জনতাৰ ওপৰত প্ৰয়োগ কৰা বিতৰ্কিত আইনখনকে স্বাধীন ভাৰতৰ চৰকাৰবোৰেও 'ৰাষ্ট্ৰদ্ৰোহ আইন' হিচাপেই ব্যৱহাৰ কৰি থাকিল আৰু স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো এইখনৰ আধাৰত আটক কৰা কাৰ্য চলিয়েই আছে। ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয়ে সম্প্ৰতি আইনখনৰ বৈধতাৰ ওপৰত প্ৰশ্ন তুলিছে।

ভাৰতীয় দণ্ডবিধিৰ ১২৪A ধাৰা মতে কোনো ব্যক্তিয়ে চৰকাৰৰ বিৰুদ্ধে কথাৰে বা লিখনিৰে বা ইংগিতেৰে বা প্ৰতীক চিহ্নেৰে বা অন্য যিকোনো প্ৰকাৰে ঘৃণা বা অৱমাননা বা উত্তেজিত কৰাৰ চেষ্টা বা অসন্তুষ্টিৰ সৃষ্টি কৰাৰ চেষ্টা কৰিলে সেয়া ৰাজদ্ৰোহ বুলি গণ্য হ'ব। এই দোষত গ্ৰেপ্তাৰ হোৱাসকল জামিন বিহীন হয় আৰু দোষী সাব্যস্ত হ'লে তিনি বছৰৰ পৰা আজীৱন কাৰাদণ্ড হ'ব পাৰে তেনে লোকৰ।

ৰাজদ্ৰোহ আৰু ৰাষ্ট্ৰদ্ৰোহ



### দৃষ্টিপাত

### ড° খৰ্গেশ্বৰ ভূঞা

দুয়োটা বেলেগ হ'লেও একেখন আইনেৰে হোৱাৰ বিচাৰ হয়। শাসনাধিষ্ঠিত চৰকাৰৰ বিৰোধী কথা বা কাৰ্যকলাপ ৰাজদ্ৰোহ ইয়াৰ বিপৰীতে দেশৰ অনিষ্ট হোৱা বিষয়বোৰ ৰাষ্ট্ৰদ্ৰোহৰ অন্তৰ্গত হয়। নক'লেও হ'ব যে গণতন্ত্ৰত চৰকাৰ চলোৱাসকলৰ বিৰোধ হৈয়েই থাকে, গতিকে এনে কাৰ্যক ৰাষ্ট্ৰদ্ৰোহৰ লগত একাকাৰ কৰিলে গণতন্ত্ৰৰ অৰ্থই নোহোৱা হ'ব। বিগত দিনবোৰৰ অভিজ্ঞতাৰ পৰা ক'ব পাৰি যে চৰকাৰৰ বিৰোধিতা কৰাসকলক বুধি-বুধা কৰি ৰাষ্ট্ৰদ্ৰোহৰ লেখীয়া কামত চৰকাৰে সাঙুৰি লয় আৰু এনেদৰে ৰাজদ্ৰোহ আৰু ৰাষ্ট্ৰদ্ৰোহক একাকাৰ কৰি পেলায়। বৰ্ষাশ্ৰীৰ ঘটনাটোকেই চোৱা যাওক। মুখ্যমন্ত্ৰী আৰু পুলিচৰ বৰমূৰীয়াসকলৰ মতে তেওঁ 'আলফালৈ যাম' বুলি কৈছিল; নিষিদ্ধ সংগঠন আলফালৈ যোৱা মানেই ৰাষ্ট্ৰদ্ৰোহ, গতিকে তেওঁক আটক কৰিব পাৰে। ইয়াৰ লগত সামঞ্জস্য থকা আন দুটা কথা বৰকৈ চৰ্চিত হৈছে। এটা হৈছে যুৱ সমাজৰ 'হৃদস্পন্দন' স্বৰূপ জুবিন গাৰ্গে এসময়ত কৈছিল যে চৰকাৰে 'কা' আইন বলৱৎ কৰিলে তেওঁ আলফাত যোগ দিব। এয়াও ৰাষ্ট্ৰদ্ৰোহৰ পৰ্যায়ত পৰিব। বৰ্ষাশ্ৰীৰ অনুগামীৰ সংখ্যা বোধহয় আঙুলি মূৰত লিখিব পৰা। আনহাতে, জুবিনৰ অনুগামীৰ সংখ্যা লাখ চেৰাই কোটিও হ'ব পাৰে। তেনেক্ষেত্ৰত জুবিনৰ ভাষ্যই তেওঁৰ অনুগামীলৈ এনে ভুল বাৰ্তাও দিব পাৰে যে ৰাইজে নিবিচৰা আৰু জাতিধ্বংসী 'কা' আইনখন চৰকাৰে জোৰকৈ জাপি দিলে নিৰুপায় যুৱক-যুৱতীসকল আলফালৈ যোৱা উচিত। ইয়াৰ বিপৰীতে বৰ্ষাশ্ৰীয়ে সঁচাকৈয়ে 'আলফালৈ যাম' বুলিলেও তেওঁৰ পিছে পিছে বৃহৎ সংখ্যকো যোৱাৰ সম্ভাৱনা তেনেই কম। গতিকে বৃহৎ সংখ্যকক উচটনি দিব পৰা জুবিনৰ ভাষ্য বেছি ৰাষ্ট্ৰদ্ৰোহী আছিল। মুখ্যমন্ত্ৰীৰ ভাষ্যৰ সুৰতে সুৰ মিলোৱা মন্ত্ৰী-বিধায়ক দুজনমানে ক'লে যে জুবিনে 'আলফালৈ যাম' বুলিহে কৈছিল যোৱাতো নাছিল। কথাষাৰ আমিও সমৰ্থন কৰিছো। চৰকাৰৰ জনবিৰোধী কাৰ্যত অতিষ্ঠ হৈ জুবিনে আলফালৈ যোৱাৰ কথা ক'বই পাৰে— এয়া ক্ষোভ প্ৰকাশহে, কাৰ্যকৰী কৰা বাক্য নহয়। গতিকে জুবিনক ৰাষ্ট্ৰদ্ৰোহৰ অপৰাধত গ্ৰেপ্তাৰ নকৰাটো সমৰ্থনযোগ্য; পিছে একেধৰণৰ কথাতে আন এগৰাকী কম বয়সীয়া ছোৱালীক দুমাহ ধৰি জেলত সুমুৱাই থোৱাটোও ভাল কথা নহয়। এয়াই ৰাইজৰ অনুভৱ।

আন এটা ৰাষ্ট্ৰদ্ৰোহৰ উদাহৰণ হ'ল— মন্ত্ৰী সঞ্জয় কিষাণে পৰেশ বৰুৱাৰ ধমকিত লেউ-সেউ হৈ ক্ষমা খোজাটো। ৰাষ্ট্ৰবিৰোধী উগ্ৰবাদী সংগঠন এটাৰ ওচৰত এজন শক্তিশালী মন্ত্ৰীয়ে আত্মসমৰ্পণ কৰাটো বাৰুকৈয়ে ৰাষ্ট্ৰদ্ৰোহী কাম। পিছে এই দোষৰ বাবে মন্ত্ৰীগৰাকীক গ্ৰেপ্তাৰ কৰাটো দূৰৰে কথা, 'কাৰণ দৰ্শোৱাৰ জাননী' দিয়েই মুখ্যমন্ত্ৰীয়ে দায় সামৰিলে। কিষাণে উত্তৰ দিলে নে নাই নাজানো, দিলেও সেয়া গ্ৰহণযোগ্য হয় নে নহয় তাকো নাজানো।



**বৰ্ষাশ্ৰীৰ ক্ষেত্ৰত দুখ লগা কথাটো হ'ল— তেওঁৰ পৰিয়ালে আইনী ব্যৱস্থাৰ সহায় ল'বলৈ আৰ্থিকভাৱে অক্ষম বাবে ছোৱালীজনী প্ৰায় ৭০ দিন বিনা বিচাৰে কাৰাগাৰত থাকিব লগা হৈছে। বিষয়টো আন্ধাৰতেই থাকি গ'লহেঁতেন, যদিহে সচেতন ৰাইজৰ একাংশই ডিজিটেল মাধ্যমৰ যোগেদি হুলস্থুল নকৰিলেহেঁতেন**

ৰাষ্ট্ৰদ্ৰোহৰ অপৰাধত আৰক্ষীয়ে আটক কৰা লোকৰ সংখ্যা যথেষ্ট হ'লেও আদালতৰ মজিয়াত দোষী সাব্যস্ত হোৱা লোকৰ সংখ্যা তেনেই কম, ৯৮ শতাংশতকৈও অধিক লোকেই নিৰ্দোষীৰূপে আদালতৰ পৰা ৰেহাই পাইছিল। ২০১৪-২০১৯ৰ ভিতৰত মুঠ ৩২৬টা দেশদ্ৰোহিতাৰ কেছ আছিল— ইয়াৰ ভিতৰত কেৱল ছটাহে যথাৰ্থ আছিল। লক্ষ্যণীয় কথাটো হ'ল এই ৩২৬টা কেছৰ ভিতৰত ৰাজ্য হিচাপে অসমতেই আটাইতকৈ বেছি ৫৬ টা অভিযোগ আছিল। ইয়াৰে এজনকো দোষী সাব্যস্ত কৰিব পৰা নগ'ল।

এইবোৰৰ পৰা ছুপ্ৰিম কোৰ্টে ১২৪A ধাৰাৰ ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে সদপ্ৰয়োগ কৰা নাই বুলি অনুভৱ কৰি আইনখনৰ অবাধ ব্যৱহাৰত বাধা দিছে। এই সম্পৰ্কে বহুতেই উচ্চতম ন্যায়ালয়ত আবেদন কৰিছিল। এই আইনৰ ধাৰাত অভিযুক্তসকলৰ বিৰুদ্ধে বিচাৰ চলোৱাৰ ক্ষেত্ৰতো ন্যায়ালয়ে বাধা আৰোপ কৰিছে। ১২৪A আইনৰ ধাৰা প্ৰয়োগৰ ওপৰত বাধা-নিষেধ আৰোপ কৰাৰ ঘটনা আইনখন প্ৰয়োগ হোৱাৰ ১৫২ বছৰৰ ভিতৰত প্ৰথম ঘটিছে বোলা হৈছে। উচ্চতম ন্যায়ালয়ে ১২৪A ধাৰাটো পুনৰ বিবেচনাৰ বাবে কেন্দ্ৰীয় চৰকাৰক নিৰ্দেশ দিছে। কোৱা হৈছে যে এই ধাৰাত নতুন কোনো অভিযোগ লোৱা নহ'ব আৰু জেলত এই আইনৰ আধাৰত বন্দী হৈ থকাসকলে জামিনৰ বাবে আবেদন কৰিব পাৰিব। আইনৰ পুনৰ্বিবেচনা নোহোৱালৈকে অভিযোগবোৰৰ বিচাৰ বন্ধ থাকিব।

আইনখনৰ বিৰোধিতা কৰাসকলৰ শুনানিত চৰকাৰী পক্ষৰ ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই কয় যে আইনখন বন্ধ কৰা উচিত নহ'ব, মুখ্য ন্যায়াধীশ এন ভি ৰমণৰ অধ্যক্ষতাত হোৱা শুনানিত মেহতাই কয় যে ১৯৬২ত এখন সংবিধান পীঠে ৰাষ্ট্ৰদ্ৰোহ আইনখন বাহাল ৰখাৰ পোষকতা কৰিছিল। তেওঁ কয় যে এনে অপৰাধৰ অভিযোগনামা দাখিলৰ বিষয়টো আৰক্ষী অধীক্ষকৰ পৰ্যায়ৰ বিষয়াক দিয়া উচিত। মেহতাৰ মতে ৰাষ্ট্ৰদ্ৰোহৰ অপৰাধবোৰ বিভিন্ন বিষয়ৰ হ'ব পাৰে— উগ্ৰবাদী সংগঠন আৰু আন বিষয়বোৰৰ গুৰুত্বৰ ক্ষেত্ৰত সকলোৰে আদালতৰ বিচাৰৰ ওপৰত আস্থা ৰখা উচিত। মুঠতে কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰদ্ৰোহ আইন বাতিল হোৱাটো বা ইয়াৰ কোনো সংশোধনী হোৱাটোও নিবিচাৰে।

দেশদ্ৰোহ সম্পৰ্কীয় আইনখন বাতিলৰ বাবে আবেদন কৰাসকলৰ নেতৃত্বত আছিল প্ৰখ্যাত আইনজ্ঞ আৰু ৰাজনীতিবিদ কপিল চিবাল। ১২৪A আইনৰ ব্যাপক অপপ্ৰয়োগক লৈ চিন্তিত ছুপ্ৰিম কোৰ্টে যোৱা বছৰৰ এপ্ৰিলতে কেন্দ্ৰীয় চৰকাৰক সুধিছিল যে ভাৰতৰ স্বাধীনতা আন্দোলনক দমাবলৈ আৰু মহাত্মা গান্ধীৰ দৰে লোকৰ মুখ বন্ধ কৰাক লৈ ব্ৰিটিছে প্ৰণয়ন কৰা ক'লা আইনখন এতিয়াও কিয় বাতিল কৰা নাই। এডিটৰ্ছ গিল অৱ ইণ্ডিয়া, প্ৰাক্তন মেজৰ জেনেৰেল এছ জি বোম্বটকাৰ আদিৰ দ্বাৰা আইনখনৰ ওপৰত তোলা প্ৰশ্নৰ উত্তৰ বিচাৰি উচ্চতম ন্যায়ালয়ে এই বিষয়ে সিদ্ধান্ত ল'বলৈ কেন্দ্ৰীয় চৰকাৰক কৈছে।

ৰাষ্ট্ৰদ্ৰোহৰ আইনখন শাসনাধিষ্ঠিত চৰকাৰবোৰে বিৰোধীৰ সমালোচনা বন্ধ কৰিবলৈ ভয় দেখুওৱাৰ এক আহিলা হিচাপে ব্যৱহাৰ কৰিছে, যিটোক আইনৰ অপব্যৱহাৰ বুলি সৰ্বোচ্চ ন্যায়ালয়ৰ অনুভৱ কৰিছে। এই আইনৰ সুৰুঙাৰে এবাৰ জেলত সুমুৱালে সেইজনৰ বাহিৰ ওলাবলৈ বহুদিন লাগিব, নিৰ্দোষী হৈও বহুকাল জেলত থাকিব লাগিব, কাৰণ এনে গ্ৰেপ্তাৰ হৈছে জামিনবিহীন আৰু ভাৰতীয় আইন ব্যৱস্থাৰ অতি লেহেম গতিৰ বাবে তেনে কেছ ছিঙিবলৈ বছৰ বছৰ ধৰি অপেক্ষা কৰিব লাগিব।

বৰ্ষাশ্ৰীৰ ক্ষেত্ৰত দুখ লগা কথাটো হ'ল— তেওঁৰ পৰিয়ালে আইনী ব্যৱস্থাৰ সহায় ল'বলৈ আৰ্থিকভাৱে অক্ষম বাবে ছোৱালীজনী প্ৰায় ৭০ দিন বিনা বিচাৰে কাৰাগাৰত থাকিব লগা হৈছে। বিষয়টো আন্ধাৰতেই থাকি গ'লহেঁতেন, যদিহে সচেতন ৰাইজৰ একাংশই ডিজিটেল মাধ্যমৰ যোগেদি হুলস্থুল নকৰিলেহেঁতেন। মুখ্যমন্ত্ৰী, তেওঁৰ সহযোগীসকল আৰু আৰক্ষীৰ বৰমূৰীয়াই ৰাইজৰ দাবীত বাৰে বাৰে স্পষ্টীকৰণ দিবলৈ ল'লে যে বৰ্ষাশ্ৰীক কবিতা লিখাৰ বাবে নহয় 'আলফালৈ যাম', 'ৰাষ্ট্ৰদ্ৰোহ কৰিম' আদিৰ বাবেহে গ্ৰেপ্তাৰ কৰা হৈছে। উচ্চতম ন্যায়ালয়ে ১৩ মে'ৰ পাছত ৰাষ্ট্ৰদ্ৰোহৰ গোচৰ ৰুজু নকৰিবলৈ কোৱা সত্ত্বেও তেনে কৰাৰ প্ৰতিবাদ কৰিবলৈ ছোৱালীজনী আৰু তেওঁৰ পৰিয়ালৰ সামৰ্থ্য নাছিল। মুখ্যমন্ত্ৰীয়ে টুলুঙা মন্তব্যৰে কৈছিল যে তেওঁক গ্ৰেপ্তাৰ নকৰিলে আলফালৈ যাব আৰু কেতিয়াবা বোমাৰে গণেশগুৰিত বিপৰ্যয় ঘটাব— তেনে কৰিলে কোনে দায়িত্ব ল'ব! এনেকৈ যিকোনো সম্ভাৱনাৰেই কল্পনা কৰিব পাৰি। ৰাইজৰ দাবীত ন্যায়ালয়ে বৰ্ষাশ্ৰীক পৰীক্ষা দিবলৈ অনুমতি দিছিল যদিও আৰক্ষীয়ে তাতো হস্তক্ষেপ কৰি ন্যায়ালয়ৰ ধমক খাইছে, আনকি কলেজখনৰ অধ্যক্ষজনকো জবাবদিহি কৰিছে ন্যায়ালয়ে।

এনেবোৰ কাণ্ডক পৰোক্ষভাৱে ৰাষ্ট্ৰীয় সন্ত্ৰাসৰ অন্তৰ্ভুক্ত কৰিব পাৰি। বৰ্ষাশ্ৰীয়ে আইনৰ সুবিচাৰেৰে মুকলি আকাশৰ তললৈ আহি পঢ়া-শুনা আগবঢ়াই নিয়াতো কামনা কৰিছো।

*ফোন ঃ ৮১৩৫৮৩৫২১৯*



# মাতৃ সেৱা ডাঙৰ নে হজ যাত্ৰা ডাঙৰ ?

**বাৰ্ধক্য** জীৱনৰ শেষ উপহাৰ। হাজাৰ চেষ্টা কৰিলেও ইয়াৰ পৰা হাত সাৰিব নোৱাৰি। বাৰ্ধক্য সকলোৰে বাবে অনাকাংক্ষিত, কিন্তু অপৰিহাৰ্য। পিতৃৰ ঔৰসত মাতৃৰ গৰ্ভত সন্তানে স্থিতি লৈ সময়ত পৃথিৱীৰ পোহৰ দেখে। পিতা-মাতাই নিজে নাখাই সন্তানক খুৱায়। অন্ন, বস্ত্ৰ, আশ্ৰয়ৰ যোগান ধৰা পিতা-মাতাক জীৱনৰ বিয়লি বেলাত অত্যাচাৰ কৰা, যতন নোলোৱা সন্তান, পো-বোৱাৰী, জী-জোঁৱাই আদিক সহজতে ক্ষমা কৰিব পাৰি জানো ? অৱজ্ঞা-অনাদৰ কাৰোৰে কাম্য নহয়। অথচ সেইটোৰে আমাৰ সমাজত সৰহ সংখ্যক পৰিয়ালত বৃদ্ধ-বৃদ্ধাই ভুগিবলগীয়া হৈছে। বেপাৰ বাণিজ্যৰ পৰা যিকোনো ধৰণৰ পেছাদাৰী জীৱনলৈ সৰ্বত্ৰ এতিয়া কেৱল প্ৰতিযোগিতা। সমাজৰ গৰিষ্ঠ সংখ্যক লোক দূৰন্ত গতিৰে ইজনে সিজনক পাছ পেলাই সাফল্য নামৰ সপোন খেদাত ব্যস্ত হৈ পৰিছে। তথাকথিত আধুনিক সমাজৰ কিছু পৰিয়ালৰ ৰেহৰূপ চাই মনৰ মাজত প্ৰশ্ন উদয় হয়, বাৰ্ধক্য নামৰ এই উপহাৰটো এতিয়া অভিশাপলৈ ৰূপান্তৰ হৈছে নেকি ?

ভোগবাদী মানসিকতা আৰু ব্যক্তিকেন্দ্ৰিকতাৰ বাবেই মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয় হৈছে। যাৰ বাবে দেশৰ অলিয়ে গলিয়ে গঢ়ি উঠিছে বয়োজ্যেষ্ঠৰ বাবে বৃদ্ধাশ্ৰম নতুবা আশ্ৰয় গৃহ। কেৰিয়াৰ সৰ্বস্ব জগতত এতিয়া অনেকৰ বাবে জন্মদাতা পিতৃ-মাতৃ হৈ পৰিছে অবাঞ্ছিত আহুকাল। এই ছেগতে তেনে এটি পৰিয়ালৰ কথা উল্লেখ নকৰাকৈ থাকিব নোৱাৰিলো। এগৰাকী বিধৱা মাতৃৰ সাতজন সন্তান। সকলোৱে সমাজত সুপ্ৰতিষ্ঠিত। সাতটা সুস্থ সন্তান জন্ম দি সমাজত সুপ্ৰতিষ্ঠা কৰিব পৰা মহিলাগৰাকীক এতিয়াবয়সে কোঙা কৰি তুলিছে। তেওঁক চোৱা-চিতা কৰিবলৈ এগৰাকী ছোৱালীক কিছু দৰমহা দি ৰাখি পুতেকহঁতে দায়িত্ব সামৰিছে। তেওঁৰ দুগৰাকী পো-বোৱাৰীয়েকে বৃদ্ধা নৰীয়া মাকগৰাকীক থৈ হজ কৰিবলৈ গ'ল। বাকী চাৰিগৰাকী আছে যদিও মাকৰ খা-খবৰ নলয়। আনকি ঈদৰ সময়তো মাকৰ কাষত বহি মাত এষাৰ দিয়াৰ কাৰো সময় নহ'ল। বৃদ্ধা মাকগৰাকীৰ হৃদয়ৰ হাহাকাৰ শুনিবলৈ কাৰো আগ্ৰহ নাই। আমি ঈদৰ দুদিন পিছত তেওঁৰ বৰ জীয়ৰীৰ লগত তেওঁৰ ঘৰলৈ গৈ কথাবোৰ জানিব পাৰি বৰ বেজাৰ পালো। তেওঁ কৈ থাকোতে তেওঁৰ মুখত পুতেকহঁতৰ প্ৰতি কোনো ক্ষোভ-আক্ষেপ প্ৰকাশ নাপালে। বৰঞ্চ নিজৰ ভাগ্যকহে দোষৰোপ কৰিলে। তেওঁৰ লগত কথা কৈ থাকোতে মোৰ অনুভৱ হ'ল—পুত্ৰ-কন্যা সকলোৱে নিজ নিজ বাটে গতি কৰিছে। এক অদৃশ্য প্ৰাচীৰৰ হেঁচাই বৃদ্ধাগৰাকীৰ উশাহ-নিশাহ কাঢ়ি ল'ব বিচাৰিছে। তেওঁৰ শেতাপৰা মুখখন দেখি শোকে মোৰ বুকুখনত খুন্দিয়াব ধৰিলে। কেনেকৈ নিজ সন্তানবোৰ এনে নিৰ্দয় হ'ব পাৰে ? জীৱনৰ বিয়লি মুহূৰ্তত সন্তানৰ দ্বাৰা অবহেলিত হ'বলৈ পিতৃ-মাতৃয়ে সন্তানক নিজৰ যৌৱন আৰু গাৰ তেজ পানী কৰি ডাঙৰ দীঘল কৰে নেকি ? পিতৃ-মাতৃক দুই কান্ধত উঠাই তীৰ্থ ভ্ৰমণ কৰোৱা দেশত জ্যেষ্ঠ নাগৰিকৰ ক্ষেত্ৰত মানৱতাৰ অপমৃত্যু কিয় হ'ব ধৰিছে?

**ৰমিছা বেগম,** ফোন ঃ ৮৬৩৮১৪৬৫৪৬

# জীৱনৰ বাটত

অ ভি ম ত

**আমাৰ** বৰ্তমান শিক্ষা-ব্যৱস্থাত পৰীক্ষাবোৰ নম্বৰ প্ৰধান হ'ল। প্ৰত্যেক বিষয়ৰে মুঠ নম্বৰ যিমান, সেই সমুদায় নম্বৰকে দিয়া হ'ল। যাৰ ফলত ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱা আৰু ভাল ফল লাভ কৰাৰ সংখ্যা বৃদ্ধি পাই আহিল। উত্তীৰ্ণৰ হাৰ বৃদ্ধি হোৱাটো শুভলক্ষণ; কিন্তু নম্বৰ লাভৰ পৰিমাণে জ্ঞান লাভৰ পৰিসৰ বৃদ্ধি হোৱা বুলি আশা কৰিব পাৰিনে ? যদি নোৱাৰি, তেন্তে সি এটা চিন্তাৰ বিষয় নহয় জানো ? মন কৰিবলগীয়া যে আমাৰ সুফল কঢ়িয়াই অনা পৰীক্ষাৰ্থীসকলে ঘোষণা কৰি অহা লক্ষ্যবোৰ পৰৱৰ্তী জীৱন যাত্ৰা পথত মহাশূন্যত বিলীন হোৱা উদাহৰণ বৃদ্ধি পাই অহা সত্য নহয় জানো ? পাছলৈ নিজৰ নিজৰ ব্যস্ততাপূৰ্ণ জীৱন আৰু ব্যক্তিগত অভিলাসৰ উৰ্ধগামীতাই সকলোৰে আশাত চেঁচাপানীহে পৰা এটা ধাৰা প্ৰৱাহিত। আমি অসমীয়া মানুহৰ পূৰ্বস্মৃতি ৰোমন্থন কৰা আৰু তাক বাস্তবায়িত কৰাত যে অমনযোগী তাক আমি জানো অস্বীকাৰ কৰিব পাৰো ? মন কৰক, ভাষা বিষয়ত মুঠ নম্বৰৰ সমান নম্বৰ লাভ কৰাটো চিন্তাৰ বিষয়। বানান অশুদ্ধৰ বাবে নম্বৰ কৰ্তন নোহোৱা ব্যৱস্থাই, ছাত্ৰ-ছাত্ৰীক শুদ্ধ বানানৰ পৰা আঁতৰাই ৰখা নহৈছেনে ? এনে ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক ভাষাজ্ঞান আয়ত্ত কৰাৰ পৰা বঞ্চিত কৰাই ভাষাৰ অস্তিত্বৰ প্ৰতি শংকিত হোৱাত অৰিহণা যোগোৱা হৈছে। ভাষাৰ প্ৰতি মান্যতা, দায়বদ্ধতাক এৰাই চলা হৈছে বুলিব পাৰি। যদি সিয়েই হয়, তেনেহ'লে অসমীয়া ভাষা আত্মঘাতী হোৱাৰ পথ প্ৰশস্ত কৰা নহ'ব কিয় ? আমাৰ বোধেৰে সকলো শ্ৰেণীৰ অশুদ্ধতা একে পৰ্যায়ৰ। বানান অশুদ্ধতাৰ নগণ্য ভুল বুলি উপলুঙা কৰা অনুচিত কাৰ্য। নগণ্যৰ পৰাই বৃহৎ আকৃতি ধাৰণ কৰে। সেই কাৰণে আমি ভাবো বিষয়টো পুনঃ বিবেচনা কৰা হ'ব লাগে।

**কেশৱ শৰ্মা,** ফোন ঃ ৯৪০১৮৭৯৪০৮

# শ্ৰীলংকাৰ অৱধাৰিত পৰিণতি

**১১** জুলাই সোমবাৰে 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত 'শ্ৰীলংকাৰ অৱধাৰিত পৰিণতি' শীৰ্ষক নিৱন্ধটো সম্পাদক প্ৰাঞ্জলসেন ডেকাই শ্ৰীলংকাত ঘটি থকা ঘটনাৰাজিৰ ওপৰত আলোকপাত কৰি এক বিশ্লেষণাত্মক চিন্তা-ধাৰা উপস্থাপন কৰিছে। এই নিৱন্ধটোৰ আঁত ধৰি মোৰ মনৰ ভাৱ প্ৰকাশ কৰিলো।

শ্ৰীলংকাত বৰ্তমান সময়ত যিবোৰ ঘটনা সংঘটিত হৈছে, তাৰ আঁতিগুৰি বিচাৰ কৰিলে দেখা যায় যে দ্বীপ ৰাষ্ট্ৰৰ জনসাধাৰণ আৰু চৰকাৰৰ মাজত সমন্বয়হীনতাৰ অভাৱ। চৰকাৰে জনসাধাৰণৰ মতৰ বিপৰীতে নিজৰ খেয়ালখুচি মতে কাম কৰে। চৰকাৰৰ কুকৰ্মৰ ফল সাধাৰণ জনতাই ভোগ কৰিব লগা হয়। কৰ'না অতিমাৰীৰ কালত শ্ৰীলংকাৰ জনসাধাৰণে নানা ধৰণৰ সমস্যাৰ সন্মুখীন হয়। জনমূৰি আয় কমি যোৱাৰ ফলত আৰ্থিক সংকটে দেখা দিয়ে। চৰকাৰে সংকট মোচনৰ বাবে কোনো ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰিলে। ফলত জনসাধাৰণ ক্ষুণ্ণ হৈ পৰিল, কিন্তু বাধ্য হৈ মনে মনে থাকিল যদিও ক্ষোভৰ জুই জ্বলি থাকিল। অভাৱ-অনাটনে জুৰুলা কৰা জনসাধাৰণৰ মনত শান্তি নোহোৱা হ'ল। অহিংসা পথেৰে আন্দোলন আৰম্ভ কৰিলে; কিন্তু চৰকাৰ নাচোৰবান্দা। চৰকাৰ নিজৰ মতত অচল-অটল। অহিংসা আন্দোলনলৈ কৰ্ণপাত নকৰি ক্ষমতাৰ বলত বলীয়ান হৈ কাম কৰি গৈ থাকিল। ফলস্বৰূপে বৰ্তমানৰ পৰিস্থিতি।

ৰাষ্ট্ৰপতি নিৰ্বাচনত গোটাবায়া ৰাজাপক্ষই বিপুল ভোটত জয়লাভ কৰে। ৰাষ্ট্ৰপতি গোটাবায়াৰ, ৰাজনৈতিক দল এছ, এল, পি পিয়ে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰি পাৰ্লামেণ্ট দখল কৰে। এনেহেন এজন জনপ্ৰিয় ৰাষ্ট্ৰপতিক ক্ষমতাচ্যুত কৰিবলৈ সাধাৰণ জনতা উঠি পৰি লাগিল, আনকি তেওঁৰ দলৰ সাংসদসকলে পদত্যাগ কৰি তেওঁৰ বিৰুদ্ধাচাৰণ কৰে। সাধাৰণ জনতাই ৰাষ্ট্ৰপতি ভৱন দখল কৰি তাণ্ডৱ সৃষ্টি কৰে। উপায়ান্তৰ হৈ প্ৰাণৰ মমতাত দেশ এৰি বিদেশলৈ পলায়ন কৰে। এই জনপ্ৰিয় নেতাজনৰ ওপৰত সাধাৰণ জনতাৰ ক্ষোভৰ কাৰণ বিশ্লেষণ কৰিলে দেখা যায় যে গোটাবায়া ৰাজাপক্ষই জনতাৰ মতৰ বিপৰীতে বৃহৎ ব্যৱসায়ীসকলৰ শ্ৰুতলিপি অনুসাৰে কাম কৰিছিল। এই বৃহৎ ব্যৱসায়ীসকলৰ স্বাৰ্থৰ অনুকূলে কাম কৰি সাধাৰণ জনতাৰ ওপৰত মাধমাৰ শোধাইছিল। ৰাষ্ট্ৰপতি গোটাবায়াই প্ৰৱৰ্তন



কৰা নতুন কৃষিনীতিক লৈ দেশৰ কৃষক গোষ্ঠী আৰু সাধাৰণ জনতা অসন্তুষ্ট হৈ আক্ৰমণাত্মক স্থিতি গ্ৰহণ কৰে। বৃহৎ ব্যৱসায়ী গোষ্ঠীৰ পাকচক্ৰত পৰি তেওঁ বহুতো ভুলনীতিৰ আশ্ৰয় লৈ শ'লঠেকত পৰে। দেশৰ জনতাই বৈদেশিক আৰু অৰ্থনীতিৰ বিষয়ক কিছুমান ভুলনীতিৰ পুনৰীক্ষণ বিচাৰিছিল; কিন্তু ৰাজাপক্ষই বৃহৎ ব্যৱসায়ী গোষ্ঠীৰ হেঁচাত পুনৰীক্ষণৰ প্ৰস্তাৱ নাকচ কৰে। এই ভুলনীতিৰ পৰিণাম স্বৰূপে শ্ৰীলংকাৰ অৰ্থনৈতিক মন্দাৱস্থাৰ সৃষ্টি হয়।

অৰ্থনৈতিক ভুলনীতিৰ বাবে সাধাৰণ জনতাই অনাহাৰ, অনিদ্ৰাত দিন কটাবলগীয়া হ'ল। একশ্ৰেণীয়ে ভোগবিলাসত দিন কটাইছে। মূল্যবৃদ্ধি হৈ থাকিল, তথাপি কৰৰ সংযোজন কমোৱা নহ'ল। মুঠ ঘৰুৱা উৎপাদনৰ চিন্তা নকৰাকৈ ঋণৰ পৰিমাণ বঢ়াই থাকিল। ঋণৰ টকাৰে অনুৎপাদিত আঁচনি আৰু আন্তঃগাঁথনি উন্নয়ন কৰিলে। ঋণৰ কিস্তি পৰিশোধ কৰিব পৰা ক্ষমতা নোহোৱা হ'ল। ঋণৰ কিস্তি পৰিশোধ কৰিবলৈ আয়ৰ উৎস বিচাৰি সামগ্ৰীৰ ওপৰত অধিক কৰ সংযোজন কৰিলে। খণ্ডত জ্বলি-পকি থকা জনতাই বহিঃপ্ৰকাশ ঘটালে। সুদীৰ্ঘকাল পৰিয়ালতান্ত্ৰিক ৰাজনীতি চলাই থকা ৰাজাপক্ষ পৰিয়াল সম্প্ৰতি তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। শ্ৰীলংকাৰ জনতাই এই পৰিয়ালতান্ত্ৰিক ৰাজনীতিৰ অৱসান বিচাৰিছে। গোটাবায়া ৰাজাপক্ষ দেশ এৰি পলায়ন কৰিলে যদিও মহিন্দাক শ্ৰীলংকা ত্যাগত বাধা প্ৰদান কৰে।

বৰ্তমান শ্ৰীলংকাৰ জনসাধাৰণ অৰ্থনৈতিক মন্দা অৱস্থাৰ অৱসান ঘটায় অৰ্থনৈতিক উন্নয়নৰ চিন্তা কৰাৰ পৰিৱৰ্তে বিভাজন আৰু ক্ষমতা কেন্দ্ৰিক যুদ্ধত অৱতীৰ্ণ হৈছে। দেশৰ সম্পদসমূহ ধ্বংস কৰি কি সূচাব বিচাৰিছে? এনেকুৱা দৃষ্টিভংগী আৰু অসুস্থ চিন্তাই গণতন্ত্ৰৰ প্ৰতি ভাবুকিৰ পৰিৱেশ গঢ়ি তুলিব। সেয়ে সময় থাকোতে শুধৰণি কৰি দেশ আৰু দহৰ মংগল কামনা কৰি এনেকুৱা কামৰ পৰা আঁতৰি কঠোৰ শ্ৰমেৰে অৰ্থনৈতিক বুনিয়াদ গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগিব। নহ'লে ইয়াৰ বিষময় পৰিণতি সকলোৱে ভোগ কৰিব লাগিব।

**জ্যোতিষ চন্দ্ৰ দত্ত**

ফোন ঃ ৯৮৫৪০৪১৮১৫

## দেশত পুনৰ বৃদ্ধি কৰ'নাৰ সংক্ৰমণ, ২৪ ঘণ্টাত ৪৫ জনৰ মৃত্যু



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ জুলাই ঃ** যোৱা বুধবাৰৰ ভাৰতত ক'ভিডৰ সংক্ৰমণৰ ৰেখাচিত্ৰ পুনৰ ঊৰ্ধ্বমুখী হ'বলৈ ধৰিছে। বিগত দুদিন ধৰি দেশৰ দৈনিক সংক্ৰমণ ২০ হেজাৰৰ ঊৰ্ধ্বত আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিড সংক্ৰমিত হ'ল ২১,৫৬৬ জন লোক। বুধবাৰে এই সংখ্যা আছিল ২০,৫৫৭ জন। সংক্ৰমণ বৃদ্ধিৰ লগতে যোৱা ২৪ ঘণ্টাত ক'ভিডত মৃতকৰ সংখ্যা ২৫ জনলৈ বৃদ্ধি পালে। বিগত এদিনত কেৰালাত ২৬৬৭, পশ্চিমবংগত ২৪৫৫, মহাৰাষ্ট্ৰত ২৩২৫ আৰু তামিলনাডুত ২১১৬ জন লোক ক'ভিড সংক্ৰমিত হ'ল।

## উত্তৰ প্ৰদেশ চৰকাৰক ৬০০ কোটি টকাৰ সম্পত্তি দান চিকিৎসকৰ



**নিউজ ব্যুৰ', মুৰাদাবাদ, ২১ জুলাই ঃ** উত্তৰ প্ৰদেশ চৰকাৰক নিজৰ যাৱতীয় সা-সম্পত্তি দান কৰিলে এজন চিকিৎসকে। মুৰাদাবাদৰ চিকিৎসক অৰবিন্দ গয়ালৰ ইচ্ছা, উক্ত ধনৰে দৰিদ্ৰ লোকৰ বাবে বিভিন্ন কাম-কাজ ৰাজ্য চৰকাৰে সম্পন্ন কৰক। গয়ালৰ সম্পত্তিৰ মূল্য প্ৰায় ৬০০ কোটি টকা। বিগত ৫০ বছৰ ধৰি তেওঁ চিকিৎসা সেৱা আগবঢ়াই আহিছে। ডাঃ গয়ালে প্ৰকাশ কৰা অনুসৰি ২৫ বছৰ পূৰ্বে তেওঁ সম্পত্তি দানৰ এই সিদ্ধান্ত গ্ৰহণ কৰিছিল। তলাবন্ধৰ সময়ত মুৰাদাবাদৰ ৫০ খন গাঁৱৰ দৰিদ্ৰ লোকক বিনামূল্যত সকলো ধৰণৰ সেৱা ডাঃ গয়ালে আগবঢ়াইছিল। সমগ্ৰ ৰাজ্যতে দৰিদ্ৰৰ বিনামূলীয়া চিকিৎসা সেৱা আৰু শিক্ষাৰ ব্যৱস্থাও তেওঁ কৰিছিল। পূৰ্বে চাৰিবাৰকৈ ৰাষ্ট্ৰপতিৰ পদকৰে সন্মানিত হৈছিল ডাঃ গয়াল। ডাঃ গয়ালৰ পৰিয়ালত পত্নীৰ লগতে এটি পুত্ৰ আৰু এগৰাকী কন্যা সন্তান আছে।

## জি এছ টিৰ প্ৰভাৱ, এইমছত ব্যয়বহুল হ'ল চিকিৎসা সেৱা




**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ জুলাই ঃ** অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ)ৰ ব্যক্তিগত ৱাৰ্ডত চিকিৎসা গ্ৰহণ কৰাটো এতিয়াৰে পৰা ব্যয়বহুল হ'ল। এইমছৰ ব্যক্তিগত ৱাৰ্ডত ভৰ্তি হোৱা ৰোগীয়ে চিকিৎসা সেৱাৰ বাবদ ব্যয় কৰিব লাগিব অধিক ধন। যোৱা বুধবাৰৰ পৰা এইমছৰ ব্যক্তিগত ৱাৰ্ডত চিকিৎসা সেৱাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে পাঁচ শতাংশ সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) আৰোপ কৰিলে। দিল্লী এইমছে জাৰি কৰা এক বিবৃতিত প্ৰকাশ পোৱা অনুসৰি ৬০০০ টকা মূল্যৰ ডিলাক্স কোঠাৰ মাচুলত পাঁচ শতাংশ জি এছ টি আৰোপ কৰাৰ ফলত ৰোগীয়ে ৬৩০০ টকা আদায় দিব লাগিব।

## এছবিআইৰ পৰা ১৪ হেজাৰ কোটি টকাৰ ঋণ বিচাৰিলে ধনাঢ্য আদানীয়ে




**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ জুলাই ঃ** গৌতম আদানীৰ প্ৰতিষ্ঠানে ঋণৰ বাবে আবেদন দাখিল কৰিলে ভাৰতীয় ষ্টেট বেংক (এছবিআই)ত। প্ৰকাশিত বাতৰি অনুসৰি এছবিআইৰ পৰা নতুন শক্তি প্ৰকল্প স্থাপনৰ বাবে ১৪ হেজাৰ কোটি টকাৰ ঋণ বিচাৰিছে আদানীয়ে। বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত শীৰ্ষ চতুৰ্থ স্থানত থকা আদানীয়ে এই বৃহৎ পৰিমাণৰ ঋণ নিজৰ প্ৰস্তাৱিত পলিভিনিল ক্ল'ৰাইড প্ৰকল্প ৰূপায়ণৰ বাবে গ্ৰহণ কৰিব বিচাৰিছে। শক্তিখণ্ডত আদানীয়ে পূৰ্বৰে পৰা মনোনিৱেশ কৰি আহিছে আৰু এইবাৰ দেশত কয়লাৰ পৰা পলিভিনিল ক্ল'ৰাইড উৎপাদন কৰাৰ পৰিকল্পনা আদানীয়ে গ্ৰহণ কৰিছে। দেশৰ সৰ্বোচ্চ বেংকটোৱে অৱশ্যে এতিয়াও আদানীৰ ঋণ আবেদন মঞ্জুৰ কৰা নাই।

## ইটালীৰ প্ৰধানমন্ত্ৰীৰ ইস্তফা, অচিৰে নিৰ্বাচনৰ সম্ভাৱনা



**নিউজ ব্যুৰ', ৰোম, ২১ জুলাই ঃ** ইটালীৰ প্ৰধানমন্ত্ৰী মাৰিঅ' দ্ৰাঘিয়ে আস্থাভোটত শাসকীয় মৰ্চাৰ মুখ্য সহযোগী দলে অংশ নোলোৱাত আজি পদ ত্যাগ কৰিলে। দ্ৰাঘিৰ প্ৰধানমন্ত্ৰীৰ পদ ত্যাগৰ পাছত ইটালীত অচিৰে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। কেইদিনমান পূৰ্বে দ্ৰাঘিয়ে পদত্যাগৰ কথা ঘোষণা কৰিছিল যদিও ৰাষ্ট্ৰপতিয়ে তেওঁৰ পদত্যাগ পত্ৰ স্বীকাৰ কৰা নাছিল। শাসকীয় মৰ্চাৰ দুই সহযোগী দলে আস্থা ভোট বৰ্জন কৰাৰ পাছত দ্ৰাঘিয়ে পদ ত্যাগ কৰাৰ সিদ্ধান্ত লৈছিল। এই ঘটনাৰ পাছত ৰাষ্ট্ৰপতিয়ে দ্ৰাঘিক অন্তৰ্বৰ্তীকালীন চৰকাৰ চলাই যোৱাৰ দায়িত্ব অৰ্পণ কৰে।



## পুটিনৰ অসুস্থতাৰ কথা অস্বীকাৰ কৰিলে ক্ৰেমলিনে

**নিউজ ব্যুৰ' মস্কো, ২১ জুলাই ঃ** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ স্বাস্থ্য সম্পূৰ্ণ সুস্থ আছে। ৰুছ ৰাষ্ট্ৰপতি অসুস্থ হোৱাৰ কথা অস্বীকাৰ কৰি আজি এইদৰে স্পষ্টীকৰণ দিলে ক্ৰেমলিনে। ক্ৰেমলিনৰ মুখপাত্ৰ ডিমিট্ৰি পেছক'ভে সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি কয় যে পশ্চিম বিশ্বই শেহতীয়াভাৱে ৰুছ ৰাষ্ট্ৰপতিৰ স্বাস্থ্য লৈ কেতবোৰ অসত্য বাতৰি প্ৰচাৰ কৰিছে। পুটিন অসুস্থ হোৱাৰ বাতৰি সম্পূৰ্ণৰূপে ভুৱা বুলিও দাবী কৰিলে ক্ৰেমলিনৰ মুখপাত্ৰই। উল্লেখ্য যে বিগত কেইমাহমান ধৰি পশ্চিম বিশ্বৰ সংবাদ মাধ্যমত পুটিন অসুস্থ হোৱা বুলি একাধিক বাতৰি প্ৰচাৰিত হৈ আহিছে। ইমানদিনে ৰাছিয়াই এই সন্দৰ্ভত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাছিল যদিও আজি ক্ৰেমলিনে ৰুছ ৰাষ্ট্ৰপতিৰ স্বাস্থ্যৰ প্ৰসংগত স্পষ্টীকৰণ দিলে।

### পাঁচ ছেপ্টেম্বৰত দলৰ সদস্যৰ ভোটগ্ৰহণৰ পাছত ব্ৰিটেইনে পৰৱৰ্তী প্ৰধানমন্ত্ৰী লাভ কৰিব

# পঞ্চম পৰ্যায়ৰ ভোটতো শীৰ্ষত ঋষি, চূড়ান্ত প্ৰতিদ্বন্দ্বিতা ট্ৰাছৰে

**নিউজ ব্যুৰ' লণ্ডন, ২১ জুলাই ঃ** কনজাৰভেটিভ দলৰ নেতা আৰু ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী নিৰ্বাচনৰ প্ৰক্ৰিয়াত পঞ্চম পৰ্যায়তো অগ্ৰগতি অব্যাহত ৰাখিলে ভাৰতীয় মূলৰ ব্ৰিটিছ নেতা ঋষি ছুনকে। কালি অনুষ্ঠিত হোৱা পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণত কনজাৰভেটিভ দলৰ ১৩৭ সাংসদৰ সমৰ্থন লাভ কৰিলে ঋষিয়ে। এই ভোটত ১১৩ জন সাংসদৰ সমৰ্থন লাভৰে প্ৰধানমন্ত্ৰী পদৰ দৌৰত দ্বিতীয় স্থান লাভ কৰিলে লীজ ট্ৰাছে। আনহাতে, পেনী মৰ্ডেণ্টে ১০৫ সাংসদৰ ভোট লাভৰে প্ৰধানমন্ত্ৰী পদৰ দৌৰৰ পৰা বাহিৰ হ'ল। প্ৰধানমন্ত্ৰী পদৰ মূল প্ৰতিদ্বন্দ্বিতা এতিয়া ঋষি আৰু লীজৰ মাজত হ'ব। অহা পাঁচ ছেপ্টেম্বৰত দলৰ সদস্যৰ ভোটগ্ৰহণৰ পাছত



ব্ৰিটেইনে পৰৱৰ্তী প্ৰধানমন্ত্ৰী লাভ কৰিব। সাম্প্ৰতিক সমীক্ষা অনুসৰি, দলৰ সদস্যৰ ভোটদানৰ ক্ষেত্ৰত ঋষিতকৈ প্ৰতিদ্বন্দ্বী লীজ যথেষ্ট আগবাঢ়ি আছে আৰু তেওঁ পদত্যাগী প্ৰধানমন্ত্ৰী বৰিছ জনছনৰো প্ৰিয়। অহা সোমবাৰে ব্ৰিটেইনত প্ৰধানমন্ত্ৰী বিতৰ্ক অনুষ্ঠিত হ'ব। এই বিতৰ্কয়ো দলীয় সদস্যৰ ভোটদানক প্ৰভাৱিত কৰাৰ সম্ভাৱনা আছে।

## ব্ৰিটিছ মহাৰাণীতকৈও অধিক সম্পত্তিৰ অধিকাৰী প্ৰধানমন্ত্ৰী পদপ্ৰাৰ্থী ঋষি

**নিউজ ব্যুৰ', লণ্ডন, ২১ জুলাই ঃ** ব্ৰিটিছ প্ৰধানমন্ত্ৰী পদৰ দলীয় নিৰ্বাচনী প্ৰক্ৰিয়াত প্ৰথম পাঁচটা পৰ্যায়ৰ ভোটগ্ৰহণত শীৰ্ষত থকা ভাৰতীয় মূলৰ মাৰ্কিন কনজাৰভেটিভ নেতা ঋষি ছুনক ব্ৰিটেইনৰ অন্যতম এজন ধনাঢ্য ব্যক্তি হিচাপেও পৰিচিত। ঋষি হৈছে বিখ্যাত তথ্যপ্ৰযুক্তি প্ৰতিষ্ঠান ইনফ'ছিছৰ প্ৰতিষ্ঠাপক এন আৰ নাৰায়ণমূৰ্তিৰ জোৱাঁই। নাৰায়ণমূৰ্তিৰ কন্যা অক্ষতাৰ স'তে ঋষিৰ বিবাহ হৈছিল। ইনফ'ছিছৰ শ্বেয়াৰত এক বৃহৎ অংশ অক্ষতাৰ হাতত আছে আৰু তেওঁৰ ডিজাইনছ নামৰ এটা ফেশ্বন ব্ৰেণ্ডৰ গৰাকী। 'ছানডে টাইমছ'ৰ দ্বাৰা প্ৰকাশিত ধনাঢ্য ব্যক্তিৰ তালিকাত উল্লেখ কৰা অনুসৰি ঋষি আৰু তেওঁৰ পত্নী অক্ষতাৰ সম্পত্তিৰ পৰিমাণ হৈছে ৭৩০ নিযুত ইউৰো। এই তালিকাত ঋষিয়ে ২২২ সংখ্যক স্থান লাভ কৰিছে। ঋষি আৰু পত্নীৰ ব্যক্তিগত সম্পত্তিৰ পৰিমাণ হৈছে ৪৩০ নিযুত পাউণ্ড। অৰ্থাৎ ব্ৰিটেইনৰ মহাৰাণী এলিজাবেথতকৈও অধিক সম্পত্তিৰ অধিকাৰী হৈছে




ঋষি আৰু অক্ষতা। মহাৰাণী এলিজাবেথৰ সম্পত্তিৰ পৰিমাণ হৈছে ৩৫০ নিযুত পাউণ্ড। ৰাজনীতিত প্ৰৱেশৰ পূৰ্বে ঋষিয়ে মাৰ্কিন বিনিয়োগ বেংক গল্ডমেনত কাম কৰিছিল। ইয়াৰ পাছত তেওঁ হেজ ফাণ্ডত প্ৰবন্ধনৰ কামত জড়িত হৈছিল। ২০১০ বৰ্ষত তেওঁ নিজা কোম্পানী প্ৰতিষ্ঠা কৰিছিল। তদুপৰি সাংসদ আৰু চেঞ্চেলৰ হিচাপে তেওঁ ১,৫১,৬৪৯ পাউণ্ডৰ বেতন লাভ কৰি আহিছে।

## এবছৰৰ সৰ্বনিম্ন হ'ল সোণৰ মূল্য, ২২ কেৰেটৰ ১০ গ্ৰামৰ মূল্য ৪৬ হেজাৰ টকালৈ নামিল




**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ জুলাই ঃ** আন্তৰ্জাতিক বজাৰ সোণৰ মূল্য হ্ৰাস অব্যাহত আছে। ভাৰতত এবছৰৰ সৰ্বনিম্ন হ'ল প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য। আই বি এৰ পৰিসংখ্যা অনুসৰি বৃহস্পতিবাৰে পুৱা বজাৰত ২৪ কেৰেটৰ প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য ৫০,১৮২ টকালৈ হ্ৰাস পায়। ২৪ কেৰেটৰ সোণত তিনি শতাংশ জি এছ টি আৰোপৰ পাছত ইয়াৰ মূল্য ৫১,৬৮৭ টকা হ'ব। আনহাতে, আজি ১৮ কেৰেটৰ ১০ গ্ৰাম সোণৰ মূল্য ৩৭,৬৩৭ টকালৈ হ্ৰাস পায়। একেদৰে ২৩ কেৰেটৰ সোণৰ মূল্য ৪৯,৯৮১ টকা আৰু ২২ কেৰেটৰ সোণৰ মূল্য ৪৫,৯৬৭ টকালৈ আজি হ্ৰাস পালে। একে সময়তে দেশৰ বজাৰত ৰূপৰ প্ৰতি কিলোৰ মূল্য ৭৬,০০৮ টকালৈ আজি হ্ৰাস পায়।

# ১৫ হেজাৰ ৰুছ সৈনিকৰ প্ৰাণ কাঢ়িলে ইউক্ৰেইন যুদ্ধই ঃ তথ্য আমেৰিকাৰ

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২১ জুলাই ঃ** বিগত পাঁচ মাহৰো অধিক দিন ধৰি অব্যাহত আছে ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ। ক্ষেপণাস্ত্ৰ আৰু ৰকেটৰ আঘাতত ৰক্তাক্ত হৈছে দুই দেশৰ বিভিন্ন অঞ্চল। কিন্তু এতিয়াও ইউক্ৰেইন যুদ্ধত প্ৰকৃততে কিমান সৈনিকৰ মৃত্যু হ'ল আৰু ক্ষয়-ক্ষতিৰ প্ৰকৃত তথ্যপাতি পোহৰলৈ অহা নাই। এনে সময়তে আমেৰিকাই ইউক্ৰেইন যুদ্ধত কমেও ১৫ হেজাৰ ৰুছ সৈনিকৰ মৃত্যু হোৱা বুলি দাবী কৰিলে। আমেৰিকাৰ গুপ্তচৰ সংস্থা চি আই এৰ সঞ্চালক উইলিয়াম বাৰ্ণছে দাবী কৰা অনুসৰি পাঁচ মাহৰ যুদ্ধত



ৰাছিয়া বৃহৎ ক্ষতি হৈছে। বৰ্তমানলৈকে ভ্লাডিমীৰ পুটিন বাহিনীৰ কমেও ১৫ হেজাৰ সৈনিকৰ মৃত্যু হোৱাৰ লগতে ৪৫ হেজাৰ ৰুছ সৈনিক এই যুদ্ধত আহত হৈছে। বাৰ্ণছে এইদৰে কয়, 'ৰাছিয়াতকৈ কিছু কম হ'লেও এই যুদ্ধত বিপুল ক্ষতি হৈছে ইউক্ৰেইনৰ। আৰম্ভণিতে কীভ দখল কৰিবলৈ গৈ মুখথেকেচা খাইছিল ৰাছিয়াই। সেয়েহে এতিয়া তেওঁলোকে ডনবাছ অঞ্চল দখলত গুৰুত্ব দিছে। ইউক্ৰেইনৰ সামৰিক ঘাটিক লক্ষ্য হিচাপে লৈ ৰাছিয়াই আক্ৰমণ চলাইছে।' মাৰ্কিন চোৰাংচোৱা বিভাগৰ মতে, ইউক্ৰেইন যুদ্ধত ৰুছ সৈনিকৰ মৃত্যুৰ সংখ্যা অধিক হৈছে।



## এইবাৰ গুজৰাটবাসীক ৩০০ ইউনিট বিদ্যুৎ বিনামূলীয়া প্ৰদানৰ প্ৰতিশ্ৰুতি কেজৰিৱালৰ

**নিউজ ব্যুৰ', আহমেদাবাদ, ২১ জুলাই ঃ** গুজৰাটত দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে এক বৃহৎ ঘোষণা কৰিলে। গুজৰাট ভ্ৰমণসূচীৰে ছুৰটত উপস্থিত হোৱা কেজৰিৱালে ভাষণ প্ৰসংগত কয় যে গুজৰাটবাসীয়ে এতিয়া পৰিৱৰ্তন বিচাৰিছে। গুজৰাটবাসীক বিনামূলীয়া বিদ্যুৎ যোগানৰ লগতে ২৪ ঘণ্টাই ৰাজ্যখনত বিদ্যুৎ সেৱা অব্যাহত ৰখাৰো প্ৰতিশ্ৰুতি দিলে আপৰ মুৰব্বীয়ে। 'গুজৰাটত সকলোকে ভয় খুৱাই ৰখা হৈছে। ২৭ বছৰ ধৰি এটা দলে ৰাজত্ব কৰি আছে। সেয়েহে অহংকাৰী হৈছে। এতিয়া গুজৰাটে পৰিৱৰ্তন বিচাৰিছে। মূল্যবৃদ্ধি হৈছে বিজুলীৰ মাচুল বৃদ্ধি পাইছে। পঞ্জাৱত বিদ্যুৎ বিনামূলীয়া কৰা হ'ল। এইবাৰ গুজৰাটতো বিদ্যুৎ বিনামূল্যে যোগান ধৰা হ'ব। আমি ৰাজনীতি কৰিব নাজানো। কাম নকৰিলে আমাক ভোট দিব নালাগে। আমাৰ চৰকাৰ গঠন হ'লে তিনি মাহৰ ভিতৰত গুজৰাটবাসীক ৩০০ ইউনিট বিনামূল্যে যোগান ধৰা হ'ব। তদুপৰি ২৪ ঘণ্টাই বিদ্যুৎ সেৱা অব্যাহত থাকিব।' কেজৰিৱালে ছুৰটত আজি এইদৰে কয়।

## পনীৰত পাঁচ শতাংশ, মাখনত ১২, মচলাত পাঁচ ঃ তেন্তে পনীৰ বাটাৰ মচলাত জিএছটি কিমান হ'ব? প্ৰশ্ন থাৰুৰৰ


**নিউজ ব্যুৰ' নতুন দিল্লী, ২১ জুলাই ঃ** দৈ, পনীৰ আদিৰ দৰে পেকেটত উপলব্ধ দৈনিক খাদ্যদ্ৰব্যত কেন্দ্ৰৰ চৰকাৰে সামগ্ৰী আৰু সেৱা কৰ (জিএছটি) আৰোপ কৰাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে কংগ্ৰেছ সাংসদ শশী থাৰুৰে। কংগ্ৰেছ নেতাজনে সামাজিক মাধ্যমত এক 'মীম' শ্বেয়াৰ কৰি জিএছটিৰ প্ৰসংগত কেন্দ্ৰৰ চৰকাৰক তীব্ৰ কটাক্ষ কৰিলে। পনীৰসহ পেকেটত উপলব্ধ খাদ্যদ্ৰব্যত



জিএছটি আৰোপৰ পাছত পনীৰ বাটাৰ মচলাত কিমান শতাংশ জিএছটি আৰোপ কৰা হ'ব বুলি ৰসাল প্ৰশ্ন উত্থাপন কৰিলে থাৰুৰে। কেন্দ্ৰৰ চৰকাৰে পনীৰ, দৈ, মচলা আদিত পাঁচ শতাংশ জিএছটি আৰোপ কৰিছে। আনহাতে, বাটাৰ অৰ্থাৎ মাখনত গ্ৰাহকে ১২ শতাংশ জিএছটি আদায় দিব লাগে। সেয়েহে কটাক্ষ কৰি কংগ্ৰেছ সাংসদজনে সামাজিক মাধ্যমত এই প্ৰশ্ন উত্থাপন কৰিলে, 'যদি পনীৰত পাঁচ শতাংশ, মাখনত ১২ শতাংশ আৰু মচলাত পাঁচ শতাংশ জিএছটি আৰোপ কৰা হয়, তেন্তে পনীৰ বাটাৰ মচলাত কিমান শতাংশ জিএছটি আৰোপ কৰা হ'ব?' সামাজিক মাধ্যমত থাৰুৰৰ এই 'মীম' যথেষ্ট ভাইৰেল হৈছে।


## তিনি খান-অক্ষয়ে পাৰিশ্ৰমিক হিচাপে বিচাৰে ১৫০ কোটি টকা

**নিউজ ব্যুৰ', মুম্বাই, ২১ জুলাই ঃ** বৰ্তমানৰ সময়ত বলিউডত সৰ্বাধিক পাৰিশ্ৰমিক কোন অভিনেতাই লাভ কৰে? প্ৰতিবেদনৰ তথ্য অনুসৰি, বলিউডত ছলমান খান, শ্বাহৰুখ খান, আমিৰ খান আৰু অক্ষয় কুমাৰে প্ৰতিখন ছবিত অভিনয়ৰ বাবে ১৫০ কোটি টকাৰ পাৰিশ্ৰমিক গ্ৰহণ কৰি আহিছে। সাধাৰণতে অভিনেতা অক্ষয়ে প্ৰতি ছবিত অভিনয়ৰ বাবদ কমেও ১০০ কোটি টকাৰ পাৰিশ্ৰমিক গ্ৰহণ কৰাৰ লগতে ছবিৰ উপাৰ্জনৰ এক অংশ দাবী কৰে। শ্বাহৰুখ, আমিৰ আৰু ছলমানেও একেদৰে পাৰিশ্ৰমিকৰ লগতে ছবিৰ



ব্যৱসায়ৰ এক নিৰ্দিষ্ট অংশ প্ৰযোজকৰ পৰা লাভ কৰি আহিছে। বলিউডৰ আন এজন জনপ্ৰিয় অভিনেতা ৰণবীৰ সিঙে এখন ছবিত অভিনয়ৰ বাবদ ৪৫ কোটি টকাৰ পাৰিশ্ৰমিক গ্ৰহণ কৰে। বৰ্তমানে অভিনেতা বৰুণ ধৱনে ৩৫ কোটি টকা আৰু কাৰ্তিক আৰিয়ানে ২১ কোটি টকাৰ পাৰিশ্ৰমিক দাবী কৰে।

## এৰ্ড'গানে পুটিনক ৫০ ছেকেণ্ড কৰালে অপেক্ষা, বিব্ৰত ৰুছ ৰাষ্ট্ৰপতি



**নিউজ ব্যুৰ', মস্কো, ২১ জুলাই ঃ** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে ভ্ৰমণাৰ্থে ইৰানৰ ৰাজধানী তেহৰানত উপস্থিত হৈ তুৰস্কৰ ৰাষ্ট্ৰপতি ৰিচেপ তয়িপ এৰ্ড'গানক সাক্ষাৎ কৰিলে। কিন্তু এৰ্ড'গানক সাক্ষাৎ কৰিবলৈ গৈ অস্বস্তিকৰ পৰিৱেশৰ সন্মুখীন হ'ল ৰুছ ৰাষ্ট্ৰপতি। তুৰস্কৰ ৰাষ্ট্ৰপতিৰ সাক্ষাৎ লাভ কৰিবলৈ প্ৰায় এক মিনিট সময় অপেক্ষা কৰিলে পুটিনে। প্ৰায় ৫০ ছেকেণ্ড সময় এটা কোঠাৰ ভিতৰত এৰ্ড'গানৰ বাবে ইফালে সিফালে খোজ কাঢ়ি বিৰক্তিৰে সময় অতিবাহিত কৰিলে পুটিনে। এই দৃশ্য সামাজিক মাধ্যমত ভাইৰেল হৈছে। দৰাচলতে ইউক্ৰেইনৰ পৰা খাদ্যদ্ৰব্য সৰবৰাহ কৰাৰ সন্দৰ্ভত এক আলোচনাত অংশ ল'বলৈ পুটিনে নিৰ্দিষ্ট সময়ত আলোচনাস্থলীত উপস্থিত হৈছিল যদিও এৰ্ড'গানে সময়ত উপস্থিত হ'ব নোৱাৰিলে। ফলত প্ৰায় ৫০ ছেকেণ্ড পুটিনে এৰ্ড'গানৰ বাবে অপেক্ষা কৰিবলগীয়া হ'ল। উল্লেখ্য যে পূৰ্বে ৰুছ ৰাষ্ট্ৰপতিয়ে এৰ্ড'গানসহ অন্য নেতাক বৈঠকৰ পূৰ্বে একাধিকবাৰ অপেক্ষা কৰিবলৈ বাধ্য কৰাইছিল। সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে সেয়েহে কটাক্ষ কৰি কৈছে যে এৰ্ড'গানে দৰাচলতে পুটিনক পোতক ল'বলৈহে এইদৰে বৈঠকত পলমকৈ উপস্থিত হৈছিল। ২০২০ বৰ্ষত পুটিনে বৈঠকৰ পূৰ্বে পোপ ফ্ৰান্সিছক এঘণ্টাৰো অধিক সময় অপেক্ষাৰত হ'বলৈ বাধ্য কৰাইছিল। ২০১৩ বৰ্ষতো পোপক সাক্ষাৎ কৰিবলৈ যাওতে পুটিনে ৫০ মিনিট পলমকৈ উপস্থিত হৈছিল।

### গেটছক অতিক্ৰম, এইবাৰ শীৰ্ষ তিনি স্থানৰ বাবে নতুন যুঁজ আদানীৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ জুলাই ঃ** ভাৰতৰ সবাতোকৈ ধনাঢ্য উদ্যোগপতি গৌতম আদানী বিশ্বৰ চতুৰ্থ ধনাঢ্য ব্যক্তি হিচাপে আনুষ্ঠানিকভাৱে স্বীকৃত হ'ল। কিছুদিন পূৰ্বে মাইক্ৰ'ছফটৰ প্ৰতিষ্ঠাপক বিল গেটছক সম্পত্তিৰ ক্ষেত্ৰত পিছ পেলাই আদানীয়ে ধনাঢ্য ব্যক্তিৰ তালিকাত চতুৰ্থ স্থানত নিজৰ নাম অন্তৰ্ভুক্ত কৰাবলৈ সফল হৈছিল। গেটছে ধনাঢ্য ব্যক্তিৰ এই তালিকাৰ পূৰ্বে দীৰ্ঘ বছৰ শীৰ্ষস্থানত আছিল। সম্প্ৰতি ধনাঢ্য ব্যক্তিৰ তালিকাত আদানীয়ে চতুৰ্থ স্থান লাভ কৰাৰ বিপৰীতে জেফ বেজছে তৃতীয় স্থান, বাৰ্নাৰ্ড আৰ্ণল্টে দ্বিতীয় স্থান আৰু এলন মাস্কে প্ৰথম স্থান দখল কৰিছে। গেটছক এই তালিকাত অতিক্ৰম কৰাৰ পাছত এইবাৰ আদানীৰ লক্ষ্য হৈছে ধনাঢ্য ব্যক্তিৰ শীৰ্ষ তিনি স্থানত অন্তৰ্ভুক্ত হোৱাৰ। ২০২১ বৰ্ষৰ আৰম্ভণিতে আদানীৰ মুঠ সম্পত্তিৰ পৰিমাণ আছিল ৫৫-৬০ বিলিয়ন ডলাৰৰ মাজত আৰু বৰ্তমানে তেওঁৰ সম্পত্তিৰ পৰিমাণ হৈছে ১১৫ বিলিয়ন ডলাৰ। বেজছৰ মুঠ সম্পত্তি ১৩৯.৫ বিলিয়ন ডলাৰ, আৰ্নল্টৰ সম্পত্তিৰ পৰিমাণ ১৪৮.৫ বিলিয়ন ডলাৰ আৰু মাস্কৰ সম্পত্তিৰ পৰিমাণ হৈছে ২৩০.৮ বিলিয়ন ডলাৰ। যি হাৰত বিগত এবছৰত আদানীৰ সম্পত্তি বৃদ্ধি পালে, সেয়া অব্যাহত থাকিলে আগন্তুক সময়ত ভাৰতৰ এইজন ধনাঢ্য উদ্যোগপতিয়ে অৰ্বুদপতিৰ এই তালিকাত শীৰ্ষ তিনি স্থানৰ লগতে শীৰ্ষতম স্থানো দখল কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।



## ৮০০ কোটি টকাৰ পাৰিশ্ৰমিকৰে হলিউডৰ সৰ্বাধিক উপাৰ্জনকাৰী অভিনেতা স্বীকৃত টম ক্ৰুজ




**নিউজ ব্যুৰ', হলিউড, ২১ জুলাই ঃ** হলিউডৰ জনপ্ৰিয় অভিনেতা টম ক্ৰুজে ২০২২ বৰ্ষত বৰ্তমানলৈকে সৰ্বাধিক উপাৰ্জনকাৰী অভিনেতা হিচাপে স্বীকৃত লাভ কৰিলে। হলিউডৰ সৰ্বাধিক পাৰিশ্ৰমিক লাভ কৰা অভিনেতাৰ তালিকাত শীৰ্ষ স্থান লাভ কৰিলে টমে। এই তালিকাত উল্লেখ কৰা অনুসৰি যোৱা ২৭ মে'ত মুক্তিলাভ কৰা 'টপ গান ঃ মেভৰিক' ছবিখনত অভিনয়ৰ বাবদ টমে ১০০ নিযুত ডলাৰ অৰ্থাৎ ৮০০ কোটি টকাৰ পাৰিশ্ৰমিক গ্ৰহণ কৰিছিল। আনহাতে, একেখন তালিকাত উইল স্মিথে ৩৫ নিযুত ডলাৰ অৰ্থাৎ ২৮০ কোটি টকা পাৰিশ্ৰমিক লাভৰে দ্বিতীয় স্থান দখল কৰিলে। অভিনেতা লিয়নাৰ্ড' ডিকেপ্ৰিঅ'ই 'কীলাৰ্ছ অৱ দ্য ফ্লাৱাৰ মুন' ছবিত অভিনয়ৰ বাবদ ২৪০ কোটি টকাৰ পাৰিশ্ৰমিক লাভৰে তালিকাত তৃতীয় স্থানত আছে। একেদৰে ২৪০ কোটি টকাৰ পাৰিশ্ৰমিক 'ফৰ্মুলা ৰান' ছবিৰ বাবদ লাভ কৰি চতুৰ্থ স্থানত আছে অভিনেতা ব্ৰেড পীট।

## পবিত্ৰ জলাশয়ৰ পানীপানৰ পাছতে চিকিৎসালয়ত ভৰ্তি হ'ল মুখ্যমন্ত্ৰী মান

**নিউজ ব্যুৰ', চণ্ডীগড়, ২১ জুলাই ঃ** পেটৰ বিষত আক্ৰান্ত হোৱা পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানক ভৰ্তি কৰোৱা হ'ল নতুন দিল্লীৰ চিকিৎসালয়ত। মঙলবাৰে নিশা পঞ্জাৱৰ মুখ্যমন্ত্ৰীজনক নতুন দিল্লীৰ এখন বেচৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। সূত্ৰৰ বাতৰি অনুসৰি, যোৱা দেওবাৰে এটা পবিত্ৰ জলাশয়ৰ দূষিত পানী পান কৰিছিল মানে আৰু ইয়াৰ দুদিন পাছতে পেটৰ বিষত মুখ্যমন্ত্ৰীজন আক্ৰান্ত হৈছিল। মঙলবাৰে নিশা তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। অৱশ্যে মুখ্যমন্ত্ৰী চিকিৎসালয়ত থকাৰ কথা অস্বীকাৰ কৰিছে পঞ্জাৱ প্ৰশাসনে। যোৱা দেওবাৰে কালী বেন নামৰ এটা জলাশয়ৰ সংস্কাৰৰ ২২ সংখ্যক



বাৰ্ষিকী উপলক্ষে চুলতানপুৰ লোধি চহৰলৈ গৈছিল মান আৰু তাতে তেওঁ বৃক্ষৰোপণ কাৰ্যসূচীৰ মাজতে এগিলাচ উক্ত জলাশয়ৰ পানী পান কৰিছিল। পঞ্জাৱত এই জলাশয় পবিত্ৰ হিচাপে পৰিচিত।



মানুহ স্বচ্ছন্দে জীয়াই থাকিবৰ বাবে সম্পদৰ প্রয়োজন। তেওঁ কৈছিল যে অতিশয় দৰিদ্রতাই নৈতিক স্খলন ঘটায়। গতিকে তেওঁ এনেকুৱা এখন সমাজ নিবিচাৰে যিখনত দুখীয়াসকল সদায় দুখীয়া হৈ ৰ'ব। অৱশ্যে অতিশয় সম্পদ আহৰণেও মানুহক অসুখী কৰে। মানুহৰ যিহেতু অভাৱৰ অন্ত নাই, সেই অভাৱক অতিৰঞ্জিত কৰি গৈ থাকিলে সোণৰ পাহাৰ খেদাৰ বাহিৰে আন একো নহ'ব। এই কাম ধনগুলৈ খেদাৰ নিচিনা। সেয়ে তেওঁ সম্পদৰ দাস হ'বলৈ হাক দিছে। অভাৱক সীমিত কৰাই জ্ঞানীৰ লক্ষণ।

সম্পদ উৎপাদন কৰে শ্রমিক আৰু কৃষকে। গতিকে তেওঁলোকৰ সম্পদ উপভোগ কৰিবলৈও অধিকাৰ আছে। সম্পদ উপভোগ কৰিবলৈ হ'লে সম্পদ আহৰণ বা অধিকাৰ কৰিব লাগিব। সেয়ে তেওঁ সম্পদৰ সমবিতৰণ বিচাৰিছে। অন্ততঃ জীৱনৰ বাবে প্রয়োজনীয় অপৰিহাৰ্য সম্পদখিনি সকলো মানুহে পোৱা উচিত। তেওঁ কৈছে —'প্রকৃতিয়ে দিনে দিনে আমাৰ চাহিদাৰ বাবে যথেষ্টখিনি উৎপন্ন কৰে। তাৰ যদি প্রত্যেকে নিজৰ বাবে যিমানখিনি প্রয়োজন মাত্র সিমানখিনিহে লয় আৰু তাতকৈ বেছি একো নলয়, তেন্তে এই পৃথিৱীত দৰিদ্রতা নাথাকিব আৰু কোনো মানুহ দুৰ্ভিক্ষত নপৰিব।'

# আধ্যাত্মিকতাৰ পৰশেৰে গান্ধীৰ সমাজবাদ

**গান্ধীজীয়েও** সমাজবাদত বিশ্বাস কৰিছিল। গান্ধীজীয়ে পশ্চিমীয়া সমাজবাদক নৈতিক বা আধ্যাত্মিক বাৰ্তাৰে সংপৃক্ত কৰিছে। এই ক্ষেত্রত তেওঁ ঈশা -উপনিষদ, ভগৱদ্‌গীতা, বাইবেল, টলষ্টয়, ৰাস্কিন আদিৰ ধাৰণাৰে অনুপ্রাণিত হৈ সমাজবাদক ধৰ্মগন্ধী কৰি তোলে।

গান্ধীয়েও শ্রমিকৰ ওপৰত চলোৱা পুঁজিপতিৰ শোষণ উৎপীড়নক সমালোচনা কৰিছে। তেওঁ ভাৰতৰ দুখীয়া লোকৰ দুখ-দাৰিদ্র্যক সহানুভূতিৰে অনুভৱ কৰিছিল, আৰু এই দুখ-দাৰিদ্র্য গুচাবৰ বাবে উপায় চিন্তা কৰিছিল। সেয়ে তেওঁ সমাজবাদৰ কথা ভাবিছিল, যি সমাজবাদৰ দ্বাৰা সকলোৰে সুখ স্বাচ্ছন্দ্য সম্ভৱ হ'ব।



পুঁজিবাদক অপসাৰণৰ কথা গান্ধীয়ে অৱশ্যে কোৱা নাছিল। তেওঁ ইয়াক নৈতিক গুণেৰে বিভূষিত কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ পুঁজিৰ শাসন এক নিৰ্দ্দিষ্ট পৰ্যায়লৈকে মানি লৈছিল আৰু ই যাতে অত্যাচাৰী হৈ উঠিব নোৱাৰে তাৰ বাবে ইয়াৰ সংশোধনৰ প্রস্তাৱ আগবঢ়াইছিল। কেনেধৰণে তেওঁ ইয়াৰ সংশোধন বিচাৰিছিল তলৰ কথাখিনিয়ে তাৰ আভাস দিয়ে।

সমাজবাদ ফটিকৰ দৰে পৱিত্র। সেয়ে সমাজবাদ সম্পাদনৰ বাবে ফটিকৰ দৰে উপায়ৰ দৰকাৰ। অপৱিত্র উপায়ে অপৱিত্র লক্ষ্য সূচনা কৰে। গতিকে ৰাজকুমাৰৰ মূৰ কাটি ৰজা আৰু খেতিয়কক একেলগ কৰিব নোৱাৰি। মাত্র সত্যবাদী, অহিংস আৰু পৱিত্র অন্তৰৰ সমাজবাদী সকলেহে ভাৰত আৰু পৃথিৱীত সমাজবাদী সমাজ প্রতিষ্ঠা কৰিবলৈ সমৰ্থ হ'ব।

গান্ধীজীয়ে অৰ্থনীতি আৰু নৈতিকতাৰ মাজত কোনো পাৰ্থক্য ৰাখিব নোখোজে। সামাজিক ন্যায়ৰ ওপৰত প্রতিষ্ঠিত নোহোৱা অৰ্থনীতিৰ কোনো মূল্য নাই। অৰ্থনীতিৰ বিচাৰ সদায় নৈতিক মূল্যবোধৰ আধাৰত কৰিব লাগিব। এনে অৰ্থনীতিয়েহে সকলোৰে বাবে মঙ্গল কঢ়িয়াব পাৰে। তেওঁ কৈছে —'মই স্বীকাৰ কৰো যে অৰ্থনীতি আৰু নীতি- শাস্ত্রৰ মাজত তীব্রই হওক বা অ-তীব্রই হওক কোনো পাৰ্থক্য টানিব নিবিচাৰো। যি অৰ্থনীতিয়ে কোনো ব্যক্তি বা ৰাষ্ট্রৰ নৈতিক উৎকৰ্ষ সাধনত আঘাত কৰে সেই অৰ্থনীতি

## ড° গিৰীশ বৰুৱা

অনৈতিক আৰু সেয়ে পাপজনক।'

গান্ধীয়ে ক'ব খোজে যে সমাজবাদৰ প্রথম ইংগিত আমি ঈশোপনিষদতে পাওঁ। এই উপনিষদৰ শিক্ষাৰ ভিত্তিত তেওঁ সমাজবাদৰ কথা এইদৰে কৈছে — 'মোৰ সমাজবাদৰ অৰ্থ হ'ল আনকি এই শেষলৈকে'। মই অন্ধ, বধিৰ আৰু মূকৰ চিতাভষ্মৰ ওপৰত উঠিব নোখোজো। সমাজবাদত বোধহয় এইবোৰৰ কোনো স্থান নাই। তেওঁলোকৰ একমাত্র লক্ষ্য হ'ল ভৌতিক উন্নতি। ...মোৰ এইটো লক্ষ্য নহয়।...মোৰ ব্যক্তিত্বৰ সম্পূৰ্ণ প্রকাশৰ বাবে মই স্বাধীনতা বিচাৰো।...অন্য সমাজবাদত ব্যক্তিগত স্বাধীনতা নাথাকে।" গান্ধীৰ মতে সমাজবাদী সমাজ এখনত সকলো মানুহেই কৰ্ম সংস্থান পোৱা উচিত। ই সম্ভৱ হ'ব যদিহে ন্যূনতম চাহিদাৰ বস্তুখিনি উৎপাদনৰ আহিলা বা উপায় সৰ্বসাধাৰণৰ হাতত থাকে। *ফোন ঃ ৭০০২৩৭৬৫০৫*

# নতুন আৰ্হিৰ সমাজ ব্যৱস্থাতো ৰাজযোগৰ অপৰিহাৰ্যতা

**বিজ্ঞান** আৰু প্রযুক্তিবিদ্যাৰে সমৃদ্ধ সমাজ ব্যৱস্থাতো যোগ দৰ্শনৰ প্রাসংগিকতা অধিক। বিভিন্ন প্রকাৰৰ যোগৰ ভিতৰত ৰাজযোগৰ অপৰিহাৰ্যতা প্রতিটো মুহূৰ্ততে অনুভৱ কৰা যায়। ৰাজযোগৰ পৰশেৰে প্রভাৱিত হ'লেহে এখন পূৰ্ণভাৱে সুস্থ সমাজৰ আশা কৰিব পাৰি। অস্তিক বা বৈদিক দৰ্শনৰ অন্য এটা ভাগ হ'ল যোগদৰ্শন। মহৰ্ষি পতঞ্জলি যোগ দৰ্শনৰ প্রৱৰ্তক আছিল। পতঞ্জলিয়ে প্রৱৰ্তন কৰাৰ কাৰণে এই দৰ্শনক পতঞ্জলি দৰ্শন বুলিও কোৱা হয়। 'যোগসূত্র' বা 'পতঞ্জলি সূত্র' এই দৰ্শনৰ প্রথম প্রধান গ্রন্থ। সাংখ্য দৰ্শনৰ লগত যোগ দৰ্শনৰ বহুতো মিল আছে। সাংখ্যই জ্ঞানমাৰ্গ আৰু যোগে কৰ্মমাৰ্গৰ ওপৰত গুৰুত্ব দিয়ে। আমাৰ আভ্যন্তৰীণ শক্তিসমূহক সমতাপূৰ্ণভাৱে বিকশাই তোলা বিষয়েই হ'ল যোগ। যোগে সম্পূৰ্ণ আত্ম উপলব্ধিৰ পথ প্রশস্ত কৰে। যোগ মানে চিত্ত বৃত্তি নিৰোধ কৰা। চিত্তত যেতিয়ালৈকে বৃত্তি থাকে পুৰুষৰ স্বৰূপ এই বৃত্তিয়ে আৱৰি ৰাখে। সেয়ে পুৰুষৰ আচল ৰূপ বিচাৰি উলিওৱাই যোগৰ উদ্দেশ্য। যোগৰ আন এক প্রধান ভাগ হ'ল ৰাজযোগ। সংস্কৃতত ৰাজ মানে মুখ্য বা উত্তম বা ৰজা আৰু যোগ হ'ল চিত্তবৃত্তি নিৰোধ বা অনুশাসন। গতিকে ৰাজযোগ মানে মুখ্য যোগ, উত্তম যোগ, ৰজা যোগ বা উত্তম অনুশাসন। স্বামী বিবেকানন্দই ৰাজযোগক পতঞ্জলিৰ যোগসূত্রৰ সমপৰ্যায়ৰ বুলি গণ্য কৰিছিল। তেতিয়াৰে পৰা ৰাজযোগক ৰাজকীয় যোগ, ৰাজকীয় সংযোগ, সহজমাৰ্গ, পৌৰাণিক যোগ, অষ্টাংগ যোগ আদি বিভিন্ন নামেৰে অভিহিত কৰা হৈছে। ৰাজযোগ আত্ম অনুশাসন আৰু আত্ম অনুশীলনৰ এক প্রকাৰৰ যোগ। প্রাচীন আৰু মধ্যযুগত সংস্কৃত গ্রন্থবোৰত ৰাজযোগে যোগৰ উচ্চতম পৰ্যায় (সমাধি)ক বুজাইছিল। হঠযোগ প্রদীপিকাত হঠযোগৰ অনুশীলনহে ৰাজযোগ প্রাপ্তি ঘটাই বুলি উল্লেখ কৰিছে। Alani Danielou এ উল্লেখ কৰিছে যে হিন্দু সাহিত্যৰ পাঁচ প্রকাৰৰ যোগৰ ভিতৰত ৰাজযোগ উল্লেখযোগ্য যোগ। তেওঁৰ মতে জীৱাত্মাই পৰমাত্মাৰ সৈতে মিলন হ'বৰ বাবে ৰাজযোগ এক ৰাজকীয় পন্থা স্বৰূপ। বৰ্তমান ব্রহ্মকুমাৰীৰ, ধৰ্মীয় আন্দোলনে ৰাজযোগ শিক্ষণৰ ওপৰত গুৰুত্ব দিছে। তেওঁলোকৰ মতে - জপ, তপ, পূজা, তীৰ্থযাত্রা এইবোৰ হ'ল কৰ্মকাণ্ড। এইবোৰৰ পৰা মোক্ষ প্রাপ্তি নহয়। আসন, প্রাণায়াম আদি হৈছে শাৰীৰিক ক্রিয়া। ইয়াৰ আধ্যাত্মিক যোগৰ লগত কোনো সম্পৰ্ক নাই। 'বুদ্ধিযোগ' অৰ্থাৎ মনত পৰমাত্মাৰ স্মৃতি অহৰহ স্থিত থকাহে প্রকৃত যোগ। ইয়াত



কোনো শাৰীৰিক ক্রিয়া প্রশ্ন নুঠে, কিন্তু এই বুদ্ধি যোগৰ বাবে যথাৰ্থ জ্ঞানৰ আৱশ্যক। ৰাজযোগ এনে এক প্রকাৰৰ যোগ যিয়ে ব্যক্তিক যোগৰ সমাধি পৰ্যায়লৈ লৈ যাব পাৰে। ৰাজযোগ সমাধি, উন্মানি, মনন্মানি, অমৰত্ব, নিৰলম্মা, নিৰঞ্জন, জীৱনমুক্তি, সহজ আদিৰ সমাৰ্থক। যেতিয়া জীৱাত্মা আৰু পৰমাত্মা আৰু সকলো সংকল্প অন্ত পৰি একাকাৰ হৈ পৰে তাকে সমাধি বোলে। মধ্যযুগত ভাৰতীয় পাঠ্যপুথিত ৰাজযোগক বিভিন্ন প্রকাৰৰ যোগৰ অন্তৰ্গত এক যোগ বুলি উল্লেখ কৰিছে। সুন্দৰ দাসে সৰ্বাংগ যোগ প্রদীপিকাত বাৰবিধ যোগৰ ভিতৰত 'ৰাজযোগ'কে উত্তম যোগৰ আখ্যা দিছে। স্বামী বিবেকানন্দই ৰাজযোগক পতঞ্জলি যোগসূত্রৰ সমমৰ্যাদা প্রদান কৰিছে। 11 শ শতিকাৰ আৰম্ভণিতে বিখ্যাত পাৰ্চীয়ান পণ্ডিত আলবেৰুণি ভাৰতবৰ্ষলৈ আহিছিল আৰু তেওঁ 16 বছৰ কাল এগৰাকী হিন্দু ব্যক্তিৰ লগত আছিল। সেই সময়তেই তেওঁ ভালেমান সংস্কৃত গ্রন্থ পাৰ্চী আৰু আৰবী ভাষালৈ অনুবাদ কৰি নিছিল। তাৰ ভিতৰত পতঞ্জলিৰ যোগসূত্রখনো আছিল। আলবেৰুণিৰ এই যোগসূত্রখনৰ লগত 19 শ শতিকাত ভাৰতবৰ্ষত পোৱা যোগসূত্রৰ পাণ্ডুলিপিটোৰ পাৰ্থক্য আছিল। আলবেৰুণিৰ সংগ্রহে আধুনিক পণ্ডিতসকলক পতঞ্জলি যোগসূত্রখন যে ভাৰতবৰ্ষত বিভিন্ন

## ড° বিদ্যানন্দ বৰকাকতী

অনুবাদত আৰু ব্যাখ্যাত প্রচলন হৈ আছে তাক জনাত সহায় কৰে। তাৰে ভালেমান অনুবাদ আৰু ব্যাখ্যা নষ্ট হৈও গ'ল। আলবেৰুণিৰ অনুবাদে ভাৰতবৰ্ষৰ যোগ দৰ্শনৰ বহুত মূল সংৰক্ষিত কৰি ৰাখিলে। আলবেৰুণিৰ যোগসূত্রৰ এই অনুদৃত গ্রন্থখন 1050 চনত পাৰ্চীয়া আৰু আৰবীয় পেনিনচুলা পাইছিলগৈ।

ৰাজযোগৰ প্রধান উদ্দেশ্যসমূহ হ'ল — ৰাজযোগে ব্যক্তি দেহ আৰু মন দুয়োটাকে সামৰি ল'লেও ইয়াৰ প্রধান উদ্দেশ্য হ'ল - ব্যক্তিৰ মানসিক আধ্যাত্মিক উৎকৰ্ষ সাধন কৰা। পতঞ্জলিৰ মতে, জীৱাত্মাক পৰমাত্মাৰ সৈতে সংযোগ ঘটোৱা। স্বাস্থ্যৱান জীৱন-যাপনৰ পৰিপূৰক প্রণালী, ৰাজযোগীৰ জীৱন-যাপন প্রণালী প্রচাৰ কৰা। ধ্যানৰ প্রায়োগিক উপযোগিতা জনপ্রিয় কৰি তোলা। চিকিৎসক ৰোগীৰ সম্পৰ্ক উন্নত কৰি তোলা। যুৱ প্রজন্মক ৰাগিয়াল দ্রব্য সেৱন আদিৰ পৰা ৰক্ষা কৰা। জনসাধাৰণক স্বাস্থ্যৱান জীৱনশৈলী, ব্যক্তিগত স্বাস্থ্য বিজ্ঞান আৰু পুঁজি সম্পৰ্কে শিক্ষা দিয়া। চিকিৎসা বৃত্তিত নৈতিক মূল্যবোধ প্রয়োগৰ বাবে উৎসাহ যোগোৱা। বিশ্ব স্বাস্থ্য সংস্থাৰ সামগ্রিক স্বাস্থ্য (total health) লক্ষ্যত উপনীত হ'বৰ বাবে কৰ্মচাৰীসকলক উৎসাহ যোগাব। ৰাজযোগৰ আন এটা লক্ষ্য হ'ল ব্যক্তিৰ দেহ, মন আৰু আত্মাৰ সামঞ্জস্যপূৰ্ণ বিকাশ সাধন কৰা। ব্যক্তিক প্রকৃত সুখ আৰু শান্তি দিয়া। ৰাজযোগক অষ্টাংগ যোগ বুলিও কোৱা হয়, কাৰণ এই যোগ অনুশীলনৰ বাবে আঠটা বিশেষ পৰ্যায় অতিক্রম কৰিব লাগে। সেয়া হ'ল — যম - আত্মনিয়ন্ত্রণ (Self control), নিয়ম - অনুশাসন (Discipline), আসন - শাৰীৰিক ব্যায়াম (Physical excercise), প্রাণায়াম - শ্বাস নিয়ন্ত্রণ (Breath excercise), প্রত্যাহাৰ - বাহ্য বস্তুৰ পৰা ইন্দ্রিয়সমূহৰ আঁতৰাই ৰখা ধাৰণা-একাগ্রতা, ধ্যান- ধ্যানমগ্নûসংকল্প, সমাধি-পূৰ্ণ যুক্তিûউপলব্ধি।

মানৱ জীৱনটো অসংখ্য ঘাত-প্রতিঘাতেৰে পৰিপূৰ্ণ। এই ঘাত-প্রতিঘাতৰ পৰা মুক্ত হ'বলৈ হ'লে মানুহে ৰাজযোগৰ নিয়মীয়াকৈ অনুশীলন কৰিব লাগে। ৰাজযোগৰ অনুশীলনে আমাক তলত দিয়া ধৰণে উপকাৰ সাধিব পাৰে। ৰাজযোগে আমাক শান্তি, সুখ আৰু পৰিপূৰ্ণতা প্রদান কৰে। ৰাজযোগৰ অনুশীলনে আমাৰ মনটো সকলো সময়তে শান্ত কৰি ৰাখিব পাৰে। ই আমাৰ টোপনি স্বাভাৱিক কৰে, শক্তি বৃদ্ধি কৰে আৰু উচ্চমানৰ স্বাস্থ্য প্রদান কৰে। জীৱনৰ প্রতি খোজতে ই আমাক কৃতকাৰ্য কৰি তোলে। ৰাজযোগে আমাৰ নতুন শক্তি, দৃঢ়তা আৰু আত্মবিশ্বাস আনি দিব পাৰে। ৰাজযোগৰ অনুশীলনে আমাৰ আবেগ আৰু অনুভূতিবোৰ নিয়ন্ত্রণ কৰিব পাৰে ই আমাৰ ক্ষমতাৰ প্রতি লালসা, বস্তুৰ প্রতি লোভ, ইন্দ্রিয় উত্তেজনা, আত্মকেন্দ্রিকতা আদি বাস্তৱ জীৱনৰ পৰা নাইকিয়া কৰি মনটো সন্তুলিত কৰি তুলিব পাৰে। ৰাজযোগে আমাৰ কৰ্ম জীৱনত আৰু দৈনন্দিন জীৱনৰ বহুতো সহায় কৰে। কৰ্মস্থলীত মনোনিৱেশ কৰা ক্ষমতা বঢ়াই তুলিব পাৰে। অৱসাদ নাইকিয়া কৰিব পাৰে। ৰাজযোগৰ অনুশাসনে ব্যক্তিৰ মন, শৰীৰ আৰু মৌখিক পেশীৰ মাজত সমন্বয় সাধন কৰি কৰ্মত লিপ্ত কৰোৱাব পাৰে। ৰাজযোগে আমাৰ মনৰ নেতিবাচক দৃষ্টিভংগীৰ বিলোপ কৰে। ৰাজযোগে সমতা, শান্তি আৰু অলৌকিকতা প্রদান কৰি আমাৰ জীৱনটো পুনৰ সংগঠিত কৰিব পাৰে। এক নতুন দৃষ্টিভংগী, সু-স্বাস্থ্য, সু-সজাগতা আৰু নতুন দৰ্শনৰ প্রভাৱেৰে জীৱন আলোকিত কৰিব পাৰে। ৰাজযোগে আৰু স্মৃতি শক্তিৰ উৎকৰ্ষ সাধন কৰে আৰু মনোযোগৰ ক্ষমতা বঢ়ায়। ৰাজযোগে আমাক অজ্ঞানতাৰ পৰা প্রজ্ঞালৈ, দুৰ্বলতাৰ পৰা সবলতালৈ, অনৈক্যৰ পৰা ঐক্যলৈ, সীমাবদ্ধতাৰ পৰা অসীমলৈ, বিভিন্নতাৰ পৰা এককলৈ আৰু অপূৰ্ণতাৰ পৰা পূৰ্ণতালৈ লৈ যাব পাৰে। ৰাজযোগত ইজন ব্যক্তিয়ে সিজনক আত্মিক দৃষ্টিৰে চোৱাৰ ফলত বিকাৰী দৃষ্টি পৱিত্র হৈ পৰে। সকলোৰে লগত আত্মিক প্রেম স্থাপন হয়। সকলোৰে মাজত ভ্রাতৃত্ববোধৰ বিৰাজমান হয়। যোগাগ্নিৰ দ্বাৰা যিমানেই পাপ ভষ্ম হ'ব সিমানে নিজকে পাতল অনুভৱ কৰে। চিন্তাৰ পৰা মুক্ত হ'ব। অতি ডাঙৰ বিপদো সহজে অতিক্রম কৰিব পাৰে। জীৱন অতি সহজ-সজল হৈ পৰিব। নম্রতা আৰু উদাৰতা প্রকাশ পায়। সেয়ে ক'ব পাৰি যে মনোদৈহিক ভাৱে সুস্থ নতুন আৰ্হিৰ সমাজ গঠন কৰিবৰ বাবে ৰাজযোগ অতি প্রয়োজন। কেৱল পাৰ্থিৱ বস্তুবোৰে আমাৰ জীৱন অলংকৃত কৰি তুলিব নোৱাৰে। যোগৰ এই গুৰুত্বতা বৰ্তমান সমগ্র বিশ্বই বুজি উঠিছে।

*ফোন ঃ 9101585429*

# বংশীধামৰ শ্রীশ্রীবিশ্বেশ্বৰ মন্দিৰ, নন্দী-মহাৰাজ আৰু মন্দিৰত মহাপুৰুষ শ্রীশ্রীহৰিদেৱৰ সিদ্ধিলাভ

**সনাতন** ধৰ্মীয় পৰম্পৰাৰ অন্যতম পীঠস্থান উত্তৰ-প্রদেশৰ কাশীধামৰ অধুনা ধ্বস্ত শ্রীশ্রীবিশ্বেশ্বৰ মন্দিৰৰ অৱস্থান সন্দৰ্ভত সাম্প্রতিক কালত তুমুল বিতৰ্ক চলি আছে। ভাৰতৰ ইতিহাস অনুসৰি এই প্রখ্যাত শিৱ মন্দিৰটো মোগল সম্রাট ঔৰংগজেবৰ (১৬৫৮-১৭০৭ খ্রীষ্টাব্দ) নিৰ্দেশ অনুসৰি ১৬৬৯ত ধ্বংস কৰি তাৰ ওপৰত এটা মছজিদ নিৰ্মাণ কৰা হৈছিল। এই মছজিদেই হ'ল বৰ্তমানে বহুল চৰ্চিত 'জ্ঞানব্যাপী মছজিদ'। তেতিয়াৰ পৰাই মন্দিৰ-মছজিদক লৈ হিন্দু-মুছলমানৰ মাজত সংঘৰ্ষৰ আৰম্ভণি হয়। ভাৰতত মোগলৰ পাছত ব্রিটিছ শাসন চলিছিল ১৯৪৭ৰ ১৫ আগষ্টলৈকে। তাৰ পাছতো কিন্তু মন্দিৰ-মছজিদৰ বিবাদ চলিয়ে থাকিল। বিবাদ আদালতৰ মজিয়া পালে। আদালতত বিবাদলৈ চলি চলি বন্ধ হৈ যায় যদিও ১৯১৯ৰ পৰা পুনৰ আৰম্ভ হয়। সম্প্রতি বাৰানসীৰ আদালতত বিবাদটোৰ গোচৰ এক নিৰ্ণায়ক মুহূৰ্তত উপনীত হৈছে প্রায়। উল্লেখিত কাশীধামৰ শ্রীশ্রী বিশ্বেশ্বৰ মন্দিৰৰ লগত এসময়ত উত্তৰ-পূব ভাৰতবৰ্ষৰ প্রথমগৰাকী বৈষ্ণৱ গুৰু মহাপুৰুষ শ্রীশ্রী হৰিদেৱৰ নিবিড় সম্পৰ্ক আৰু ইয়াতে গুৰুজনাই কঠোৰ সাধনা কৰি কেনেদৰে সিদ্ধি লাভ কৰিবলৈ সমৰ্থ হৈছিল তাৰেহে এক চমু আলোকপাত কৰাৰ প্রয়াস কৰিছো।

মহাপুৰুষ শ্রীশ্রীহৰিদেৱৰ জীৱন কালতে কাষলৈ আহি মৃত্যুৰ পৰলৈ চিৰসংগী হৈ থকা ভূঞা বংশৰ প্রখ্যাত কুসুম্বৰ ভূঞাৰ পুত্র তথা বৈষ্ণৱ শ্রীমন্ত শংকৰদেৱৰ বৈমাতৃয় ভ্রাতৃ বনগঁঞাগিৰীয়ে মহাপুৰুষ শ্রীশ্রী হৰিদেৱ নামৰ চৰিত পুথিখন ৰচনা কৰিছে। চৰিতকাৰে পুথিখনত গুৰুজনাৰ পূৰ্বপুৰুষসৰে কামৰূপ ৰাজলৈ আগমন কৰাৰ পৰা তেৰাৰ মহাপ্রয়াসলৈকে জীৱন বৃত্তান্ত বৰ্ণনা কৰিছে। পুথিৰ শেষত চৰিতকাৰে উল্লেখ কৰিছে এনেদৰে—

'জ্ঞানী গোবিন্দৰ মুখে শুনিছো কাহিনী।
নিজেও দেখিলো মই যিসব কাহিনী।।
সমস্ত গুৰুৰ কথা কৰি আলোচনা।
পদছন্দে লিখিবাক কৰিলু ধাৰণা।
.....................................
সংক্ষেপে লিখিলু মই মতি অনুসাৰে।
কিছু কথা বাদ দিছো বাহুল্যক তৰে
ইত্যাদি।

মহাপুৰুষ শ্রীশ্রীহৰিদেৱৰ চৰিত পুথিত তেৰাৰ মহিমামণ্ডিত সাতকুৰি বছৰীয়া জীৱন কালৰ লগতে ভাৰত দৰ্শন, কাশীধামত দুবছৰ বেদ আৰু দুবছৰ 'দৰ্শন' অধ্যয়ন কৰি তাৰ বিদ্বৎ সমাজৰ পৰা ক্রমে বেদাচাৰ্য আৰু দৰ্শনাচাৰ্য উপাধি লাভৰ কাহিনী লগতে সেই সময়তে কাশীধামত শ্রীশ্রীবিশ্বেশ্বৰ মন্দিৰ আৰু মন্দিৰভাগৰ সন্মুখ ভাগত থকা বৃষভ নন্দী মহাৰাজৰ কথাৰ বিশদ বিৱৰণ পোৱা যায়।

আজন্ম বৈষ্ণৱ শ্রীশ্রীহৰিদেৱে তদানীন্তন অসমীয়া সমাজখনত প্রচলিত জাতি ধ্বংসী, কুসংস্কাৰ আঁতৰাবলৈ সেই সময়ৰ অসমৰ শাসক আহোম স্বৰ্গদেউৰ ৰাজৰোষত পৰে। ৰাজৰোষৰ পৰা নিজৰ জীৱন ৰক্ষা কৰিবলৈ শ্রীশ্রীহৰিদেৱে জন্মভূমি নাৰায়ণপুৰৰ পৰা নিশাই কলগছৰ ভূৰত উঠি বৰলুইতৰ বুকুৰেদি

## কান্তেশ্বৰ কলিতা

ভটিয়াই পলাই আহে। লগত লৈ আনে সাতবছৰীয়া ঘাতমাউৱা ভগিনী যিয়ে পাছলৈ জ্ঞানী গোবিন্দ নামে পৰিচিতি পায়।

প্রাণৰক্ষাৰ পলায়নৰ এই যাত্রাকে তীৰ্থযাত্রাৰ মহাযাত্রাৰ ৰূপ দি শ্রীশ্রীহৰিদেৱে কামৰূপৰ পৰিধি পাৰ হৈ আৰু দৰ্শনৰ মানসেৰে সমুদ্রৰ পথেৰে শ্রীক্ষেত্রপুৰীৰ শ্রীশ্রী জগন্নাথ মন্দিৰত উপস্থিত হ'ল। এই মন্দিৰ দৰ্শন কালত ভগিনী সুভদ্রাৰ আকস্মিক পৰলোকপ্রাপ্তি ঘটে। একমাত্র ভগিনীৰ বিয়োগত সংসাৰৰ সকলো মায়াৰ বন্ধন ছেদ কৰি গোবিন্দক লগত লৈ শ্রীশ্রীহৰিদেৱে 'ভাৰত দৰ্শন'ৰ সংকল্প লৈ শ্রী ক্ষেত্রপুৰীৰ পৰা ক্রমে বৈদ্যনাথ ধাম, প্রয়াগ, কাশীধাম, অযোধ্যা, গকুল, বৃন্দাবন, মথুৰা দৰ্শন কৰি শৈলতীৰ্থ বদৰিকাশ্রমলৈ যোৱাৰ সংকল্প ল'লে। শাৰীৰিক অসুস্থতাৰ বাবে সংগী গোবিন্দক কাশীধামৰ আশ্রয়দাতা দ্বিজ হৰলাল পাণ্ডাৰ গৃহতে লৈ অকলে যাত্রা আৰম্ভ কৰিলে। ভগৱান শ্রীৰাম চন্দ্রৰ পদৰেণুৰে চিৰ পৱিত্র হৈ থকা উত্তম ক্ষেত্র হৰিদ্বাৰ দৰ্শন কৰি তাৰ পৰা হৃষীকেশ, দেৱপ্রয়াস, নন্দ প্রয়াগ. ৰুদ্রপ্রয়াগ, যোগীমঠ দৰ্শন কৰি শৈলতীৰ্থ বদ্রীনাম বা বদৰিকাশ্রমত উপস্থিত হ'ল। বদ্রীনামতে শ্রীশ্রীহৰিদেৱে ভাৰত দৰ্শনৰ সমাপ্তি ঘটাই পুনৰ যোৱা বাটেৰে উভতি আহি কাশীধামত উপস্থিত হ'ল। সম্পূৰ্ণ এবছৰ তীৰ্থ দৰ্শনৰ পাছত ১৭ বছৰত গৃহৰ পৰা পলাই যোৱা শ্রীশ্রীহৰিদেৱ ১৮ বছৰীয়া হ'ল।

কাশীধামত উপস্থিত হোৱাৰ পাছত শ্রীশ্রীহৰিদেৱৰ মনলৈ উচ্চ শিক্ষা গ্রহণৰ চিন্তা জাগ্রত হ'ল। বিভিন্ন তীৰ্থক্ষেত্রত সান্নিধ্যলৈ অহা বিদগ্ধ পণ্ডিতসৰৰ লগত আলোচনা-বিলোচনাৰ পৰা শ্রীশ্রীহৰিদেৱৰ মনলৈ শাস্ত্র অধ্যয়নৰ যোগে জ্ঞান আহৰণৰ বাসনাই তীব্ৰৰূপ লৈছিল। উচ্চ অধ্যয়ন অবিহনে জ্ঞানৰ পৰিসৰ আধৰুৱা বুলি উপলব্ধি হৈছিল। সেই সময়ত কাশীধাম আছিল ভাৰতবৰ্ষৰ শিক্ষা-সংস্কৃতিৰ অন্যতম পীঠস্থান। বিশ্বৰ মহা মহা মনিষীসৰে কাশীধামৰ জ্ঞান সমুদ্রৰ পৰা বিদ্যায়তনিক মণি-মুকুতা সংগ্রহ কৰি মহান খ্যাতি ৰাখিছিল। এনেবোৰ চিন্তাৰে শ্রীশ্রীহৰিদেৱে আশ্রয়দাতা হৰলাল পাণ্ডাৰ জৰিয়তে সেই কালৰ কাশীধামৰ অন্যতম পণ্ডিত অধ্যাপক শ্রদ্ধানন্দ দ্বিজৰ কাষ চাপিল আৰু আপোন ইচ্ছাৰ কথা প্রকাশ কৰিলে। কামৰূপীয় যুৱ পণ্ডিতৰ জ্ঞান আহৰণৰ আগ্রহ আৰু ঐকান্তিকতা জানিব পাৰি পণ্ডিত শ্রদ্ধানন্দ দ্বিজে শ্রীশ্রীহৰিদেৱক বেদ আৰু দৰ্শন



অধ্যাপনাত সন্মতি দিলে।

শ্রীশ্রীহৰিদেৱে কাশীধামত উচ্চ শিক্ষা গ্রহণ আৰম্ভ কৰিছিল ১৩৬৬ শক বা ১৪৪৪ খ্রীষ্টাব্দত। পণ্ডিত শ্রদ্ধানন্দ দ্বিজে হৰিদেৱক প্রথমতে দুবছৰ বেদ শাস্ত্র আৰু পৰৱৰ্তী দুবছৰত দৰ্শন শাস্ত্র পঢ়ুৱাৰ সূচী ল'লে। প্রকাশ কৰা হয় যে শ্রীশ্রীহৰিদেৱৰ পূৰ্বতে কোনো অসমীয়াই অসমৰ বাহিৰলৈ গৈ এনে উচ্চ শিক্ষা গ্রহণৰ দৃষ্টান্ত নাই।

কাশীধামত শ্রীশ্রীহৰিদেৱে অধ্যয়ন আৰম্ভ কৰাৰে পৰা প্রতিমাহৰ কৃষ্ণা চতুৰ্দশী তিথিৰ নিশাত বিশ্বেশ্বৰ মন্দিৰত যথা ৰীতিৰে শিৱ আৰাধনা কৰিছিল। বিশ্বেশ্বৰ মন্দিৰে শ্রীশ্রীহৰিদেৱৰ জীৱনলৈ অন্য এক পৰিঘটনা সংঘটিত কৰিলে। অনন্ত স্বৰূপ দেৱাদিৰ দেৱ শিৱক দুবছৰ পূজা-অৰ্চনা নিবেদনৰ পাছত শ্রীশ্রীহৰিদেৱে সাধনাত সিদ্ধি লাভ কৰিলে। দুবছৰ অন্তত শেষৰটো কৃষ্ণা চতুৰ্দশী তিথিৰ নিশা মন্দিৰত পূজা-অৰ্চনা কৰি পুৱালৈকে মন্দিৰতে পৰি থকা সময়ত শ্রীশ্রীহৰিদেৱৰ চিল-মিলিয়া টোপনি আহিল। সেই টোপনিতে এক সপোন দেখিলে আৰু সপোনতে এক দিব্যস্বপ্নাদেশ পালে—

'অৰ্দ্ধ ৰাত্রি সময়ত স্বপ্নক দেখিয়া।
একস্বৰে মন্দিৰোত আচন্ত বসিয়া।।
শুনা হৰিদেৱে তুমি মহোৰ আদেশ।
কালি অমাবস্যা তিথি পালিবা বিশেষ।।
সন্ধ্যা সময়ত আসি এহি মন্দিৰোত।
বসিয়া থাকিবা তুমি যথা ইস্বাসত।।
চতুৰ্দশ দণ্ডসতে গংগাৰ তীৰোত।
শুনিবাহা বাদ্য ধ্বনি বেল্য ওপৰত।।
মন্দিৰৰ হন্তে তুমি নিৰ্ভয় সৰিলে।
উপস্থিত হৈবা যাই সেহি বেল্যতলে।
।
ধূৰ্জ্জতি নামেৰে এক সন্ন্যাসী ৰতন।
বেল্যহন্তে আসি দিব দৰিসন ।
ভক্তিভাৱে তাহাক কৰিবা নমস্কাৰ।
দুৰ্লভ আপ্রাপ্য দ্রব্য দিব উপহাৰ
তাহাৰ আদেশ তুমি কৰিবা পালন।
দিলু উপদেশ মই ভক্তপ্রাণ ধন।'..ইত্যাদি।

স্বপ্নাদেশ পাই হৰিদেৱে উঠি বহিল আৰু কথাবোৰ মনতে গুনিবলৈ ল'লে। দিনটো অধ্যয়ন আদিত ব্যস্ত থাকি অম্যাৱস্যাৰ দিনা সন্ধিয়াতে পুনৰ বিশ্বেশ্বৰ মন্দিৰলৈ গৈ দেৱাদিদেৱক পূজা-অৰ্চনা আগবঢ়ালে।

'চতুৰ্দশ দণ্ডৰাত্রি যেবে আসি পাইলা।
ডম্বৰুৰ ধ্বনি সেহি সময়ত ভৈলা।।
ঘোৰ অমাৱস্যা নিশি নাহিকে প্রকাশ।
বেল্য তলে দ্বিপ এক কৰিছে প্রকাশ।
।
বেল্য তলে দ্বিপ এক কৰিছে প্রকাশ।

শিৱস্তুতি সমাপন কৰি শ্রীশ্রীহৰিদেৱে ধিমিক-ধামাককৈ জ্বলি থকা দ্বিপগছিক লক্ষ্য কৰি ক্রমে ক্রমে বেলগছৰ তলত উপস্থিত হ'ল। যেন সময়ত একজটীয়া সন্ন্যাসী বেলগছৰ পৰা নামি আহি হৰিদেৱৰ সন্মুখত দণ্ডায়মান হ'ল আৰু— কোন, কি কাৰণে তালৈ আহিছে বুলি প্রশ্ন সুধিলে। সন্ন্যাসীৰ প্রশ্নৰ উত্তৰত হৰিদেৱে ক'লে বোলে—

'হে দেৱ সন্ন্যাসী দেৱ শুনিও কাৰণ।
শিৱৰ আদেশ মই কৰিছো পালন।।
আপোনাৰ উপদেশ পালন কৰিচে।
আদেশ কৰিছে মোক ৰত্রি স্বপনতে।

উত্তৰ শুনি সন্ন্যাসীয়ে হাঁহি হাঁহি শ্রীশ্রীহৰিদেৱৰ হাতত এটা সোণৰ পদক তুলি দি ক'লে—

'আশীৰ্বাদ কৰি কহে শুনা ভক্তধন।
সুবৰ্ণ পদক এই অমূল্য ৰতন।।
ইহাৰ ভিতৰে আছে শ্রীকৃষ্ণ কবচ।।
ধাৰণ কৰিবা মাল্যে মেৰুতে কবচ।
ব্রহ্মাই কৰন্ত সৃষ্টি কবচৰ বলে।
বিষপান কৰে শিৱে এই কবচ বলে।।

এনেদৰে কবচৰ মহিমা বৰ্ণাই জটীয়া সন্ন্যাসীয়ে ইয়াকো ক'লে যে এই কবচ ধাৰণৰ ফলত হৰিদেৱে সাতকুৰি বছৰ পৰমায়ু লাভ কৰিব। লগতে ক'লে— 'আজি অমাৱস্যা তিথিত কবচ গ্রহণ আৰু সাতকুৰি বছৰ সময় সম্পূৰ্ণ হ'লে—এই অমাৱস্যা তিথিতে হৰিদেৱৰ মহাপ্রয়াণ ঘটিব ইত্যাদি। এনেদৰে অনেক পৰামৰ্শ প্রদানৰ অন্তত সন্ন্যাসীদেৱ হঠাতে অন্তৰ্ধান হ'ল।

জটীয়া সন্ন্যাসী অন্তৰ্ধান হোৱাৰ পাছত শ্রীশ্রীহৰিদেৱে সম্বিত ঘূৰাই পাই পুনৰ মন্দিৰলৈ আহিবলৈ উদ্যত হ'ল। কিন্তু ঘোৰ অমানিশাৰ নিশ্ছিদ্র এন্ধাৰত পথৰ উমান ধৰিব নোৱাৰি মনতে প্রভু বিশ্বেশ্বৰক স্তুতি কৰিলে। হেন সময়তে মন্দিৰৰ সন্মুখ ভাগত থকা বৃষভৰূপ নন্দীমহাৰাজে সিংহনাদ কৰি উঠিলে।

'গুৰুৰ অন্তৰে অল্প শংকা জন্মিল।
কিমতে মন্দিৰে জাই মনত চিন্তিল।
বিশ্বেশ্বৰ মন্দিৰৰ বৃষভ সিগোত।
অল্প খাই দেখিলু নাদ কৰিছে অদ্ভুত।
বৃষভৰ পাঁচ ধৰি মন্দিৰ পাইলো।
মন্দিৰত মন সুখে বসিয়া থাকিলো।

ইতিমধ্যে অমানিশাৰ এন্ধাৰ অৱসান হোৱাৰ উপক্রম হৈছে। সেই ব্রহ্মপুৰাই শ্রীশ্রীহৰিদেৱে পুনৰ মা গংগাৰ পুত পৱিত্র পানীত অৱগাহন কৰি মন্দিৰত প্রভু বিশ্বেশ্বৰক পূজা-অৰ্চনা আগবঢ়াই হৰলাল পাণ্ডাৰ গৃহলৈ উভতি আহিল। শ্রীশ্রীবিশ্বেশ্বৰ মন্দিৰতে শ্রীশ্রীহৰিদেৱে আধ্যাত্মিক জীৱনৰ অক্লান্ত সাধনা সমাপন কৰি সাধনাত সিদ্ধি লাভ কৰিবলৈ সক্ষম হ'ল। আজিও তেৰাৰ লক্ষ লক্ষ অনুগামীৰ মনত কাশীধামৰ শ্রীশ্রীবিশ্বেশ্বৰ মন্দিৰৰ প্রতি এক বিশেষ মহত্ত্ব আৰু আকৰ্ষণ আছে।

মহাপুৰুষ শ্রীশ্রীহৰিদেৱৰ চৰিত পুথিত বৰ্ণিত তেৰাৰ অলৌকিক আধ্যাত্মিক জীৱন কাহিনীয়ে ১৪৪৪ খ্রীষ্টাব্দৰ হিন্দু সমাজৰ অন্যতম পীঠস্থান কাশীধামৰ শ্রীশ্রীবিশ্বেশ্বৰ মন্দিৰ, মন্দিৰৰ দণ্ডায়মান বৃষভৰূপী শ্রীশ্রীনন্দী মহাৰাজৰ স্বকীয় প্রাচীন পৰিচয় উজ্জ্বল ৰূপত প্রকাশ আছে।

(পদ্যাংশৰ বানান মূলৰ দৰে ৰখা হৈছে) *ফোন ঃ ৯৯৫৪৮৮৬১৯৭*

'**কোৰাণে**-পুৰাণে একেকে কৈছে
যি গায় মহন্ত লোক
এই দুনীয়াত আছে দুই বেশে
মুৰ্শ্বিদে (ভকত) বুজাব তোক' (জিকিৰ)

ইছলাম ধৰ্ম বা পৱিত্র কোৰাণ শ্বৰীফত কোৱা হৈছে বা ঘোষণা কৰিছে, নিৰ্দেশ দিছে— 'হে মানৱজাত' বুলি। (অৰ্থাৎ ইয়া আইয়ুহাল-ইন্সান'; কিন্তু কেতিয়াও কোৱা হোৱা নাই 'হে মুছলমানসকল' বুলি, কেৱল মুছলমান বুলি নকয় সমগ্র মানৱ জাতিৰ কথা কোৱা হৈছে। আচলতে কোৰাণ শ্বৰীফেই সমগ্র মানৱ জাতিৰ বাবে অৱতীৰ্ণ হৈছে। 'মোৰ ধৰ্ম উত্তম' (ইন্দাল লাহি ইছলাম) বুলি



# কোৰানে পুৰাণে একেকে কৈছে

বিশ্বাস কৰিবলৈ কোৱা হৈছে। কিন্তু একে সময়তে কোৱা হৈছে আনৰ ধৰ্মক ঘৃণা নকৰিবা, (লা ইক্রাহা ফিদ্দীন)।

"আল্লা আল্লা আল্লাৰ নাম
গোবিন্দ গোবিন্দ
গোবিন্দ সমান
যেই আল্লা সেই
ৰাম।
হৰি কৃষ্ণ একেই নাম।।
ভজন সাধন স্তুতিধ্যান।
আজান ভজন নহয় আন।।"
(লোকগীত)

## ছাইফুল হুছেইন বৰা

*ইছলাম ধৰ্মমতে পৃথিৱীলৈ কম-বেছি পৰিমাণে প্রায় এক লাখ২৪ হেজাৰ জন নবী বা পয়গম্বৰ বা ৰছুল (আল্লাৰ দ্বাৰা প্রেৰিত দূত / কটকী / বাৰ্তাবাহক আহিছে।* **আজিৰ পৰা প্রায় ১৪৪৩ বছৰৰ আগত মৰুৰ দেশত হজৰত মহম্মদ (দঃ)ৰ প্রৱৰ্তক হিচাপে আৰ্বিভাৱ হৈছিল।** কোৰাণ শ্বৰীফ নাজিল (অৱতীৰ্ণ) হৈছিল। এই কথা গীতাতো উল্লেখ আছে। মজাৰ কথা তাৰ পিছত পৃথিৱীলৈ কোনো ধৰ্মৰ আৰু কোনো অৱতাৰ অহা নাই।

*গতিকে আজিৰ ইছলামেই হৈছে আটাইতকৈ বিশুদ্ধ ৰূপ। অনুগামীসকলে বিসংগতি কৰিব পাৰে। সেইটো সকলো ধৰ্মৰ ক্ষেত্রতে খাটে। ইছলাম ধৰ্মত কোনো 'অৱতাৰ' নাই। 'পয়গম্বৰ' বা 'ৰছুল' বা 'নবী' সকল একো একোজন মানুহে। পুৰুষ অৰ্থাৎ মহাপুৰুষ (মহান পুৰুষ)*

**এই (দূত) সকলৰ মাজত কৃষ্ণ ৰাম, শিৱও একো একোজন দূতেই। আমাৰ এয়া ব্যক্তিগত বিশ্বাস।** কিয়নো ইছলাম ধৰ্মাৱলম্বী লোকৰ মাজত প্রচলিত হাল্কা বা জিকিৰ (আজান পীৰ চাহাবে ৰচনা কৰা জিকিৰ-জাৰী নহয়, ধৰ্মীয় গীতহে) যিদৰে বংগৰ 'বাউল' গীত।

গোলাঘাট জিলাৰ নাহৰণিত অৱস্থিত 'হাল্কা জামাত'ৰ লোকসকলে বাউল গীতত 'কানাই' আৰু 'হৰি - ৰাম বংশীধাৰী' বুলি গায়। কানাই অৰ্থাৎ 'কৃষ্ণ'ৰ কথা কোৱা হৈছে। তেনে সাধাৰণভাৱে ইয়ে বুজায় যে সকলো ধৰ্মতে একেবোৰ কথাকে কৈছে, ইপিনে, মুছলমান সকলে যাক 'ইছা আলেহি ছালাম' বুলি পয়গম্বৰ (দূত) হিচাপে অভিহিত কৰে, তেওঁকো খ্রীষ্টানসকলে যীশুখ্রীষ্ট বোলে। পাৰ্থক্যটো হ'ল ইছলাম ধৰ্মত প্রভু বা ভগৱান নিৰাকাৰ। তেওঁৰ কোনো মতা-মাইকী বুলি 'জাত' নাই। গতিকে আল্লা বা ভগৱান পুত্র বুলি ইছলামত কোনো প্রশ্নই নুঠে। ইছলাম ধৰ্মমতে চাৰিখন স্বৰ্গীয় কিতাপ অৱতীৰ্ণ হৈছে। তৌৰিত, জুবুৰ, ইঞ্জিল (ইছা আলাইহি ছালাম বা যীশুখ্রীষ্টৰ ওপৰত) আৰু ফুৰকান বা কোৰাণ {হজৰত মহম্মদ (দঃ) ৰ ওপৰত} ।

কোৰাণ শ্বৰীফত মৰিয়ম অৰ্থাৎ যীশুখ্রীষ্টৰ মাকৰ ওপৰত এটা চুৰা বা শ্লোক অৱতীৰ্ণ হৈছে, য'ত তেওঁৰ নাম ৩২ বাৰ উল্লেখ কৰা হৈছে তাৰ বিপৰীতে কিন্তু বাইবেল ত মাত্র ১৮ বাৰহে তেওঁৰ নাম উল্লেখ কৰিছে। ইছলাম ধৰ্মত আদাম আলেহি চালাম বুলি কৈছে আৰু 'মা হাৱা' (হাৱা আলেইহিচ ছালামা) বুলি কৈছে। বাইবেলত তাকে আদম, ইভ বুলি কৈছে। আন আন ধৰ্মবিলাক 'আদি মানৱ' বুলিছে। ইছলাম ধৰ্মত 'নুহ নবী' বুলি কৈছে তাক বাইবেলত নোৱা বুলিছে। হিন্দু ধৰ্মত যুধিষ্ঠিৰৰ লগত এটি কুকুৰ স্বৰ্গলৈ যোৱাৰ কথা আছে। সেই একেধৰণৰ কথা ইছলামতো আছে। পয়গম্বৰ আছহাব- ই - কাফৰ পোহনীয়া কুকুৰটোৰে জন্নত যাব। তেনে সাধাৰণ কথা আমি সকলোৰে জানো, কওঁ যে হিন্দু-মুছলমান একে কথা,একে প্রকৃতিৰে সন্তান। প্রকৃতিয়েই ভগৱান, আল্লা, গড। আমি কওঁ আল্লা, ভগৱান বা গড একেজনেই।

*তেন্তে ... ধৰ্মই মানুহক গোড়া হ'বলৈ নিশিকায়। ধৰ্মই মানুহক সহনশীল হ'বলৈ শিকায়, সংস্কাৰ -সংস্কৃতি কৰে ধৰ্মই মানুহক। ই এক বান্ধোন। ধৰ্ম সমাজ-শৃংখলাবদ্ধ ভাৱে চলাৰ এটা নিয়মো হয়।* ***একমাত্র নিয়ম নহয় আকৌ।*** *ফোন ঃ ৯১০১৬-২১৫১৪*

# পানীদিহিং পক্ষী অভয়াৰণ্যত অবাধ গতিত মৎস্য নিধন

## ■ নিদ্ৰাৰত শিৱসাগৰ বন বিভাগ, প্ৰকৃতিপ্ৰেমীৰ উদ্বেগ ■ উপায়ুক্তক ব্যৱস্থা গ্ৰহণৰ আহ্বান



*কলিয়াবৰত মুক্তিযোদ্ধা বদন চন্দ্ৰ বৰদলৈৰ স্মৃতি দিৱসৰ সোণালী জয়ন্তী উদ্‌যাপন।*

**অগ্ৰদূত বাৰ্তা**

**দিচাংমুখ, ২১ জুলাই ঃ** এছিয়াৰ ভিতৰত তৃতীয় সৰ্ববৃহৎ পক্ষী অভয়াৰণ্য পানীদিহিং পক্ষী অভয়াৰণ্যত চলিছে অবাধ হাৰত থলুৱা প্ৰজাতিৰ মৎস্য নিধন। শিৱসাগৰ বন সংমণ্ডলৰ প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ অন্তৰ্গত পানীদিহিং পক্ষী অভয়াৰণ্যত বিগত এটা সপ্তাহ ধৰি বাঘজালেৰে একাংশ দুষ্কৃতিকাৰীয়ে ব্যাপক হাৰত কুইণ্টলে কুইণ্টলে থলুৱা প্ৰজাতিৰ পাভ, কুহি, বাট, ৰৌ, বৰালি, শল, শাল, মুৱা, পুঠি, খলিহনা আদি মৎস্য নিধন কৰি জিলাখনৰ বিভিন্ন প্ৰান্তৰৰ লগতে শিমলুগুৰি আৰু মৰিয়নি আদি অঞ্চললৈ যোগান ধৰি অহাৰ তথ্য পোহৰলৈ আহিছে। উল্লেখ্য যে অভয়াৰণ্যখনৰ পানী শুকাই যোৱাৰ লগে লগে জোলাটুপ নলাইদি পক্ষী অভয়াৰণ্যখনৰ পানী ওলাই দিচাং নদীত পৰাৰ সুবিধা গ্ৰহণ কৰি জোলাটুপ গাঁৱৰ এজন বিশেষ ব্যক্তিৰ সহযোগত ১০খনতকৈ অধিক বাঘজাল পতাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় একাংশ প্ৰকৃতিপ্ৰেমীয়ে। আনহাতে, জোলাটুপ নলাত বাঘজাল পতাৰ অচিলাৰে দিচাংমুখৰ সমীপৰ এখন গাঁৱৰ দুজন ব্যক্তিৰ বিশেষ উদ্যোগত পক্ষী অভয়াৰণ্যখনৰ ভিতৰত মুৱাজাল আৰু খৰাজাল পাতি অবাধ গতিত মৎস্য নিধন যজ্ঞ অব্যাহত ৰাখিছে। উল্লেখ্য যে পানীদিহিং পক্ষী অভয়াৰণ্যখন চোৰা-চিতা কৰাৰ বাবে শিৱসাগৰ বন বিভাগে দিচাংমুখ আৰু চৰগুৱাত দুটাকৈ খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ লগতে অভয়াৰণ্যখনৰ কাষতে চিতলীয়া, বালিকুৰ আৰু ডিমৌমুখত তিনিটাকৈ বন শিবিৰ স্থাপন কৰি কৰ্মচাৰীও নিযুক্তি দিছে। চৰকাৰৰ ৰাজকোষৰ পৰা হেজাৰ হেজাৰ দৰমহা আদায় লোৱা এইসকল কৰ্মচাৰীয়ে আজিলৈকে এখনো জালৰ লগতে মৎস্য নিধন কৰা দলটোৰ এজনো দুষ্কৃতিকাৰীক আটক কৰিব নোৱাৰা বিষয়টোৱে ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আনহাতে, শিৱসাগৰ বন বিভাগে নগৰখনৰ এটা স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত মে' মাহতে ডিমৌমুখত এখন সজাগতা সভা অনুষ্ঠিত কৰি হাত সাৰটি থকাৰ সুবিধা গ্ৰহণ কৰি একাংশ দুষ্কৃতিকাৰীয়ে বিগত এটা সপ্তাহত অভয়াৰণ্যখনৰ ভিতৰত মৎস্য নিধন কৰি লাখ লাখ টকা উপাৰ্জন কৰা বিষয়টোত উপায়ুক্তক ব্যৱস্থা গ্ৰহণ কৰিবলৈ সচেতন ৰাইজে অনুৰোধ জনাইছে।

## বণিয়াকুছত বীণাপাণি থিয়েটাৰৰ নাট্যবৰ্ষৰ আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**সৰ্থেবাৰী, ২১ জুলাই ঃ** কৰ'নাকালীন পৰিৱেশৰ বাবে যোৱা দুটাকৈ বৰ্ষ নাট প্ৰদৰ্শনৰ পৰা বিৰত থকা অসমৰ আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদল থিয়েটাৰ বীনাপাণিয়ে ২০২২-২৩ নাট্যবৰ্ষৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে । এইবেলি ৪৮ সংখ্যক বৰ্ষত ভৰি দিয়া নাট্যদলটোৱে ইয়াৰ অংশ হিচাপে যোৱা ১৮ জুলাইত সৰ্থেবাৰীৰ নিকটৱৰ্তী বনিয়াকুছিস্থিত স্থায়ী আখৰা গৃহত নাটৰ আখৰা মুকলি কৰে। তদুপলক্ষে পুৱাৰ ভাগত যথাবিহীত ব্যৱস্থাৰে নটৰাজৰ পূজা-অৰ্চনা, নাম-কীৰ্তন আদি কৰা হয় । ইয়াৰ পিছতে নাট্যকাৰ ৰাম বৰ্মনৰ বিশ্বাস ঘাতক নামৰ নাটকখনৰ কেইটিমান নাট্য মুহূৰ্তৰ আখৰাৰে এই বছৰৰ আখৰৰ পাতনি মেলা হয় । সন্ধিয়া আখৰা শিবিৰতে নাট্যদলটোৰ শিল্পী, কলা-কুশলী, সাংবাদিক-সাহিত্যিক, শুভাকাংক্ষী আৰু স্থানীয় ৰাইজক লৈ এক মনোজ্ঞ আলোচনা আৰু গীত-মাতৰ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত নাট্যকাৰ ৰাম বৰ্মন, জেষ্ঠ সাংবাদিক চক্ৰেশ্বৰ ডেকা, নকুল তালুকদাৰ, গুণজিৎ চৌধুৰী, অধিবক্তা অভয় বৰ্মন, চিত্তৰঞ্জন বৰ্মন, অধ্যাপক পৰেশ ভূএগ, যাত্ৰাদল প্ৰযোজক সন্থাৰ সভাপতি চবিন কলিতাকে প্ৰমুখ্যে কৰি বিভিন্ন ক্ষেত্ৰৰ কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। গীতিকাৰ নিখিলেশ ডেকাই আঁত ধৰা অনুষ্ঠানটোত নিজ বক্তব্যত সাংবাদিক চক্ৰেশ্বৰ ডেকাই নাট্যদলটোৰ সুদীৰ্ঘ জয়যাত্ৰাত প্ৰয়াত প্ৰযোজক ৰামদাস বৰ্মনৰ অৱদানক শ্ৰদ্ধা সহকাৰে সোঁৱৰণ কৰে । সৰুক্ষেত্ৰীৰ দৰে এটি অনগ্ৰসৰ অঞ্চলত বীনাপাণি থিয়েটাৰ জন্ম দি সেই আনুষ্ঠানটোক গৌৰৱ উজ্বল সোণালী জয়ন্তী বৰ্ষৰ দুৱাৰদলিত উপনীত কৰোৱা কাৰ্য প্ৰয়াত বৰ্মনৰ ঐকান্তিক প্ৰচেষ্টাৰ ফল বুলি মত পোষণ কৰে। নাট্যদলটোৰ এই সফলতা ভৱিষ্যতৰ দিনটো অক্ষুণ্ণ ৰাখিবলৈ বৰ্তমানৰ প্ৰযোজক প্ৰতুল বৰ্মন আৰু কাৰ্যবাহী প্ৰযোজক মানৱ বৰ্মনে সক্ষম হ'ব বুলি বক্তাসকলে আশা ব্যক্ত কৰে। তেওঁলোকে এই ক্ষেত্ৰত নাট্যদলটোৰ লগত জড়িত প্ৰতিজন শিল্পী আৰু কলা-কুশলীক যত্নবান হ'বলৈ আহ্বান জনায় । অনুষ্ঠানত সৰুক্ষেত্ৰী অঞ্চলৰ এখন পূৰ্ণাংগ নাট্য ইতিহাস সংকলন কৰাৰ লগতে বীনাপাণি থিয়েটাৰৰ আগন্তুক সোণালী জয়ন্তী উৎসৱটো ৰাজহুৱাভাৱে উদ্‌যাপনৰ কৰিব লাগে বুলি সাংবাদিক গুণজিৎ চৌধুৰীয়ে মত পোষণ কৰে। অনুষ্ঠানত অঞ্চলটোৰ কেবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয় । এই অনুষ্ঠানতে কণ্ঠশিল্পী পি, যে, প্ৰিন্স, উজ্বল ডেকা, অভয় বৰ্মন, ডিম্বেশ্বৰ নাথাকে ধৰি কে'বাজনো শিল্পীয়ে গীত-মাত পৰিৱেশ কৰে। এইবেলি নাট্যদলটোৱে প্ৰতিষ্ঠিত নাট্যকাৰ অভিজিত ভট্টাচাৰ্যৰ 'মিষ্টাৰ হিৰালাল', ৰাম বৰ্মনৰ 'বিশ্বাস ঘাতক' আৰু মহেন্দ্ৰ বৰঠাকুৰৰ 'বলিদান' নামৰ তিনিখন ভিন্নসুৰী নাট নিবেদন কৰিব । বলিষ্ঠ কৌতুক অভিনেতা বিপুল ৰাভাকে ধৰি কে'বাজনো ণ-পুৰণি শিল্পীক ২০২২-২৩ত বীনাপাণিৰ মঞ্চত দেখিবলৈ পোৱা যাব।

## বটদ্ৰৱাত অগ্নিনিৰ্বাপক-দুৰ্যোগ প্ৰশমন সেৱাৰ আৰম্ভ



**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অলপতে গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা ভ্ৰমণৰ সময়ত গুৰুজনাৰ জন্মস্থানৰ সাধাৰণ ৰাইজৰ জীৱন সম্পত্তি নিৰাপত্তাজনিত বিষয় সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বটদ্ৰৱাত এটা অগ্নি নিৰ্বাপণ আৰু দুৰ্যোগ প্ৰশমন সেৱা স্থাপনৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰি কালি অসম চৰকাৰৰ আৰক্ষী বিভাগে গুৰুজনাৰ জন্মস্থান বটদ্ৰৱালৈ অগ্নিনিৰ্বাপক বাহিনীৰ দুখন বাহনৰ লগতে দুৰ্যোগ প্ৰশমনৰ সেৱা কালি শ্ৰী শ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিক অৰ্পণ কৰে। সত্ৰৰ পৰম্পৰাগত মাংগলিক কাৰ্যসূচীৰ মাজেৰে শ্ৰীশ্ৰী বটদ্ৰৱা থানৰ সমীপত অগ্নি নিৰ্বাপক সেৱা কেন্দ্ৰৰ আস্থান মুকলি কৰে শ্ৰীশ্ৰীবটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্তই। অনুষ্ঠানৰ প্ৰাৰম্ভতে বন্তি প্ৰজ্বলন কৰে বটদ্ৰৱা থান পৰিচালনা সমিতিৰ উপ-সভাপতি দেৱানন্দ দেৱ গোস্বামীয়ে। নগাঁও জিলা আৰক্ষী অধীক্ষক লীনা দলেই ফিটা কাটি কাৰ্যালয়ৰ দ্বাৰ উন্মোচন কৰি বটদ্ৰৱা থানৰ লগতে পাৰ্শ্বৱৰ্তী অঞ্চলৰ ৰাইজৰ ধন জনৰ সুৰক্ষাৰ বাবে এটা দীৰ্ঘদিনীয়া অভাৱ পূৰণ হ'ল বুলি মন্তব্য কৰাৰ লগতে আগন্তুক দুই সপ্তাহৰ ভিতৰত বটদ্ৰৱা থানা আক্ৰমণৰ ঘটনাৰ চাৰ্জশ্বিট দাখিল কৰা হ'ব আৰু পৰ্যায়ক্ৰমে বটদ্ৰৱা আক্ৰমণ ঘটনাৰ লগত জড়িত সকলো অপৰাধীক আটক কৰা হ'ব বুলিও কয়। অনুষ্ঠানত অগ্নিনিৰ্বাপক বাহিনীৰ নগাঁও জিলা জ্যেষ্ঠ আস্থান বিষয়া আবু তালহা, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সদস্য তুৰাৰাম বৰুৱা, পংকজ বৰুৱা, ৰাজীৱ বৰঠাকুৰ, পৰাণ বৰুৱা, মহেন্দ্ৰ বৰুৱা, বিমল পাঠক, ৰবি শইকীয়া পদুম, ৰবি শইকীয়া, পদুম কলিতা, সাংবাদিক কন্দৰ্প কুমাৰ কলিতা, দিব্যজ্যোতি বৰুৱা, বেদব্ৰত ৰাজা, জগন্নাথ কলিতাৰ লগতে বটদ্ৰৱা থানৰ ভকত বৈষ্ণৱসকল উপস্থিত থাকে।

## ভাৰতবৰ্ষ আধ্যাত্মিকতাৰে বিশ্ব গুৰু হোৱাৰ কথা বিবেকানন্দই কৈ গৈছে



**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২১ জুলাই ঃ** 'আমি আমাৰ লক্ষ্য নাজানিলে আমি আগুৱাই যাব নোৱাৰো। বিবেকানন্দৰ লক্ষ্য আছিল ভাৰতৰ বিশ্ব গুৰু হোৱা। এই গুৰু হিটলাৰৰ দৰে নহয় ভাৰতে আধ্যাত্মিকতাৰে বিশ্ব গুৰুৰ আসনত অধিষ্ঠিত হ'ব লাগিব।' এই মন্তব্য সুবক্তা দিগন্ত বিশ্ব শৰ্মাৰ। আজাদী কা অমৃত মহোৎসৱ' স্বামী বিবেকানন্দ উপলক্ষে কালি হোজাই ৰামকৃষ্ণ সেৱাশ্ৰমত আয়োজিত যুৱ সন্মিলনত ভাষণ দি শৰ্মাই এই মন্তব্য কৰে। দিনজোৱা কাৰ্যসূচীৰে হোজাই আৰু নগাঁও জ'নৰ যুৱ সন্মিলনত দুটা জ'নৰ প্ৰায় দুশ যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰা যুৱ সন্মিলনত বিশিষ্ট বক্তা হিচাপে যোগদান কৰি দিগন্ত বিশ্ব শৰ্মাই স্বামী বিবেকানন্দৰ আদৰ্শ আৰু যুৱ প্ৰজন্মলৈ তেওঁৰ বাণীৰ বিষয়ে ব্যাখ্যা কৰে। তেওঁ বক্তব্যত যুৱ চামক শ্ৰদ্ধা আৰু উপনিষদৰ যম নচিকতাৰ কাহিনীৰে আগুৱাবলৈ আহ্বান জনায়। ভাষণ প্ৰসংগত তেওঁ আজি শ্ৰদ্ধাৰ অভাৱৰ বাবে আমাৰ অৱনতি হৈছে। যুৱ চামে শ্ৰদ্ধা আৰু ভক্তিৰে জীৱন গঢ়িব লাগিব বুলি কয়। পুৱা ন বজাৰ পৰা আৰম্ভ হোৱা এই সন্মিলনত যোগদান কৰি ভাষণ দি ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অমলেন্দু চক্ৰৱৰ্তীয়ে যুগধৰ্মৰ বিষয়ে বক্তব্য ৰাখে। বিয়লি সামৰণি পৰা এই যুৱ সন্মিলনত হোজাই আৰু নগাঁও জ'ন যুৱক-যুৱতীয়ে নৃত্য, গীত, নাটক, যোগ ব্যায়াম, প্ৰাণায়াম, সত্ৰীয়া নৃত্য আদি প্ৰদৰ্শন কৰে। এই সন্মিলনত ৰামকৃষ্ণ মিছন গুৱাহাটীৰ জপেশ্বৰানন্দ মহাৰাজে যোগদান কৰে।

### ■ হোজাই ৰামকৃষ্ণ সেৱাশ্ৰমত যুৱ সন্মিলনত দিগন্ত বিশ্ব শৰ্মা

## শিৱসাগৰত নাট্য কৰ্মশালাৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**দিচাংমুখ, ২১ জুলাই ঃ** শিৱসাগৰৰ স্বেচ্ছাসেৱী অনুষ্ঠান সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত অসম নাট্য সন্মিলনৰ শিৱসাগৰ শাখা, তেল আৰু প্ৰাকৃতিক গেছ নিগম, শিৱসাগৰ জিলা যুৱ সাংবাদিক সন্থা আৰু কুবেৰ ৰাজ চিনে প্ৰডাকচনৰ সহযোগত হিন্দু ধৰ্মসভা নামঘৰত অলপতে অনুষ্ঠিত নাট কৰ্মশালাৰ সামৰণি পৰে। সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ সম্পাদক অমৃত কুমাৰ শৰ্মাই পৰিচালনা কৰা অনুষ্ঠানত নাট্যপীঠৰ অধ্যক্ষ প্ৰশান্ত শৰ্মা, শিক্ষাবিদ সুৰেশ শইকীয়া, কবি আশ্ৰমণি দত্ত ঘোষ উপস্থিত থাকি বক্তব্য প্ৰধান কৰে। ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন নাট্যকাৰ তথা অভিনেতা গুণাকৰ দেৱ গোস্বামীয়ে প্ৰশিক্ষণ প্ৰদান কৰা শিক্ষাৰ্থীসকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।

## বৰমাত বেচৰকাৰী সংস্থাৰ গ্ৰীষ্মকালীন শিবিৰ

**বৰমা, ২১ জুলাই ঃ** গ্ৰীষ্ম বন্ধৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৌদ্ধিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যে ১৯ৰ পৰা ২৪ জুলাইলৈ বৰমা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ত 'এইড এট এক্সন' নামৰ বেচৰকাৰী সংস্থাৰ উদ্যোগত গ্ৰীষ্মকালীন শিবিৰ অনুষ্ঠিত হৈছে বুলি উদ্যোক্তাসকলে জনাইছে। শিবিৰ উদ্বোধন কৰে বাগ্‌সা জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ভবেন দেউৰীয়ে। শিবিৰ আৰম্ভণিৰ পূৰ্বে বৃক্ষৰোপণ কৰে বৰমা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দেওবাৰ ৰামচিয়াৰী আৰু জ্যেষ্ঠ শিক্ষক সুভাষ শৰ্মাই। শিবিৰটোৰ স'তে সংগতি ৰাখি পুথিভঁৰাল উদ্বোধন কৰে 'এইড এট এক্সন' নামৰ এনজিঅ'টোৰ বাগ্‌সা জিলাৰ সমন্বয়ক হিমাংশু লহকৰে। বিজ্ঞান প্ৰদৰ্শনী কোঠা উদ্বোধন কৰে বৰমা উত্তৰ বজাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী সৰস্বতী ৰাভা মুছহাৰীয়ে। শিবিৰটোত নখন চৰকাৰী বিদ্যালয়ৰ প্ৰায় ১৩০ জনতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে বিনামূলীয়া শিবিৰত ভাগ লয়। গ্ৰীষ্ম শিবিৰত শিক্ষাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে খেল-ধেমালি, নৃত্য-গীতৰ প্ৰশিক্ষণ সকলো দিশতে এই ছয়দিনৰ ভিতৰত লাভ কৰিব বুলি উদ্যোক্তাসকলে জানিব দিয়ে।

## কচুৱাৰ সাতলুংগা গাঁৱৰ যুৱক সন্ধানহীন

**অগ্ৰদূত বাৰ্তা**

**কচুৱা, ২১ জুলাই ঃ** কচুৱা আৰক্ষী থানাৰ অন্তৰ্গত সাতলুংগা গাঁৱৰ যুৱক তফাজ্জুল হুছেইন (২৫) নামৰ অবিবাহিত যুৱকজন যোৱা ১৮ জুলাইৰ পৰা সন্ধানহীন হৈ আছে। সন্ধানহীন যুৱকজনে কিছু পৰিমাণে মানসিক বিকাৰগ্ৰস্ত বুলি পৰিয়ালৰ লোকে সদৰী কৰিছে। উল্লেখ্য যে সেইদিনা গভীৰ নিশা নিজ বিছনাৰ পৰাই ৰহস্যজনকভাৱে সন্ধানহীন হৈ আছে যুৱকজন। পৰিয়ালৰ লোকে দুদিন ধৰি বহু ঠাইত বিচাৰ-খোচাৰ কৰিও কোনো সন্ধান নাপাই শোকত ভাগি পৰিছে। ইপিনে, সন্ধানহীন লোকজনৰ ৯৩৬৫৯০৫১৯৯ আৰু ৬০০১৬৭০৯৩৯ নম্বৰত সন্ধান দিওতাক নগদ একলাখ টকাৰে পুৰস্কৃত কৰা হ'ব বুলি ৰাইজক পৰিয়ালে কাতৰ প্ৰাৰ্থনা জনাইছে।

## ৰঙাপৰাত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ সন্দৰ্ভত সজাগতা সভা

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ২১ জুলাই ঃ** দুৰ্যোগৰ সময়ত বানাক্ৰান্ত কৃষক ৰাইজক সহায়ৰ হাত আগবঢ়াবলৈ অসম চৰকাৰৰ কৃষি বিভাগে পদক্ষেপ গ্ৰহণ কৰি আহিছে। চলিত বৰ্ষৰ দুটাকৈ প্ৰলয়ংকৰী বানপানীত ৰাজ্যখনৰ ৩৩খন জিলাৰ আঢ়ৈলাখ হেক্টৰ কৃষিভূমিৰ শস্য বানত বুৰ গৈছে। সেইবাৰে ৰাজ্যৰ লাখ লাখ কৃষকৰ এতিয়া হাহাকাৰ অৱস্থা। বীমাৰ সুবিধা লাভ কৰা নাই কৃষকসকলে। বানত ক্ষতিগ্ৰস্ত কৃষক ৰাইজক সহায়ৰ হাত আগবঢ়াবলৈ কৃষি বিভাগে ইতিমধ্যে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। এই উপলক্ষে কালি ৰঙাপৰা সমষ্টিৰ ফুলগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত হাতিডুবি গাঁৱত এখন সজাগতা সভা অনুষ্ঠিত হয়। বিজেপিৰ কিষাণ মৰ্চাৰ উদ্যোগত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি কিষাণ মৰ্চাৰ ৰঙাপৰা মণ্ডলৰ সভাপতি কমল শৰ্মা বৰুৱাই কয় যে বানপানী, খৰাং, শস্যৰ ৰোগ আদিকে ধৰি বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ ফলত কেতবোৰ শস্যৰ ক্ষেত্ৰত হোৱা ক্ষতিৰ বিপৰীতে ফচল বীমা আঁচনিৰ জৰিয়তে কৃষকক সকাহ দিয়াৰ বাবে অসম চৰকাৰৰ কৃষি বিভাগে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা নামৰ কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাহী আঁচনিখন ৰূপায়ণ কৰি আছে। অসমত এই যোজনাখনৰ অধীনত খাৰিফ শস্য হিচাপে মাটিমাহ, শালি ধান আৰু ৰবি বতৰৰ শস্য হিচাপে গ্ৰীষ্মকালীন ধান, আলু, কুঁহিয়াৰ আৰু সৰিয়হ সামৰি লোৱা হৈছে। তেওঁ উক্ত আঁচনিৰ অধীনত কৰা শস্যৰ বীমাৰ অধীনত খাৰিফ শস্যৰ ক্ষেত্ৰত কৃষকসকলে বীমাৰ ধনৰাশিৰ বিপৰীতে দুই শতাংশ প্ৰিমিয়াম দিব লাগে বুলি উল্লেখ কৰে। প্ৰত্যেক বছৰে প্ৰাকৃতিক দুৰ্যোগত ৰাজ্যৰ বিশাল শস্যভূমি ক্ষতিগ্ৰস্ত হয় যদিও সেই অনুপাতে বীমাৰ সুবিধা লাভ কৰা নাই কৃষকে। এতিয়াও বিভিন্ন কাৰণত আঁচনিখনৰ সুবিধা লাভৰ বাবে কৃষক ৰাইজ আগবাঢ়ি অহা নাই বুলি তেওঁ আক্ষেপ কৰে। সভাত উপস্থিত ৰাইজৰ মাজত ফচল বীমা যোজনাৰ ফৰ্ম বিতৰণ কৰা হয়। শিক্ষক ৰাজেন বিশ্বকৰ্মাই আঁত ধৰা সভাত অঞ্চলটোৰ বহু কৃষক উপস্থিত থাকে। সভাত প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনি সন্দৰ্ভতো আলোচনা কৰা হয়।

## লাচিত বৰফুকনৰ চাৰিশ সংখ্যক জন্ম জয়ন্তী উপলক্ষে লেখা আহ্বান

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২১ জুলাই ঃ** বীৰ লাচিত বৰফুকনৰ আগন্তুক চাৰিশ সংখ্যক জন্মজয়ন্তী উপলক্ষে অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ নিৰ্দেশ ক্ৰমে চৰাইদেউ জিলা প্ৰশাসনে জিলাখনৰ লেখক, নাগৰিক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পৰা মহান বীৰগৰাকীৰ জীৱন আৰু বীৰত্বৰ আধাৰত যুগুত কৰা অথবা তেওঁৰ স'তে জড়িত যিকোনো বিষয়ৰ লেখা আহ্বান কৰিছে। লেখাসমূহ এশৰ পৰা এহেজাৰ শব্দৰ ভিতৰত হ'ব লাগিব। লেখাসমূহৰ পৰা এশটা উন্নতমানৰ লেখা বাছনি কৰি সেইসমূহ জিলা প্ৰশাসনৰ চৰকাৰী ৱেবছাইট আৰু ফেচবুক পেজত আপলোড কৰা হ'ব। ইয়াৰে উৎকৃষ্ট পাঁচটা লেখা বাছনি কৰি সাধাৰণ প্ৰশাসন বিভাগলৈ প্ৰেৰণ কৰা হ'ব। উৎকৃষ্টমানৰ কেতবোৰ লেখাৰ বাবে লেখক লাচিত বৰফুকনৰ চাৰিশ সংখ্যক জন্মজয়ন্তীত পুৰস্কৃত কৰা হ'ব। নাগৰিকসকলৰ লগতে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক লেখা প্ৰেৰণ কৰিবলৈ জিলা প্ৰশাসনে বিশেষভাৱে আহ্বান জনাইছে। উল্লেখ্য যে অহা ১০ ছেপ্তেম্বৰৰ পাছত লাভ কৰা লেখা গ্ৰহণ কৰা নহ'ব। লেখাসমূহ নিকটৱৰ্তী চক্ৰ বিষয়াৰ কাৰ্যালয় অথবা খণ্ড বিষয়াৰ কাৰ্যালয়ত জমা দিব লাগিব। লেখা প্ৰেৰণ কৰা খামৰ ওপৰত 'লাচিত বৰফুকনৰ চাৰিশ সংখ্যক জন্মজয়ন্তী উপলক্ষে' বুলি লিখি দিব লাগিব।

## তিনিচুকীয়াত ৭৬ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি সন্দৰ্ভত সভা



**অগ্ৰদূত বাৰ্তা**

**ডুমডুমা, ২১ জুলাই ঃ** তিনিচুকীয়াত ৭৬ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি সন্দৰ্ভত কালি তিনিচুকীয়া জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা উপায়ুক্ত নৰসিং পৱাৰৰ সভাপতিত্বত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত স্বাধীনতা দিৱস উদ্‌যাপনৰ বাবে বিভিন্ন বিভাগৰ ওপৰত ন্যস্ত দায়িত্বসমূহৰ বিষয়ে বিতংকৈ আলোচনা কৰা হয়। স্বাধীনতা দিৱসৰ সকলো কাৰ্যসূচী সাফল্যমণ্ডিত কৰিবলৈ সকলো বিভাগকে নিজ নিজ দায়িত্ব সুচাৰুৰূপে সম্পাদন কৰিবলৈ জিলা উপায়ুক্তই নিৰ্দেশ দিয়ে। লগতে স্বাধীনতা দিৱসৰ সমূহ কাৰ্যসূচী সাফল্যমণ্ডিত কৰিবলৈ ৰাইজৰ সহযোগিতা কামনা কৰে। বিগত বৰ্ষৰ দৰে এই বছৰো স্বাধীনতা দিৱস উপলক্ষে জিলাখনৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰচনা, চিত্ৰাংকন আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা সন্দৰ্ভত আলোচনা কৰা হয়। ইয়াৰ লগতে ১৩ আৰু ১৪ আগষ্ট তাৰিখে সকলো চৰকাৰী কাৰ্যালয়, ঐতিহাসিক ক্ষেত্ৰ তথা জিলাখনৰ অন্যান্য গুৰুত্বপূৰ্ণ স্থানত চাফাই অভিযান কাৰ্যসূচী হাতত লোৱা হ'ব বুলি জিলা উপায়ুক্তই উল্লেখ কৰে। আজিৰ সভাত 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচীৰ অধীনত দেশবাসীৰ গৌৰৱৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা ঘৰে ঘৰে উত্তোলন কৰিবলৈ ৰাইজৰ প্ৰতি উপায়ুক্তই আহ্বান জনায়। উপায়ুক্ত পৱাৰে সকলো চৰকাৰী কাৰ্যালয়ৰ লগতে অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিগত বাসভৱনত নিৰ্ধাৰিত নিয়ম অনুসৰি সময়মতে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনায়। আনহাতে, সভাত উপস্থিত সকলো বিভাগৰ বিষয়াসকলক ১৫ আগষ্টলৈকে চলিবলগীয়া 'মুখ্যমন্ত্ৰী প্ৰতিষ্ঠানিক বৃক্ষৰোপণ কাৰ্যসূচী'ৰ অধীনত নিজ নিজ কাৰ্যালয়ৰ চৌহদত বিভিন্ন থলুৱা প্ৰজাতিৰ ফলমূল, ফুল অথবা ঔষধি গছপুলি ৰোপণ কৰিবলৈও জিলা উপায়ুক্তজনে আহ্বান জনায়। কালিৰ সভাত তিনিচুকীয়া জিলা উন্নয়ন আয়ুক্ত নয়নজ্যোতি ভাগৱতী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মুনিন্দ্ৰ বৰদলৈ, আৰক্ষী অধীক্ষক দেৱজিৎ দেউৰী, অতিৰিক্ত উপায়ুক্ত সুশান্ত দত্ত, অতিৰিক্ত উপায়ুক্ত দিপু কুমাৰ ডেকা, অতিৰিক্ত উপায়ুক্ত চৰফ্ৰাজ হক, অতিৰিক্ত উপায়ুক্ত মনজিৎ বৰকাকতি, মাৰ্ঘেৰিটা মহকুমাৰ মহকুমাধিপতি পলাশ আহোম প্ৰমুখ্যে জিলা প্ৰশাসনৰ অন্যান্য উচ্চ পদস্থ বিষয়া-কৰ্মচাৰী তথা বিভিন্ন সেচ্ছাসেৱী সংগঠনৰ প্ৰতিনিধি আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

## তিতাবৰ আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰত জলবায়ু স্থিতিশীলতা প্ৰকল্পৰ পৰ্যালোচনা

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ২১ জুলাই ঃ** উজনি আৰু উত্তৰ অসমৰ ছখন জিলাত সামগ্ৰিকভাৱে কৃষিৰ সম্প্ৰসাৰণ আৰু উত্তৰণ ঘটোৱাৰ বাবে লোৱা আঁচনিৰ বাৰ্ষিক পৰ্যালোচনা সভাখন কালি অনুষ্ঠিত হয়। যোৰহাট, শিৱসাগৰ, গোলাঘাট, লখিমপুৰ, তেজপুৰ, আৰু নগাঁও জিলাৰ প্ৰকল্পৰ অধীনৰ কৃষক কৃষি বিজ্ঞানী আৰু কৃষি বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ স'তে জিলাকেইখনৰ ভৱিষ্যত কৃষিৰ সামগ্ৰিক ৰূপৰেখা সম্পৰ্কত বিশেষভাৱে আলোচনা কৰা হয়। তিতাবৰ আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° সঞ্জয় কুমাৰ চেতিয়াৰ সঞ্চালনাত অনুষ্ঠিত সভাত বক্তব্য ৰাখি অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগী গৱেষণা সঞ্চালক ড° মৃণাল শইকীয়াই কয় যে প্ৰকল্পভিত্তিক কৃষিয়ে সামগ্ৰিক কৃষিৰ উন্নতি কৰিব নোৱাৰে। প্ৰকল্পভিত্তিক কৃষিৰ সুবিধা লৈ কাৰিকৰী সম্প্ৰসাৰণ আৰু কৃষিজ্ঞানৰ সম্প্ৰসাৰণ ঘটালেহে সামগ্ৰিক কৃষিৰ সম্প্ৰসাৰণ তথা উত্তৰণ ঘটাব পৰা যাব। বতৰৰ পৰিৱৰ্তন তথা জলবায়ুৰ পৰিৱৰ্তনৰ সময়ত যাতে নিজে বাচিব পাৰো তাৰ বাবে ব্যৱস্থা নিজে ল'ব লাগিব। কৃষিত মধ্যভোগী সৰ্বোচ্চ হোৱা বাবেই কৃষকক একত্ৰিত কৰি এফপিঅ' কৰিবলগীয়া হৈছে। সেয়ে নিজৰ পথাৰ নিজে ভাল কৰি ল'ব লাগিব। থলুৱা লোকৰ কৃষি চাই উদ্ভাৱন সক্ষমতা। থলুৱা বীজ নিজে উৎপাদন কৰিব লাগিব। সভাত কৃষি বিভাগৰ যুটীয়া সঞ্চালক তথা যোৰহাট জিলা কৃষি বিষয়া বেণী মাধৱ বৰুৱাই কয় যে আমাৰ নিজৰ ওপৰতে কৃষিৰ স্বাস্থ্য তথা আমাৰ স্বাস্থ্য নিৰ্ভৰ কৰে বাবে এই দিশত আমি সচেষ্ট হ'ব লাগিব। সভাত অসম বীজ আৰু জৈৱিক প্ৰমাণিকৰণ অভিকৰণৰ ভাৰপ্ৰাপ্ত উপ-সঞ্চালক ড° সুমন্তজিত ভূএগ, যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী সঞ্জয় বৰঠাকুৰ, জৈন ইৰিকেচনৰ হৰেকৃষ্ণ বৰুৱা, নীলাচল প্ৰাইভেট কোম্পানীৰ অচিন্ত্য দাসৰ লগতে নিৰ্বাচিত কৃষকসকলে অংশগ্ৰহণ কৰি সভাত বক্তব্য আগবঢ়ায়। আনহাতে, এই অনুষ্ঠানৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ কাৰ্যসূচীও অনুষ্ঠানিকভাৱে পালন কৰা হয়।

## তিনিচুকীয়াৰ শিক্ষা সম্পৰ্কীয় ভিজিলেন্স-মণিটৰিং কমিটীৰ সভা

**অগ্ৰদূত বাৰ্তা**

**ডুমডুমা, ২১ জুলাই ঃ** তিনিচুকীয়া জিলাত শিক্ষা সম্পৰ্কীয় বিষয়সমূহ পৰ্যবেক্ষণ আৰু পুনৰীক্ষণ কৰাৰ বাবে গঠিত জিলা পৰ্যায়ৰ ভিজিলেন্স আৰু মণিটৰিং কমিটীৰ এখন সভা আজি জিলা পৰিষদৰ সভাকক্ষত অনুষ্ঠিত হয়। তিনিচুকীয়া জিলা পৰিষদৰ সভাপতি তথা সমিতিৰ অধ্যক্ষ ৰাজেন্দ্ৰ নাথ কৈৰীৰ সঞ্চালনাত অনুষ্ঠিত এই সভাত সদস্য সচিব তথা অতিৰিক্ত উপায়ুক্ত সুশান্ত দত্তই সভাৰ উদ্দেশ্য ব্যাখ্যাৰ যোগেদি সমিতিখন গঠনৰ গুৰুত্বৰ লগতে দায়িত্ব আৰু কৰ্তব্যসমূহৰ বিষয়ে আলোকপাত কৰে। সমগ্ৰ শিক্ষাৰ জিলা আঁচনি বিষয়া ত্ৰিদিব শৰ্মা তামুলীয়ে আদৰণি ভাষণ আগবঢ়াই জিলাৰ এম আই এছ প্ৰ'গ্ৰেমাৰ চুইম হাতীবৰুৱাৰ সহযোগত জিলাখনৰ শৈক্ষিক স্থিতি সম্পৰ্কে বিস্তৃত আলোচনা আগবঢ়ায়। বিশেষকৈ বিদ্যালয়ৰ উন্নয়নত স্থানীয় কৰ্তৃপক্ষ আৰু পৰিচালনা সমিতিসমূহৰ ভূমিকা, বিদ্যালয় ত্যাগ কৰা শিশুৰ শিক্ষাৰ ধাৰাবাহিকতা ৰক্ষা কৰা, মধ্যাহ্ন ভোজন আৰু আন আন শিতানত লাভ কৰা অনুদানসমূহৰ সঠিক ব্যৱহাৰ কৰা আদি গুৰুত্বপূৰ্ণ বিষয়সমূহত উপস্থিত সদস্য-সদস্যাসকলেও মতামত আগবঢ়ায়। জিলা প্ৰাথমিক শিক্ষা বিষয়া বিন্তি শৰ্মাই বিদ্যালয়সমূহৰ একত্ৰীকৰণ, মাধ্যমিক পৰ্যায়লৈকে উন্নীতকৰণৰ ক্ষেত্ৰত জিলা পৰিষদে গ্ৰহণ কৰিব পৰা পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰে। স্বেচ্ছাসেৱী সংস্থা সুৰ্যোদয়ৰ সঞ্চালক অখিল চন্দ্ৰ বৰুৱাই মাৰ্ঘেৰিটাৰ সঞ্জুৰাৰ, শদিয়াৰ অমৰপুৰৰ দৰে দুৰ্গম অঞ্চলসমূহত শিশুসকলৰ শিক্ষাৰ বাবে কৰণী দিশৰ বিষয়ে সভাৰ দৃষ্টি আকৰ্ষণ কৰে। সহকাৰী শ্ৰম আয়ুক্ত ড° ভাস্কৰ মিলিয়ে ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ গুণগত মান বৃদ্ধিৰ ক্ষেত্ৰত শৈক্ষিক পৰ্যবেক্ষণৰ বাবে ভিজিলেন্স কমিটীয়ে বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ পোষকতা কৰে। তিনিচুকীয়া পৌৰসভাৰ সভাপতি জয়ন্ত বৰুৱাই এনে ধৰণৰ ভিজিলেন্স আৰু মণিটৰিং কমিটীৰ যোগেদি ছাত্ৰ-ছাত্ৰীয়ে বৰ্তমান সন্মুখীন হৈ থকা নিচাজাতীয় দ্ৰব্যৰ প্ৰতি আসক্তি ৰোধ কৰাৰ বাবে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰে।

সভাত অংশগ্ৰহণ কৰি তিনিচুকীয়া জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মুনীন্দ্ৰ বৰদলৈয়ে শিক্ষাৰ গুণগত মান বৃদ্ধিৰ ক্ষেত্ৰত নিয়মীয়া পৰ্যবেক্ষণ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ দায়িত্ব পালনত সন্মুখীন হোৱা সসম্যাৰ চিনাক্ত কৰি সেইবোৰ নিৰাময়ৰ বাবে উদ্যোগ গ্ৰহণ কৰি যাবলৈ সকলোকে আহ্বান জনায়। তিনিচুকীয়া জিলা পৰিষদৰ সদস্য-সদস্যাসকলৰ লগতে কমিটীত অন্তৰ্ভুক্ত হৈ থকা বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকল, শৈক্ষিক উপদেষ্টা তথা বিশিষ্ট শিক্ষাবিদ উত্তম দুৱৰা আৰু শিক্ষা বিভাগৰ প্ৰতিনিধিসকল সভাত উপস্থিত থাকে।

## ৰাধিকা নগৰ প্ৰাথমিক বিদ্যালয়ত পঢ়ুৱৈৰ দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ২১ জুলাই ঃ** আমগুৰি প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ৰাধিকা নগৰ প্ৰথমিক বিদ্যালয়ত কালি পঢ়ুৱৈৰ দিৱস উদ্‌যাপন কৰা হয়। পণ্ডিত প্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈৰ ২০ জুলাইৰ জন্মদিনটো প্ৰত্যেক বছৰে পঢ়ুৱৈৰ দিৱস হিচাপে উদ্‌যাপন কৰি অহা হৈছে। জিলাখনৰ অন্যান্য প্ৰান্তৰ লগতে উক্ত বিদ্যালয়তো অনুষ্ঠিত কৰা অনুষ্ঠানৰ লগত সংগতি ৰাখি বিদ্যালয়খনৰ চৌহদত ড° ভবেন্দ্ৰ নাথ শইকীয়া সোঁৱৰণী এটা 'পদপথৰ পুথিভঁৰাল আৰু জিৰণি চ'ৰাৰ' আধাৰশিলা স্থাপন কৰা হয়। পুথিভঁৰালটোৰ আধাৰশিলা স্থাপন কৰে আমগুৰি প্ৰাথমিক শিক্ষা খণ্ডৰ, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া শিউ প্ৰসাদ চাহু আৰু জিলা আঁচনি বিষয়া দীপক বৰাই। তাৰ পাছতে অনুষ্ঠিত মুকলি সভাৰ আৰম্ভণিতে পণ্ডিত প্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক বৰ্ণালী দত্তই। বিদ্যালয়খনৰ প্ৰধান শিক্ষক তথা কবি-সাহিত্যিক ব্ৰজেন দাসে আঁত ধৰা সভাত আমগুৰি প্ৰাথমিক শিক্ষা খণ্ডৰ খণ্ড বিষয়া শিউ প্ৰসাদ চাহু বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। চাহুৱে বিদ্যালয়ৰ চৌহদত স্থাপন কৰা পুথিভঁৰালটোৱে ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজক উপকৃত কৰিব বুলি মন্তব্য কৰে। ইয়াৰ উপৰি সভাখনত জিলা আঁচনি বিষয়া দীপক বৰায়ো ভাষণ প্ৰদান কৰে। সভাত আমগুৰি শিক্ষা খণ্ডৰ সহ সমন্বয়ক ছিনু বৰপাত্ৰ গোহাঁই, মণ্ডল সমল ক্ষেত্ৰ সমন্বয়ক ক্ৰমে আটিকুৰ হাজৰিকা, মানস বৰা, নিলোৎপল বৰুৱা, চম্পক শইকীয়াৰ লগতে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি পিংকু দাস, জ্যেষ্ঠ ব্যক্তি ধনেশ্বৰ দাস, মাতৃগোটৰ সভানেত্ৰী সম্পাদিকা ক্ৰমে মণিকা দাস আৰু বিনিতা দাসৰ উপৰি স্থানীয় ভালেসংখ্যক ৰাইজ উপস্থিত থাকে। সভাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে গীত-নৃত্যৰ লগতে কবিতা আবৃত্তি আৰু যোগাসনো প্ৰদৰ্শন কৰে।

### ড° ভবেন্দ্ৰ নাথ শইকীয়া সোঁৱৰণী পদপথৰ পুথিভঁৰালৰ আধাৰশিলা স্থাপন

অসম দাপোণ
অগ্ৰদূত
গুৱাহাটী, ২২ জুলাই, শুকুৰবাৰ ২০২২ পৃষ্ঠা ১১

# গোৱালপাৰাত জিলা উন্নয়ন সমিতিৰ গুৰুত্বপূৰ্ণ বৈঠক

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২১ জুলাই ঃ** নৱনিযুক্ত উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীৰ অধ্যক্ষতাত গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত কালি জিলা উন্নয়ন সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত অতিৰিক্ত উপায়ুক্ত ক্ৰমে ৰণজিৎ কোঁৱৰ, পল্লৱজ্যোতি নাথ, ৰাকেশ ডেকা, প্ৰমুখ্যে জিলাখনৰ সকলো ৰাজহ চক্ৰৰ বিষয়সকল, সহকাৰী আয়ুক্তসকল আৰু সকলো বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে। সভাত উপায়ুক্তই সকলো বিভাগৰ কাম-কাজসমূহ সময়মতে সম্পূৰ্ণ কৰাৰ লগতে বিভাগীয় বিষয়াসকলক সকলো কাম প্ৰত্যক্ষভাৱে নিৰীক্ষণ কৰি আগবঢ়াই নিবলৈ আহ্বান জনায়। ইপিনে, ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ বাবে আয়োজন কৰা 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি যোৱা ১৫ জুলাইৰ পৰা অহা ৭৫ দিনলৈকে চলিব লগা ক'ভিডৰ বুস্তাৰ ড'জৰ বাবে সকলো বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে সকলো ৰাইজ যাতে আগবাঢ়ি আহি এই টিকাকৰণ কাৰ্যসূচী সফল কৰি তোলে তাৰ বাবে সকলোকে আহ্বান জনায়। ইয়াৰ উপৰি 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি অহা ১৩ৰ পৰা ১৫ আগষ্টলৈ সকলো ঘৰ, কাৰ্যালয়, ব্যৱসায়ী প্ৰতিষ্ঠান আদিত ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ বাবে হাতত সোৱা 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী যাতে সফলভাৱে ৰূপায়ণ হয় তাৰ বাবে সকলোকে আহ্বান জনায়। লগতে পৰিৱেশ সংৰক্ষণৰ বাবে হাতত লোৱা মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক গছ পুলি ৰূপায়ণ কাৰ্যসূচী সকলো বিভাগৰ কাৰ্যালয়ত আৰম্ভ কৰি ইয়াৰ ফটো আপলোড কৰিবলৈ সকলো বিভাগীয় বিষয়াক আহ্বান জনায়। সভাত পাৱাৰ পইণ্ট প্ৰদৰ্শনৰ দ্বাৰা স্বাস্থ্য, হস্ততাঁত বস্ত্ৰশিল্প, ৰেছম, মন, লোকনিৰ্মাণ (গৃহ) আদিকে ধৰি বিভিন্ন বিভাগৰ কাম-কাজৰ অগ্ৰগতিৰ বিষয়ে বিভাগীয় বিষয়াসকলে উপায়ুক্তগৰাকীক অৱগত কৰে। ইপিনে অহা মাহৰ পৰা জিলা উন্নয়ন সমিতিৰ বৈঠক প্ৰতি মাহৰ ছয় তাৰিখে অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰে নৱনিযুক্ত উপায়ুক্ত চৌধুৰীয়ে।

■ সকলো কাম সময়মতে কৰিবলৈ নৱনিযুক্ত উপায়ুক্তৰ নিৰ্দেশ

# চতিয়াত নদুৱাৰ সংগীত বিদ্যাপীঠৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**চতিয়া, ২১ জুলাই ঃ** এজাক কণমানিৰ নৃত্যই জীপাল কৰি তুলিলে চতিয়া নাট্য ভৱন। দৰ্শকৰ পাৰ ভঙা উছাহ আৰু নদুৱাৰ সংগীত বিদ্যাপীঠৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ সফল পৰিসমাপ্তিয়ে চতিয়াত একক অনন্য মাত্ৰা প্ৰদান কৰিলে নদুৱাৰ সংগীত বিদ্যাপীঠৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ সফল পৰিসমাপ্তিয়ে চতিয়াত একক অনন্য মাত্ৰা প্ৰদান কৰিলে নদুৱাৰ সংগীত বিদ্যাপীঠৰ গ্ৰীষ্মৰ ভাৰত নাট্যম আৰু সৃষ্টিশীল নৃত্যৰ কৰ্মশালাৰ সামৰণি অনুষ্ঠানক। সোমবাৰ আৰু মঙলবাৰে সন্ধিয়া চতিয়া নাট্য ভৱনত অনুষ্ঠিত সামৰণি অনুষ্ঠানত কণ কণ নৃত্য শিল্পীৰ দ্বাৰা পৰিবেশিত হ'ল বহুকেইটা ন-পুৰণি গীতৰ নৃত্য। সোমবাৰে মূলাগাভৰুৰ পৰা বৰযুণৰ বতৰত মইনা নুঠে মটৰত গীতৰ কণ কণ নৃত্য শিল্পীৰ দ্বাৰা পৰিবেশন কৰা নৃত্যই উপস্থিত থকা দৰ্শকক মুগ্ধ কৰিবলৈ সক্ষম। আনহাতে, মংগলবাৰে ভাৰত নাট্যম অনুষ্ঠানে এই কৰ্মশালাই যে চতিয়াৰ ভৱিষ্যত প্ৰজন্মক আৰু এখোজ আগুৱাই নিলে তাৰে প্ৰতীয়মান কৰিলে। যোৱা তিনি জুলাইৰ পৰা ১৮ জুলাইলৈকে ১৫দিনীয়া নৃত্য কৰ্মশালাত তিনি শতাধিক কণ-কণ শিক্ষাৰ্থীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰি সামৰণি অনুষ্ঠানত নিজ নিজ নৃত্য শৈলী পৰিবেশন কৰে। এই অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি চতিয়াৰ বিধায়ক তথা সংগীত বিদ্যাপীঠখনৰ জন্মদাতা পদ্ম হাজৰিকাই নদুৱাৰ সংগীত বিদ্যাপীঠৰ সম্পাদক খঞ্জন শইকীয়া, প্ৰশিক্ষক তথা আয়োজকক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে কণ কণ শিল্পীসকলে পৰিবেশন কৰা অনুষ্ঠান উন্নত মানৰ আৰু ভৱিষ্যতে কণ কণ শিল্পীসকল প্ৰতিষ্ঠিত হোৱাৰ কামনা কৰে। এই সামৰণি অনুষ্ঠানত প্ৰশিক্ষক হিচাপে প্ৰশিক্ষণ প্ৰদান কৰা প্ৰতীশা সুৰেশ, মৰমী বৰঠাকুৰ আৰু মৌচুমী বৰুৱাক সম্বৰ্ধনা জনোৱা হয়।

কণ কণ নৃত্য শিল্পীৰ নৃত্যই মুগ্ধ কৰিলে দৰ্শকক

# পুথিভঁৰাল সঞ্চালকৰ পৰিদৰ্শন

অগ্ৰদূত বাৰ্তা

**হাজো, ২১ জুলাই ঃ** যোৱা ১৯ জুলাইত অসমৰ পুথিভঁৰাল সেৱা সঞ্চালক দিনমণি দাসে কিতাপৰ সজাগতা কাৰ্যসূচী সম্পৰ্কত হাজো অঞ্চলৰ ক্ষুদ্ৰদধি বাপুজী গ্ৰাম্য পুথিভঁৰাল পৰিদৰ্শন কৰে। প্ৰায় পাঁচ হেজাৰৰো অধিক কিতাপ এই গ্ৰাম্য পুথিভঁৰালত আছে। সঞ্চালকে কিতাপ পঢ়াৰ আন্দোলন শক্তিশালী কৰিবলৈ গাঁও অঞ্চলত সজাগতা সভা অনুষ্ঠিত কৰিবলৈ পুথিভঁৰালীক নিৰ্দেশ দিয়ে। সঞ্চালকে পুথিভঁৰালী পৱন কলিতা, সনাতন দাস, স্থানীয় বৰদধি গাঁৱৰ সমাজকৰ্মী তিলক দাস, ছাত্ৰ আদিৰ লগত মত বিনিময় কৰে।

## শ্ৰদ্ধাঞ্জলি গোবিন্দ চন্দ্ৰ শইকীয়া

গুৱাহাটীৰ দ্বাৰকা নগৰস্থ নৱোদয় পথৰ নিবাসী গোবিন্দ চন্দ্ৰ শইকীয়াৰ যোৱা ১২ জুলাইত ৮৫ বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ বিৰাজ কৰে। গোবিন্দ চন্দ্ৰ শইকীয়া অঞ্চলটোৰ এজন গহীন গম্ভীৰ, সৎ, সহজ-সৰল আৰু বিনয় স্বভাৱৰ ব্যক্তি আছিল। তেওঁ নগাঁও জিলাৰ পৰুৱা গাঁৱত ১৯৩৭ত জন্মগ্ৰহণ কৰিছিল আৰু কৰ্মসূত্ৰে পাছলৈ গুৱাহাটীৰ দ্বাৰকা নগৰত স্থায়ী হিচাপে থাকিবলৈ লয়। তেওঁৰ পিতৃ আছিল চেনাৰাম শইকীয়া আৰু মাতৃ আছিল কেতেকী বালা শইকীয়া। গোবিন্দ চন্দ্ৰ শইকীয়াৰ ছজন ভাই-ভনীৰ ভিতৰত তেওঁ চতুৰ্থ সন্তান আছিল শইকীয়াই ১৯৬০ত যোৰহাটস্থ অসম কৃষি মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লৈ অসম চৰকাৰৰ কৃষি বিভাগত কৃষি সম্প্ৰসাৰণ বিষয়া হিচাপে গোলকগঞ্জত কৰ্ম জীৱনৰ পাতনি মেলে। তেওঁৰ কৰ্মদক্ষতাৰ বাবে কৃষি বিভাগৰ পৰা ১৯৯৫ৰ যুটীয়া সঞ্চালক হিচাপে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেওঁৰ কাৰ্যকালত কৃষি বিভাগৰ পৰিৱৰ্তন অনাৰ বাবে বহু প্ৰয়াস কৰিছিল যাৰ কাৰণে কৃষি বিভাগত তেওঁৰ সুকীয়া স্থান আছিল। প্ৰয়াত শইকীয়া মথুৰা নগৰৰ এজন সৰবৰহী লোক আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল যাৰ কাৰণে তেওঁ সকলো শ্ৰেণীৰে মাজত প্ৰিয়ভাজন আৰু শ্ৰদ্ধাৰ পাত্ৰ হৈ পৰিছিল। তেওঁ তিনি সন্তানৰ পিতৃ আছিল আৰু তিনি সন্তানক উপযুক্ত শিক্ষা প্ৰদান কৰি উচ্চ শিক্ষিত কৰি এক সংস্কাৰী পৰিয়াল হিচাপে প্ৰতিষ্ঠিত কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, তিনি পুত্ৰ-পুত্ৰী, বোৱাৰী, নাতি-নাতিনী, অওঁহী-বওঁহী আৰু অজস্ৰ গুণমুগ্ধক ইহসংসাৰত এৰি যায়। আজি তেওঁৰ আদ্যশ্ৰাদ্ধ উপলক্ষে গভীৰ শ্ৰদ্ধা নিবেদন কৰি বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱানৰ ওচৰত অঞ্জলিৰে প্ৰণিপাত যাচিলো।

ড° মৃণাল বৰ্মন

# পৰীক্ষামূলক অৱস্থাতে ওলাল প্ৰধানমন্ত্ৰী জলজীৱন মিছনৰ লুণ্ঠনৰ স্বৰূপ

■ বাৰাংহাটী চকীৰবড়ীত জলজীৱনৰ পাইপ ফাটি ৰাস্তাত বানপানী

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২১ জুলাই ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এক সপোন তথা অভিলাষী আঁচনি হ'ল জলজীৱন আচনি। দেশৰ প্ৰতিঘৰ মানুহকে বিশুদ্ধ খোৱাপানী যোগান ধৰাই হ'ল প্ৰধানমন্ত্ৰীজনৰ সপোন। কিন্তু দুৰ্ভাগ্যজনক কথা যে অসমৰ কেইখনমান জিলাত জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু একাংশ লুণ্ঠনকাৰী ঠিকাদাৰৰ মধুচন্দ্ৰিকাৰ বাবে বহুতো জলজীৱন কেন্দ্ৰ ভালুকৰ সাঙীত পৰিণত হ'বলৈ গৈ আছে। তাৰে আজি স্পষ্ট প্ৰমাণ হ'ল কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ অন্তৰ্গত বাৰাংহাটী চকীৰবড়ীত থকা জলজীৱন কেন্দ্ৰটোত। বহুদিনৰে পৰা কেন্দ্ৰটোৰ পৰা পানী



যোগানৰ পৰীক্ষা কৰি থাকিও সফল নোহোৱাত আজি পুনৰ পানী পৰিবাহী পাইপৰে জল পৰিবাহীৰ পৰীক্ষা কৰোতে ধৰা পৰিল কামৰ নমুনা। পাইপৰে পানী ওলাই ৰাস্তা কৰিলে জলমগ্ন। মানুহ অহা-যোৱা কৰিব নোৱাৰা অৱস্থা হৈ পৰিছিল অঞ্চলটোত। তাকে দেখি একাংশ ৰাইজে ছ'চিয়েল মিডিয়াত আক্ষেপ প্ৰকাশ কৰি কয় যে বিভাগীয় বিষয়া-কৰ্মচাৰীৰে মিলি ঠিকাদাৰে কৰা নিম্নমানৰ কামৰ বাবে এনেকুৱা অৱস্থা হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ৰঙিয়া সংমণ্ডলৰ কেইগৰাকীমান অভিযন্তা আৰু কৰ্মচাৰীৰ অমনোযোগিতা আৰু তেওঁলোকৰ আশিসপুষ্ট ঠিকাদাৰৰ অধিক মুনফা লাভৰ পৰিকল্পনাৰ বাবে এনেকুৱা হোৱা বুলি স্থানীয় ৰাইজে মন্তব্য কৰিছে। দেশৰ প্ৰধানমন্ত্ৰীজনৰ সপোনৰ আঁচনিৰ ক্ষেত্ৰতো লুণ্ঠনৰ পাং পতা এইসকল বিষয়া-ঠিকাদাৰৰ কাৰ্যত নাকী লগাবলৈ ভুক্তভোগী ৰাইজে দাবী জনাইছে। এই ক্ষেত্ৰত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি ভৱজ্যোতি ডেকাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে এয়া সচাকৈয়ে দুৰ্ভাগ্যজনক কথা। ইয়াৰ এটা উচিত তদন্ত হোৱাটো দৰকাৰ।

# আজিৰে পৰা দুদিনীয়াকৈ স্বেচ্ছাসেৱী অনুষ্ঠান 'খোজ'ৰ উদ্যোগত জীৱন কৌশল কৰ্মশালা

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২১ জুলাই ঃ** মানৱ জীৱনৰ বিভিন্ন স্তৰসমূহৰ মাজত কৈশোৰ কাল অতি স্পৰ্শকাতৰ আৰু গুৰুত্বপূৰ্ণ। মানৱ জীৱন গঢ়াৰ এই সময়ছোৱাত কিশোৰ-কিশোৰীসকলৰ বাবে আহে পৰিৱৰ্তনৰ এক বাহক হৈ। শাৰীৰিক, মানসিক আৰু আবেগিক বিকাশ আৰু পৰিৱৰ্তনৰ বাহক কৈশোৰ কালছোৱা সু-সংহত চিন্তা, আচাৰ-ব্যৱহাৰ, জীৱন প্ৰণালীৰে গঢ়ি তুলিবলৈ হ'লে কিশোৰ-কিশোৰীসকলৰ লগতে শিক্ষক-অভিভাৱকৰো থাকিব লাগিব এক সমন্বিত প্ৰচেষ্টা। সুস্থ আৰু শক্তিশালী সমাজ গঢ়াৰ স্বাৰ্থত কৈশোৰ কালতেই আত্মনিয়ন্ত্ৰণৰ অভ্যাস গঢ়ি তুলিব লাগিব। এনে উদ্দেশ্যেৰেই পৰিৱৰ্তিত সময়ৰ লগত সংগতি ৰাখি সুস্থ কৈশোৰ কালৰ এটি অনুশীলন কৰিব পৰা এটা পৰিৱেশ গঢ়িবলৈ স্বেচ্ছাসেৱী অনুষ্ঠান 'খোজে' আয়োজন কৰিছে এক আন্তৰিক প্ৰয়াস। শিৱসাগৰৰ ৰংঘৰ চাৰিআলিৰ সমীপৰ জোনাকী নগৰস্থিত টেম্পল টাউন ইউৰ' স্কুলৰ প্ৰেক্ষাগৃহত আয়োজন কৰা হৈছে কৈশোৰ কালক কেন্দ্ৰ কৰি এক 'জীৱন কৌশল কৰ্মশালা'। কাইলৈৰ পৰা দুদিনীয়াকৈ (শুকুৰ আৰু শনিবাৰে) অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীত সমল ব্যক্তিৰূপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ সহকাৰী প্ৰাধ্যাপক, ইতিবাচক শিক্ষাৰ গৱেষক ড° প্ৰাঞ্জল বুঢ়াগোহাঁই। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক লক্ষ্য কৰি আয়োজিত এই কৰ্মশালালৈ আগ্ৰহী ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক অংশগ্ৰহণৰ বাবে উদ্যোক্তাই অনুৰোধ জনাইছে। সবিশেষ জানিবলৈ ৯৪৩৫০৫৭২৮৫,৬০০১০৯৮৭৫৯ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাই আহ্বান জনাইছে।



লাহদৈগড়ত কৃতী ছাত্ৰক সম্বৰ্ধনা।

# পূব বংশৰ আছুৰ গ্ৰীষ্মকালীন পাঠদানৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২১ জুলাই ঃ** পূব বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বংশৰ শাখা ছাত্ৰ সন্থাৰ সহযোগত বংশৰ ভৃংগেশ্বৰ হাইস্কুলত যোৱা চাৰিৰ পৰা ১৯ জুলাইলৈ (ষষ্ঠৰ পৰা দশম শ্ৰেণীলৈ) আৰম্ভ হোৱা বিনামূলীয়া পাঠদানৰ কালি সামৰণি পৰে। ১৫ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত গ্ৰীষ্মকালীন পাঠদান সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি বংশৰ ৰাজহুৱা প্ৰেক্ষাগৃহত এখন সভা অনুষ্ঠিত হয়। পূব বংশৰ আছুৰ উপ-সভাপতি বিকাংক দাসে আঁত ধৰা আৰু পূব বংশৰ আছুৰ সভাপতি মনোৰঞ্জন দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত আছুৰ উপদেষ্টা প্ৰকাশ দাসে কয় যে ছাত্ৰ সন্থাই আয়োজন কৰা গ্ৰীষ্মকালীন পাঠদানে ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট পৰিমাণে উপকৃত কৰিব। কাৰণ সাধাৰণতে গৰমৰ বন্ধত ছাত্ৰ-ছাত্ৰীসকলে ফুৰিব বিচাৰে। ফুৰা সময় বহুত পাব। এগৰাকী ভাল ছাত্ৰ-ছাত্ৰী হ'বলৈ অথবা নিজৰ লক্ষ্য সাধন কৰিবলৈ হ'লে এইটো বয়সতে ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট কষ্ট কৰিব লাগিব, তেতিয়াহে জীৱনত সফল হ'ব পাৰিব বুলি প্ৰকাশ কৰে। অনুষ্ঠানত হাজো ৰাজহ চক্ৰ বিষয়া জাহ্নৱী সোণোৱালে ছাত্ৰ সন্থাৰ এনে পদক্ষেপক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ ছাত্ৰ সন্থাৰ এই পদক্ষেপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়াৰ প্ৰতি থকা মনোযোগ বৃদ্ধি পোৱাৰ লগতে পাঠ্যক্ৰমত থকা বিষয়সমূহ আয়ত্ত কৰাত সহায়ক হ'ব বুলি মন্তব্য কৰে। বংশৰ ভৃংগেশ্বৰ হাইস্কুলৰ প্ৰধান শিক্ষক ভগৱান বৈশ্যই ছাত্ৰ-ছাত্ৰীসকলক নিষ্ঠা, সততা আৰু আন্তৰিকতাৰে পঢ়া-শুনা কৰিবলৈ আহ্বান জনায়। প্ৰায় তিনিশ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা সামৰণি অনুষ্ঠানত উপস্থিত হৈ সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ধৰ্মেশ্বৰ দাসে কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি ছাত্ৰ সন্থা সদায়েই দায়বদ্ধ। ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ উন্নতিৰ হকে কাম কৰি যাব বুলি মন্তব্য কৰে। অনুষ্ঠানত প্ৰাক্তন আছু নেতা দিবাকৰ কলিতা, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতা, সুৰজিত কলিতা, আছু নেতা ৰিংকু নাথ, নয়ন জ্যোতি বৈশ্যৰ লগতে কে'বাজনো আছু কৰ্মী, পূব বংশৰ মহাবিদ্যালয়ৰ প্ৰৱক্তা ড° ধ্ৰুৱজ্যোতি মালাকাৰ, শিক্ষক সনাতন বৈশ্য, প্ৰণৱ দাসৰ লগতে ভৃংগেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ কে'বাগৰাকী শিক্ষক উপস্থিত থাকে। সামৰণি অনুষ্ঠানৰ পূৰ্বে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত প্ৰতিভা সন্ধানী পৰীক্ষাত প্ৰতিটো শ্ৰেণীৰ পৰা প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীক কৃতী মানপত্ৰ প্ৰদান কৰা হয়।

# গুৰুফেলাত ৰাষ্ট্ৰীয় পতাকা বিক্ৰীৰ কেন্দ্ৰ মুকলি

অগ্ৰদূত বাৰ্তা

**দোতমা, ২১ জুলাই ঃ** ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা ৭৫ বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি চৰকাৰে ঘোষণা কৰা 'হৰ ঘৰ ত্ৰিৰংগা' অভিযানৰ প্ৰতি লক্ষ্য কৰি কালি গোসাঁইগাঁও মহকুমাৰ গুৰুফেলাত ৰাষ্ট্ৰীয় পতাকা বিক্ৰীৰ কেন্দ্ৰ মুকলি কৰা হয়। কচুগাঁও উন্নয়ন খণ্ডৰ অধীনৰ জুপিতৰা ক্লাষ্টাৰ লেভেল ফেডাৰেচনৰ উদ্যোগত গুৰুফেলা উন্নয়ন খণ্ড কাৰ্যালয়ৰ সমীপত ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰটো উদ্বোধন কৰে কচুগাঁও উন্নয়ন খণ্ডৰ বিষয়া ছানছুমা বসুমতাৰীয়ে। কচুগাঁও উন্নয়ন খণ্ডৰ অধীনৰ আত্মসহায়ক গোটৰ মহিলাসকলে নিজ হাতেৰে প্ৰস্তুত কৰা ৰাষ্ট্ৰীয় পতাকাসমূহ উক্ত কেন্দ্ৰত বিক্ৰী কৰিব। অনুষ্ঠানত কচুগাঁও ভিচিডিচিৰ সভাপতি দিৰস সৰকাৰসহ কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# দক্ষিণ বৰপেটাত ভেঁকোভাওনাত পৰিণত চৰকাৰী চিকিৎসা ব্যৱস্থা

■ লক্ষাধিক লোকে আজিও এম্বুলেঞ্চ হিচাপে ব্যৱহাৰ কৰে ঠেলা

অগ্ৰদূত বাৰ্তা

**আলোপতি, ২১ জুলাই ঃ** সবকা ছাথ, সবকা বিকাশ.... এই শ্ল'গানেৰে কেন্দ্ৰ আৰু ৰাজ্যত বিজেপি নেতৃত্বাধীন চৰকাৰে শাসন চলাই যোৱাৰ পাছতো বৰপেটা জিলাৰ দক্ষিণ বৰপেটাৰ লক্ষাধিক লোক আজিও চৰকাৰী এম্বুলেঞ্চ সেৱাৰ পৰা প্ৰায় বঞ্চিত। জিলাখনৰ বাঘবৰ আৰু চেঙা সমষ্টিৰ বিস্তীৰ্ণ অঞ্চল ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত আৰু এই অঞ্চলসমূহৰ অধিকাংশ ঠাইতে নাযায় এম্বুলেঞ্চ। বৃহত্তৰ অঞ্চলটোত বসবাস কৰা লক্ষাধিক লোক এম্বুলেঞ্চ সেৱাৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। দক্ষিণ বৰপেটাৰ আলোপতি ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয় আৰু কাছুমাৰা ৰাজ্যিক চিকিৎসালয়ত স্বাস্থ্য বিভাগে আওপুৰণি এম্বুলেঞ্চ প্ৰদান কৰিলেও দুয়োখন



এম্বুলেঞ্চে ৰাইজৰ সেৱা আগবঢ়োৱাত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপিত হৈছে। অন্যহাতে, দক্ষিণ বৰপেটাৰ আনকেইখন চৰকাৰী চিকিৎসালয়ত নাই এম্বুলেঞ্চৰ সুবিধা। চৰকাৰী চিকিৎসালয়সমূহত স্বাস্থ্য বিভাগে এম্বুলেঞ্চ প্ৰদান নকৰা আৰু বিধ্বস্ত বাট-পথৰ বাবে দক্ষিণ বৰপেটাৰ অধিকাংশ অঞ্চলৰ লোক চৰকাৰী এম্বুলেঞ্চ সেৱাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। যাৰ বাবে এই অঞ্চলৰ লোকসকলে ৰোগী কঢ়িওৱাৰ বাবে ব্যৱহাৰ কৰে ঠেলা। দক্ষিণ বৰপেটাৰ লক্ষাধিক লোকৰ বাবে ঠেলাই হৈছে এম্বুলেঞ্চ। জিলাখনৰ মাজৰচৰত তেনে এক দৃশ্য দেখা গ'ল কালি সন্ধিয়া সময়ত। গাঁওখনৰ অছিম উদ্দিন মুন্সী নামৰ লোকজনক চিকিৎসাৰ বাবে গুৱাহাটীলৈ নিবলগীয়া হোৱাত অস্বস্তিত পৰে পৰিয়ালৰ লোক। বিধ্বস্ত বাট-পথৰ বাবে অঞ্চলটোলৈ নাযায় এম্বুলেঞ্চ, নচ'লে গাড়ী মটৰো । উপায়ান্তৰ হৈ পৰিয়ালৰ লোকে এখন ঠেলাত উঠাই লৈ যায় নগৰবেৰালৈ। মুঠৰ ওপৰত এক যন্ত্ৰণাকাতৰ জীৱন-যাপন কৰিব লগা হৈছে দক্ষিণ বৰপেটাবাসীয়ে। কেৱল ভোট বেংকৰ ৰাজনীতি কৰি অহাৰ বাবেই দক্ষিণ বৰপেটাৰ লক্ষাধিক লোকে আজিও চৰকাৰৰ উন্নয়নৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে বুলি একাংশ লোকে ক'ব বিচাৰে। দক্ষিণ বৰপেটাৰ সামগ্ৰিক উন্নয়নৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক দাবী জনাইছে অঞ্চলটোৰ ৰাইজে।

# কলাইগাঁৱৰ কবিৰালীত কৃতী ছাত্ৰ-ছাত্ৰীক আছুৰ অভিনন্দন অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**কলাইগাঁও, ২১ জুলাই ঃ** কলাইগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ অধীনস্থ কবিৰালী শাখা ছাত্ৰ সন্থাই কালি বৃহত্তৰ কবিৰালী অঞ্চলৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰে। কবিৰালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কলাইগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি মাধুৰ্য শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠান উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰ নেতা টংকেশ্বৰ বৰুৱাই। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰি সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি জয়ন্ত কুমাৰ ভট্টাচাৰ্য আৰু সাংগঠনিক সম্পাদক বিতুপন দাসে অসমৰ জাতীয় জীৱনৰ উপৰি শৈক্ষিক ক্ষেত্ৰত প্ৰথম আৰু প্ৰধানকৈ অগ্ৰাধিকাৰ দি সদৌ অসম ছাত্ৰ সন্থাই নানা পদক্ষেপ- কাৰ্যসূচী গ্ৰহণ কৰা বুলি কয়। কঠোৰ অধ্যয়নত ব্ৰতী হৈ নিজৰ সোণোৱালী সপোন পূৰণ কৰি সুৰক্ষিত শৈক্ষিক ভৱিষ্যতৰ জৰিয়তে সমাজত ভাল মানুহ হিচাপে প্ৰতিষ্ঠিত হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি ছাত্ৰনেতা দুজনে আহ্বান জনায়। কলাইগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা ৰঞ্জিত নাথ, সাধাৰণ সম্পাদক ৰাতুল বৰুৱা আৰু কবিৰালী শাখা ছাত্ৰ সন্থাৰ সভাপতি ত্ৰৈলোক্য বৰুৱাই উদ্দেশ্য ব্যাখ্যা তথা আঁত ধৰা অভিনন্দন অনুষ্ঠানত সন্মানীয় অতিথিৰূপে সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল পাটোৱাৰী, সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি পৰাগ চহৰীয়া, কবিৰালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জীৱন চন্দ্ৰ চহৰীয়া আৰু অধ্যক্ষা চুমৰ্জি নাৰ্জাৰীয়ে শৈক্ষিক দিশৰ ওপৰত ভাষণ আগবঢ়াই কৃতিত্বৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনায়। উল্লেখ্য যে কবিৰালী শাখা ছাত্ৰ সন্থাই আয়োজন কৰা বিনামূলীয়া পাঠদান সামৰণী অনুষ্ঠানৰ স'তে সংগতি ৰাখি অনুষ্ঠিত কৰা অভিনন্দন অনুষ্ঠানত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক অকন চন্দ্ৰ শইকীয়া, টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল ডেকা, সাধাৰণ সম্পাদক ৰিংকু ডেকা, আন্তঃমঙলদৈ ছাত্ৰ সন্থাৰ সভাপতি অজয় শইকীয়া, মঙলদৈ বাণিজ্য মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সভাপতি লয়নমণি হাজৰিকা, কবিৰালী আঞ্চলিক বড়ো ছাত্ৰ সন্থাৰ উপদেষ্টা জগবন্ধু বড়ো, সাধাৰণ সম্পাদক মিত্ৰজিৎ খাখলাৰী আৰু কবিৰালী আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি ত্ৰিদীপ ৰাভাকে ধৰি কে'বাজনো ছাত্ৰ নেতাই সন্মানীয় অতিথিৰ আসন অলংকৃত কৰে। ইয়াৰ পূৰ্বে পুৱা সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে কবিৰালী শাখা ছাত্ৰ সন্থাৰ সভাপতি ত্ৰৈলোক্য বৰুৱাই আৰু ছহিদ তৰ্পণ কৰে ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক মনোজ চহৰীয়াই।

# গোৱালপাৰাত কমচোমলৰ শিক্ষা-সাংস্কৃতিক শিবিৰত দুশ প্ৰতিনিধিৰ অংশগ্ৰহণ



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২১ জুলাই ঃ** গোৱালপাৰা চহৰৰ হৰিজন প্ৰাথমিক বিদ্যালয়ত তিনিদিনীয়া কাৰ্যসূচীৰে কমচোমলৰ অসম শাখাৰ উদ্যোগত ৰাজ্যিক ভিত্তিক কালিৰে পৰা অনুষ্ঠিত হৈছে শিক্ষা আৰু সাংস্কৃতিক শিবিৰ। অসমৰ বিভিন্ন জিলাৰ পৰা আহি পোৱা প্ৰায় দুশগৰাকী প্ৰতিনিধিৰ উপস্থিতিত দিনৰ ১১ বজাত পতাকা উত্তোলনেৰে শিবিৰৰ আৰম্ভণি কৰা হয়। গণ আন্দোলনৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে কমচোমলৰ অসম শাখাৰ আহ্বায়কদ্বয় জিংকুমণি দলে আৰু হাছেন আলীয়ে। ইয়াৰ পাছত কিশোৰ-কিশোৰীসকলে জ্যোতি সংগীত আৰু দেশপ্ৰেমমূলক সংগীত পৰিবেশন কৰাৰ পাছত কমচোমলৰ লক্ষ্য আৰু উদ্দেশ্য সন্দৰ্ভত আলোচনা কৰা হয়। কিশোৰ-কিশোৰীসকলৰ মাজত দেশপ্ৰেমিক মনোভাব গঢ়ি তুলি উন্নত বিপ্লৱী চৰিত্ৰ কিদৰে গঢ়ি তুলিব পৰা যায় সেই সম্পৰ্কে আলোচনা অনুষ্ঠিত হয়। আবেলি কাবাদীকে আদি কৰি বিভিন্ন খেল-ধেমালি অনুষ্ঠিত হয় আৰু সন্ধিয়া কমচোমলৰ সদস্যসকলে গীত-মাত পৰিবেশন কৰে। তাৰ পাছত বিজ্ঞান চৰ্চা আৰু বৈজ্ঞানিক দৃষ্টিভংগী অনুশীলন সম্পৰ্কে আলোচনা অনুষ্ঠিত কৰাৰ মাজেৰে প্ৰথনদিনাৰ কাৰ্যসূচীৰ সামৰণি ঘটে। ইপিনে আগন্তুক সময়তো পেৰেড , খেল-ধেমালি, গান, নাটক, পৰিষ্কাৰ-পৰিচ্ছন্নতা, মনীষীসকলৰ ওপৰত আলোচনা আৰু মানৱ সভ্যতাৰ অগ্ৰগতিৰ ইতিহাস আদি বিষয়ৰ ওপৰত আলোচনাৰ মাজেৰে অহা ২২ জুলাইৰ নিশা শিবিৰৰ সামৰণি পৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

# অসম নাট্য সন্মিলনৰ উদ্যোগত তামুলপুৰত নাট কৰ্মশালা আৰম্ভ



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২১ জুলাই ঃ** অসম নাট্য সন্মিলনৰ তামুলপুৰ শাখাৰ উদ্যোগত আৰু তামুলপুৰ সাংস্কৃতিক কেন্দ্ৰৰ সহযোগত কালিৰে পৰা তামুলপুৰ ৰাজহুৱা প্ৰেক্ষাগৃহত ৩০ জুলাইলৈকে এক ১১ দিনীয়া নাট কৰ্মশালাৰ আৰম্ভণি কৰা হয়। কালি আবেলি চাৰি বজাত এক মাংগলিক পৰিৱেশত তামুলপুৰ উন্নয়ন খণ্ডৰ অধীনৰ টিচিএলচিচিৰ অধ্যক্ষ পৱিত্ৰ কুমাৰ নাৰ্জাৰীয়ে বন্তি প্ৰজ্বলন কৰি তথা তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিভূতি ডেকাই নটসূৰ্যৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি নাট কৰ্মশালাখনৰ মুকলি কৰে। নাট কৰ্মশালাখনৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অসম নাট্য সন্মিলনৰ ৰত্নপীঠ মণ্ডলৰ সম্পাদক তথা তামুলপুৰৰ বিশিষ্ট নাট্যশিল্পী অভিজিত দাসে। নাট কৰ্মশালা উদ্বোধন কৰি অভিজিত দাসে কয়, কৰ্মশালাৰ জৰিয়তে অভিনয়ৰ প্ৰতি আগ্ৰহী তামুলপুৰৰ প্ৰতিভাবান যুৱক-যুৱতীসকলে যথেষ্ট জ্ঞান লাভ কৰাৰ লগতে নিজকে এজন দক্ষ অভিনেতাৰূপে গঢ়ি তুলিব বুলি আশা প্ৰকাশ কৰে। অসম নাট্য সন্মিলনৰ বাগ্‌সা জিলা সমিতিৰ সভাপতি লক্ষী ৰাজবংশী, সম্পাদক চিন্ময় পাঠক, তামুলপুৰ শাখাৰ সভাপতি অনুপ নাথ, সাংস্কৃতিক কৰ্মী মুনিন্দ্ৰ তালুকদাৰ, অধিক দাস, প্ৰশিক্ষক বেণুধৰ পাটোৱাৰী (এনএছডি ছিকিম)ৰ লগতে ৫০ গৰাকী প্ৰশিক্ষাৰ্থী উপস্থিত থাকে।

অসম দাপোণ

অগ্ৰদূত



# ধিং মহাবিদ্যালয়ৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**ধিং, ২১ জুলাই ঃ** নগাঁও জিলাৰ উচ্চ শিক্ষাৰ অগ্ৰণী অনুষ্ঠান ধিং মহাবিদ্যালয়ৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱসটি কালি দিনজোৰা কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনী আৰু ছাত্ৰ একতা সভাৰ যুটীয়া উদ্যোগত আড়ম্বৰভাৱে উদ্‌যাপন কৰা হয়। উল্লেখ্য যে ১৯৬৫ তে প্ৰতিষ্ঠা লাভ কৰা ধিং মহাবিদ্যালয়ে ইতিমধ্যে অতিক্ৰম কৰিলে ৫৭ সংখ্যক বৰ্ষ। সেই উপলক্ষে কালি মহাবিদ্যালয়খনত উদ্‌যাপন কৰা হয় ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস। এই মৰ্মে মহাবিদ্যালয়ৰ প্ৰাংগণত গুৰু-শিষ্যৰ লগতে আমন্ত্ৰিত অভ্যাগত, অভিভাৱক আৰু শুভাকাংক্ষীৰ উপস্থিতিৰে একপ্ৰকাৰে উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। পুৱাৰ ভাগত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° বিমান হাজৰিকাই পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰাৰ পাছতে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত প্ৰদীপ শইকীয়াৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে প্ৰাক্তন অধ্যক্ষ ড° ৰিয়াজ উদ্দিন আহমেদে আৰু ছহিদ তৰ্পণ কৰে উপাধ্যক্ষ সুজিত শৰ্মাই। গীত, মাত আৰু নৃত্যৰে উজলি উঠা সাংস্কৃতিক অনুষ্ঠানত আলিমুদ্দিন আৰু দীপাঞ্জু বৰাই কবিতা পাঠ, ধূপগুৰি কছাৰী গাঁৱৰ শিল্পীসকলে মনোমোহা নৃত্য আৰু মনশ্ৰী গোস্বামীয়ে গীত পৰিবেশনেৰে সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলাৰ বিপৰীতে আৰোগ্য যোগ কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীসকলে যোগ প্ৰদৰ্শন কৰে। এই অনুষ্ঠানতে সন্ধ্যা সাত বজাত মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা শিক্ষক প্ৰেমেশ্বৰ ঠাকুৰীয়াৰ এটি গীতো আৰম্ভ কৰা হয়। ইফালে, প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়খনৰ উচ্চতৰ মাধ্যমিকৰ নগৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে মহাবিদ্যালয়ৰ দুখীয়া ছাত্ৰ-ছাত্ৰীৰ পুঁজিৰ পৰা চাৰিগৰাকী শিক্ষাৰ্থীক ২০০০ টকা কৈ এককালীন সাহায্য প্ৰদান কৰা হয়। আনহতে, সন্ধিয়া ধিং পাব্লিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক তথা গীতিকাৰ-কবি প্ৰেমেশ্বৰ ঠাকুৰীয়াৰ ৰচিত অ' পিতাই গীত উন্মোচন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° বিমান হাজৰিকাই।

# মৌজাদাৰ, সমাজকৰ্মী হেমেন ভাগৱতীৰ প্ৰথম মৃত্যু বাৰ্ষিকীত স্মৃতিচাৰণ সভা

■ হেৰোৱা স্মৃতিৰ সুৱাস উন্মোচন



অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২১ জুলাই ঃ** আজি বিশ্বনাথ জিলাৰ সকোমঠা মৌজাৰ মৌজাদাৰ হেমেন ভাগৱতীৰ মৃত্যুৰ প্ৰথম বাৰ্ষিকীৰ দিনা লেহুগাঁৱৰ বাস ভৱনত এখন স্মৃতি-চাৰণ সভাৰ আয়োজন কৰা হয়। কবি-সাহিত্যিক দিলীপ কুমাৰ ভট্টাচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত সভাত বসন্ত বৰাৰ সম্পাদনাত প্ৰকাশিত স্মৰণিকা গ্ৰন্থ উন্মোচন কৰে বিশ্বনাথ মৌজাৰ মৌজাদাৰ হৰ ভূঞাই। অনুষ্ঠানত, বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া হিতেশ্বৰ দাস, ড° চিন্তামনি শৰ্মা, বাঘমৰা মৌজাৰ মৌজাদাৰ কৰুণ বৰুৱা, বিশ্বনাথ ১৩ পৃষ্ঠাত চাওক

# ষ্টেট বেংক টীয়ক শাখাৰ 'এক ৰাত অন্নদাতা কে সাথ' শীৰ্ষক অনুষ্ঠানৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**জাঁজী, ২১ জুলাই ঃ** সৰ্বভাৰতীয় পৰ্যায়ত ভাৰতীয় ষ্টেট বেংকে আয়োজন কৰা 'এক ৰাত অন্নদাতা কে সাথ' শীৰ্ষক অনুষ্ঠানৰ লগত সংগতি ৰাখি শুকুৰুবাৰে ষ্টেট বেংক টীয়ক শাখাই এক ব্যতিক্ৰমী অনুষ্ঠানৰ আয়োজন কৰিছে। টীয়কৰ জখৰীয়া গাঁও পুথিভঁৰালৰ সমীপৰ খেলপথাৰত আয়োজন কৰা অনুষ্ঠানত অঞ্চলটোৰ বহুকেইজন যুৱ কৃষকক বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে গ্ৰামাঞ্চলৰ ৰাইজে সততেই ষ্টেট বেংকৰ জৰিয়তে লাভ কৰিব পৰা বিভিন্ন সুবিধাসমূহৰ ওপৰত বেংকৰ সমল ব্যক্তিসকলে আলোকপাত কৰিব। একেদৰে টীয়কৰ বিভিন্ন সামাজিক অনুষ্ঠানক সহযোগিতা আগবঢ়াই অহা টীয়ক শাখাই উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি বহুকেইগৰাকী বেংক বিষয়া উক্ত নিশা গাঁৱতেই কটাই ৰাইজৰ অভাৱ-অভিযোগসমূহো জানিবলৈ চেষ্টা কৰিব বুলি জানিবলৈ দিয়ে। উক্ত অনুষ্ঠানত বৃহত্তৰ টীয়ক অঞ্চলৰ সকলো ৰাইজৰ সহযোগিতা কামনা কৰিছে মুখ্য প্ৰবন্ধক দীপজ্যোতি কলিতাই।

# মহুৰামুখৰ নামঘৰত গ্ৰীষ্মকালীন শংকৰী নৃত্য, খোলবাদ্য, বৰগীত কৰ্মশালাৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**খুমটাই, ২১ জুলাই ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত মহুৰামুখৰ ভৰালীপাৰত পদ্মপাণি প্ৰাথমিক শাখা নামঘৰত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বোকাখাত জিলা শাখাৰ অন্তৰ্গত মহুৰা আঞ্চলিক শাখাই ১১ জুলাইৰ পৰা আৰম্ভ হোৱা খোলবাদ্য, শংকৰী নৃত্য আৰু বৰগীতৰ ১০ দিনীয়া কৰ্মশালাৰ কালি সামৰণি পৰে। সামৰণি অনুষ্ঠানত সংস্কৃতি শাখাৰ সম্পাদক মুকুল বৰাই আঁত ধৰা অনুষ্ঠানত প্ৰশিক্ষকদ্বয় নৰেন হাজৰিকা আৰু মাধুৰ্য শইকীয়াক সম্বৰ্ধনা জনোৱা হয়। বোকাখাত জিলা শাখাৰ প্ৰাক্তন সংস্কৃতি শাখাৰ সভাপতি নৰেন বৰা, বোকাখাত জিলা শাখাৰ সহকাৰী সম্পাদক নিৰেন বৰা, জিলা সদস্যা চন্দ্ৰমা তামুলী আৰু মহুৰা আঞ্চলিক শাখাৰ সম্পাদক ৰিতুল বৰাই প্ৰশিক্ষাৰ্থীসকলৰ উদ্দেশ্যে বক্তব্য প্ৰদান কৰে। দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত সামৰণি অনুষ্ঠানত এশৰো অধিক প্ৰশিক্ষাৰ্থীয়ে খোলবাদ্য, বৰগীত আৰু শংকৰী নৃত্য প্ৰদৰ্শন কৰি উপস্থিত দৰ্শকক আপ্লুত কৰে।

# 'হৰ ঘৰ তিৰংগা' নামৰ কাৰ্যসূচীৰ বিশ্বনাথ নগৰত মহিলা গোটৰ দ্বাৰা ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰ মুকলি

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২১ জুলাই ঃ** স্বাধীনতাৰ ৭৫ বছৰীয়া জয়ন্তী উপলক্ষে আৰু আজাদী কা অমৃত মহোৎসৱ উদ্‌যাপনৰ বাবে 'হৰ ঘৰ তিৰংগা' নামেৰে এক কাৰ্যসূচীৰ সূচনা কৰা হৈছে যিয়ে সকলো ঠাইতে ভাৰতীয়সকলক ১১ৰ ১৫ আগষ্টলৈ নিজৰ ঘৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি আমাৰ জাতীয় পতকাক সন্মান জনোৱাৰ বাবে অনুপ্ৰাণিত কৰে যিটো হৈছে সমগ্ৰ জাতিটোৰ বাবে গৌৰৱৰ প্ৰতীক আৰু নাগৰিকসকলৰ মাজত দেশপ্ৰেমৰ ভাবৰ আমন্ত্ৰণ জনোৱা। নাগৰিকসকলক ৰাষ্ট্ৰীয় পতাকা ক্ৰয় কৰাৰ সুবিধাৰ বাবে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান সকলোৰে ঘৰে ঘৰে ত্ৰিৰংগা পতাকা উৰুওৱাৰ লক্ষ্য সৃষ্টিৰে মণ্ডল সংগঠনৰ ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰ সাকোমঠা উন্নয়ন খণ্ডৰ অধীনত আত্মসহায়ক গোটসমূহৰ দ্বাৰা ফ্লেগ চেল কাউণ্টাৰ বিশ্বনাথ নগৰত স্থাপন কৰা হৈছে আৰু জিলাখনৰ বিভিন্ন স্থানত অধিক বিক্ৰী কাউণ্টাৰ স্থাপন কৰা হৈছে।

# মৰিয়নিত চাহ নিগমৰ বাগিচাৰ কৰ্মচাৰীৰ ধৰ্ণা

■ চাহ নিগমৰ বাগিচা লীজত দিয়াৰ বিৰোধিতা



অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২১ জুলাই ঃ** অসম চাহ নিগম লিমিটেডৰ ১২খনকৈ চাহ বাগিচা লীজত দিয়াক লৈ ৰাজ্যৰ নিগমৰ সকলো চাহ বাগিচাত শ্ৰমিক কৰ্মচাৰীৰ প্ৰতিবাদ অব্যাহত আছে। অসম চাহ কৰ্মচাৰী সংঘৰ নিৰ্দেশ মৰ্মে আজিৰে পৰা নিগমৰ প্ৰতিখন চাহ বাগিচাতে কৰ্মচাৰীসকলে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিছে। মৰিয়নিৰ চৈকটা চাহ বাগিচা আৰু নাগিনীজান চাহ বাগিচাতো কৰ্মচাৰীসকলে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। আজি পুৱা আঠ ১৩ পৃষ্ঠাত চাওক

# জলপৰিবহণ বিভাগৰ কৰ্মচাৰীৰ দায়িত্ব জ্ঞানৰ অভাৱত ধ্বংস হ'ব এম ভি পদ্মা

■ আজি পুৱা ইঞ্জিনত এদ'ম জাবৰ লৈ যাত্ৰা কৰি নিমাতীঘাটত জাহাজত মাৰে প্ৰচণ্ড খুণ্ডা ■ কথমপি নিশ্চিত বিপদৰ পৰা ৰক্ষা

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২১ জুলাই ঃ** যিসময়ত ব্যক্তিগত খণ্ডৰ পৰিবহণ প্ৰতিষ্ঠানে প্ৰথম বছৰ এখন গাড়ী বা ফেৰী কিনি তাৰ লাভেৰে দ্বিতীয় বৰ্ষত দ্বিতীয়খন গাড়ী বা ফেৰী কিনিবলৈ সক্ষম হয়, সেই একে সময়তে অসম ৰাজ্যিক পৰিবহণ নিগমে কোটি কোটি টকাৰে অতি সুন্দৰ গাড়ী বা জাহাজ কিনি, লাভৰ মুখ নেদেখুৱাকৈ, প্ৰথম বৰ্ষতেই ছাল বাকলি এৰুৱাই জঁকাটোহে থাকেগৈ আৰু বিকলৰূপে দলিয়াই দিয়ে। আভ্যন্তৰীণ জলপৰিবহণ বিভাগৰ কৰ্মচাৰীৰ দায়িত্বহীনতাৰ বাবে ছবি সুধাকণ্ঠকে ধৰি বহুকেইখন জাহাজৰ মৃত্যু ঘণ্টা বজাৰ বিষয়ে কাৰো অবিদিত নহয়। অৱশ্যে তেনে উদাহৰণ ৰাজ্যৰ প্ৰতিটো পৰিবহণ নিগমৰ বাছ আস্থান, কাৰখানা আৰু আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ



ফেৰী ঘাটসমূহত অলেখ আছে। শেহতীয়াকৈ মাজুলী জিলাৰ আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ ফেৰীঘাটসমূহত চলাচল কৰা সুন্দৰ সুন্দৰ জাহাজসমূহ যে সু পৰিচালনাৰ অভাৱত খুব কম দিনতেই জহি খহি যাব সেই কথা নিশ্চিত বুলি ঘাটসমূহেৰে অহা-যোৱা কৰা যাত্ৰীসকলে মন্তব্য কৰিছে। যাত্ৰীসকলৰ অভিযোগ অনুসৰি, নিমাতীঘাটৰ অভিশপ্ত নাওও দুৰ্ঘটনাৰ পাছত ৰাজ্য চৰকাৰে যাত্ৰীৰ নিৰাপদ যাত্ৰাৰ বাবে কে'বাখনো ১৩ পৃষ্ঠাত চাওক

# সদৌ অসম ব্যক্তিগত বিদ্যালয়ৰ ঐক্য মঞ্চৰ অভিৱৰ্তন

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২১ জুলাই ঃ** সদৌ অসম ব্যক্তিগত বিদ্যালয়ৰ ঐক্য মঞ্চৰ প্ৰথম কেন্দ্ৰীয় অভিৱৰ্তন আৰু যোৰহাট জিলা সমিতিৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱস অহা ২৮ জুলাইত ৰাধাকান্ত সন্দিকৈ ভৱনত আয়োজন কৰা হৈছে। পুৱা আঠ বজাত পতাকা উত্তোলন কৰিব সদৌ অসম ব্যক্তিগত বিদ্যালয়ৰ ঐক্য মঞ্চৰ যোৰহাট জিলা সমিতিৰ সভাপতি নিতুল কলিতাই। ৮-৩০ স্মৃতি তৰ্পণ কৰিব চেনীৰাম ধনদিয়াই। ন বজাত প্ৰতিনিধি সভা উদ্বোধন কৰিব সদৌ অসম ব্যক্তিগত বিদ্যালয়ৰ ঐক্য মঞ্চৰ উপদেষ্টা ৰঞ্জিত দাসে। দিনৰ ১১ বজাত মুকলি সভা। যাদৱ বৰুৱাৰ সঞ্চালনাত অনুষ্ঠিত মুকলি সভা নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব ড° প্ৰাঞ্জল বুঢ়াগোহাঁই সহকাৰী অধ্যাপক শিক্ষা তত্ত্ব বিভাগ ডিব্ৰুগড় বিশ্ববিদ্যালয়, স্বপন বেজবৰুৱা, ড° স্বপন কুমাৰ চুতীয়া, মুখ্য অতিথি ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰী, অসম চৰকাৰ। বিশিষ্ট অতিথি অশোক কুমাৰ বৰ্মন, উপায়ুক্ত যোৰহাট জিলা, ৰমেন ফুকন, কনকেশ্বৰ ডেকা ৰাজকোঁৱৰ। উদ্‌যাপন সমিতিৰ সভানেত্ৰী লয়ালী সোণোৱাল আৰু সম্পাদক ওমৰেন্দ্ৰ বৰাই ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# প্ৰজ্ঞা ফাউণ্ডেছন বিশ্বনাথ জিলা সমিতিৰ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২১ জুলাই ঃ** আজি বিশ্বনাথৰ বালিপুখুৰীৰ বাপুজী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হ'ল প্ৰজ্ঞা ফাউণ্ডেছন বিশ্বনাথ জিলা সমিতিৰ এখন সভা। এই সভাত অংশগ্ৰহণ কৰে প্ৰজ্ঞা ফাউণ্ডেছনৰ বিশ্বনাথ জিলাৰ প্ৰভাৰী তথা জ্যোতি চিত্ৰবনৰ অধ্যক্ষ অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী বিদ্যাসাগৰ বৰাৰ লগতে প্ৰজ্ঞা ফাউণ্ডেছনৰ শুভচিন্তক, প্ৰজ্ঞা ফাউণ্ডেছনৰ মাৰ্গদৰ্শক বশিষ্ঠ বুজৰবৰুৱা, বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ চিন্তামণি শৰ্মা, ফাউণ্ডেছনৰ সাধাৰণ সম্পাদক ভৰত দাস, গোপাল কৃষ্ণ গোস্বামী, যোগেন ৰংহাং, স্বপনা বৰা দাস, দিলীপ কুমাৰ ভট্টাচাৰ্য, ভবেন বৰা আৰু বিভিন্ন গণ্যমান্য ব্যক্তিৰ লগতে প্ৰজ্ঞা ফাউণ্ডেছনৰ বিশ্বনাথ জিলা সমিতিৰ বিষয়ববীয়াসকল। কিছুদিন পাছতে বিশ্বনাথত অনুষ্ঠিত হ'বলগীয়া এক বিশেষ অনুষ্ঠান সন্দৰ্ভত আজিৰ এই সভাৰ জৰিয়তে আলোচনা কৰা হয়। এই ফাউণ্ডেছনৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল অসমীয়া জনজীৱনৰ পৰা হেৰাই যাবলৈ ধৰা কৃষ্টি সংস্কৃতিসমূহ পুনৰ জীৱিত কৰি তোলা।

# শিৱসাগৰ জিলাত গাহৰিৰ সৰবৰাহ-বিক্ৰীত নিষেধাজ্ঞা

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**শিৱসাগৰ, ২১ জুলাই ঃ** সাম্প্ৰতিক শিৱসাগৰ জিলাৰ কেতবোৰ অঞ্চলত আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগৰ প্ৰাদুৰ্ভাৱৰ প্ৰতি লক্ষ্য ৰাখি আৰু এই ৰোগৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে সমগ্ৰ শিৱসাগৰ জিলাত গাহৰিৰ সৰবৰাহ, বিক্ৰী, গাহৰিৰ মাংস বিক্ৰী আদি নিষিদ্ধ কৰি শিৱসাগৰ জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ বিতোপন নেওগে তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰা জাৰি কৰিছে। এই নিষেধাজ্ঞা অনুসৰি সমগ্ৰ শিৱসাগৰ জিলাতে গাহৰিৰ মাংস, গাহৰি মাংসৰ পৰা উৎপাদিত খাদ্য সামগ্ৰী আৰু গাহৰিৰ সৰবৰাহ নিষেধ কৰা হৈছে। গাহৰিৰ মাংস আৰু গাহৰি মাংসৰ পৰা উৎপাদিত খাদ্য সামগ্ৰীৰ বিক্ৰী নিষেধ কৰা হৈছে। গাহৰি কটা আৰু বেচা-কিনা সম্পূৰ্ণৰূপে নিষেধ কৰা হৈছে। গাহৰি মৰিলে পশু চিকিৎসা বিভাগৰ দৃষ্টিগোচৰ কৰিব লাগিব আৰু মৃত গাহৰিৰ শৰীৰটো জৈৱ সুৰক্ষা পদ্ধতিৰে দকৈ গাঁত খান্দি পুতি পেলাব লাগিব। গাহৰি উৎপাদকসকলে অন্য ঠাইলৈ যাতে ৰোগ সংক্ৰমণ নহয় তাৰ বাবে জৈৱ সুৰক্ষা পদ্ধতি মানি চলিব লাগিব। যিকোনো ধৰণৰ গাহৰিৰ খাদ্য সৰবাৰহৰ বাবে পশু চিকিৎসা বিভাগৰ অনুমতি ল'ব লাগিব। এই নিষেধাজ্ঞা সমগ্ৰ শিৱসাগৰ জিলাতে তৎকালীনভাৱে বলৱৎ হৈছে আৰু নিষেধাজ্ঞা অমান্যকাৰীসকল ভাৰতীয় দণ্ড বিধি আইনৰ ১৮৮ ধাৰা অনুসৰি দণ্ডনীয় হ'ব।

# শ্ৰীমন্ত শংকৰদেৱ সংঘ থ্ৰিফট এণ্ড ক্ৰেডিট কো-অপাৰেটিভ ছ'চাইটি লিমিটেডৰ বাৰ্ষিক সভা

বিশেষ সংবাদদাতা

**নগাঁও, ২১ জুলাই ঃ** শ্ৰীমন্ত শংকৰদেৱৰ সংঘ থ্ৰিফট এণ্ড ক্ৰেডিট কো-অপাৰেটিভ ছ'চাইটি লিমিটেডৰ অষ্টম বাৰ্ষিক সাধাৰণ সভাখন অহা ৩০ জুলাই দিনৰ ১১.০০ বজাত ছ'চাইটিৰ প্ৰধান কাৰ্যালয়, কলংপাৰ, হলধৰ ভূঞা পথ, নগাঁৱত (অসম) অনুষ্ঠিত হ'ব। শ্ৰীমন্ত শংকৰদেৱ সংঘ থ্ৰিফট এণ্ড ক্ৰেডিট কো-অপাৰেটিভ ছ'চাইটি লিমিটেডৰ পৰিচালন সঞ্চালক মমতা বৰকাকতি আৰু অধ্যক্ষ হৰেন্দ্ৰ বৰাই সেই দিনা দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা বাৰ্ষিক সাধাৰণ সভাখনত ছ'চাইটিৰ অংশীদাৰ বাপ আই সমস্তৰ ভক্ত প্ৰাণ ৰাইজক উপস্থিত থাকিবলৈ সংবাদ মাধ্যমৰ জৰিয়তে অনুৰোধ জনাইছে।

# চিনামৰা মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈৰ ১২৫ সংখ্যক জন্মদিৱস পালন

■ 'চিনামৰাৰ ঐতিহ্য আৰু ইতিহাস' গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২১ জুলাই ঃ** যোৰহাট জিলাৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষাৰ অনুষ্ঠান চিনামৰা মহাবিদ্যালয়ত কালি দিনজোৰা কাৰ্যসূচীৰে পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈৰ ১২৫ সংখ্যক জন্মদিৱস পালন কৰা হয়। এই উপলক্ষে চিনামৰা মহাবিদ্যালয়ত অৱস্থিত মোহন চন্দ্ৰ মহন্ত সমাজ বিজ্ঞান অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ যৌথ উদ্যোগত মহাবিদ্যালয়খনৰ নৱনিৰ্মিত প্ৰেক্ষাগৃহত মুকলি সভা আৰু বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ



অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° বীণাপাণি দেৱীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত আদৰণি ভাষণ আগবঢ়াই মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন শইকীয়াই। আদৰণি ভাষণত তেওঁ পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈ চিনামৰা মহাবিদ্যালয়ৰ বাবে এক চিৰস্মৰণীয় আদৰ্শ বুলি উল্লেখ কৰি মহাবিদ্যালয়খনৰ প্ৰশাসনীয় ভৱনটো কৃষ্ণকান্ত সন্দিকৈৰ নামত উৎসৰ্গিত কৰা বুলি মন্তব্য কৰে। আনহাতে, 'শিক্ষানুষ্ঠানত প্ৰশাসক হিচাপে পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈ' শীৰ্ষক বক্তৃতানুষ্ঠানত বক্তৃতা প্ৰদান কৰে মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° দ্বীপেন ১৩ পৃষ্ঠাত চাওক

# ভংগীমা কলা কেন্দ্ৰৰ উদ্যোগত নৃত্যানুষ্ঠান চতুৰংগ-২০২২

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২১ জুলাই ঃ** শিৱসাগৰৰ অন্যতম নৃত্য প্ৰশিক্ষণ বিদ্যালয় ভংগীমা কলা কেন্দ্ৰৰ উদ্যোগত শিৱসাগৰ যুৱদলত চতুৰংগ-২০২২ শীৰ্ষক এক মনোমোহা অনুষ্ঠান সম্পন্ন হয়। সত্ৰীয়া শিল্পী মহেন্দ্ৰ কটকীয়া উদ্বোধন কৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে সাংস্কৃতিক কৰ্মী লাৱণ্য বৰঠাকুৰ আৰু লখিমী বৰুৱাই। আনহাতে, ভংগীমা কলাকেন্দ্ৰৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়োৱা বিপুল শৰ্মা আৰু লক্ষীকান্ত বৰঠাকুৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে কথক শিল্পী বিৰজু মহাৰাজে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শিল্পী প্ৰভাকৰ গোস্বামী, প্ৰবীণ মহন, জয়ন্ত দত্ত, অতিৰিক্ত উপায়ুক্ত বিতোপন নেওগ, সাংস্কৃতিক বিষয়া অংশুমান দত্ত, অ' এনজিচিৰ উচ্চপদস্থ বিষয়া এম গণেশনৰ লগতে সত্ৰাধিকাৰ লীলাকান্ত মহন্ত, সাহিত্য ড° নিৰুপমা মহন্ত, সমাজকৰ্মী কিৰণ আগৰৱালা উপস্থিত থাকে। উক্ত অনুষ্ঠানতে সপ্তাহযোৰাকৈ অনুষ্ঠিত সত্ৰীয়া নৃত্যৰ কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলক অংশগ্ৰহণ পত্ৰ বিতৰণ কৰে। ভংগীমা কলাকেন্দ্ৰৰ সভাপতি স্বপ্না গগৈয়ে আঁত ধৰা নৃত্যানুষ্ঠানত অধ্যক্ষ প্লাবিতা বৰঠাকুৰৰ লগতে প্ৰশিক্ষাৰ্থীসকলে মনোমোহা নৃত্য পৰিৱেশন কৰি দৰ্শকক আপ্লুত কৰে।

# মাজুলী শিক্ষক সংস্থাৰ স'তে মাজুলীৰ বিধায়কৰ শৈক্ষিক দিশৰ আলোচনা

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২১ জুলাই ঃ** আজি মাজুলী জিলা হাইস্কুল শিক্ষক সংস্থা মাজুলী সমষ্টিৰ বিধায়ক ভুৱন গামৰ স'তে গুৱাহাটীস্থ বিধায়কৰ বাসভৱনত এক সৌহাৰ্দমূলক আলোচনা অনুষ্ঠিত হয়। সংস্থাৰ সম্পাদক সঞ্জীৱ কুমাৰ দত্ত আৰু ৰাজ্যিক সদস্য জয়ন্ত বৰাই আলোচনা কালত মাজুলী জিলাৰ বিদ্যালয় আৰু শিক্ষকসকলৰ বিভিন্ন সমস্যা যেনে, মাজুলীত সপ্তাহত দুদিন বিদ্যালয়সমূহৰ পৰিদৰ্শক, জিলা প্ৰাথমিক শিক্ষা বিষয়াই সেৱা আগবঢ়োৱা, বিদ্যালয়সমূহৰ আন্তগাঁথনি উন্নয়ন কৰা, বিদ্যালয়সমূহত খালী হৈ থকা পদত শিক্ষক নিযুক্তি দিয়া, বিদ্যালয় প্ৰাদেশিকীকৰণ কৰা, ২০১৩ত প্ৰাদেশিকীকৰণ হোৱা শিক্ষক কৰ্মচাৰীসকলক পুৰণি পেঞ্চন প্ৰদান কৰা, ভাৰপ্ৰাপ্ত প্ৰধান সকলৰ পদ নিয়মীয়া কৰা, ২০১৩ত পদ প্ৰাদেশিকীকৰণৰ সময়ত বাদ পৰি ৰোৱা শিক্ষক-কৰ্মচাৰীৰ পদসমূহ নিয়মীয়াকৰণ কৰা, বিদ্যালয়সমূহত সংগীত, হস্তকলা, শৰীৰ চৰ্চা, সুকুমাৰ কলা শিক্ষক নিয়োগৰ ব্যৱস্থা গ্ৰহণ কৰা আদি বিষয়সমূহ সমাধানৰ বাবে বিধায়কজনক আহ্বান জনায়। বিধায়কজনে সংস্থাই উল্লেখ কৰা বিষয়সমূহ গুৰুত্ব সহকাৰে সমাধান কৰাৰ আশ্বাস প্ৰদান কৰি এবছৰৰ ভিতৰতে বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন কৰা, শিক্ষক নিযুক্তি প্ৰক্ৰিয়া শীঘ্ৰে আৰম্ভ কৰা, বিদ্যালয়সমূহৰ পৰিদৰ্শকে মাজুলীত সপ্তাহত দুদিন হ'লেও সেৱা আগবঢ়োৱা আদি বিষয়সমূহ সমাধান কৰা হ'ব বুলি সংস্থাৰ প্ৰতিনিধিক জানিবলৈ দিয়াত সংস্থাৰ তৰফৰ পৰা আদৰণি জনায়। তদুপৰি বিধায়কে গুণগত শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

# অভিযোগ অস্বীকাৰ মেৰাপানীৰ পঞ্চায়ত সদস্যৰ

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ২১ জুলাই ঃ** গমাৰিগুৰি উন্নয়ন খণ্ডৰ অধীনস্থ মেৰাপানী গাঁও পঞ্চায়তৰ ফৰেষ্ট ব্লকৰ ৱাৰ্ড সদস্য চৰিফুল হুছেইনে জবকাৰ্ডৰ কাম নকৰাকৈ হিতাধিকাৰীৰ একাউণ্টত ধন ভৰাই দি হিতাধিকাৰীৰ পৰা আধা টকা লৈ অহা বুলি বাতৰি কাকতত প্ৰকাশিত অভিযোগ অস্বীকাৰ কৰিছে সদস্য চৰিফুল হুছেইনে। আজি তেওঁ এই প্ৰতিবেদকৰ আগত অভিযোগ অস্বীকাৰ কৰি কয় যে মেৰাপানী গাঁও পঞ্চায়তখন বৰ্তমান বিজেপিৰ দখলত। কেৱল তেওঁহে কংগ্ৰেছ দলৰ সদস্য। কংগ্ৰেছ দলৰ সদস্য হোৱাৰ বাবেই একাংশ লোকৰ লগতে জিয়াউৰ আহমেদে তেওঁৰ বিৰুদ্ধে সাংবাদিকক মিছা অভিযোগ দি জনমানসত হেয় কৰাৰ ষড়যন্ত্ৰ ৰচিছে। লগতে তেওঁ কয় যে তেওঁৰ বিৰুদ্ধে উঠা অভিযোগ যদি প্ৰমাণিত কৰিব পাৰে তেতিয়া তেওঁ পঞ্চায়তৰ সদস্য পদ ত্যাগ কৰিবলৈও সাজু থকা বুলি জানিবলৈ দিয়ে।

# আজি আখৰা গৃহৰ উদ্বোধন কৰিলে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে

■ ত্ৰয়োদশ নাট্যবৰ্ষৰ বাবে সাজু বাগ্‌সাৰ একমাত্ৰ ভ্ৰাম্যমাণ নাট্যদল নয়নতৰা থিয়েটাৰ

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২১ জুলাই ঃ** ২০২২-২৩ নাট্যবৰ্ষৰ বাবে সাজু হৈ উঠিছে বাগ্‌সা জিলাৰ একমাত্ৰ ভ্ৰাম্যমাণ নাট্যদল নয়নতৰা থিয়েটাৰ। বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ অঞ্চলীস্থিত মুখ্য কাৰ্যালয়ত যোৱা ১৯ জুলাইত এক মাংগলিক অনুষ্ঠানৰ মাজেৰে নাট্যদলটোৰ আখৰা কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। অনুষ্ঠানত উপস্থিত থাকে বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়ো, ককলাবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ মণ্টু বড়ো, নাট্যকাৰ ৰঞ্জিত দাসৰ লগতে বহুতো শুভাকাংক্ষী।



আখৰা গৃহ উদ্বোধন কৰি মন্ত্ৰী দাসে নয়নতৰা থিয়েটাৰৰ মুখ্য প্ৰযোজক নিকুঞ্জ দাস সহিতে অভিনেতা-অভিনেত্ৰী কলা-কুশলী সকলোকে আগন্তুক বৰ্ষৰ নাট্যযাত্ৰাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰি আগন্তুক দিনত নয়নতৰা থিয়েটাৰক সকলো ৰাইজে আদৰি ল'ব বুলি আশা প্ৰকাশ কৰে। বিপ্লৱ শইকীয়া, অন্বেষা প্ৰিয়দৰ্শীনি, নাজিমুল ইছলাম, জয়ন্ত দাস, গীতাঞ্জলি বৰা, বিউটি ৰেখা ১৩ পৃষ্ঠাত চাওক

# বিশ্বনাথত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ গুৰুত্বপূৰ্ণ সভা সম্পন্ন

কাজিৰঙা ষষ্ঠ সংযোজনৰ সঠিক সীমা নিৰ্ধাৰণৰ দাবী

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২১ জুলাই ঃ** বিশ্বনাথ চাৰিআলি নগৰস্থিত হোটেল লীক্সপেলেচৰ সভাকক্ষত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ বিশ্বনাথ জিলা সমিতিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভাখন যোৱা ১৫ জুলাইত অনুষ্ঠিত হয়। জিলাৰ সভাপতি আব্দুল হাকিম শিকদাৰে সভাপতিত্ব কৰা সভাখনত আঁত ধৰে সাধাৰণ সম্পাদকদ্বয় আব্দুল ৰহমান আৰু আমান খানে। সভাত কে'বাটাও সংগঠনৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ লগতে সুদীৰ্ঘ পাঁচ বছৰ ধৰি জিলাৰ সভাপতিৰ দায়িত্বত থকা আব্দুল হাকিম শিকদাৰক কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতিৰূপে নিৰ্বাচিত কৰে। নেমছুৰ সদ্যপদত্যাগী জিলাৰ সাধাৰণ সম্পাদক মহিবুৰ ৰহমানৰ নেতৃত্বত কে'বাজনো বিষয়ববীয়াই উক্ত সভাত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদত যোগদান কৰে। ছাইফুল ইছলামক মুখ্য উপদেষ্টা, জিলাৰ সভাপতিৰূপে মহিবুৰ ৰহমান, কাৰ্যকৰী সভাপতি মোস্তাফিজুৰ ৰহমান, উপ-সভাপতি আব্দুল খায়েৰ, ইমান আলী, সহকাৰী সাধাৰণ সম্পাদক ফৰিদুল ইছলাম, প্ৰচাৰ সম্পাদক জয়নাল আবেদিনক নতুনকৈ সংগঠনটোত নিযুক্তি দিয়ে।

সভাত সংখ্যালঘু সংগ্ৰাম পৰিষদৰ কেন্দ্ৰীয় সভাপতি মহম্মদ আলী খলিফা, সহকাৰী সাধাৰণ সম্পাদক নাজিৰ আহমেদ, মুখ্য সাংগঠনিক সম্পাদক জাকিৰ হুছেইন সৰকাৰ, সাংগঠনিক ১৩ পৃষ্ঠাত চাওক

# প্ৰথমবাৰলৈ আদিবাসী ৰাষ্ট্ৰপতি নিৰ্বাচিত

■ ঢোল-মাদলৰ গুমগুমনিত মুখৰিত ৰাজগড় ■ আতচবাজীৰে ৰঙীণ আকাশ

**অগ্রদূত বাৰ্তা**
**ৰাজগড়, ২১ জুলাই ঃ** ভাৰতবৰ্ষৰ ইতিহাসত প্ৰথমবাৰলৈ আদিবাসী ৰাষ্ট্ৰপতিৰূপে দ্ৰৌপদী মুৰ্মু নিৰ্বাচিত হোৱাত চাহ অধ্যুষিত টিংখাং বিধানসভা সমষ্টিত সন্ধিয়া এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। টিংখাং বিজেপি শিবিৰ, চাহ জনগোষ্ঠীয় সংগঠন, আদিবাসী সংগঠন আদিৰ সমন্বিতে অগণন গুণমুগ্ধই সমষ্টিটোৰ বামুণবাৰী, টিংখাং আৰু ৰাজগড় ছহিদবেদীৰ সমীপত সমদল বাহিৰ কৰি ঢোল-মাদল বজাই আতচবাজীৰে পৰিৱেশ মুখৰিত কৰি তোলে। ৰাষ্ট্ৰপতিৰ দৰে গধুৰ দায়িত্বত যোগ্যজন নিৰ্বাচিত হৈছে বুলি গুণমুগ্ধসকলে অভিহিত কৰি অভিনন্দন জ্ঞাপন কৰে।

## কাথপাৰ মহিলা সমিতিৰ অধিবেশনৰ আয়োজন

**অগ্রদূত বাৰ্তা**
**দিচাংমুখ, ২১ জুলাই ঃ** কাথপাৰ মহিলা সমিতিৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অহা ২৪ জুলাইত কাথপাৰ ক্লাব ঘৰৰ প্ৰাংগণত কাথপাৰ মহিলা সমিতিৰ একবিংশতিতম বাৰ্ষিক অধিবেশনখন দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। উক্ত দিনা পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষৰোপণৰ পাছতে ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন, একক গীত, বিয়ানাম আৰু দিহানামৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি মুকলি আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

# আভ্যন্তৰীণ জলপৰিবহণ বিভাগৰ হেমাহিত নদীৰ পাৰৰ পলসত জহি-খহি গৈছে কোটিটকীয়া সম্পদ

■ তদন্তৰ দাবী মাজুলী জিলা ছাত্ৰ সন্থাৰ

**অগ্রদূত বাৰ্তা**
**কমলাবাৰী, ২১ জুলাই ঃ** মাজুলীৰ বহিঃজগতৰ লগত যাতায়াত যোগাযোগৰ একমাত্ৰ ভৰসা ব্ৰহ্মপুত্ৰৰ জলপথত ব্যৱহাৰ কৰা নাও বা জাহাজসমূহ। কিন্তু মাজুলী আভ্যন্তৰীণ জলপৰিবহণ বিভাগে মাজুলী আৰু নিমাতীৰ মাজত চলি থকা সাতখনকৈ জাহাজ বিকল হৈ পলসত জাহ যোৱাৰ ঘটনাই সমগ্ৰ মাজুলীত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিভাগটোৰ বিষয়া কৰ্মচাৰীৰ চৰম অৱহেলা, গাফিলতি আৰু দায়িত্বহীনতাৰ বাবে ৰাজহুৱা সম্পত্তি ধ্বংস হোৱা বুলি সৰ্বত্ৰতে চৰ্চা হৈছে মাজুলীত। জনৈক দত্ত নামৰ এজন বিষয়াৰ নেতৃত্বত বৰ্তমান পাৰঘাট পৰিচালিত হৈ আছে। বিষয়াজনৰ অমনোযোগিতাৰ বাবেই আন জাহাজসমূহৰ লগতে প্ৰায় কেইমাহমানৰ আগলৈকে চলি থকা কামেং, মূলাগাভৰু, পানেই জাহাজকেইখনো নদীত জাহ গৈছে। প্ৰায় সাত কোটি টকাৰ জাহাজসমূহ এইদৰে পৰিত্যক্ত অৱস্থাত অসংৰক্ষিতভাৱে পেলাই থোৱা ঘটনাত পাৰাপাৰ হৈ থকা যাত্ৰীসকল স্তম্ভিত হৈ পৰিছে। কোটি কোটি টকাৰ সম্পত্তি এই জাহাজসমূহ অচল হোৱাৰ পাছত মেৰামতিৰ কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে আভ্যন্তৰীণ জলপৰিবহণ বিভাগে। ফলত যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিবলগীয়া হৈছে মাজুলীবাসীয়ে। অসম চৰকাৰ আৰু আভ্যন্তৰীণ জলপৰিবহণ বিভাগে উচ্চ পৰ্যায়ৰ তদন্ত কৰি কাৰ ভুলৰ বাবে এই কোটি কোটি টকাৰ সম্পত্তি সাতখনকৈ ফেৰী নষ্ট হ'ল সেই সকলৰ ওপৰত বিহিত ব্যৱস্থা ল'বলৈ মাজুলী জিলা ছাত্ৰ সন্থাই দাবী জনাইছে।

# আজি আখৰা গৃহৰ উদ্বোধন কৰিলে মন্ত্ৰী

*১২ পৃষ্ঠাৰ পৰা* বৰুৱা আদি বহু ন-পুৰণি অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰিবলগীয়া নয়নতৰা থিয়েটাৰত এইবেলি নাট্যকাৰ ড° সৰলা ভূঞাৰ 'কনকলতা', ৰঞ্জিত দাসৰ 'দেউতা তুমি ক'ত' আৰু সমৰেন্দ্ৰ বৰ্মনৰ 'ৰাম নৱমী' এই তিনিখন ভিন্ন স্বাদৰ নাটৰ জৰিয়তে ২০২২-২৩ত নাট্যদলটোৱে দৰ্শকৰ মন জয় কৰিবলৈ ওলাই যাব। ইতিমধ্যে অসমৰ ভিন্ন প্ৰান্তৰ পৰা নয়নতৰা থিয়েটাৰক আমন্ত্ৰণ জনাইছে বুলি ব্যক্ত কৰি প্ৰযোজক নিকুঞ্জ দাসে কয়, অসমৰ দৰ্শকে আগৰ দৰেই নয়নতৰা থিয়েটাৰক আঁকোৱালি ল'ব বুলি আমাৰ দৃঢ় বিশ্বাস। এইবাৰ আকৌ নতুন উদ্যমেৰে আঁকোৱালি ল'ব দৰ্শকে। আমি নয়নতৰা থিয়েটাৰ গোষ্ঠীয়ে অসমবাসী ৰাইজৰ ফালৰ পৰা আশীৰ্বাদ বিচাৰিছো যাতে আমাৰ জয়যাত্ৰা অব্যাহত ৰাখিব পাৰো।

# মৌজাদাৰ, সমাজকৰ্মী হেমেন ভাগৱতীৰ

*১২ পৃষ্ঠাৰ পৰা* মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰোহিত চন্দ্ৰ মালাকাৰ, চাৰিআলি একাডেমীৰ প্ৰাক্তন অধ্যক্ষ চিদা হাজৰিকা, বিশ্বনাথ উন্নয়ন কৰ্তৃপক্ষৰ সভাপতি মোহন মহন্ত, বিশিষ্ট মীন পালক হেমেন ভাগৱতী, চাৰিআলি উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ যোগেন শৰ্মা, সমাজকৰ্মী নিৰঞ্জন হাজৰিকা, বিশ্বনাথ চাৰিআলি লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ধনদা কলিতা উপস্থিত থাকে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে প্ৰয়াত ভাগৱতীৰ আত্মীয় তথা সমাজকৰ্মী অঞ্জনা ভাগৱতীয়ে। অনুষ্ঠানৰ আঁত ধৰে স্মৰণিকা গ্ৰন্থৰ সম্পাদক বসন্ত বৰা আৰু সহযোগী সম্পাদক পুলক হাজৰিকাই। প্ৰয়াত ভাগৱতীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্জ্বলন কৰে বিশ্বনাথ চাৰিআলি শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ভবেন শৰ্মাই। পুষ্পাঞ্জলি অৰ্পণ কৰে বিশ্বনাথ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰোহিত চন্দ্ৰ মালাকাৰে। সভাত অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া হিতেশ্বৰ দাস আৰু বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তমনি শৰ্মাই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি ভাগৱতীৰ কৰ্মময় জীৱনৰ বিষয়ে আলোকপাত কৰে।

# মৰিয়নিত চাহ নিগমৰ বাগিচাৰ

*১২ পৃষ্ঠাৰ পৰা* বজাৰ পৰা ন বজালৈ এঘন্টীয়াকৈ ৰূপায়ণ কৰা এই ধৰ্ণা কাৰ্যসূচীত অংশগ্ৰহণ কৰি বাগিচাখনৰ কৰ্মচাৰীসকলে বিভিন্ন শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। কৰ্মচাৰীসকলে চাহ নিগমৰ বাগিচা গোপনে লীজত দিয়া বন্ধ কৰক, চাহ কৰ্মচাৰীসকলৰ সকলো বকেয়া শীঘ্ৰেই প্ৰদান কৰাৰ ব্যৱস্থা কৰক, সংশোধিত হাৰত দৰমহা আদায় দিয়ক, শ্ৰমিক কৰ্মচাৰীৰ বকেয়া ন্যায্য প্ৰাপ্য আদায় দিয়ক আদি শ্ল'গানেৰে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদথলীত উপস্থিত থাকি অসম চাহ কৰ্মচাৰী সংঘৰ কেন্দ্ৰীয় সভাপতি হাৰিছ উজ জামালে প্ৰতিবাদী চাহ কৰ্মচাৰীসকলক প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। চাহ কৰ্মচাৰীসকলৰ ন্যায্য দাবী পূৰণৰ বাবে কৰ্মচাৰীসকলৰ ঐক্যবদ্ধ আন্দোলনৰ প্ৰয়োজন বুলি তেওঁ মন্তব্য কৰে । উল্লেখ্য যে অসম চাহ নিগম লিমিটেডৰ ১২ খন বাগিচা চৰকাৰে লীজত দিবলৈ প্ৰস্তুতি চলোৱা কাৰ্যৰ বিৰুদ্ধে অসম চাহ কৰ্মচাৰী সংঘই ১৮ জুলাইৰ পৰা ধাৰাবাহিক আন্দোলন ঘোষণা কৰিছে। কৰ্মচাৰীসকলে ক'লা বেজ পৰিধান কৰি কাম কৰাৰ পাছত আজিৰে পৰা তিনিদিনলৈ এঘন্টীয়া ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিছে। অসম চাহ কৰ্মচাৰী সংঘৰ চৈকটা চাহ বাগিচা শাখাৰ সভাপতি পৰাগ দত্ত আৰু সম্পাদক তুলসী বৰুৱাই জানিবলৈ দিয়া মতে কাইলৈ আৰু পৰহিলৈ অৰ্থাৎ ২২ আৰু ২৩ জুলাইতো এই ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। আজি চৈকটা চাহ বাগিচাৰ লগতে বাগিচাখনৰ অন্তৰ্গত কাটনীবাৰী আৰু ঢেকিয়াজুলি শাখা আৰু নাগিনীজান চাহ বাগিচাৰ লগতে চটাই শাখাৰ সকলো কৰ্মচাৰীয়ে আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

# বিশ্বনাথত অসম সংখ্যালঘু সংগ্ৰাম

*১২ পৃষ্ঠাৰ পৰা* সম্পাদক ছফিকুল ইছলাম, দৰং জিলাৰ সাধাৰণ সম্পাদক মফিদুল ইছলাম, বিশ্বনাথ জিলা সমিতিৰ উপদেষ্টা জৈনুদ্দিন আহমেদ, নুৰ হুছেইন আদি উপস্থিত থাকে। অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ সভাপতি মহম্মদ আলী খলিফাই আবেলি বিশ্বনাথ চাৰিআলিত এক সংবাদমেল সম্বোধন কৰে। সংবাদমেলত সংগঠনটোৱে ষষ্ঠ সংযোজন কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঠিক সীমা নিৰ্ধাৰণ সম্পৰ্কে সৰৱ হয়। শীঘ্ৰেই অসম চৰকাৰক এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। উল্লেখ্য যে বিশ্বনাথৰ ধৰ্মীয় সংখ্যালঘু অঞ্চলত ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ সমান্তৰাল কৈ কাজিৰঙা ষষ্ঠ সংযোজনৰ সঠিক সীমা নিৰ্ধাৰণৰ সমস্যাও ভয়াবহ হৈ আছে দিনক দিনে। সঠিক সীমা নিৰ্ধাৰণ নোহোৱাৰ ফলত বিপদত পৰিছে বিশ্বনাথৰ ধৰ্মীয় সংখ্যালঘু লোকসকল। জিলা উপায়ুক্তক সাক্ষাৎ কৰি সংগঠনটোৱে শীঘ্ৰেই এনে সমস্যা সমাধানৰ দাবী উত্থাপন কৰে। আনহাতে, শেহতীয়াকৈ অসম চৰকাৰে বিশ্বনাথৰ পেটুলি বাৰিত উচ্ছেদ কৰা লোকসকলক পুনৰ সংস্থাপন নিদিয়াক লৈও সৰৱ হৈ উঠিছে সংগঠনটোৱে। দুই দিনৰ ভিতৰতে উচ্ছেদিত পৰিয়ালে সংস্থাপন নাপালে মুখ্যমন্ত্ৰীৰ স'তে আলোচনাত বহিব সংগঠনটোৱে। ইফালে, গৰিয়া-মৰিয়া-দেশী, জোলাহ, চৈয়দসকলক খিলঞ্জীয়াৰ স্বীকৃতি দিয়া বিষয়টো হাস্যকৰ বিষয় বুলি উল্লেখ কৰে খলিফাই। খলিফাই সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় যে যিহেতু খিলঞ্জীয়া শব্দৰ এতিয়াও অৰ্থপূৰ্ণ সংজ্ঞা কোনেও নিৰ্ধাৰণ কৰিব পৰা নাই। ধৰ্মীয় মুছলমানসকলক ভাগ ভাগ কৰি ৰাজনৈতিক মুনাফা আদায়ৰ ই এক অপচেষ্টাহে মাথোঁ। এই ক্ষেত্ৰত যিসকলক খিলঞ্জীয়াৰ মৰ্যাদা দিব বিচৰা হৈছে তেওঁলোকো সন্তুষ্ট নহয় বুলি সংখ্যালঘু সংগ্ৰাম পৰিষদৰ সভাপতিয়ে উল্লেখ কৰে।

# জলপৰিবহণ বিভাগৰ কৰ্মচাৰীৰ দায়িত্ব

*১২ পৃষ্ঠাৰ পৰা* আটকধুনীয়া জাহাজ মাজুলী-নিমাতীৰ ফেৰীঘাট সমূহলৈ পঠায়। কিন্তু সেই জাহাজকেইখনৰ এতিয়া পৰিচালনাত ত্ৰুটি, অপব্যৱহাৰে সচেতন যাত্ৰীসকলক ক্ষুব্ধ কৰি তুলিছে। যাত্ৰীসকলে জানিবলৈ দিয়া মতে, আজি পুৱা ৯.৩০ বজাত অফলামুখঘাটৰ পৰা নিমাতীঘাটলৈ যাত্ৰা আৰম্ভ কৰা এম ভি পদ্মা নামৰ জাহাজখনত ইঞ্জিন ষ্টাৰ্ট কৰাৰ পূৰ্বেই ব্ৰহ্মপুত্ৰৰ সোঁতে উটাই অনা এদ'ম মেটেকা-জাবৰ আৰু কাঠৰ টুকুৰা ইঞ্জিন আৰু ফেনত লাগি আছিল। আভ্যন্তৰীণ জলপৰিবহণ বিভাগৰ প্ৰায় অৰ্ধশতাধিক কৰ্মচাৰী থকা ঘাটটোৰ কোনোজন কৰ্মচাৰীয়েই নাওখন পৰীক্ষা নকৰাকৈয়ে সময়ৰ লগে লগে জাহাজখন যাত্ৰাৰ সেউজ সংকেত দিয়ে । জাহাজখনৰ ইঞ্জিন আৰু ফেনত জাবৰৰ স'তেই অতি বলেৰে ১০ মিনিট সময় যাত্ৰা কৰাৰ পাছত আগলৈ নোযোৱা হয় আৰু জাহাজখনৰ চালকে ইঞ্জিনৰ বিকট শব্দ কৰাই আগবাঢ়িবলৈ চেষ্টা কৰাত ইঞ্জিনৰ শব্দত যাত্ৰীসকলৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হয় । প্ৰায় আধাঘণ্টা জুৰি জাহাজখন অগাপিছা কৰাৰ অন্তত অৱশেষত জাবৰৰ দ'মটো এৰাই যদিও জাহাজখন তীব্ৰবেগেৰে গৈ নিয়ন্ত্ৰণ হেৰুৱাই পুনৰ নিমাতী পাৰৰ ৰেম্পত ৰখাই থোৱা লোহাৰ নাওখনত প্ৰচণ্ড জোৰেৰে খুণ্ডা মাৰি পাৰত চপাব নোৱাৰা অৱস্থা হয়। জাহাজৰ কৰ্মচাৰী আৰু পাৰৰ কৰ্মচাৰীসকলে প্ৰায় ১৫ মিনিট সময় যুঁজ-বাগৰ কৰাৰ অন্তত নিৰ্ধাৰিত সময়তকৈ ৫০ মিনিট পলমকৈ যাত্ৰীসকল পাৰত উঠিবলৈ সক্ষম হয়। ভাগ্য ক্ৰমে ৰক্ষা পৰে নিশ্চিত বিপদৰ পৰা। যাত্ৰীসকলৰ অভিযোগ অনুসৰি, চৰকাৰে এখন অতি সুন্দৰ জাহাজ যাত্ৰীসকলৰ সুগম যাতায়াতৰ বাবে দিছে যদিও আভ্যন্তৰীণ জলপৰিবহণ বিভাগৰ সুপৰিচালনাৰ অভাৱত যাত্ৰীসকলে ভৰ বাৰিষা ব্ৰহ্মপুত্ৰৰ বুকুত নিৰাপত্তাহীনতাত ভুগিব লগাত পৰিছে । ইয়াৰ উপৰি অতি সুন্দৰ জাহাজখন প্ৰতিপালহীনভাৱে চলোৱাৰ বাবে খুব কম দিনতেই কে'বা লক্ষাধিক টকা মূল্যৰ জাহাজখনৰ ইঞ্জিন বিকল হোৱাৰ লগতে বডীটোও নষ্ট হৈ ব্ৰহ্মপুত্ৰৰ পাৰত পূৰ্বৰ জাহাজবোৰৰ দৰে বিকল কৰি পেলাই ৰাখিব, ব্যক্তিগত গুটীয়া নাৱে তাৰ সুবিধা পাব । ৰাজহুৱা সম্পত্তিৰ এনে অপব্যৱহাৰে সচেতন যাত্ৰীসকলক ক্ষুব্ধ কৰি তুলিছে। ৰাইজৰ সম্পত্তিৰ উচিত ব্যৱহাৰ কৰিবলৈ সংশ্লিষ্ট বিভাগক দাবী জনাইছে। নিমাতীঘাটৰ দুয়ো পাৰে থকা কৰ্মচাৰীসকলৰ দায়িত্বহীনতাৰ ওপৰত ব্যৱস্থা নল'লে এনেদৰে চৰকাৰী সম্পত্তি ধ্বংসৰ গৰাহত পৰাটো ধুৰুপ।

# চিনামৰা মহাবিদ্যালয়ত কৃষ্ণকান্ত

*১২ পৃষ্ঠাৰ পৰা* নাথে। তেওঁ কৃষ্ণকান্ত সন্দিকৈ এগৰাকী অনন্য প্ৰতিভাৰ গৰাকী আছিল বুলি উল্লেখ কৰি কয় যে- কৃষ্ণকান্ত সন্দিকৈৰ দৰে অধ্যক্ষ আজিলৈকে বিৰল। প্ৰশাসক হিচাপে তেওঁৰ দক্ষতা আছিল অতুলনীয় । সাম্প্ৰতিক সময়ত অসমৰ শিক্ষা ব্যৱস্থাত তেনে ব্যক্তিৰ অতি প্ৰয়োজন হৈছে । শিক্ষানুষ্ঠানৰ প্ৰশাসক হিচাপে তেওঁ গুৰুত্ব প্ৰচুৰ আছিল বুলিও তেওঁ লগতে উল্লেখ কৰে । এই অনুষ্ঠানতে চিনামৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, ৰাজ্যৰ এগৰাকী বিশিষ্ট শিক্ষাবিদ তথা মৰিয়নি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ আনন্দ শইকীয়াই ৰচনা কৰি উলিওৱা চিনামৰা অঞ্চলৰ ইতিহাস সম্বলিত 'চিনামৰাৰ ঐতিহ্য আৰু ইতিহাস' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° আদিল উল ইয়াচিনে। গ্ৰন্থখন উন্মোচন কৰি শিক্ষাবিদ ড° আদিল উল ইয়াচিনে এই গ্ৰন্থখন কেৱল চিনামৰা অঞ্চলৰে নহয় সমগ্ৰ যোৰহাট জিলাৰে এক দলিল স্বৰূপ বুলি উল্লেখ কৰাৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ বাবে ই অতি গুৰুত্বপূৰ্ণ গ্ৰন্থ হ'ব বুলি মন্তব্য কৰে। উল্লেখ্য যে এইখন গ্ৰন্থৰ লগতে ইতিমধ্যে কে'বাখনো ইতিহাস সম্বলিত গ্ৰন্থ ৰচনা কৰা শিক্ষাবিদ আনন্দ শইকীয়াই ইতিহাস অধ্যয়ন আৰু গৱেষণা জীৱনৰে ব্ৰত বুলি হাড়ে-হিমজুৰে গ্ৰহণ কৰি আহিছে। তেনে এগৰাকী স্থিতপ্ৰজ্ঞ আৰু প্ৰকৃতাৰ্থত অধ্যাপকক যিকোনো বিশ্ববিদ্যালয়ে সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰিব লাগে বুলি কালি বক্তৃতানুষ্ঠানত প্ৰসংগক্ৰমে ড° দ্বীপেন নাথে উল্লেখ কৰে। আনহাতে, চিনামৰা মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপকদ্বয় তৰুণ শইকীয়া আৰু সীমান্ত বৰাৰ সম্পাদনাত প্ৰকাশ পোৱা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ ১২ সংখ্যক মুখপত্ৰ 'প্ৰজ্ঞানজ্যোতি' উন্মোচন কৰি যোৰহাট মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক ড° সৌমিত্ৰ পূজাৰীয়ে চিনামৰা মহাবিদ্যালয়ৰ এনে কাৰ্যৰ শলাগ লয়। ইয়াৰ পূৰ্বে পুৱা পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈ আৰু দক্ষিণ যোৰহাটৰ আধুনিক শিক্ষাৰ বাটকটীয়া হৰিপ্ৰসাদ বৰুৱাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি দিনটোৰ কাৰ্যসূচী মুকলি কৰে ঐতিহ্যমণ্ডিত কৰঙা শ্ৰী শ্ৰীকাঠবাপু সত্ৰৰ সত্ৰাধিকাৰ, অধ্যাপক প্ৰভাত চন্দ্ৰ মহন্তই । এই অনুষ্ঠানতে তেওঁ চমু বক্তব্য আগবঢ়ায় । ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° প্লাৱিতা বৰদলৈয়ে আঁত ধৰা অনুষ্ঠানটোত চিনামৰা প্ৰাথমিক বিদ্যালয়ৰ দ্বিতীয়গৰাকী প্ৰধান শিক্ষক প্ৰয়াত আব্দুল জব্বৰৰ পুত্ৰ ৰেকিবুদ্দিন আহমেদ, চিনামৰা মহাবিদ্যালয়ৰ প্ৰবীণ সমাজকৰ্মী চফিউৰ ৰহমান, ৯৭ বছৰীয়া বৰ্ষীয়ান ব্যক্তি চন্দ্ৰ কাটনি, মৰিয়নিৰ মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক মনোজ কুমাৰ শৰ্মা আদিক আদৰণি জনোৱা হয় । গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত ভূগোল বিভাগৰ অধ্যাপক পৰেশ চন্দ্ৰ বৰাই পৰিৱেশন কৰা বৰগীত আৰু কণমানি শিল্পী মৃগাশ্ৰী হাজৰিকাৰ কবিতা পাঠে অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক পদ্মেশ্বৰ কাটনিয়ে শলাগৰ শৰাই আগবঢ়োৱা সভাখনত বহুসংখ্যক ব্যক্তিয়ে অংশগ্ৰহণ কৰে ।

# দ্ৰৌপদী মুৰ্মু ৰাষ্ট্ৰপতি হোৱাত ডিমৌত ফটকা ফুটাই বিজয় উল্লাস



**অগ্রদূত বাৰ্তা**
**ডিমৌ, ২১ জুলাই ঃ** এনডিএ সমৰ্থিত ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মু বিজয়ী হোৱাৰ পাছতে অন্যান্য স্থানৰ লগতে শিৱসাগৰ জিলাৰ ডিমৌতো আনন্দ-উল্লাস কৰা পৰিলক্ষিত হয়। আজি বিয়লি বিজেপি থাওৰা নগৰ মণ্ডলৰ উদ্যোগত দলীয় কাৰ্যকৰ্তাসকলে ৰাষ্ট্ৰপতিৰূপে মুৰ্মু নিৰ্বাচিত হোৱাক লৈ ডিমৌৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ফটকা ফুটাই বিজয় উল্লাস কৰে আৰু ঘাইপথেদি এক বিজয় সমদল বাহিৰ কৰে।

# নগাঁৱত অসংগঠিত শ্ৰমিকৰ সজাগতা সভা

**বিশেষ সংবাদদাতা**
**নগাঁও, ২১ জুলাই ঃ** ভাৰত চৰকাৰৰ শ্ৰম মন্ত্ৰণালয়ৰ গুৱাহাটী মণ্ডলৰ উদ্যোগত ভাৰতীয় খাদ্য নিগমৰ সহযোগত প্ৰধান মন্ত্ৰীৰ 'শ্ৰমযোগী মান-ধন আঁচনি'ৰ এক সজাগতা সভা অনুষ্ঠিত হয়। আজি অনুষ্ঠিত এই সজাগতা সভাত অসংগঠিত শ্ৰমিকসকলৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰা হয়। এই শ্ৰমিকসকল কৰ্মক্ষেত্ৰত কেনেদৰে উপকৃত হ'ব পাৰে সেই বিষয়ে আলোকপাত কৰা হয়। বিনামূলীয়া ই-শ্ৰম কাৰ্ড প্ৰদান, ই-শ্ৰম কাৰ্ডৰ জৰিয়তে এই শ্ৰমিকসকল উপকৃত হ'ব পাৰিব। এই কাৰ্ডৰ জৰিয়তে অসংগঠিত শ্ৰমিকসকল বীমা পেঞ্চন, চৰকাৰৰ আন আন আঁচনিত অন্তৰ্ভুক্ত হ'ব পাৰিব। শ্ৰমিকৰ সংখ্যা নিৰূপণ আৰু সুবিধা-অসুবিধাৰ প্ৰতি গুৰুত্ব দিবৰ বাবে ই-শ্ৰম পঞ্জীয়নৰ ব্যৱস্থা আছে। আজিৰ এই সজাগতা সভাত বিভাগীয় উপ মুখ্য শ্ৰম আয়ুক্ত এছ কে ৰয়, নিগমৰ আঞ্চলিক প্ৰৱন্ধক সন্দীপ গগৈৰ লগতে পাৱাৰ গ্ৰীডৰ এন এম বৰা, কেন্দ্ৰীয় লেবাৰ এনফ'ৰ্চমেণ্ট বিষয়া এছ বি দাস আদিয়ে অংশগ্ৰহণ কৰে।

# ক্ষেত্ৰীৰ ধোপগুৰিত অসামাজিক কাৰ্যত লিপ্ত তিনিজনক গ্ৰেপ্তাৰ

■ সোধপোছৰ অন্তত মুকলি কৰিলে তিনি আটকাধীন যুৱতীক

**অগ্রদূত বাৰ্তা**
**সোণাপুৰ, ২১ জুলাই ঃ** ক্ষেত্ৰী আৰক্ষী থানাৰ অন্তৰ্গত ধোপগুৰিত যোৱা নিশা আৰক্ষীয়ে এক অভিযান চলাই অসামাজিক কাৰ্যত লিপ্ত তিনিজন যুৱকৰ লগতে তিনিগৰাকী যুৱতীক আটক কৰে। আৰক্ষী সূত্ৰই জনোৱা মতে, ধোপগুৰিৰ অৰুণ বৰদলৈ নামৰ যুৱকজনে নিজ বাসগৃহতে দীৰ্ঘদিন ধৰি গোপনে দেহ ব্যৱসায় চলাই আহিছিল। বিশেষকৈ নিশা হ'লেই অৰুণৰ বাসগৃহলৈ একাংশ সন্দেহজনক যুৱক-যুৱতীৰ আগমন ঘটিছিল। গোপন সূত্ৰে এই অভিযোগ লাভ কৰি ক্ষেত্ৰী আৰক্ষীয়ে যোৱা নিশা উক্ত গৃহটোত অভিযান চলাই হাতে-লোটে অনৈতিক কাৰ্যত লিপ্ত অৱস্থাত গৃহটোৰ গৰাকীসহ তিনিজন যুৱক আৰু তিনিগৰাকী মহিলাক আটক কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা যুৱককেইজন হৈছে ধোপগুৰিৰ অৰুণ বৰদলৈ (৩২), জাগীৰোডৰ আটাজুল ৰহমান (৩২) আৰু বৰপেটা তাৰাবাৰীৰ গোলাপ খান (৩১)। ঘটনাৰ সন্দৰ্ভত ১২৭/২২ নম্বৰত এটি গোচৰ পঞ্জীয়ন কৰি গ্ৰেপ্তাৰ কৰে। অৱশ্যে আৰক্ষীয়ে পাছত মহিলাকেইগৰাকীক সোধপোছাৰ অন্তত মুকলি কৰি দিয়ে।

# নৰোৱা কুজি সত্ৰৰ বয়োজ্যেষ্ঠা আইমাতৃ ক্ষীৰেশ্বৰী গোস্বামীৰ বিয়োগ



**অগ্রদূত বাৰ্তা**
**বেবেজীয়া, ২১ জুলাই ঃ** মৰিগাঁও জিলাৰ ঐতিহ্যমণ্ডিত নৰোৱা কুজি সত্ৰৰ অষ্টম গৰাকী সত্ৰাধিকাৰ প্ৰয়াত ভুৱন চন্দ্ৰ দেৱ গোস্বামীৰ পত্নী তথা বৰ্তমানৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱ গোস্বামীৰ মাতৃ, কুজি সত্ৰকে আদি কৰি বৃহত্তৰ অঞ্চলটোৰ অন্যতম বয়োজ্যেষ্ঠা আইমাতৃ, সত্ৰীয়া নামতি ক্ষীৰেশ্বৰী গোস্বামীৰ কালি কুজিৰ নিজা বাসগৃহত বিয়োগ ঘটে। ১০১ বছৰ বয়সীয়া সত্ৰ কৃষ্টিৰ পৰম্পৰাৰ ধাৰক বাহক, সৰবৰহী, মৃদুভাষী আইমাতৃ গোস্বামীৰ বিয়োগত কুজি সত্ৰৰ ভকত-বৈষ্ণৱ, আইমাতৃসৱ, বটদ্ৰৱা শ'লগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱমহন্ত, নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামী, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি ৰাজীৱ দত্ত, প্ৰাক্তন কাৰ্যকৰী সভাপতি ভোগেশ্বৰ বৰা, সমাজ সংগঠক দিব্যজ্যোতি বৰুৱা, কন্দৰ্প কুমাৰ কলিতা, প্ৰাঞ্জল বৰা আদিৰ লগতে কুজি সত্ৰ সৌমাৰ সংঘ, কুজি সত্ৰ শ্ৰীমন্ত শংকৰদেৱৰ কৃষ্টি বিকাশ কেন্দ্ৰ, জাগ্ৰত মহিলা সংগঠন আৰু সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ নগাঁও জিলা সমিতিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিবিশেষে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ তিনি পুত্ৰ, বোৱাৰী, চাৰিগৰাকী কন্যা, জোঁৱাই, নাতি-নাতিনী সহ বহু আত্মীয়-স্বজনক এৰি থৈ যায়।

# অসম হাইস্কুল শিক্ষক সংস্থাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

## ২০১৩ৰ প্ৰাদেশিকীকৰণৰ সময়ত ৰৈ যোৱা পদত নিযুক্তিৰ দাবী

**বিশেষ সংবাদদাতা**
**নগাঁও, ২১ জুলাই ঃ** অসম হাইস্কুল শিক্ষক সংস্থাই ২০১৩ত প্ৰাদেশিকীকৰণ হোৱা বিদ্যালয়ত ৰৈ যোৱা পদসমূহত শীঘ্ৰে নিযুক্তি দিবলৈ দাবী জনাইছে। আজি সংস্থাৰ গুৱাহাটীস্থ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত সংস্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাত হোৱা আলোচনাৰ অন্তত সংস্থাই চৰকাৰক এই বিষয়ত জৰুৰী পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনায়। সংস্থাই ২০২০ৰ পাঁচ ডিচেম্বৰ আৰু ২০২১ৰ পাঁচ ডিচেম্বৰত মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা সভাৰ সিদ্ধান্তসমূহ আজিও কাৰ্যকৰী নোহোৱাত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে। এই সিদ্ধান্তসমূহ শীঘ্ৰে কাৰ্যকৰী কৰাৰ দাবীত সংস্থাৰ জিলা সমিতিসমূহে বিদ্যালয়সমূহৰ পৰিদৰ্শকক স্মাৰক পত্ৰ প্ৰদান কৰিব। মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত হোৱা সভাৰ সিদ্ধান্তসমূহ শীঘ্ৰে কাৰ্যকৰী নকৰিলে সংস্থাই ৰাজ্যজুৰি আন্দোলন গঢ়ি তুলিব বুলিও চৰকাৰক সতৰ্ক কৰি দিয়ে। সংগীত, ক্ৰাফট, হিন্দী, সংস্কৃতৰ পদসমূহ সংস্থাই নিয়মীয়া কৰাৰ দাবী জনায়। কালি হোৱা ভি চি সিদ্ধান্তসমূহত সংস্থাই অসন্তুষ্টি প্ৰকাশ কৰে। সংস্থাই এই বিষয়সমূহৰ ওপৰত চৰকাৰৰ লগত আলোচনা হোৱাটো বিচাৰিছে। চৰকাৰে আলোচনাৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ নকৰিলে আন্দোলনৰ পথ গ্ৰহণ কৰিবলৈ বাধ্য থাকিব বুলি আজিৰ কাৰ্যনিৰ্বাহক সভাই মত পোষণ কৰে। আজি এই কথা সংস্থাৰ ৰাজ্যিক সভাপতি খনিন্দ্ৰ নাথ গোস্বামী আৰু সম্পাদক আনোৱাৰ হুছেইনে নগাঁৱত এক প্ৰেছ বিবৃতিযোগে জানিবলৈ দিয়ে।

# মৰাণত পণ্ডিত প্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈৰ ১২৫ সংখ্যক ওপজা দিন পালন

**চেপন, ২১ জুলাই ঃ** মৰাণৰ একমাত্ৰ শিশু প্ৰতিভা বিকাশ অনুষ্ঠান মৌকোঁহৰ উদ্যোগত যোৱা ২০ জুলাইৰ দিনা পণ্ডিত প্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈৰ ১২৫ সংখ্যক ওপজা দিন মৰাণ সমীপৰ খুমটাইৰ ছহিদ চন্দ্ৰধৰ বুঢ়াগোহাঁই প্ৰাথমিক বিদ্যালয়ত উদ্‌যাপন কৰা হয়। উক্ত অনুষ্ঠানৰ আৰম্ভণিতে বৃক্ষৰোপণ কৰে মৌকোঁহৰ সভাপতি বিশিষ্ট শিশু সাহিত্যিক ডাঃ লোহিত কুমাৰ বৰাই। ইয়াৰ পাছতে মৰাণ শাখা সাহিত্য সভাৰ সভাপতি তথা মৰাণ জুনিয়ৰ কলেজৰ অধ্যক্ষ প্ৰশান্ত দত্তই কৃষ্ণকান্ত সন্দিকৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰ উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী বীণা বৰগোহাঁয়ে। মৌকোঁহৰ সম্পাদক, শিক্ষক সুনীল গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকে আপকুৰ উপদেষ্টা, মৰাণৰ বিশিষ্ট সাংবাদিক শোভিত কুমাৰ ছেত্ৰীয়ে। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে ডিৱাই৩৬৫ৰ মৰাণৰ সাংবাদিক তপোব্ৰত গগৈ। চিত্ৰাংকনৰ বিচাৰক হিচাপে উপস্থিত থাকে জ্ঞানম একাডেমীৰ শিক্ষয়িত্ৰী পল্লৱী দত্ত স্বৰ্গাৰী। এই অনুষ্ঠানতে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰা হয়। চিত্ৰাংকন প্ৰতিযোগিতাৰ (ক) শাখাত চেণ্ট যোচেফ হাইস্কুলৰ পাল্কী দে প্ৰথম, স্বামী বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়ৰ আৰণ্যাস দীক্ষা গগৈয়ে দ্বিতীয়, জ্ঞানম একাডেমীৰ মাহিকা স্বৰ্গাৰী তৃতীয় আৰু আৰু চেণ্ট যোচেফ হাইস্কুলৰ ক্ৰমে আৰিয়ানা চেতিয়া আৰু আদ্ৰিকা গগৈয়ে বিচাৰকৰ বিশেষ বঁটা লাভ কৰে। (খ) শাখাৰ চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে চেণ্ট যোচেফ হাইস্কুলৰ ছায়ামনি গগৈ, বটামৰা জাতীয় বিদ্যালয়ৰ উদিত নেওগ, বৰডবা প্ৰাথমিক বিদ্যালয়ৰ পাৰ্থ মাহালিয়ে। বিচাৰকৰ উদগনিমূলক বঁটা লাভ কৰে চেণ্ট যোচেফ হাইস্কুলৰ ৰিতিকা দে আৰু ব্ৰনছন এণ্ড ব্ৰাউন ইংলিছ একাডেমীৰ আদ্ৰিতা পৰশা নেওগে। চিত্ৰাংকন প্ৰতিযোগিতাৰ (গ) শাখাত প্ৰথম স্থান লাভ কৰে মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অঞ্জনি চেতিয়া, হলি চাইল্ড ইংলিছ একাডেমীৰ পীযুষ দত্তই দ্বিতীয় আৰু অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মৃগাক্ষী চেতিয়াই তৃতীয় স্থান লাভ কৰে। চেণ্ট যোচেফ হাইস্কুলত ভাৰ্গৱী চেতিয়া, শিক্ষাভেলী ডিব্ৰুগড়ৰ আত্মিষা গগৈ আৰু জ্ঞানম একাডেমীৰ সুশান্ত গগৈয়ে (গ) শাখাত বিচাৰকৰ বিশেষ বঁটা লাভ কৰে। চিত্ৰাংকন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ৬০ৰো অধিক ছাত্ৰ-ছাত্ৰীক মৌকোঁহৰ তৰফৰ পৰা অংকন সঁজুলি প্ৰদান কৰা হয়। উপস্থিত ছাত্ৰ-ছাত্ৰীসকলে গীত-নৃত্য প্ৰদৰ্শন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। মৌকোঁহৰ পত্ৰিকা সম্পাদক তথা লেঙেৰী কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যাপক জ্ঞানন্দ চুতীয়াই সভাৰ শলাগৰ শৰাই আগবঢ়ায়। মৰাণ জাতীয় বিদ্যালয়ৰ অধ্যক্ষা দিব্যজ্যোতি গগৈ, ছহিদ চন্দ্ৰধৰ বুঢ়াগোহাঁই প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰদীপ চুতীয়া, ছহিদ চন্দ্ৰধৰ বুঢ়াগোহাঁই প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী বিনুমণি কোঁৱৰ, মৰাণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক নৰেন গগৈ, 'ৰিডম'ৰ অধ্যক্ষ শুভ্ৰ জ্যোতি মহন, বটামৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী সন্ধ্যাৰাণী ফুকন, কচুমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক তথা মৌকোঁহৰ সাংগঠনিক সম্পাদক জ্যোতিৰ্ময় গগৈ, মৌকোঁহৰ কোষাধ্যক্ষ, শিক্ষক গিৰিন চেতিয়া, মৌকোঁহৰ সহযোগী সম্পাদক তথা শিক্ষক মানস ৰঞ্জন নেওগ, শিক্ষয়িত্ৰী কৃষ্ণা গগৈ, মৌকোঁহৰ সাংস্কৃতিক সম্পাদক তথা শিক্ষক বিধান চন্দ্ৰ লাচনৰ লগতে অঞ্চলটোৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি তথা অভিভাৱক-অভিভাৱিকাসকল উপস্থিত থাকে।

# তেজপুৰত ন কিলোগ্ৰাম গাঞ্জাসহ ওদালগুৰিৰ দুই যুৱকক আটক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২১ জুলাই ঃ** আজি দুপৰীয়া তেজপুৰৰ বটামাৰিত ন কিলোগ্ৰাম গাঞ্জাসহ দুই যুৱকক স্থানীয় ৰাইজে কৰায়ত্ত কৰি বৰঘাট আৰক্ষীক গতাই দিয়ে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি, বটামাৰীত সন্দেহজনকভাৱে ঘূৰি ফুৰিছিল যুৱক দুজন। ৰাইজে সন্দেহবশতঃ দুয়োকে সোধপোছ কৰাত তেওঁলোকে অঞ্চলটোৰে জনৈক জয়ধৰ নামৰ এজন লোকক এই গাঞ্জা দিবলৈ অহা বুলি প্ৰকাশ কৰে। লগে লগে ৰাইজে দুয়োকে কৰায়ত্ত কৰি লপাথপা দিয়াৰ লগতে তেওঁলোকৰ লগত থকা গাঞ্জাসহ বৰঘাট আৰক্ষীক গতাই দিয়ে। যুৱক দুজনক ওদালগুৰিৰ গজেন নাৰ্জাৰী আৰু দীপাঞ্জন ব্ৰহ্ম বুলি আৰক্ষীয়ে প্ৰকাশ কৰাৰ লগতে দুয়োকে অধিক সোধপোছ চলাই থকা হৈছে। অৱশ্যে এই পৰ্যন্ত স্থানীয় জয়ধৰ নামৰ লোকজনক কৰায়ত্ত কৰা নাই আৰক্ষীয়ে। উল্লেখ্য যে শেহতীয়াকৈ বৰঘাট আৰক্ষী চকীৰ অন্তৰ্গত একাধিক অঞ্চলত ড্ৰাগছ, গাঞ্জা সঘনাই উদ্ধাৰ হৈ আছে। এই বিষাক্ত দ্ৰব্যসমূহ সৰবৰাহ কৰাসকলে এইবোৰ দ্ৰব্য সংগ্ৰহ কৰা মূল উৎস কিন্তু এই পৰ্যন্ত চিনাক্ত তথা এনে উৎস উৎখাত কৰা হোৱা নাই।

# মাজুলীৰ মহকিনা গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী কনকেশ্বৰ শইকীয়াৰ মৃত্যু



**অগ্রদূত বাৰ্তা**
**কমলাবাৰী, ২১ জুলাই ঃ** মাজুলীৰ মহকিনা নিবাসী, অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত শিক্ষক কনকেশ্বৰ শইকীয়াৰ আজি নিজ বাসগৃহ মহকিনা গাঁৱত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। অমায়িক স্বভাৱৰ সদা হাস্য বদন আৰু সুন্দৰ চেহেৰাৰ সমাজ হিতৈষী তথা আদৰ্শ শিক্ষকজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। শিক্ষকৰূপে চৰকাৰী চাকৰি জীৱনৰ সুদীৰ্ঘ সময় মাজুলীৰ গ্ৰামাঞ্চলৰ কণ কণ শিশু তথা শিক্ষাৰ্থীসকলক গুৰু শিষ্যৰ মধুৰ সম্পৰ্কৰে বান্ধ খুৱাই প্ৰকৃত শিক্ষাৰে শিক্ষিত হৈ, সকলোকে সমাজৰ এজন আদৰ্শ ব্যক্তিৰূপে প্ৰতিষ্ঠিত হৈ সমাজখনক আগুৱাই নিবলৈ সদায়েই সকলোকে অনুপ্ৰাণিত কৰিছিল। মাজুলীৰ মহ'কিনা আদৰ্শ গাঁৱৰ উচ্চ শিক্ষিত এটি বৃহৎ আদৰ্শ পৰিয়ালত জন্ম গ্ৰহণ কৰা এইজন অৱসৰপ্ৰাপ্ত শিক্ষা গুৰুৱে তেওঁৰ কৰ্মময় জীৱনত গড়মূৰ প্ৰাথমিক বিদ্যালয়, গোপাল পূৰ প্ৰাথমিক বিদ্যালয়, আদৰ্শ বৰবাৰী প্ৰাথমিক বিদ্যালয়, বৰগঞা প্ৰাথমিক বিদ্যালয় আদি মাজুলীৰ বিভিন্ন বিদ্যালয়ত চৰকাৰী কৰ্ম সুচাৰুৰূপে সম্পাদন কৰি মহকিনা তিনিআলি প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। তেওঁ এসময়ত এজন আদৰ্শ কৃষকৰূপে পৰিচিত আছিল। আজি পুৱা ১০-৩০ বজাত শইকীয়াৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে গাঁওখনৰ লগতে অঞ্চলটোৰ অনেক গুণমুগ্ধই তেওঁৰ বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁৰ মৃত্যুত মহকিনা গাঁও পৰিচালনা সমিতি, মহকিনা গাঁও যুৱক সমাজ, মহকিনা গাঁও মহিলা সমিতি, আদৰ্শ বৰবাৰী গাঁও পৰিচালনা সমিতি, মাজুলী জিলা লেখিকা সমাৰোহ সমিতি, মাজুলী জিলা শিক্ষক সন্মিলনী, বেলসিদ্ধিয়া সত্ৰৰ সত্ৰাধিকাৰ প্ৰমুখ্যে ভক্ত বৈষ্ণৱসকলৰ লগতে অনেক গুণমুগ্ধই গভীৰ শোক প্ৰকাশ কৰে। ৮৭ বছৰ বয়সত মৃত্যু হোৱা শইকীয়াই জীৱনৰ অন্তিম বেলাত সহধৰ্মিণী, দুজন পুত্ৰ, তিনিগৰাকী কন্যা, জ্যেষ্ঠ ভ্ৰাতৃ, কনিষ্ঠ ভ্ৰাতৃ, ভতিজা, বোৱাৰী, নাতি ইত্যাদিসহ বৃহৎ বংশ পৰিয়াল আৰু ইষ্ট-কুটুম্ব ইহসংসাৰত এৰি যায়।

অসম দাপোণ

দৈনিক অগ্রদূত

শীঘ্রে পথ-দলং নিৰ্মাণ নহ'লে আগন্তুক নিৰ্বাচনত ভোট বৰ্জনৰ হুংকাৰ ভুক্তভোগী ৰাইজৰ

# পথ-দলং নিৰ্মাণৰ দাবীত ৰাইজৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**চিথিলা, ২১ জুলাই ঃ** সৰকা সাথ সৰকা বিকাশ শ্ল'গানেৰে ৰাজভোগ কৰি উন্নয়ন আৰু প্ৰগতিৰ ঢাক-ঢোল বজোৱা বিজেপিৰ চৰকাৰৰ বিৰুদ্ধে তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰিছে যাতায়াতৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভোগা গ্ৰামাঞ্চলৰ সৰ্বসাধাৰণ ৰাইজে। স্থল, নৌ আৰু আকাশী পথৰ যোগাযোগ উন্নয়নৰ ওপৰত প্ৰাধান্য দিয়া বুলি চৰকাৰে কৰা ঘোষণা যে প্ৰহসনত পৰিণত হৈছে সেয়া প্ৰতিপন্ন কৰিছে এই দৃশ্যই। এই দৃশ্যটো কোকৰাঝাৰ জিলাৰ কোকৰাঝাৰ পশ্চিম জনজাতি বিধানসভা সমষ্টি আৰু ফকিৰাগ্ৰাম পৰিষদীয়া সমষ্টিৰ অন্তৰ্গত নামাপাৰা, নয়াছাৰা সংযোগী গড়কাপ্তানী পথৰ। বাৰিষা আহিলেও যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভুগিবলগীয়া হয়। নামাপাৰা, নয়াছাৰা, ঢেপঢেপি আদি কে'বাখনো গাঁৱৰ ৰাইজ যেন সম্প্ৰতি সাগৰৰ মাজত থকা এটা দ্বীপ। সাধাৰণ পথচাৰীৰ পৰা আৰম্ভ কৰি বিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰী, ৰোগী আৰু বজাৰ-সমাৰলৈ যোৱা ৰাইজৰ বিলাই-বিপত্তি নোহোৱা হৈছে। ফলত বুধবাৰে পুৱাই স্থানীয় ৰাইজে নামাপাৰা-নয়াছাৰা সংযোগী গড়কাপ্তানী পথত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী ৰাইজে স্পষ্ট কৰি দিছে যে নিৰ্বাচনৰ সময়ত কেৱল ভোট বিচাৰি অহা জন প্ৰতিনিধিসকল নিৰ্বাচনী বৈতৰণী পাৰ হ'লে সকলো পাহৰি যায়। যদিহে অতি শীঘ্ৰে গড়কাপ্তানী পথ আৰু কালভাৰ্ট নিৰ্মাণ কৰি নিদিয়ে তেন্তে আগন্তুক নিৰ্বাচনত তাৰ প্ৰত্যুত্তৰ দিয়া হ'ব বুলিও সকীয়নি প্ৰদান কৰিছে। উল্লেখ্য যে প্ৰতিবাদী ৰাইজে বিজেপি, ইউপিপিএল মিত্ৰজোঁট চৰকাৰখনে ৰাইজক প্ৰতাৰণা কৰা বুলিও সংবাদ মাধ্যমৰ অগত তীব্ৰ ক্ষোভ উজাৰে।

## ভানু ভূমিজৰ হত্যাকাৰীক দৃষ্টান্তমূলক শাস্তিৰ দাবী ভূমিজ সমাজৰ

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ২১ জুলাই ঃ** শিৱসাগৰৰ চেৰেকাপাৰা নিবাসী বিতুপন ঢেকীয়াল ফুকনৰ বাসগৃহত বনকৰা শিশু ভানু ভূমিজৰ হত্যাকাণ্ডত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সদৌ অসম ভূমিজ সমাজে। আজি এক বিবৃতিযোগে সদৌ অসম ভূমিজ সমাজৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি হেবিন ভূমিজ আৰু সম্পাদক বিজয় ভূমিজ আৰু ভূমিজ সমাজ ডিমৌ আঞ্চলিকৰ সভাপতি চুকচাণ্ড ভূমিজ আৰু সম্পাদক ৰমেন ভূমিজে বনকৰা শিশু ভানু ভূমিজৰ হত্যাকাণ্ডত জড়িত আটাইকে দৃষ্টান্তমূলক শাস্তি দিবৰ বাবে চৰকাৰ তথা প্ৰশাসনৰ ওচৰত দাবী জনাইছে।

## হাকামা গাঁও পঞ্চায়ত সভাপতিৰ গুণ্ডাবাহিনীৰ আক্ৰমণত আহত পাঁচ খিলঞ্জীয়া যুৱক

**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ২১ জুলাই ঃ** বিলাসীপাৰা আৰক্ষী থানাৰ অন্তৰ্গত বেলতলীত মঙলবাৰে ভূমাফিয়া তথা হাকামা গাঁও পঞ্চায়তৰ সভাপতি ছুলতান আলী আৰু তেওঁৰ গুণ্ডাবাহিনীয়ে সৃষ্টি কৰিলে সন্ত্ৰাসৰ।গুণ্ডাবাহিনীটোৰ আক্ৰমণত আহত হয় খিলঞ্জীয়া মুছলমানৰ পাঁচজনকৈ যুৱক। ইয়াৰ পাছতে ঘটনা সন্দৰ্ভত বিলাসীপাৰা আৰক্ষী থানাত এজাহাৰ দাখিল কৰিবলৈ যোৱা লোকসকলক গুণ্ডাবাহিনীটোৱে হাতে হাতে চোকা অস্ত্ৰ লৈ পুনৰ চলায় আক্ৰমণ। বিলাসীপাৰা আৰক্ষী থানাৰ সমীপতে চলোৱা আক্ৰমণত আহত হয় ক্ৰমে আকিব আলম, ছাদ্দাম আলম, তমজিৎ আলম, জাহানুৰ হক, আবু ৰাইহান আলম। পাছত ঘটনা সন্দৰ্ভত আৰক্ষী থানাত ছুলতান আলী, নেকিব আলী, ছাহজাহান আলী, মহৰ আলীকে ধৰি নজনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখি মহৰ আলী নামৰ এজনক আটক কৰে যদিও আন অভিযুক্তসকল বৰ্তমান পলাতক হৈ পৰিছে বুলি জানিব পৰা গৈছে। এই সন্দৰ্ভত সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদে গুণ্ডাবাহিনীটোৰ কৰ্ম কাণ্ডক তীব্ৰ ভাষাৰে গৰিহনা দিয়াৰ লগতে দোষীক উচিত শাস্তি প্ৰদানৰ দাবী তুলিছে।

## চতিয়া প্ৰেছ ক্লাবৰ উদ্যোগত জাপানীজ এনকেফেলাইটিছৰ প্ৰতিৰোধী কাৰ্যসূচী



**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ২১ জুলাই ঃ** ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি হোৱাৰ সমান্তৰালভাৱে চতিয়াতো বৃদ্ধি পাইছে আক্ৰান্তৰ সংখ্যা। চতিয়া অঞ্চলত জাপানীজ এনকেফেলাইটিছত প্ৰমোদ ভট্টাচাৰ্য নামৰ এজন লোকৰ মৃত্যু হোৱাৰ লগতে নাৰায়ণ গুপ্তা আৰু জাকিৰ আলী নামৰ লোক দুজন আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছে। চতিয়া অঞ্চলত ইয়াৰ প্ৰাদুৰ্ভাৱৰ প্ৰতি লক্ষ্য ৰাখি আজি চতিয়া প্ৰেছ ক্লাব, চতিয়া পৌৰসভা, চতিয়া তিনি নম্বৰ আঞ্চলিক পঞ্চায়ত আৰু স্বাস্থ্য বিভাগৰ সহযোগত চতিয়া পৌৰসভা অঞ্চলত জাপানীজ এনকেফেলাইটিছ প্ৰতিৰোধী স্প্ৰে কৰা হয়। লগতে জনসাধাৰণক সজাগ কৰিবৰ বাবে সজাগতামূলক কাৰ্যসূচীও গ্ৰহণ কৰা হয়। আজিৰ এই অনুষ্ঠানত চতিয়া পৌৰসভাৰ পৌৰপতি দীপশিখা সন্দিকৈ, চতিয়া তিনি নম্বৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি উদয় শংকৰ শইকীয়া আৰু চতিয়া প্ৰেছ ক্লাবৰ সভাপতি প্ৰণৱ ওজা, সম্পাদক উত্তম নাথ সহিতে সদস্যসকল উপস্থিত থাকে।

## শিৱসাগৰত সদৌ অসম ভিত্তিত শিশু নাট সমাৰোহৰ আয়োজন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২১ জুলাই ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ নাট্য প্ৰতিভাসমূহক প্ৰতিভা প্ৰদৰ্শনৰ এক উপযুক্ত মঞ্চ প্ৰদান কৰাৰ লগতে নাট্য কলাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে শিৱসাগৰত অহা ২৯ আৰু ৩০ জুলাইত সদৌ অসম ভিত্তিত শিশু নাট সমাৰোহ আয়োজন কৰা হৈছে। শিৱসাগৰ নাট্য বিদ্যালয়ৰ উদ্যোগত তথা ৰামধেনু যুগৰ কবি বেনু চিৰিঙৰ সোঁৱৰণীত শিৱসাগৰৰ যুৱ দলত অনুষ্ঠিত হ'ব এই শিশু নাট সমাৰোহ। এই নাট্য প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দল তথা শ্ৰেষ্ঠ অভিনেতা-অভিনেত্ৰীক প্ৰাইজমানি প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰিছে উদ্যোক্তা সমিতিয়ে। ইতিমধ্যে ৰাজ্যৰ বিভিন্ন জিলাৰ প্ৰায় ৩৭টা শিশু নাট্য দলে সদৌ অসম ভিত্তিত অনুষ্ঠিত হ'বলগীয়া এই নাট সমাৰোহত অংশগ্ৰহণ কৰিব বুলি নিশ্চিত কৰিছে বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। ইপিনে সদৌ অসম শিশু নাট সমাৰোহৰ লগত সংগতি ৰাখি শিৱসাগৰৰ নাট্য বিদ্যালয়ে অসমৰ বিশিষ্ট সংগীত শিল্পী মানস ৰবিনক সৌৰভপ্ৰাণ শিৱসাগৰ বঁটা প্ৰদান কৰিব। দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া শিশু নাট সমাৰোহত সমূহ শিৱসাগৰবাসীৰ লগতে সমগ্ৰ ৰাজ্যবাসীক অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায় উদ্‌যাপন সমিতিৰ সভাপতি জিতু জ্যোতি গায়নে।

সংগীতশিল্পী মানস ৰবিনক প্ৰদান কৰা হ'ব সৌৰভপ্ৰাণ শিৱসাগৰ বঁটা



*গোলাঘাটত সত্ৰীয়া-সৃষ্টিশীল নৃত্যৰ কৰ্মশালা সামৰণি, বৃহস্পতিবাৰে।*

## নামৰূপ বিদ্যুৎ উপ-সংমণ্ডল কাৰ্যালয় ঘেৰাও আছুৰ

কাৰ্যালয়ত প্ৰৱেশত বাধা আৰোপ আৰক্ষীৰ

**অগ্ৰদূত বাৰ্তা**

**নামৰূপ, ২১ জুলাই ঃ** ৰাজ্যত সঘনাই বিদ্যুৎ কৰ্তন আৰু অনিয়মীয়া বিদ্যুৎ যোগানক কেন্দ্ৰ কৰি আজি নামৰূপত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে নামৰূপ আঞ্চলিক ছাত্ৰ সন্থাই। উল্লেখ্য যে সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে ৰূপায়িত কাৰ্যসূচীত নামৰূপ বিদ্যুৎ উপ-সংমণ্ডলৰ কাৰ্যালয় ঘেৰাও কৰে সংগঠনটোৰ নেতা-কৰ্মীসকলে। নামৰূপস্থিত তাপ বিদ্যুৎ কেন্দ্ৰত থকা বিদ্যুৎ উপ-সংমণ্ডলৰ চৌহদত সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক মানসজ্যোতি চাংমাই নামৰূপ আছুৰ ভাৰপ্ৰাপ্ত সভাপতি সত্যপ্ৰতিম ৰাজপুত আৰু সাধাৰণ সম্পাদক অসীমজ্যোতি ফুকনৰ নেতৃত্বত এটা সঁজাতী দলে উপ-সংমণ্ডল বিষয়া ৰুমী ৰাজকোঁৱৰক সাক্ষাৎ কৰাৰ উদ্দেশ্যে নামৰূপ তাপ বিদ্যুৎ কেন্দ্ৰৰ মূল প্ৰৱেশ দ্বাৰত উপস্থিত হয়। আছুৰ বিষয়ববীয়াসকলে শান্তিপূৰ্ণভাৱে বিদ্যুৎ বিষয়াগৰাকীক ওজৰ-আপত্তি দিব বিচাৰিছিল যদিও নামৰূপ আৰক্ষীয়ে বলপূৰ্বকভাৱে বাধা প্ৰদান কৰাত আছু আৰু আৰক্ষীৰ মাজত কিছু বাক বিতণ্ডাৰ সৃষ্টি হয়। বিদ্যুৎ উপ-সংমণ্ডলৰ বিষয়াই নামৰূপ আছুৰ বিষয়ববীয়াসকলক আলোচনাৰ বাবে তেওঁৰ কাৰ্যালয়লৈ অনুমতি প্ৰদান কৰাৰ পাছতো আৰক্ষী বাহিনীয়ে বলপূৰ্বকভাৱে বাধা প্ৰদান কৰে। আছু আৰু আৰক্ষীৰ মাজত হোৱা বাক-বিতণ্ডাৰ মাজত বিদ্যুৎ উপ-সংমণ্ডল বিষয়াৰ স'তে কাৰ্যালয়ত আছুৰ বিষয়ববীয়াই ৰাইজৰ অভাৱ-অভিযোগসমূহ অৱগত কৰাৰ উপৰি অতিশীঘ্ৰে অনিয়মীয়া বিদ্যুৎ যোগান নিয়মীয়া কৰিবলৈ দাবী জনায়। ইয়াৰ পাছতেই নামৰূপ আছুৱে নামৰূপ তাপ বিদ্যুৎ কেন্দ্ৰৰ মূল প্ৰৱেশ দ্বাৰৰ সন্মুখত অসম চৰকাৰৰ শক্তিমন্ত্ৰী নন্দিতা গাৰ্লোছাৰ প্ৰতিমূৰ্তি দাহ কৰি বিভিন্ন চৰকাৰ বিৰোধী শ্ল'গানেৰে কঁপাই তোলে নামৰূপৰ আকাশ- বতাহ।

মঙলদৈত সমন্বয়ৰ বাৰ্তা বিলাই 'বাগৰুম্বা নৃত্য কৰ্মশালা' আৰম্ভ

## নৱপ্ৰজন্মই শিপাক লৈ গৌৰৱ কৰিবলৈ শিকক ঃ ড° শৰ্মা

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২১ জুলাই ঃ** 'নৱপ্ৰজন্মই শিপাৰ কথা পাহৰি গ'লে নহ'ব। কিয়নো শিপাই দিয়ে আমাৰ পৰিচয়। শিপাই বহন কৰে আমাৰ ঐতিহ্য। সেয়ে তেওঁলোকে শিপাক লৈ গৌৰৱ কৰিব শিকক।' এই ভাষ্য শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিজয় কুমাৰ শৰ্মাৰ। চপাই যুৱ কল্যাণ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আজিৰে পৰা আৰম্ভ হোৱা বাগৰুম্বা নৃত্য কৰ্মশালা উদ্বোধন কৰি তেওঁ এইদৰে কয়। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনৰ ছিপাঝাৰ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত আৰু চপাই যুৱ কল্যাণ কেন্দ্ৰৰ সহযোগত কালিৰে পৰা বিনামূলীয়াকৈ আৰম্ভ হোৱা আঠদিনীয়া বাগৰুম্বা নৃত্য কৰ্মশালা উদ্বোধন কৰি তেওঁ লগতে কয় যে বাগৰুম্বা নৃত্য কৰ্মশালা অনুষ্ঠিত কৰি এক সমন্বয়ৰ বাৰ্তা বিলোৱা হৈছে। বড়ো জনগোষ্ঠীৰ বাগৰুম্বা নৃত্য শিকিবলৈ চপাই অঞ্চলৰ অসমীয়া-বাংলা আৰু অন্যান্য ভাষী ছাত্ৰ-ছাত্ৰী আগবাঢ়ি অহাটো এক শুভ লক্ষণ। বিভিন্ন জাতি-জনগোষ্ঠীৰ নৃত্য-গীত অইন জনগোষ্ঠীৰ লোকে শিকিবলৈ আগবাঢ়ি আহিলে ঐক্য সংহতিৰ ভেটি সুদৃঢ় হয় বুলি বিশিষ্ট লোকসংস্কৃতিৰ গৱেষকজনে কয়। যুৱ নেতা গণেশ দত্তই আঁত ধৰা অনুষ্ঠানত ছিপাঝাৰ সাংস্কৃতিক কেন্দ্ৰৰ কৰ্মচাৰী দীনেশ চন্দ্ৰ গোস্বামী, প্ৰশিক্ষক বিদ্যুৎ চাহাৰীয়ে চমু বক্তব্য প্ৰদান কৰে। সাহিত্যিক সূৰ্য শৰ্মা, সূৰ্য কুমাৰ ডেকা, ভকতপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক লক্ষীকান্ত শৰ্মা, শিল্পী নীলকান্ত ডেকা, দৰং কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি অন্তিৰাম ডেকা, চপাই যুৱ কল্যাণ কেন্দ্ৰৰ সভাপতি হাচিনুৰ হুছেইন, সম্পাদক ৰমেশ চহৰীয়া, কবি ইবিনাথ ৰাভা, শিল্পী শৰৎ শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক কেশৱ চন্দ্ৰ চহৰীয়া, প্ৰধান শিক্ষক লক্ষীকান্ত ডেকা উপস্থিত থকা কৰ্মশালাত ৪০জন ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অহা ২৭ জুলাইত এই কৰ্মশালাৰ সামৰণি পৰিব।

## ঐক্যবদ্ধ নহ'লে কোনো সংগ্ৰামত সফল হ'ব নোৱাৰে ঃ অৰবিন্দ ৰাজখোৱা

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ২১ জুলাই ঃ** অসমৰ বাবে যেতিয়া দুৰ্যোগ, অশনি সংকেত নামি আহিব, তেনে পৰিস্থিতিত আমি সকলো এক হৈ আগবাঢ়ি যাব লাগিব। এই মন্তব্য আছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ। টাইপাৰ কেন্দ্ৰীয় সভাপতি বিজয় ৰাজকোঁৱৰৰ সভাপতিত্বত আমগুৰিত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা বিশিষ্ট অতিথি হিচাপে থাকি আৰু কয় যে অসমত বাস কৰা বিভিন্ন জাতি-জনগোষ্ঠী ভাষা-ভাষী লোকসকলে নিজৰ নিজৰ সংস্কৃতি পৰম্পৰা জিলিকাই ৰখাৰ লগতে মেৰুদণ্ড পোন কৰি ক'ব পাৰো যে অসমত এটা অসমীয়া জাতি বাস কৰে। যাৰ ভাষা-সংস্কৃতি, কৃষ্টি, সাহিত্যৰ ভঁৰাল চহকী। টাইপাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰুদ্ৰসাগৰ বুঢ়াগোহাঁই আৰু জিলা উপদেষ্টা মানস গগৈয়ে আঁত ধৰা সভাত সংযুক্ত মুক্তি বাহিনীৰ সভাপতি অৰবিন্দ ৰাজখোৱা উপস্থিত থাকি কয় যে সংগ্ৰাম জাতিয়ে কৰিবই লাগিব। যি জাতিৰ মানুহ সংগ্ৰাম কৰিবৰ বাবে প্ৰস্তুত নহয় বা সংগ্ৰামক ঐক্যবদ্ধভাৱে আগুৱাই নিবৰ বাবে প্ৰস্তুত নাথাকে সেই জাতি কোনো সংগ্ৰামত সফল হ'ব নোৱাৰে। সভাত উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধ্যক্ষ ৰুক্ম গোহাঞিঃ বৰুৱা, আহোম জাতীয় গণ মঞ্চৰ কেন্দ্ৰীয় সভাপতি মহেন্দ্ৰ দিহিঙীয়া, টাইপাৰ আইন উপদেষ্টা চন্দ্ৰ বৰুৱা, সদৌ অসম মহিলা সমিতিৰ সম্পাদিকা ইন্দ্ৰাণী ৰাজকুমাৰী আদিকে ধৰি কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে আজিৰ সভাতে অঞ্চলটোৰ বিভিন্ন দিশত অৱদান আগবঢ়োৱা শতাধিক বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত সু-লেখিকা জুৰি শইকীয়া আৰু সমীৰণ দুৱৰাৰ সম্পাদনাত প্ৰকাশ কৰা 'ৰণখাম' উন্মোচন কৰে বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈয়ে। ইফালে, কালিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত অনুষ্ঠানৰ পতাকা উত্তোলন কৰি অনুষ্ঠানৰ আৰম্ভ কৰে উদ্‌যাপন সমিতিৰ সভাপতি পুতুল গগৈয়ে।



## শীঘ্ৰে নিয়মীয়াকৰণৰ দাবী আসাম ষ্টেট আউটছ'ৰ্চ ৱাৰ্কাৰ্ছ ইউনিয়নৰ

নিজৰ জীৱনকো তুচ্ছ কৰি নিষ্ঠাৰে কৰ্তব্য পালন কৰি আহিছে অস্থায়ী বিদ্যুৎ কৰ্মীয়ে

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২১ জুলাই ঃ** অসমৰ শক্তিখণ্ডত বছৰ-বছৰ ধৰি ধুমুহা-বৰষুণৰ মাজতো নিষ্ঠাৰে কৰ্তব্য সম্পাদন কৰি ৰাইজক বিদ্যুৎ যোগানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা অস্থায়ী বিদ্যুৎ কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণ নকৰাত ক্ষোভিত হৈ পৰিছে এনে কৰ্মচাৰীসকলৰ সংগঠন আসাম ষ্টেট আউটচ'ৰ্ছ ৱাৰ্কাছ ইউনিয়নে। আজি এক বিবৃতিত উল্লেখ কৰে যে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ উত্তৰসূৰী তিনিটা কোম্পানী ক্ৰমে অসম শক্তি বিতৰণ কোম্পানী লিঃ, অসম শক্তি উৎপাদন নিগম আৰু অসম বিদ্যুৎ সংবহন নিগমৰ বিভিন্ন বিভাগত প্ৰ সহস্ৰাধিক কৰ্মচাৰীয়ে নিজৰ জীৱনক তুচ্ছ কৰি বিনা বেতনে কাম কৰি আহিছে। আনকি কোভিড সৃষ্ট পৰিৱেশৰ মাজতো কৰ্মচাৰীসকলে বিনা বেতনে নিৰন্তৰভাৱে বিভাগটোলৈ সেৱা আগবঢ়াই আহে। আৰ্থিক অনাটনত ভুগি কৰ্মচাৰীসকলে চাকৰিসমূহ নিয়মীয়াকৰণৰ আৰ্জিৰে বিভাগীয় মন্ত্ৰীক লগ ধৰাত বিভাগটোৱে লাভৰ মুখ দেখিলে চাকৰিসমূহ নিয়মীয়াকৰণ কৰা হ'ব বুলি আশ্বাস দিয়ে যদিও সময়ত ফুটুকাৰ ফেনত পৰিণত হয়। সংগঠনটোৰ সাধাৰণ সম্পাদক ধনজিত কুমাৰ ৰায় স্বাক্ষৰিত বিবৃতিটোত উল্লেখ কৰা মতে, ইতিমধ্যে বিভাগটোৱে ৩০০ কোটি টকা আয় কৰিছে যদিও অস্থায়ী কৰ্মচাৰীসকললৈ চকু দিবলৈ আহৰি নাই। একমাত্ৰ চৰকাৰে লাভৰ দিশটোলৈহে গুৰুত্ব দিয়া বুলি অভিযোগ কৰে। আনকি চৰকাৰৰ এক লাখ চাকৰিৰ নিযুক্তি প্ৰক্ৰিয়াত বিদ্যুৎ বিভাগৰ খালী পদেই নেদেখুৱালে বুলিও উল্লেখ কৰে। সেয়ে ন্যায়ালয়ৰ ৰায়ৰ সমান কামৰ বাবে সমান দৰমহাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনায় সন্থাটোৱে। অন্যথা গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলিও উল্লেখ কৰে সংগঠনটোৱে।

## ডিগবৈত ড্ৰাগছসহ দুজনক আটক

**ডিগবৈ, ২১ জুলাই ঃ** ৰাজ্যত ড্ৰাগছ বিৰোধী অভিযানৰ বিৰুদ্ধে অসম আৰক্ষীয়ে জেহাদ ঘোষণা কৰি ৰখাৰ সময়তে তিনিচুকীয়া জিলা ডিগবৈত পৃথকে পৃথকে অভিযান চলাই ড্ৰাগছসহ দুজনক আটক কৰিবলৈ সক্ষম হয় । বিশেষ সূত্ৰৰ তথ্য ভিত্তিত ডিগবৈ আৰক্ষীয়ে চলোৱা অভিযানত ডিগবৈ পানবাৰী বনগাঁও আৰু জ্যোতিনগৰৰ পৰা বুজন পৰিমাণৰ ড্ৰাগছসহ এগৰাকী মহিলা আৰু এজন পুৰুষক আটক কৰে। আটকাধীন মহিলা ড্ৰাগছ ব্যৱসায়ী পিংকী গগৈৰ পৰা প্ৰায় ১৯ গ্ৰাম আৰু বিতুল গগৈৰ পৰা ১৩ গ্ৰাম হেৰ'ইন জব্দ কৰে ডিগবৈ আৰক্ষীয়ে। আটকাধীন দুয়োকে আৰক্ষীয়ে এনডিপিএছ আইনৰ অধীনত গোচৰ ৰুজু কৰি জেললৈ প্ৰেৰণ কৰে।

## গোলাঘাটত সত্ৰীয়া-সৃষ্টিশীল নৃত্য কৰ্মশালাৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**


**ফৰকাটিং, ২১ জুলাই ঃ** গোলাঘাট জিলাৰ অন্যতম সাংস্কৃতিক বিদ্যালয় হেঙুল সমন্বয় কলাভূমিৰ উদ্যোগত লক্ষীবাৰী শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলামঞ্চৰ প্ৰাংগণত ১০ জুলাইৰ পৰা ১৭ জুলাইলৈ অনুষ্ঠিত সত্ৰীয় আৰু সৃষ্টিশীল নৃত্যৰ কৰ্মশালা কালি সফলতাৰে সামৰণি পৰে। সেই উপলক্ষে সন্ধিয়া কৰ্মশালাৰ সামৰণিৰ লগতে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয় । উল্লেখ্য যে সন্ধিয়া লোকশিল্পী দুলু কাকতি আৰু বলিষ্ঠ ভাওনা শিল্পী নন্দেশ্বৰ দত্তই বন্তি প্ৰজ্বলন কৰে। উল্লেখ্য যে শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলামঞ্চ লক্ষীবাৰীৰ প্ৰাক্তন সভাপতি পুতুল দত্তৰ সঞ্চালনাত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে হাতীগড় মাটিখোলা চাহ বাগিচাৰ বিশিষ্ট কবি অংকুৰ দেৱ শইকীয়াই। আদৰণি ভাষণ প্ৰদান কৰে হেঙুল সমন্বয় কলাভূমিৰ সভাপতি টিকেন্দ্ৰজিৎ বৰাই। এই কাৰ্যসূচীৰ পাছত কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক মান-পত্ৰ প্ৰদান কৰাৰ উপৰি নৃত্য প্ৰশিক্ষক মনালিছা বৰা, ঋতুপৰ্ণা শইকীয়া দত্ত আৰু কুশল কাকতিক অভিনন্দন জ্ঞাপন কৰে।

## কলিয়াবৰৰ তৰুণ সংঘৰ বৰ্ষজোৰা সোণালী জয়ন্তী উদ্‌যাপনৰ আৰম্ভণি

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ২১ জুলাই ঃ** ১৯৭২ত স্থাপিত কলিয়াবৰৰ এটি ক্ৰীড়া, সাংস্কৃতিক, সামাজিক অনুষ্ঠান কুঁৱৰীটোল তৰুণ সংঘৰ প্ৰেক্ষাগৃহত সোণালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচী আজিৰে পৰা আৰম্ভ হয়। সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি আজি অনুষ্ঠিত কৰা হয় মুক্তিযোদ্ধা বদন চন্দ্ৰ বৰদলৈৰ স্মৃতি দিৱস। কুঁৱৰীটোল তৰুণ সংঘৰ অন্যতম প্ৰতিষ্ঠাপক বদন চন্দ্ৰ বৰদলৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি তৰ্পণ অনুষ্ঠান আৰম্ভ কৰে কলিয়াবৰৰ মহকুমাধিপতি পবিত্ৰ কুমাৰ দাস আৰু স্থানীয় বয়োজ্যেষ্ঠ ব্যক্তি গোপাল বৰাই। ইয়াৰ পাছতে অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে ৰেৱকান্ত শৰ্মাই। সভাত মহকুমাধিপতি পবিত্ৰ কুমাৰ দাসৰ লগতে বিশিষ্ট শিক্ষাবিদ প্ৰভাত গোস্বামী, সমাজকৰ্মী অপূৰ্ব বৰদলৈ, পৰাগ বৰদলৈ, মহেন্দ্ৰ কাকতিকে ধৰি ভালেসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ইয়াৰ পূৰ্বে পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ আদি কাৰ্যসূচীও ৰূপায়িত হয়। সোণালী জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচীৰ অংশস্বৰূপে অনুষ্ঠানটোৱে আজিৰ স্মৃতি দিৱস উদ্‌যাপনৰ লগতে চাৰি ছেপ্টেম্বৰত চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতা, ন অক্টোবৰত প্ৰতিষ্ঠা দিৱস, ১০ অক্টোবৰত অংকীয়া ভাওনা প্ৰদৰ্শন, পাঁচ নৱেম্বৰত ভূপেন হাজৰিকাৰ গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা, ১২ নৱেম্বৰত ললিত হাজৰিকা সোঁৱৰণী শিশুনাট প্ৰতিযোগিতা, ২৬ নৱেম্বৰত বনগীতৰ প্ৰতিযোগিতা আৰু ২০২৩ ৰ ২৭, ২৮, ২৯ জানুৱাৰীত সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ আয়োজন কৰা বুলি জনাইছে তৰুণ সংঘৰ সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদক পৰাগ বৰদলৈয়ে।

## পেলনীয়া জাবৰৰ দ'মে বিনষ্ট কৰিছে শৈক্ষিক-প্ৰাকৃতিক পৰিৱেশ



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২১ জুলাই ঃ** চাবতি বহুমুখী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বেৰাৰ নিচেই কাষতে থকা নলাত পেলোৱা পেলনীয়া বস্তুৰে বিদ্যালয়খনৰ শৈক্ষিক-প্ৰাকৃতিক পৰিৱেশ বিনষ্ট কৰিছে। উল্লেখ্য যে পথৰ দাঁতিত থকা দোকান-পোহাৰ, ঘৰ-দুৱাৰৰ সমুদায় পেলনীয়া প্ৰতিখন দোকান আৰু ঘৰৰ সন্মুখত ডাষ্টবিনৰ সুব্যৱস্থা নকৰি উক্ত নলাত নিতৌ পেলোৱাৰ ফলতে নলাটো একপ্ৰকাৰ ডাষ্টবিনত পৰিণত হৈ পৰিছে। পথৰ দাঁতিত থকা কে'বাখনো দোকান, হোটেল আৰু ঘৰৰ পেলনীয়া বস্তুৰে ভৰাই পেলোৱাত ঠাইডোখৰ দৃষ্টিকটু হৈ পৰাত একাংশ সচেতন লোকৰ চকু কপালত উঠিছে। তদুপৰি বিদ্যালয়খনৰ দক্ষিণ দিশত শ্ৰেণী কোঠাসমূহৰ খিৰিকী খুলিলেই নলাটোৰ কদৰ্যময় পৰিৱেশ ছাত্ৰ-ছাত্ৰীসকলৰ দৃষ্টিগোচৰ হয়। উক্ত নলাত পেলোৱা পানী বটল, পলিথিন, বিস্কুট, চিপছৰ পেকেট আদি অন্যান্য পেলনীয়া সামগ্ৰী উক্ত স্থানত দ'মাই থোৱাত এনে কদৰ্যময় পৰিৱেশলৈ ঠাইডোখৰ পৰিণত হৈছে এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষ, পঞ্চায়ত তথা স্থানীয় ৰাইজৰ পৰিৱেশ সম্পৰ্কে সজাগতাৰ অভাৱৰ ফলতে এনে পুতিগন্ধময় পৰিৱেশৰ সৃষ্টি হৈছে বুলি একাংশ সচেতন মহলে উল্লেখ কৰে। তদুপৰি চাবতি অৰুণজ্যোতি কৃষ্টি সংঘৰ সন্মুখভাগতে এনে পৰিৱেশৰ সৃষ্টি হোৱাত কিছুসংখ্যক লোকে উদ্বিগ্নতা প্ৰকাশ কৰিছে। উল্লেখ্য যে এনে কদৰ্যময় পৰিৱেশে বিদালয়খনৰ শৈক্ষিক বাতাবৰণ বিনষ্ট কৰাৰ উপৰি নলাটোত বৈ থকা পানীত বাধাৰ সৃষ্টি হৈছে আৰু নলাটোৰ পানী দূষিত কৰি তুলিছে। লীলাবাৰীৰ পৰা লখিমপুৰ চহৰলৈ যোৱা অতি ব্যস্ত তথা গুৰুত্বপূৰ্ণ পথছোৱাৰ নলাটোৰ কে'বা ঠাইতো চকু কপালত উঠা দৃষ্টিকটু ছবিয়ে পৰিৱেশ সচেতন সজাগতাৰ অভাৱৰ কথাই নিশ্চয় ওলাই পৰে।

জুৰীয়াত অবৈধ ফাৰ্মাচীৰ বিৰুদ্ধে নগাঁও ঔষধ পৰিদৰ্শকৰ লগতে জুৰীয়া আৰক্ষীৰ যৌথ অভিযান

## তিনিখনকৈ ফাৰ্মাচীত লগালে তলা

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ২১ জুলাই ঃ** জুৰীয়াৰ বিভিন্ন অঞ্চলত দীৰ্ঘদিন ধৰি কাঠফুলাৰ দৰে গঢ়ি উঠা অনুজ্ঞাপত্ৰবিহীন ফাৰ্মাচীৰ বিৰুদ্ধে অৱশেষত সাৰপালে নগাঁও জিলা ঔষধ পৰিদৰ্শকৰ কাৰ্যালয়ে। আজি জুৰীয়া বজাৰত ঔষধ পৰিদৰ্শকৰ কাৰ্যালয়ৰ এটা দলে জুৰীয়া আৰক্ষীৰ সহযোগত অভিযান চলাই তিনিখনকৈ ফাৰ্মাচী ছীল কৰাৰ লগতে বুজন পৰিমাণৰ নকল ঔষধ জব্দ কৰিবলৈ সক্ষম হয়। সম্প্ৰতি অবৈধ ফাৰ্মাচীৰ মালিকৰ বিৰুদ্ধে নগাঁও ঔষধ পৰিদৰ্শকে গোচৰ ৰুজু কৰে। উল্লেখ্য যে জুৰীয়াত নথিপত্ৰবিহীনভাৱে চলি থকা অবৈধ ফাৰ্মাচীৰ বিৰুদ্ধে পূৰ্বতেও ৰাইজে অভিযোগ দি আহিছিল যদিও অবৈধ ফাৰ্মাচীৰ বিৰুদ্ধে পূৰ্বতেও অভিযান চলোৱাৰ পৰত কিন্তু ৰহস্যজনকভাৱে সেই নিৰ্দিষ্ট ফাৰ্মাচীসমূহ বন্ধ অৱস্থাতে পোৱা গৈছিল। ঔষধ পৰিদৰ্শকৰ কাৰ্য্যালয়ৰ পৰা অভিযান চলোৱাৰ বাতৰি আগতীয়াকৈ লাভ কৰাৰ বাবেই উক্ত নিৰ্দ্দিষ্ট সময়ত সেইসমূহ ফাৰ্মাচী বন্ধ কৰি থোৱা হৈছিল। আজিও তাৰ ব্যতিক্ৰম নহয় বুলিহে অভিযোগ উত্থাপিত হৈছে। বহুকেইখন ফাৰ্মাচী আজিও বন্ধ হোৱালৈ চাই আগতীয়াকৈ ঔষধ পৰিদৰ্শকৰ কাৰ্যালয়ৰ পৰা খবৰ লাভ কৰা বুলি সন্দেহ প্ৰকাশ ৰাইজৰ।








# বিশ্ব এথলেটিকছত আজি নীৰজ চোপ্ৰাৰ অভিযান

**নতুন দিল্লী, ২১ জুলাই ঃ** কাইলৈ বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপত ইতিহাস গঢ়াৰ লক্ষ্যৰে নামিব টকিঅ' অলিম্পিকৰ স্বৰ্ণজয়ী এথলীট নীৰজ চোপ্ৰা। ভাৰত সন্তান নীৰজ চোপ্ৰাৰ বিষয়ে নতুনকৈ কোৱাৰ প্ৰয়োজন নিশ্চয় নাই। ট'কিঅ' অলিম্পিকত আগবঢ়োৱা দুৰ্দান্ত প্ৰদৰ্শনৰ বাবে সকলোৰে হিয়াৰ মণি হৈ পৰা নীৰজে দেশলৈ কঢ়িয়াই আনিছে গৌৰৱ। ভাৰতমাতৃৰ শিৰৰ মুকুট উজলোৱা নীৰজৰ এতিয়া নতুন লক্ষ্য বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপত সোণ দখল কৰা। তাৰপাছতে বাৰ্মিংহাম কমনৱেলথ গেমছ। দুয়োখন প্ৰতিযোগিতা সন্দৰ্ভত নীৰজে কয়, 'চলিত বৰ্ষত এয়া মোৰ বাবে ডাঙৰ প্ৰতিযোগিতা। মই বিশ্ব চেম্পিয়নশ্বিপত চাপমুক্ত হৈ খেলিব বিচাৰো। এই যুঁজ কঠিন হ'ব। প্ৰতিটো দিনেই বেলেগ বেলেগ। মোৰ লক্ষ্য অধিক দূৰত্বলৈ জেভলিন মাৰি পঠিওৱা।' উল্লেখ্য যে নীৰজে এইবাৰ 90 মিটাৰ দূৰত্ব অতিক্ৰম কৰিব বিচাৰিছে। ট'কিঅ' অলিম্পিকত স্বৰ্ণ জয় কৰা ভাৰতৰ প্ৰথমগৰাকী এথলীট নীৰজ চোপ্ৰাৰ নতুন পৰিকল্পনাই বিস্ময়-বিমুগ্ধ কৰি তুলিছে অনুৰাগীক। বিশ্ব এথলেটিকছ প্ৰতিযোগিতাত দেশৰ তাৰকা খেলুৱৈগৰাকীয়ে নিজৰ শ্ৰেষ্ঠতম প্ৰদৰ্শন আগবঢ়াবলৈহে অধিক আগ্ৰহী বুলি অৱগত কৰিছে। শেহতীয়াকৈ, ষ্ট'কহ'মত অনুষ্ঠিত ডাইমণ্ড লীগত নীৰজে 89.94 মিটাৰ দূৰত্বলৈ জেভলিন নিক্ষেপ কৰি প্ৰায় 90 মিটাৰৰ ওচৰ চাপিছিল। আশা কৰা দূৰত্বৰ পৰা ছয় চেণ্টিমিটাৰ দূৰৈত অৱস্থান কৰিছিল নীৰজৰ জেভলিন। স্বাভাৱিকতে, বিশ্ব চেম্পিয়নশ্বিপত নীৰজে কেনেধৰণৰ প্ৰদৰ্শন দেখুৱাবলৈ সক্ষম হয় সেয়াহে হ'ব লক্ষ্যণীয়।

## এছিয়া মহাদেশৰ প্ৰচীনতম ফুটবল প্ৰতিযোগিতাৰ ট্ৰফী উন্মোচন মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ

# গুৱাহাটীত ঐতিহ্যমণ্ডিত ডুৰাণ্ড কাপ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জুলাই ঃ** অসমৰ ক্ৰীড়াপ্ৰেমীৰ বাবে আনন্দ আৰু গৌৰৱৰ খবৰ। এছিয়া মহাদেশৰ সবাতোকৈ প্ৰচীন ফুটবল প্ৰতিযোগিতা ডুৰাণ্ড কাপ এইবাৰ অসমত অনুষ্ঠিত হ'ব। আজি মহানগৰীত আয়োজিত এক অনুষ্ঠানত 131 সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফী আনুষ্ঠানিকভাবে মুকলি কৰে অসমৰ মুখ্যমন্ত্ৰী ড0 হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে ভাৰতীয় সেনাই আয়োজন কৰা ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ পোন প্ৰথমবাৰৰ বাবে অসমত অনুষ্ঠিত হ'ব। এয়া অসমৰ বাবে এক গৌৰৱময় ক্ষণ বুলি ব্যক্ত কৰে মুখ্যমন্ত্ৰী শৰ্মাই। 'অসমৰ সোণালী ক্ৰীড়া ইতিহাসত আৰু এক ঐতিহাসিক ঘটনা সন্নিবিষ্ট হ'ল এছিয়া মহাদেশৰ সবাতোকৈ প্ৰাচীন ফুটবল প্ৰতিযোগিতা ডুৰাণ্ড কাপ প্ৰথমবাৰলৈ গুৱাহাটীত অনুষ্ঠিত হোৱাৰ বাবে। কাৰণ 134 বছৰ পুৰণি বিশ্বৰ তৃতীয় প্ৰচীন ফুটবল প্ৰতিযোগিতা ডুৰাণ্ড কাপ কেৱল এখন খেল নহয়, এয়া ভাৰতীয় ক্ৰীড়াৰ ঐতিহ্য প্ৰতিফলন হোৱা এক সোণালী দস্তাবেজ। অসমৰ বৰ্লিন ক্ৰীড়া ইতিহাসত ফুটবলৰ স্বৰ্ণিল সফলতা ৰাজ্যবাসীৰ বাবে চিৰস্মৰণীয়।1948 ত লণ্ডনত প্ৰথমবাৰৰ বাবে অলিম্পিক গেমছ খেলা ভাৰতীয় ফুটবল দলৰ অধিনায়কজন আছিল অসম সন্তান ভাৰত গৌৰৱ ডাঃ টি আওঁ। ভাৰতৰত্ন লোকপ্ৰিয় বৰদলৈ ট্ৰফী, স্বাধীনতা কাপ আদি ফুটবল প্ৰতিযোগিতা তথা শতবৰ্ষ পূৰ্ণ কৰা গুৱাহাটী টাউন ক্লাব, মহাৰাণা ক্লাব আদিয়ে অসমৰ লগতে উত্তৰ-পূৰ ভাৰতৰ ফুটবলৰ এক সুদৃঢ় ভেটি গঢ় দিছে। ডুৰাণ্ড কাপৰ দৰে ঐতিহ্যমণ্ডিত ফুটবল প্ৰতিযোগিতা আয়োজনৰ জড়িয়তে ৰাজ্যৰ ফুটবলক্ষেত্ৰক উত্তৰণৰ দিশলৈ আগুৱাই নিয়াত স্বাভাৱিকতে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব।' মুখ্যমন্ত্ৰী ড0 হিমন্ত বিশ্ব শৰ্মাই ব্যক্ত কৰে। অহা 17 আগষ্টৰ পৰা চাৰি ছেপ্টেম্বৰলৈ গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব 131 সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ 'ডি'ৰ মুঠ 10 খন মেচ। উল্লেখ্য যে প্ৰতিযোগিতাত অংশ লোৱাৰ সুযোগ লাভ কৰিছে দেশৰ আগশাৰীৰ 20 টা ক্লাবে। এটা গ্ৰুপত পাঁচটাকৈ দল অন্তৰ্ভুক্ত কৰি চাৰিটা গ্ৰুপ কৰা হৈছে। প্ৰতিটো গ্ৰুপৰ শীৰ্ষ দুটা দলে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিব। ফাইনেল, ছেমিফাইনেল আৰু কোৱাৰ্টাৰ ফাইনেল অনুষ্ঠিত হ'ব কলকাতাত। কলকাতাতে গ্ৰুপ 'এ' আৰু 'বি'ৰ মেচো অনুষ্ঠিত হ'ব। গ্ৰুপ 'চি'ৰ মেচ অনুষ্ঠিত হ'ব মনিপুৰত। গুৱাহাটীত খেলিব লগা গ্ৰুপ 'ডি'ৰ পাঁচটা দল হ'ল নৰ্থ ইষ্ট ইউনাইটেড এফ চি, ওড়িছা এফ চি, দিল্লী এফ চি, কেৰালা ব্লাষ্টাৰ্ছ এফ চি আৰু আৰ্মি গ্ৰীন। উল্লেখ্য যে যি 20 টা ক্লাবে 131 সংখ্যক ডুৰাণ্ড কাপত অংশ লৈছে ইয়াৰে 11 টা আই এছ এলৰ ক্লাব। আনহাতে, প্ৰতিযোগিতাৰ আয়োজক ভাৰতীয় সেনাৰ চাৰিটা দলৰ লগতে আন পাঁচটা ক্লাৱক সুযোগ দিয়া হৈছে। আজি ট্ৰফী মুকলি অনুষ্ঠানত উপস্থিত থাকে ডুৰাণ্ড কাপৰ আয়োজক সমিতিৰ অধ্যক্ষ লেফটেনেণ্ট জেনেৰেল কে কে ৰেপছৱাল, লেফটেনেণ্ট জেনেৰেল কে চি পঞ্চনাথন, অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱা, মেজৰ জেনেৰেল বিকাশ চাইনি আদিৰ লগতে অসম চৰকাৰৰ কেবাজনো শীৰ্ষ বিষয়া তথা ভাৰতীয় সেনাৰো কেবাগৰাকী শীৰ্ষ বিষয়া।



## উদ্বোধনী অনুষ্ঠানত ক্ৰীড়া তাৰকা-জনপ্ৰিয় শিল্পীৰ সমাৱেশ

# আজিৰে পৰা অসম যুৱ অলিম্পিক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী ২১ জুলাই ঃ** অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিক 2022 কাইলৈৰ পৰা জাকজমকতাৰ মাজেৰে গুৱাহাটীত আৰম্ভ হ'ব। উল্লেখ্য যে ৰাজ্যৰ যুৱ খেলুৱৈসকলক এখন মঞ্চ দিয়াৰ উদ্দেশ্যে তথা নতুন প্ৰতিভা নিৰ্বাচন কৰি ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰক তৃণমুলৰ পৰা সুদৃঢ় কৰাৰ লক্ষ্যৰে অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰিছে অসম যুৱ অলিম্পিক। কাইলৈ সন্ধিয়া ছয় বজাত সৰুসজাই ক্ৰীড়া প্ৰকল্পত হ'বলগা উদ্বোধনী অনুষ্ঠানত ৰাজ্যৰ জনপ্ৰিয় শিল্পীৰ সাংস্কৃতিক অনুষ্ঠানৰে আৰম্ভ হ'ব প্ৰথম অসম যুৱ অলিম্পিক গেমছ। অৱশ্যে উদ্বোধনী অনুষ্ঠানত উপস্থিত নাথাকে অসমৰ মুখ্যমন্ত্ৰী ড0 হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী তথা অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱাল। ৰাজ্যৰ সম্পদ হ'ব পৰা যুৱ ক্ৰীড়া প্ৰতিভাসকলক প্ৰতিযোগিতাৰ প্ৰাকক্ষণত উৎসাহ দিয়াৰ বাবে মুখ্যমন্ত্ৰী শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল উপস্থিত থকাটো ক্ৰীড়াপ্ৰেমীয়ে বিচাৰিছিল যদিও ৰাজনৈতিক ব্যস্ততা এইদিশত বাধা হ'ল। কিন্তু অৰ্জুন বঁটা বিজয়ী মনালিছা বৰুৱা, কমলেছ মেহতাৰ লগতে অন্য প্ৰাক্তন খেলুৱৈৰ উপস্থিতি তথা ৰাজ্যৰ জনপ্ৰিয় শিল্পী প্ৰিয়ংকা ভড়ালী, দিক্ষু, মৌচম গগৈ, ৰণজিত গগৈ, কৈলাশ কুসুম আদিৰ সাংস্কৃতিক অনুষ্ঠানে প্ৰথম অসম যুৱ অলিম্পিক গেমছৰ মুকলি অনুষ্ঠান আকৰ্ষণীয় কৰিব বুলি আজি অনুষ্ঠিত এখন সংবাদমেলত অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে, অসম অলিম্পিক সন্থাই 22-27 জুলাইলৈ অনুষ্ঠিত হ'বলগীয়া অসম যুৱ অলিম্পিকৰ বাবে পূৰ্ণপ্ৰস্তুতি অব্যাহত ৰাখিছে। প্ৰতিযোগিতাখনত অসমৰ 35 খন জিলাৰ খেলুৱৈয়ে 32 টা ইভেণ্টত পদকৰ বাবে খেলিব। কোঁৱৰে জনোৱা অনুসৰি প্ৰতিযোগিতাখনত ইতিমধ্যে 4117 গৰাকী খেলুৱৈ, 711 জন অফিচিয়েল আৰু 654 জন টেকনিকেল অফিচিয়েলে যোগদান কৰাতো নিশ্চিত হৈছে। উল্লেখ্য, খেলুৱৈ আৰু অফিচিয়েলৰ পঞ্জিয়ন অনলাইনযোগে কৰা হৈছে। ইফালে, খেলুৱৈসকলৰ দৈনিক খেলৰ সূচী তথা থকা, খোৱা আৰু যাতায়ত ব্যৱস্থাৰ সকলো তথ্য "এ ৱাই অ' 2022" শীৰ্ষক এপত উপলব্ধ হ'ব। অসম অলিম্পিক সন্থাই প্ৰথমবাৰলৈ হাইটেক ডিজিটেল মাধ্যমৰে সুৰুঙা নৰখাকৈ প্ৰতিযোগিতাখন আয়োজন কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছে। ইফালে, কোঁৱৰে আজি স্পষ্ট কৰি দিয়ে যে অসম ল'ন বল সন্থাই নিৰ্ধাৰিত সময়ত খেলুৱৈৰ তালিকা জমা নিদিয়াৰ বাবে প্ৰতিযোগিতাখনৰ পৰা ল'ন বলক বাদ দিব লগা হ'ল। আজিৰ সংবাদমেলত প্ৰতিযোগিতাৰ মিডিয়া কমিটিৰ অধ্যক্ষ ৰূপম গোস্বামী তথা অসম অলিম্পিক সন্থাৰ সহকাৰী সম্পাদক অলক ত্ৰিপাঠী উপস্থিত থাকে। উল্লেখ্য যে গুৱাহাটীৰ মুঠ 10 টাকৈ ভেন্যুত অনুষ্ঠিত হ'ব এই অসম যুৱ অলিম্পিক । ইয়াৰ ভিতৰত আছে পল্টন বজাৰৰ ছাইকেন্দ্ৰ, দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়াম, সৰুসজাই এথলেটিকছ ষ্টেডিয়াম, এন এফ ৰেলৱেৰ মালিগাঁও ইনড'ৰ ষ্টেডিয়াম, মহম্মদ তৈয়বুল্লা হকী ষ্টেডিয়াম, সোণাপুৰৰ এল এন আই পি ই ক্ৰীড়া প্ৰকল্প, কাহিলীপাৰা শ্বুটিং ৰেঞ্জ, চচল টেনিছ কৰ্ট, ভোগেশ্বৰী ফুকননী ইনড'ৰ ষ্টেডিয়াম আৰু দীঘলী পুখুৰী।



# যুৱ অলিম্পিকলৈ বাগ্‌সাৰ ১২০ জনীয়া দল

**অগ্ৰদূত বাৰ্তা, মুছলপুৰ,২১ জুলাই ঃ** অসম অলিম্পিক সন্থাৰ উদ্যোগত হ'বলগা অসম যুৱ অলিম্পিক শিখা ৰেলী আজি বাকসা জিলাৰ বাথৌপুৰি ক্ৰীড়া প্ৰকল্পত আয়োজন কৰে। বাথৌপুৰিৰ পৰা মুছলপুৰলৈ প্ৰায় চাৰি কিলোমিটাৰ পথ এই ৰেলিটোৰে পৰিভ্ৰমন কৰে । উদ্বোধনী অনুষ্ঠানত বিশিষ্ট ক্ৰীড়াবিদ তথা বাকসা জিলা আৰক্ষী অধিক্ষক ৰাজেন সিং ,বাকসা জিলা উপায়ুক্ত মাচান্দা মাগদালিন পাৰ্টিন ,অসম অলিম্পিক সন্থাৰ উপসভাপতি বিযুঞ্ৰাম নুনিচাই বন্তি প্ৰজ্বলন কৰি অলিম্পিক যাত্ৰাৰ শুভ উদ্বোধন কৰে। উল্লেখ্য যে বাকসাক প্ৰতিনিধিত্ব কৰিব দলটোৰে লগা যুৱ অলিম্পিকত ফুটবল,আৰ্চাৰি ,উশ্বু, কাবাদী ,ভলীবল,খো-খো ,হেণ্ডবলকে ধৰি দহটা ইভেণ্টত অংশ গ্ৰহন কৰিব। প্ৰথমবাৰৰ বাবে ৰাজ্যখনত আৰম্ভ কৰা অসম যুৱ অলিম্পিকলৈ যাত্ৰা কৰে বাকসাৰ 120 গৰাকী খেলুৱৈয়ে।





# শিৱসাগৰ নেটবল দল ৰাওনা

**অগ্ৰদূত বাৰ্তা, ডিমৌ,২১ জুলাই ঃ** গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া যুৱ অলিম্পিকলৈ শিৱসাগৰৰ জিলা জুনিয়ৰ নেটবলৰ 24 জনীয়া ল'ৰা-ছোৱালীৰ দল দুটা ঘোষণা কৰাৰ পিছতে আজি গুৱাহাটীলৈ ৰাওনা হৈছে। ছোৱালীৰ নেটবল দলটো হ'ল ঃ পদ্মেশ্বৰী টায়ে,দীপামণি চেতিয়া, কৃষ্ণালী গড়, পল্লবী দত্ত, বিনীমণি গগৈ, বিজয়া টায়ে, ববিতা কাঁহাৰ,মিনা খেৰুৱা,দীপা টায়ে,দিপালী কাৰদং,জীতামণি ভৰলুৱা আৰু মমিতা মিৰ্ধা। আনহাতে, ল'ৰাৰ দলটো হ'ল ঃ মাধুৰ্য বৰুৱা, অৰ্চিড গগৈ, প্ৰৱালজ্যোতি গগৈ, উজ্বল খনিকৰ, আকাশ বৰগোহাঁই, উৎপল চাংমাই,বিদ্যাধৰ গগৈ, কল্পজ্যোতি কলিতা, উদ্দিপন কোঁৱৰ, উদ্দিপ্ত কোঁৱৰ, অৰুণ চেতিয়া আৰু অৰ্ণৱ চেতিয়া। প্ৰশিক্ষক বিতুপন চাংমাই, বিশ্বজিত দিহিঙীয়া আৰু টিম মেনেজাৰ হিচাপে ৰিতুমণি দত্ত। ৰেফাৰী হিচাপে নিৰ্বাচিত হৈছে বিৰেন্দ্ৰ গগৈ,কুলদীপ দিহিঙীয়া,জীনামণি ভৰালী।

# মৰিয়নি ফুটবল লীগ

**অগ্ৰদূত বাৰ্তা, মৰিয়নি, ২১ জুলাই ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা সোঁৱৰণী মৰিয়নি ফুটবল লীগত পূৰ্বৰ চেম্পিয়ন হোনোৱাল চাহ বাগিচাই আজিৰ খেলত জয়ী হৈ সম্পূৰ্ণ পইন্ট অৰ্জন কৰে । হোনোৱালে অজগৰৰ ষ্টাৰ ইলেভেল দলক 2-1 গ'লৰ ব্যৱধানত পৰাজিত কৰে । হোনোৱালৰ ৰাম ৰাও আৰু আকাশ কৰ্মকাৰে গ'ল কৰাৰ বিপৰীতে ষ্টাৰ ইলেভেনৰ বিতুল চবৰে একমাত্ৰ গ'লটো কৰে । খেলখন পৰিচালনা কৰে নিত্যৰঞ্জন ফুকন, বাবুল দেৱ, দীপক তাঁতী আৰু মিকু পাওগামে। 22 জুলাইৰ খেলঃ হোলোংগুৰি চাহ বাগিচা ফুটবল একাদশ বনাম হাতীজুৰি চাহ বাগিচা ফুটবল একাদশ।

# ৰাজ্যিক ৰোলবলৰ সামৰণি



**গুৱাহাটী ২১ জুলাই ঃ** দুলীয়াজান বিহুতলিত অনুষ্ঠিত আন্তঃজিলা ৰোলবল প্ৰতিযোগিতাৰ সামৰণি পৰিছে। উল্লেখ্য যে প্ৰতিযোগিতাত গুৱাহাটীৰ জুনিয়ৰ ল'ৰাৰ দলে দুলীয়াজানক 5-4 ব্যৱধানত পৰাস্ত কৰি খিতাপ অৰ্জন কৰে। ৰাজ্যৰ দহখন জিলাৰ দলে অংশ লোৱা প্ৰতিযোগিতাৰ সামৰনি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিধায়ক টেৰছ গুৱালা, অজিত কুমাৰ বৰুৱা, মুখ্য মহাপ্ৰবন্ধক, অইল ইণ্ডিয়া লিমিটেড, অজয় কুমাৰ ভট্টাচাৰিয়া, নিলাক্ষী নেওগ, অসম ৰোলবলৰ হৈ উপসভাপতি যোগেশ কলিতা, সম্পাদক ভূমিধৰ বৰ্মন, দুলীয়াজান ৰোলবলৰ দিলীপ বৰদলৈ, অমূল্য চেংলাৰী, জীৱন মৰান আদি। প্ৰতিযোগিতাত ছুপাৰ মিনি আৰু মিনি বিভাগত ল'ৰা শাখাত চেম্পিয়ন হয় দুলীয়াজান। আনহাতে, ছোৱালী শাখাত খিতাপ লাভ কৰে কামৰূপে। ছাব-জুনিয়ৰ ল'ৰাত দুলীয়াজান আৰু ছোৱালীত কামৰূপ চেম্পিয়ন হয়। জুনিয়ৰৰ ল'ৰাত গুৱাহাটী তথা ছোৱালী শাখাত কামৰূপ দলে খিতাপ অৰ্জন কৰে।

# জে টি চি আইটা টেনিছত তানিয়া কুমাৰীৰ দ্বিমুকুট অৰ্জন

**যোৰহাট, ২১ জুলাই ঃ** যোৰহাট টেনিছ ক্লাবত অনুষ্ঠিত জে টি চি আইটা টেনিছ টুৰ্নামেন্টত অসমৰ তানিয়া কুমাৰীয়ে দ্বিমুকুট অৰ্জন কৰিছে । 16 বছৰ অনুৰ্ধ্ব শাখাত তানিয়া কুমাৰীয়ে ছোৱালীৰ ছিংগলছত 6-3,6-1 ছেটত আদ্ৰিকা ৰাজকুমাৰীক পৰাজিত কৰে। ইফালে, ডাবলছত তানিয়া কুমাৰী-আদ্ৰিকা ৰাজকুমাৰী যুটীয়ে অঞ্চিতা শুক্লা আৰু কৃতিকা কলিতাক 6-1,6-0 ছেটত পৰাজিত কৰে । আনহাতে ল'ৰাৰ 16 বছৰ অনুৰ্ধ্ব শাখাত অন্তৰীক্ষ তামুলীয়ে শুভাশীষ ৰয়ক 6-3,6-2 ত পৰাস্ত কৰে । ল'ৰাৰ 16 বছৰ অনুৰ্ধ্ব ডাবলছত পাৰ্থিৱ কলিতা আৰু ছান্দোগ্য পাঠকে অন্তৰীক্ষ তামুলী আৰু অক্লান্তজিত ফুকনক 6-3,6-1 ত পৰাজিত কৰি বিজয়ী হয়।



# এ ডিভিজন ফুটবলত মিলনজ্যোতি-নেপথ্যৰ খেল ড্ৰ

**যোৰহাট, ২১ জুলাই ঃ** যোৰহাট এ ডিভিজন ফুটবল লীগৰ আজি বি গ্ৰুপৰ দুয়োটা দলৰ অন্তিমখন খেলত মিলনজ্যোতি ক্লাব আৰু নেপথ্য ক্লাবে 2-2 গ'লত ড্ৰ খেলি পইন্ট ভগাই লয়। দুয়োটা দলে লীগৰ চাৰি খন খেলত দুখন পৰাজয় এখন জয়ী আৰু এখন ড্ৰ খেলি মুঠ চাৰি পইন্ট লাভ কৰে। কিন্তু দুয়োটা দল ছেমিফাইনেলত উপনীত হোৱাৰ যোগ্যতা অৰ্জন কৰিব নোৱাৰিলে। আজি খেলত নেপথ্য ক্লাবৰ শংকৰ মিৰ্ধাইÃ×32 আৰু 44 মিনিটত গ'ল দি নেপথ্য ক্লাবক 2-0 ত অগ্ৰগতি দিয়ে যদিও দ্বিতীয়াৰ্ধত মিলনজ্যোতি সংঘৰ বিদুৎ গগৈয়ে 46 মিনিটত গল দি 2-1 লৈ হ্ৰাস কৰাৰ পাছত তুচুকুঞ্জ ঘাটোৱাৰে 56 মিনিটত গ'ল কৰি সমতা স্থাপন কৰে। আজি খেল পৰিচালনা কৰে বিমান বুঢ়াগোহাঁইয়ে । লাইনত থাকে পৱন পাঠক আৰু সুমন্ত দত্ত। চতুৰ্থ অনন্ত বৰা। 22 জুলাই খেল ঃ বৰভেটা স্পৰ্টচ ক্লাব বনাম ৰেডিয়েন্ট ক্লাব।



# সাঁতোৰত পাহীৰ ৰূপ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ,২১ জুলাই ঃ** ভুৱনেশ্বৰত অনুষ্ঠিত 48 সংখ্যক ৰাষ্ট্ৰীয় জুনিয়ৰ সাঁতোৰ প্ৰতিযোগিতাত তেজপুৰৰ পাহী বৰাই ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। বেজৰ চুবুৰীৰ নিবাসী হেমন্ত বৰা আৰু দেবযানি বৰাৰ একমাত্ৰ জীয়ৰী পাহীয়ে 4×100 মিটাৰ মেডলি ৰে'লীত অংশ লৈ এই পদক অৰ্জন কৰে। পাহীয়ে তেজপুৰৰ হজৰা পুখুৰীত বিষ্ণুজ্যোতি আৰু তেজপুৰ সাতোঁৰ প্ৰশিক্ষন কেন্দ্ৰত প্ৰশিক্ষণ লৈ আছে।

# উদয়ন, কাজিৰঙা, নাৰেংগীৰ জয়

**গুৱাহাটী, ২১ জুলাই ঃ** নেহৰু ষ্টেডিয়ামত চলি থকা গুৱাহাটী ক্ৰীড়া সন্থাৰ 13 অনুৰ্ধ্ব ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয় ছিজনৰ আজিৰ খেলসমূহত জয়লাভ কৰিছে উদয়ন কৃষ্টি সংঘ, কাজিৰঙা এফচি আৰু নাৰেংগী এফচিচিয়ে । আজি দুপৰীয়া অনুষ্ঠিত প্ৰথম দুখন খেলত উদয়ন কৃষ্টি সংঘই গুৱাহাটী ইয়ং ষ্টাৰ এফচিচিক 8-0 গ'লত পৰাস্ত কৰে । উদয়নৰ হৈ বিশাল ডেকাই চাৰি গ'ল আৰু জয়দীপ বড়োৱে তিনিটা গ'ল দিয়ে । আনহাতে, একে সময়তে হোৱা গুৱাহাটী চিটী এফচি আৰু আছাম ৰাৰিয়ৰ্ছৰ মাজৰ খেলখন গ'লশূন্যভাৱে ড্ৰ হয় । বিয়লি অনুষ্ঠিত এখন খেলত নাৰেংগী এফচিচিয়ে লায়নফ'ৰ্ড এফচিক 3-1 গ'লত পৰাস্ত কৰে । একে সময়তে হোৱা আন এখন খেলত কাজিৰঙা এফচিয়ে চন্দ্ৰপুৰ এফচিচিক 13-0 গ'লত পৰাস্ত কৰে । দলৰ ৰাজবীৰ মণ্ডলে সাতটা গ'ল কৰে।



ডিমৌ ক্ৰিকেট সন্থাই আয়োজন কৰা প্ৰশিক্ষণ শিবিৰ।

# আন্তঃজিলা ফুটবলত ডিমাকুছি ফাইনেলত

**অগ্ৰদূত বাৰ্তা, কলাইগাওঁ, ২১ জুলাই ঃ** এবছুৰ ওদালগুৰি জিলা সমিতিৰ উদ্যোগত কবিৰালী আঞ্চলিক সমিতিৰ সহযোগত জিলাখনৰ কদমগুৰি খেলপথাৰত অনুষ্ঠিত 13 বছৰ অনুৰ্ধ আন্তঃজিলা ফুটবল প্ৰতিযোগিতাত ডিমাকুছি আঞ্চলিক এবছু ফুটবল দলে ফাইনেলত প্ৰৱেশ কৰিছে। আজি প্ৰথমখন ছেমিফাইনেলত হৰিশিঙা আঞ্চলিক এবছু ফুটবল দলক 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰি ডিমাকুছিয়ে ফাইনেল খেলৰ যোগ্যতা অৰ্জন কৰে। ডিমাকুছিৰ হৈ যৌগাচাৰ বড়ো আৰু চিমৰাণ খাখলাৰীয়ে গ'ল কৰাৰ বিপৰীতে হৰিশিঙাৰ হৈ একমাত্ৰ গ'লটো দিয়ে আশ্বিক বসুমতাৰীয়ে। খেলখন পৰিচালনা কৰে মনজিৎ দৈমাৰীয়ে। সহযোগ কৰে চামেল বসুমতাৰী, বাৰুল বসুমতাৰী আৰু বিকাশ বসুমতাৰীয়ে। কাইলৈ কাজিয়ামাটি খেলপথাৰত বৰনগাঁও আঞ্চলিক এবছু আৰু মাজবাট আঞ্চলিক এবছুৰ মাজত দ্বিতীয়খন ছেমিফাইনেল খেল অনুষ্ঠিত হ'ব।



# ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ জয়লাভ

**বেবেজীয়া, ২১ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত ষ্টাৰ স্প'ৰ্টিং ক্লাবে ত্ৰিনয়ন গোষ্ঠীক 3-1 গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। খেলখনত প্ৰাক্তন ৰাজ্যিক ফুটবলাৰ প্ৰনৱ বৰদলৈ আৰু ৰবীন্দ্ৰ কাকতিৰ প্ৰশিক্ষণৰে পুষ্ট ষ্টাৰ স্প'ৰ্টিং ক্লাবৰহৈ মানৱজ্যোতি বৰদলৈ, বিভানজ্যোতি লস্কৰ আৰু ৰূপজ্যোতি বৰাই গ'ল দিয়াৰ বিপৰীতে ত্ৰিনয়ন গোষ্ঠীৰ হৈ দিল ৰংহাঙে একমাত্ৰ গ'লটো দিয়ে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী ঘনশ্যাম দাসক সহায় কৰে পাৰ্শজ্যোতি দাস, শোণিত কুমাৰ বৰা আৰু অ'হিদুজ জামানে। খেলখনত মানৱজ্যোতি বৰদলৈ শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়।



# গুৱাহাটী চিটী এফ চিৰ চতুৰ্থখন ফুটবলৰ স্কুল

**গুৱাহাটী ২১ জুলাই ঃ** সোণাইঘূলি, বেলতলা আৰু বৰবাৰীৰ পাছত মাছখোৱাত ডায়মণ্ড ষ্টাৰ ক্লাবৰ সহযোগত নিজৰ গ্ৰাছৰুটছ প্ৰশিক্ষণ কেন্দ্ৰ জিচিএফচি ফুটবল স্কুল আৰম্ভ কৰিছে গুৱাহাটী চিটী এফচি চমুকৈ জিচিএফচিয়ে । মহানগৰীৰ চুকেকোণে থকা শিশু প্ৰতিভা বিচাৰি উলিয়াই উপযুক্ত প্ৰশিক্ষণৰ লগতে প্ৰতিভা প্ৰদৰ্শনৰ মঞ্চ দিয়াৰ বাবে জিচিএফচিয়ে আৰম্ভ কৰা এই ফুটবল স্কুলসমূহৰপৰা বহু খেলুৱৈয়ে ইতিমধ্যে জিলা, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত খেলিবলৈ সক্ষম হৈছে । জিচিএফচিৰ অনুৰ্ধ্ব 13 দলটো গুৱাহাটী ক্ৰীড়া সন্থাৰ অনুৰ্ধ্ব 13 লীগৰ চেম্পিয়ন হোৱাৰ লগতে অনুৰ্ধ্ব 8 আৰু 10 শাখাত গ্ৰেটাৰ গুৱাহাটী বেবী লীগ তথা এপিআৰঅ' বেবী লীগৰ চেম্পিয়ন হৈছে । ক্লাবৰ প্ৰতিভাৱান খেলুৱৈ ক্ৰমে দিব্যপ্ৰতিম বসুমতাৰী, উৎকৰ্ষ বৰা আৰু প্ৰীতম ব্ৰহ্মই মিনাৰ্ভা আৰু ৰিলায়েন্স ইয়ং চেম্প্‌ছৰ দৰে একাডেমীলৈ নিৰ্বাচিত হৈছে। এনেদৰে খেলুৱৈ উৎপাদনৰ প্ৰক্ৰিয়া অধিক প্ৰসাৰিত কৰিবলৈকে জিচিএফচিয়ে মহানগৰীৰ বিভিন্ন স্থানত ফুটবল স্কুল আৰম্ভ কৰিছে আৰু এইবাৰ মাছখোৱাৰ ঈদগাহ খেলপথাৰত চতুৰ্থটো শাখা আৰম্ভ হ'ব । ইয়াৰ পৰা প্ৰতিভাৰ ভিত্তিত খেলুৱৈসকলে জিচিএফচিক বিভিন্ন জিলা, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত প্ৰতিনিধিত্ব কৰাৰ সুযোগ পাব । সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ অনুজ্ঞাপ্ৰাপ্ত প্ৰশিক্ষক প্ৰদ্যুম্ন গোস্বামী আৰু মেইটৰাম সুৰজ সিঙে ইয়াত খেলুৱৈসকলক প্ৰশিক্ষণ দিব । অধিক তথ্যৰ বাবে 7002282745/ 7002570870 অথবা 6001838548 নম্বৰত অথবা জিচিএফচিৰ ফেচবুক বা ইনষ্টাগ্ৰাম পেজ চাবলৈ কোৱা হৈছে।

পাথাৰকান্দিত চিকিৎসা কেন্দ্ৰ উদ্বোধন জলসম্পদ মন্ত্ৰীৰ, সকলোকে পৰিচ্ছন্নতা বৰ্তাই ৰখাৰ আহ্বান

# কৰিমগঞ্জত বান-খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থাৱলীৰ বুজ ল'লে মন্ত্ৰী হাজৰিকাই



**কৰিমগঞ্জ, ২১ জুলাই ঃ** অসম চৰকাৰৰ জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি কৰিমগঞ্জ জিলাৰ কে'বাটাও অঞ্চল ভ্ৰমণ কৰি কুশিয়াৰা, লংগাই আৰু শিংলা নদীৰ বান আৰু খহনীয়াত ক্ষতিগ্ৰস্ত মথাউৰি আৰু নদী কাষৰীয়া অঞ্চল পৰিদৰ্শন কৰে। প্ৰথমতে মন্ত্ৰীজনে কৰিমগঞ্জ জিলাৰ ভাৰত-বাংলাদেশ সীমাৰ কুশিয়াৰা নদীৰ পাৰৰ বিসৰ্জন ঘাটত উপস্থিত হৈ নদীখনে সৃষ্টি কৰা খহনীয়াৰ বুজ লয় ।প্ৰয়োজন সাপেক্ষে সীমান্তৱৰ্তী এই অঞ্চলটোত গাৰ্ডৱাল দিয়াৰ অৱকাশৰ বিষয়েও চিন্তা কৰাৰ কথা মন্ত্ৰীজনে আজি প্ৰকাশ কৰে। ইয়াৰ পাছত মন্ত্ৰীজনে দক্ষিণ কৰিমগঞ্জ সমষ্টিৰ বিধায়ক ছিদ্দিক আহমেদক লগত লৈ সমষ্টিটোৰ অন্তৰ্গত ৰতনপুৰ বৰিবণ্ড অঞ্চলত লংগাই নদীৰ পাৰৰ নদীয়ে ক্ষতিগ্ৰস্ত কৰা লোক নিৰ্মাণ বিভাগৰ পথ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। পাছত মন্ত্ৰীজনে পাথাৰকান্দি সমষ্টিৰ অন্তৰ্গত টাপাদাৰপাৰাত উপস্থিত হৈ লংগাই নদীয়ে সৃষ্টি কৰা মথাউৰিৰ খহনীয়া পৰিদৰ্শন কৰি পৰিদৰ্শন কালত উপস্থিত থকা জলসম্পদ বিভাগৰ অভিযন্তাক শীঘ্ৰে অঞ্চলটোত জিঅ' বেগ আদিৰে খহনীয়া ৰোধৰ কাম হাতত ল'বলৈ নিৰ্দেশ দিয়ে। মাজতে মন্ত্ৰী হাজৰিকাই পাথাৰকান্দি সমষ্টিৰ অন্তৰ্গত হাতীখীৰাত এটা চিকিৎসা কেন্দ্ৰ উদ্বোধন কৰে। অনুষ্ঠানটোত বক্তব্য ৰাখি মন্ত্ৰীজনে চিকিৎসা কেন্দ্ৰটো উদ্বোধন কৰি সুখী হোৱা বুলি প্ৰকাশ কৰে। চিকিৎসা কেন্দ্ৰটো পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰাখিবলৈ চিকিৎসাকৰ্মী আৰু স্থানীয় ৰাইজক মন্ত্ৰীজনে আহ্বান জনায়। মন্ত্ৰী হাজৰিকাই হাতীখীৰা চাহ বাগানতো পাথাৰকান্দি অঞ্চলৰ চাহ জনগোষ্ঠীৰ লোকসকলৰ সভা এখনত অংশ লৈ বক্তব্য ৰাখে। সভাখনত মন্ত্ৰীজনে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চৰকাৰে চাহ জনগোষ্ঠীয় লোকসকলৰ বাবে আন্তৰিকতাৰে কৰি থকা কামসমূহৰ আভাস দিয়ে। আবেলিলৈ মন্ত্ৰী হাজৰিকাই জিলাখনৰ ৰাতাবাৰী সমষ্টিত উপস্থিত হৈ বান আৰু খহনীয়া অধ্যুষিত কে'বাটাও স্থান পৰিদৰ্শন কৰে। সমষ্টিটোৰ আনিপুৰৰ ভৱানীপুৰ অঞ্চললৈ মটৰ চাইকেলেৰে ভ্ৰমণ কৰি ভিতৰুৱা বানাক্ৰান্ত অঞ্চলটোৰ বুজ লৈ শিংলা নদীৰ কাষত নতুন মথাউৰি নিৰ্মাণৰ প্ৰস্তাৱ সাজু কৰিবলৈ বিভাগীয় অভিযন্তাক নিৰ্দেশ দিয়ে। মন্ত্ৰী হাজৰিকাই পাছত দুল্লভচড়া, ফণিৰবন্দ আৰু চেৰাগী অঞ্চলত শিংলা নদীৰ খহনীয়া পৰিদৰ্শন কৰি খহনীয়া ৰোধৰ বাবে প্ৰয়োজন হোৱা ব্যৱস্থাৱলীৰ বুজ লয় আৰু বিভাগীয় অভিযন্তাক প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰে। চেৰাগীত শিংলা নদীৰ ওপৰত নিৰ্মীয়মাণ দলং এখনৰ দুয়োকাষে নদীৰ খহনীয়াই ক্ষতিগ্ৰস্ত কৰাত মন্ত্ৰীজনে দলঙৰ তলত নদীখন খান্দি কাষৰ খহনীয়া ৰোধৰ প্ৰয়াস কৰিবলৈ বিভাগীয় অভিযন্তাক নিৰ্দেশ দিয়ে। মন্ত্ৰীজনক আজিৰ পৰিদৰ্শনকালত পাথাৰকান্দি আৰু ৰাতাবাৰীৰ বিধায়ক ক্ৰমে কৃষ্ণেন্দু পাল আৰু বিজয় মালাকাৰৰ লগতে কৰিমগঞ্জ জিলাৰ উপায়ুক্ত, জলসম্পদ বিভাগৰ মুখ্য অভিযন্তা তথা জিলা প্ৰশাসন আৰু আন বিভাগীয় বিষয়াসকলে সংগ দিয়ে।

# অযোধ্যাত এতিয়া নায়ক আৰক্ষী বিষয়া

## পদপথৰ শিশুৰ বাবে নিজৰ দৰমহাৰ টকাৰে খুলিলে বিদ্যালয়



**নিউজ ব্যুৰ'**
**অযোধ্যা, ২১ জুলাই ঃ** অযোধ্যাত সম্প্ৰতি নিম্ন শ্ৰেণীৰ লোকৰ বাবে সৃষ্টি হৈছে এজন বাস্তৱৰ নায়ক। তেওঁ কোনো ৰাজনৈতিক নেতা বা চিত্ৰতাৰকা নহয়, বৰঞ্চ আৰক্ষীৰ এজন অধস্তন বিষয়া। এটা সময়ত তেওঁ অভাৱ দেখিছিল। নিমখ অকণ কিনিবলৈকে অনেক চিন্তা কৰিবলগীয়া এটা পৰিয়ালত কিমান কষ্টত পঢ়া-শুনা কৰিবলগীয়া হয়, সেই অভিজ্ঞতাও তেওঁৰ আছে। ধনৰ অভাৱত কিমান ভাল মেধা অংকুৰতে নষ্ট হয়, সেই উদাহৰণো তেওঁ পাইছে। নিজৰ জীৱনতে তেওঁ সেই অভিজ্ঞতা অৰ্জন কৰিছিল। সেই বাবেই তেওঁ যেতিয়া নিজৰ অঞ্চলৰ পদপথৰ শিশুৰে প্ৰায়েই ভিক্ষা কৰা দেখিছিল, তেতিয়াই মনতে স্থিৰ কৰিছিল যে এই শিশুসকল যাতে শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত নহয়।

তেওঁ এফালে যিদৰে অপৰাধ দমন কৰে, আনফালে শিক্ষাৰ বন্তিও জ্বলায়। সেইজনেই হৈছে উত্তৰপ্ৰদেশৰ অযোধ্যাৰ আৰক্ষী উপ-পৰিদৰ্শক ৰঞ্জিত যাদৱ। নিজৰ দৰমহাৰ টকাৰে অযোধ্যাৰ পদপথৰ শিশুসকলক তেওঁ বিনামূল্যে পঢ়ুৱাই আছে। কেৱল পঢ়ুৱাই নহয়, এইসকল শিশুৰ বাবে তেওঁ সম্প্ৰতি এখন বিদ্যালয়ো স্থাপন কৰিছে। কিছু মাহৰ পূৰ্বে তেওঁ বিদ্যালয়খন স্থাপন কৰে। এতিয়া প্ৰায় ৫০টি দৰিদ্ৰ শিশুৰে উক্ত বিদ্যালয়ত অধ্যয়ন কৰি আছে। শিশুসকলৰ কিতাপ-বহীৰ উপৰি পঢ়া-শুনাৰ যাৱতীয় সামগ্ৰীও আৰক্ষী বিষয়াজনে নিজেই কিনি দিয়ে। ঘৰৰ পৰা যেতিয়া কৰ্মস্থলীলৈ গৈছিল, তেতিয়া প্ৰতিদিনে এই শিশুসকলক তেওঁ দেখিছিল। শিশুসকলে ৰাস্তাত ভিক্ষা কৰা বিষয়টোৱে যাদৱৰ মনত অনেক কষ্ট দিছিল। নিজেও যিহেতু এক অভাৱী পৰিয়ালৰ পৰা উঠি আহিছে, সেয়ে এই শিশুসকলৰ অৱস্থাই যেন তেওঁক বেছিকৈ কষ্ট দিছিল। সেই বাবেই এই পদপথৰ শিশুসকলৰ শৈশৱক এক নতুন পথৰ সন্ধান দিয়াৰ সংকল্প লৈছিল আৰক্ষী বিষয়াজনে। এই সন্দৰ্ভত এক সংবাদ সংস্থাক যাদৱে কয়, 'মই সিহঁতৰ বাবে স্কুল খোলাৰ সিদ্ধান্ত লৈছিলো। স্কুলত সিহঁতক পঢ়া-শুনাৰো দায়িত্ব লৈছো। যেতিয়া দেখিছিলো যে সিহঁতৰ মাক-দেউতাকে ভিক্ষা কৰিছে, শিশুসকলে ভিক্ষা কৰিছে তেতিয়া বৰ বেয়া লাগিছিল। ইয়াৰ পাছতে এই শিশুসকলৰ অভিভাৱকৰ স'তে কথা পাতিলো। মোৰ ইচ্ছাৰ কথা জানিব পাৰি তেওঁলোকেও সন্মতি দিয়ে। তাৰ পৰাই আমাৰ কাম আৰম্ভ হৈছিল।'

আৰক্ষী উপ-পৰিদৰ্শকজনৰ বিদ্যালয়ত এতিয়া শিক্ষাৰ্থীৰ সংখ্যা প্ৰায় ৫০জন হৈছে। গছৰ তলৰ মুকলি স্থানতে শিশুসকলক শিক্ষাদান কৰে যাদৱে। এই সন্দৰ্ভত বিদ্যালয়ৰ এটি শিশু শিক্ষাৰ্থীয়ে কয়, 'আমি বহু দূৰলৈকে পঢ়িব বিচাৰো। ইয়াত পঢ়িবলৈ আমাৰ বৰ ভাল লাগে। আমি সদায় পঢ়িবলৈ আহো।' এজন অভিভাৱকে কয় যে উপ-পৰিদৰ্শক যাদৱে আগুৱাই নহা হ'লে তেওঁলোকৰ সন্তানে শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত হৈয়ে ৰ'লহেঁতেন। সেই বাবেই আৰক্ষী বিষয়া যাদৱেই এতিয়া অযোধ্যাৰ 'নায়ক' বুলিও তেওঁ কয়।

# চাইকেলেৰে ভাৰত ভ্ৰমণ বিশ্বনাথৰ যুৱকৰ

## সুদীৰ্ঘ সাতমাহৰ অন্তত উপস্থিত হ'ল নিজ গৃহ চহৰ বিশ্বনাথত

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ২১ জুলাই ঃ** এককভাৱে চাইকেলেৰে সমগ্ৰ দেশ ভ্ৰমণ কৰি সুদীৰ্ঘ সাতমাহৰ অন্তত পুনৰ নিজ গৃহ চহৰ বিশ্বনাথত উপস্থিত হৈছে দুঃসাহসী চাইকেল আৰোহী ৰুবু কোচ। মাত্ৰ চাইকেলখনকেই সাৰথি কৰি এক দুঃসাহসী যাত্ৰা সমাপ্ত কৰি সাতমাহৰ অন্তত বিশ্বনাথত উপস্থিত হোৱা যুৱকজনক অভিনন্দন জ্ঞাপন কৰিছে আছু আৰু বিশ্বনাথবাসীয়ে। উল্লেখ্য যে যোৱা এক জানুৱাৰীত বিশ্বনাথৰ পৰা গড়েহোগী গাঁৱৰ পৰা তিনিজন যুৱকে পৰিৱেশ ৰক্ষাৰ সজাগতাৰ বাবে চাইকেল লৈ যাত্ৰা আৰম্ভ কৰিছিল সমগ্ৰ



দেশত। বিশ্বনাথৰ পৰা তিনিজন যুৱকে যাত্ৰা আৰম্ভ কৰিয়ে প্ৰথমতে উপস্থিত হৈছিল কন্যাকুমাৰী। কন্যাকুমাৰীত উপস্থিত হৈয়ে তিনিজন যুৱকৰ ভিতৰত দুজন যুৱক এই যাত্ৰাত সফল হ'ব নোৱাৰি পুনৰ নিজ গৃহলৈ উভতি আহে। কিন্তু মনত বান্ধি লোৱা অদম্য সাহসৰে ৰুবু কোচ নামৰ যুৱকজনে হাৰ নামানিলে। ৰুবু কোচ এককভাৱে পুনৰ নিজ চাইকেলখনকে সাৰথি কৰি কন্যাকুমাৰীৰ পৰা যাত্ৰা কৰিলে গোৱা। গোৱাৰ পৰা ৰাজস্থান, পুনৰ ৰাজস্থানৰ পৰা হিমাচল প্ৰদেশ, হিমাচল প্ৰদেশৰ পৰা জম্মু-কাশ্মীৰ আৰু অৱশেষত জম্মু-কাশ্মীৰৰ পৰা অসম আৰু আজি উপস্থিত হ'ল নিজ গৃহ চহৰ বিশ্বনাথ চাৰিআলিত। সুদীৰ্ঘ সাতমাহৰ অন্তত বিশ্বনাথ চাৰিআলি উপস্থিত হোৱা ৰুবুৰ এই সাফল্যই আন সকলকো অনুপ্ৰাণিত কৰিব।



# মেঘালয়ত গুহা-কনছাৰ্টত প্ৰকৃতি ৰক্ষাৰ অভিনৱ বাৰ্তা

**নিউজ ব্যুৰ'**
**গুৱাহাটী, ২১ জুলাই ঃ** উত্তৰ-পূৰ্বাঞ্চলতো বাদেই, সম্ভৱতঃ দেশতেই প্ৰথমবাৰলৈ পাহাৰৰ গুহাৰ ভিতৰত আয়োজন কৰা হ'ল সংগীতানুষ্ঠান। মেঘালয়েই এই মনোমোহা অনুষ্ঠান দেশবাসীক উপহাৰ দিলে। মেঘালয়ত একাংশ ডাঙৰ ডাঙৰ গুহা আছে। দেশ-বিদেশৰ পৰ্যটকৰ বাবে মেঘালয়ৰ গুহা পৰ্যটন যথেষ্ট আকৰ্ষণীয় হৈ পৰিছে। সেই পৰ্যটনকেই অতি বেছি জনপ্ৰিয় কৰি তোলাৰ উদ্যোগ লোৱা হৈছে পূবৰ স্কটলেণ্ডত। মেঘালয়ৰ ছোহৰা অঞ্চলৰ আৰৱা গুহাত আয়োজিত হ'ল এই 'কেভ কনছাৰ্ট'। সংগীতানুষ্ঠানৰ নামকৰণ কৰা হয় 'কি সুৰ না পুবোন' (গুহাৰ ভিতৰৰ পৰা বাৰ্তা)। প্ৰধানকৈ নতুন প্ৰজন্মৰ গায়ক-গায়িকাসকলক লৈ অনুষ্ঠিত হোৱা এই অনুষ্ঠানত শ্বিলঙৰ নামকৰা ৰকবেণ্ড 'ছামাৰছল্ট'ৰ শিল্পীসকলেও অংশগ্ৰহণ কৰে। গীতৰ মাধ্যমেৰে তেওঁলোকৰ যি যেনেকৈ পাৰিছে প্ৰকৃতি সংৰক্ষণৰ বাৰ্তাকে তুলি ধৰাৰ চেষ্টা কৰে। স্বচ্ছ ছোহৰা অভিযানৰ নেতা এলেন ৱেষ্ট খাৰকোংগৰে কয়, 'এই অনুষ্ঠানৰ উদ্দেশ্য আছিল দুটা। প্ৰথমতে, সকলোকে পৰিৱেশ সংৰক্ষণৰ প্ৰয়োজনীয়তা আৰু দায়িত্ব সম্পৰ্কে অৱগত কৰা তথা দ্বিতীয়তে, স্থানীয় শিল্পীসকলক উৎসাহ যোগোৱা। গুহাই হওক, জলপ্ৰপাতেই হওক, জীৱন্ত শিপাৰ সেতুৱেই হওক বা পাহাৰ-নদী; এই সকলোবোৰ ৰক্ষাৰ দায়িত্ব কিন্তু আমাৰেই। এই প্ৰকৃতিৰ পৰাই ছোহৰাৰ লোক সংস্কৃতি-লোক সংগীতৰ জন্ম।'

# চাৰিলেনযুক্ত ডিমৌ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থাই কন্দুৱাইছে ৰাইজক

## পথৰ পুখুৰী সদৃশ গাঁতত লাগি ধৰিছে সৰু-বৰ যান-বাহনৰ লগতে মালবাহী ট্ৰাক

অগ্ৰদূত বাৰ্তা
ডিমৌ, ২১ জুলাই ঃ শিৱসাগৰৰ দিচাং দলঙৰ পৰা ডিমৌলৈকে চাৰিলেনযুক্ত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থাই জ্বলা-কলা খুৱাইছে সাধাৰণ জনসাধাৰণৰ লগতে সৰু-বৰ যান-বাহন চালকসকলক। তথাকথিত এচাম চাৰিলেনযুক্ত পথ নিৰ্মাণকাৰী সংস্থাৰ চূড়ান্ত মইমতালি আৰু চৰকাৰী ধন লুণ্ঠনৰ মানসিকতাৰ বাবেই বছৰৰ পাছত বছৰ ধৰি ৰাইজৰ বাবে সঠিক ৰূপত পথটো নিৰ্মাণ কৰি মুকলি কৰি দিব নোৱাৰাটো অতি দুৰ্ভাগ্যজনক বিষয় হিচাপে চিহ্নিত হৈছে। পথছোৱা নিৰ্মাণৰ বাবে চাৰিলেনযুক্ত পথ নিৰ্মাণকাৰী সংস্থাক জবাবদিহি কৰাত বৰ্তমান চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষ চূড়ান্ত ৰূপত ব্যৰ্থ হোৱাৰ গুৰুত্বৰ অভিযোগ উত্থাপিত হৈছে। যোৱা সময়ছোৱাত পথছোৱাৰ পৰা যমৰ যাতনা ভোগ কৰি অহা জনসাধাৰণে বৰ্তমান চৰকাৰৰ সদিচ্ছাৰ অভাৱৰ বাবেই এটা অতিকৈ ব্যস্ততাপূৰ্ণ তথা গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় ঘাইপথ এতিয়া অতি পূতৌলগা অৱস্থাত পৰিণত হৈছে বুলি অভিযোগ কৰিছে। যাৰ পৰিণতিত এই ৰাষ্ট্ৰীয় পথটো পথ নহয় যেন মৰণ ফান্দলৈহে পৰিণত হৈছে। দৈনিক ইটোৰ পিছত সিটো সৰু-বৰ দুৰ্ঘটনা সংঘটিত হোৱা ডিমৌ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ এতিয়া পৰিণত হৈছে একো একোটা বৃহৎ বৃহৎ পুখুৰীলৈ। ঘাই পথৰ মাজত সৃষ্টি দ' গাঁতত লাগি ধৰিছে সৰু-বৰ বাহনৰ পৰা মালবাহী ট্ৰাক। এক বিপদসংকুল অৱস্থাৰে ডিমৌ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে অব্যাহত আছে যাতায়ত। চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষই এই পথছোৱাত সময় থাকোতেই যাৱতীয় ব্যৱস্থা গ্ৰহণ নকৰিলে অনাগত দিনত পথছোৱাই ইয়াতকৈয়ো ভয়াবহ ৰূপ ধাৰণ কৰিব বুলি মন্তব্য কৰিছে ভুক্তভোগীয়ে।

# নগাঁৱৰ কামপুৰত বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ

**বিশেষ সংবাদদাতা**
**নগাঁও, ২১ জুলাই ঃ** নগাঁও আৰক্ষীয়ে যোৱা নিশা কামপুৰত অভিযান চলাই বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। এক গোপন সূত্ৰৰ পম খেদি কামপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অচ্যুত কৃষ্ণ ফুকন আৰু নগাঁও নগৰ আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আভাজ্যোতি ৰাভাৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে কামপুৰৰ পাঁচ নম্বৰ মহলাৰ ৰাজু সিঙৰ ঘৰত অভিযান চলায়। আৰক্ষীয়ে ৰাজু সিঙৰ ঘৰৰ পৰা ২৬ কিলোগ্ৰাম গাঞ্জা জব্দ কৰাৰ লগতে ৰাজু সিঙকো গ্ৰেপ্তাৰ কৰে। আজি নগাঁৱত এই কথা সদৰী কৰি আৰক্ষীয়ে জানিবলৈ দিয়ে যে ৰাজু সিঙে নিজৰ ঘৰত এই গাঞ্জাখিনি মজুত কৰি ৰাখিছিল। ৰাজুৱে জিলাখনৰ বিভিন্ন স্থানলৈ গাঞ্জা সৰবৰাহ কৰি আহিছে। সম্প্ৰতি আৰক্ষীয়ে ৰাজুক জেৰা অব্যাহত ৰাখিছে।

# গুৱাহাটী ৰেল ষ্টেছনত ১০ কোটি মূল্যৰ কানি জব্দ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জুলাই ঃ** নিচাযুক্ত দ্ৰব্য তথা ড্ৰাগছৰ বিৰুদ্ধে অসম আৰক্ষীয়ে ৰাজপথত অব্যাহত ৰখা অভিযানৰ সমান্তৰালভাৱে ৰেল আৰক্ষীয়েও অব্যাহত ৰাখিছে মাৰাথন অভিযান। এনে অভিযানত শেহতীয়াকৈ গুৱাহাটী ৰেল আৰক্ষীয়ে বহু নিচাযুক্ত দ্ৰব্য জব্দ কৰিবলৈ সক্ষম হৈছে আৰু আজি পুনৰ এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত ৰেল আৰক্ষীয়ে পল্টনবজাৰ ৰেল ষ্টেছনত প্ৰায় ১০ কোটি টকাৰ মূল্যৰ বৃহৎ পৰিমাণৰ কানি জব্দ কৰিবলৈ সক্ষম হয়। ১০টা বেগত কঢ়িয়াই অনা তথা ১০.১১ কিলোগ্ৰাম ওজনৰ এই জব্দকৃত কানিখিনিৰ স'তে অভিযানকাৰী দলে মহিলাসহ বিহাৰৰ চাৰি সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত সৰবৰাহকাৰীকেইজন ক্ৰমে বিহাৰৰ মতিহাৰীৰ নৱ কুমাৰৰ পুত্ৰ সুজিৎ কুমাৰ(২৮), চিৰঅ'হাৰৰ নিতেশ কুমাৰ(২৩), নেইনা দেৱী (৪৫) আৰু মুজফ্‌ফাপুৰৰ দুৰ্গা দেৱী(২৩) ৰেল আৰক্ষীৰ অধীক্ষকে সদৰী কৰিছে। উল্লেখ্য যে আজি পুৱা ডিব্ৰুগড়-দিল্লী অভিমুখী ২০৫০৩ নম্বৰৰ ৰাজধানী এক্সপ্ৰেছৰ 'বি-৪' আৰু 'বি-৯' দবাত অভিযান চলাই আৰক্ষীয়ে এই বৃহৎ পৰিমাণৰ কানি জব্দ কৰিবলৈ সক্ষম হয়। ধৃতই কানিখিনি ডিমাপুৰৰ পৰা হাওৰালৈ সৰবৰাহৰ চেষ্টা কৰিছিল বুলি আৰক্ষীয়ে সদৰী কৰি ঘটনাৰ সন্দৰ্ভত ১০২/২০২২ নম্বৰত এক গোচৰ ৰুজু কৰি অধিক তথ্যৰ সন্ধানত জেৰা অব্যাহত ৰাখিছে বুলি কয়।

# পাঠশালাত কুচিয়া মাছে মৃত্যু মাতিলে যুৱকৰ

**বিশেষ সংবাদদাতা**
**পাঠশালা, ২১ জুলাই ঃ** বজালী জিলা সদৰ পাঠশালাত সংঘটিত এক অবিশ্বাস্য অঘটনত এজন যুৱকৰ মৃত্যু হোৱাৰ খবৰে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। অলৌকিক যেন লগা খবৰ যদিও এডাল কুচিয়া মাছে কাঢ়ি নিলে এজন যুৱকৰ প্ৰাণ। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, পাঠশালা পৌৰসভাৰ অন্তৰ্গত এক নম্বৰ ৱাৰ্ডৰ জ্যোতিনগৰ নিবাসী পংকজ ৰয় নামৰ এজন যুৱকে যোৱা ১৯ জুলাইত ঘৰলৈ খাবলৈ অনা প্ৰায় তিনিৰ পৰা চাৰিশ গ্ৰাম ওজনৰ এডাল জীৱিত কুচিয়া মাছ হাতত লৈ ভতিজাৰ স'তে মুখৰ সন্মুখত ৰাখি খেলা কৰি থকাৰ সময়তে অসাৱধানৱশতঃ কুচিয়াডাল হাতৰ পৰা পিছলি যুৱকজনৰ মুখত সোমাই যায়। অত্যন্ত পিছল কুচিয়ামাছডাল মুখগহ্বৰত সোমোৱাৰ পাছত বহু চেষ্টা কৰিও উলিয়াই আনিব নোৱাৰিলে আৰু পেটৰ ভিতৰলৈ সোমাই যায়। ইয়াৰ কিছু সময়ৰ পাছতে যুৱকজনৰ সাধাৰণ পেটৰ বিষ আৰম্ভ হয়। লাহে লাহে যুৱকজনৰ স্বাস্থ্যৰ অৱনতি ঘটাত প্ৰথমে পাঠশালাৰ ছহিদ মদন ৰাউতা অসামৰিক চিকিৎসালয়লৈ নিয়া হয় যদিও প্ৰাথমিক চিকিৎসাৰ অন্তত ঘৰলৈ যাবলৈ দিয়া হয়। কিন্তু যুৱকজনৰ পুনৰ স্বাস্থ্যৰ অৱনতি ঘটাত উন্নত চিকিৎসাৰ বাবে বৰপেটাৰ ফকৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয়। ইয়াৰ পাছতে চিকিৎসাধীন অৱস্থাতে কালি নিশা প্ৰায় ন বজাত যুৱকজনে দুৰ্ভাগ্যজনকভাৱে মৃত্যুক আঁকোৱালি লয়। পাঠশালা কলেজ ৰোডস্থিত ৰূপম হোটেলত ৰান্ধনি হিচাপে কাম কৰা প্ৰায় ৪০ বছৰ বয়সৰ যুবকজনৰ এনেদৰে অকাল মৃত্যুত সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4, Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

চিকিৎসালয়লৈ নিয়াৰ পথত ৰাইজে কান্ধে-কান্ধ মিলাই আপাৰ দেইক্ৰুং নদীৰ বুকুয়েদি পাৰ কৰালে এগৰাকী মৃত প্ৰায় বৃদ্ধা ৰোগীক

# কাৰ্বি আংলঙত অসাৰ সবকা সাথ, সবকা বিকাশৰ শ্ল'গান



অগ্ৰদূত বাৰ্তা
ডংকামোকাম, ২১ জুলাই ঃ বাট-পথ, দলং আৰু যাতায়াতৰ অসুবিধাৰ বাবেই আপাৰ দেইক্ৰুং গাঁৱৰ ৰাইজে কান্ধে-কান্ধ মিলাই মৃত প্ৰায় ৰোগীক দেইক্ৰুং নদী পাৰ কৰি কঢ়িয়াই নিছে চিকিৎসালয়লৈ। সম্প্ৰতি কাৰ্বি পাহাৰত এই দৃশ্যই প্ৰতিগৰাকী লোকৰ ম'বাইল ফোনত বন্দী হৈ ছ'চিয়েল মিডিয়াত তোলপাৰ লগাইছে। হায় মানৱীয়তা—দুৰ্গম পাহাৰৰ একাঁ-বেঁকা পথ। বাট-পথ, দলং আৰু যাতায়াতৰ দুৰৱস্থাই দীৰ্ঘদিন ধৰি জীয়াতু ভোগাই আহিছে আপাৰ দেইক্ৰুং গাঁৱৰ ৰাইজক। অৱশেষত আপাৰ দেইক্ৰুং গাঁৱৰ ৰাইজে কান্ধত লৈ এগৰাকী বৃদ্ধা ৰোগীক চিকিৎসালয়লৈ কঢ়িয়াই নিয়া দৃশ্যই সম্প্ৰতি কাৰ্বি পাহাৰৰ চৌদিশে জোঁকাৰণিৰ সৃষ্টি কৰিছে। ঘটনাটো সংঘটিত হৈছিল আজি দুদিনৰ পূৰ্বে। কাৰ্বি আংলং জিলাৰ অতিকৈ দুৰ্গম অঞ্চল তথা কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ ২৫ নম্বৰ নিলিপ পৰিষদীয় সমষ্টিৰ অন্তৰ্গত আপাৰ দেইক্ৰুঙত। জিলাখনৰ সদৰ ডিফুৰ পৰা ১২০ কিলোমিটাৰ নিলগৰ অতিকৈ দুৰ্গম অঞ্চল আপাৰ দেইক্ৰুঙৰ পৰা কয়লামাটি চিকিৎসালয়লৈ আনি থকা অৱস্থাত দেইক্ৰুং নদীৰ বুকুয়েদি ৰাইজে কান্ধে কান্ধ মিলাই পাৰ কৰালে মৃত প্ৰায় এগৰাকী বৃদ্ধা ৰোগী বাচাপি ৰংফাৰপীক। ইপিনে, কেন্দ্ৰ, ৰাজ্য আৰু কাৰ্বি পৰিষদৰ নেতৃত্বাধীন কাৰ্বি পাহাৰৰ বিজেপি নেতৃত্বাধীন চৰকাৰৰ সব কা সাথ, সব কা বিকাশৰ ফোঁপোলা স্বৰূপটোৰ শ্ল'গানেই অৱশেষত জিলাবাসীক অতিষ্ঠ কৰি তুলিছে। ৰাজ্য চৰকাৰ কিম্বা কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ বিজেপি চৰকাৰখনে যিমানেই উন্নয়নৰ ঢাক-ঢোল নবজাওক কিয় ৰাইজে কান্ধে-কান্ধ মিলাই ৰোগীক কঢ়িয়াই অনা দৃশ্যই অৱশেষত প্ৰকৃত উন্নয়নৰ ফোঁপোলা স্বৰূপটোৱেই দিনৰ পোহৰৰ দৰে উজলি উঠিল কাৰ্বি পাহাৰৰ এই দেইক্ৰুং গাঁৱৰ দৃশ্যই। কাৰ্বি আৰু ৰেংমা নগা জনগোষ্ঠীৰ বসতিপ্ৰধান ১০খনকৈ গাঁৱৰ ৰাইজে বাট-পথ, দলং অবিহনেই আজি এবছৰ-দুবছৰ কৰি ৪০-৪৫টা বছৰ অতিক্ৰম কৰি উক্ত দুৰ্গম অঞ্চলটোত জীৱন নিৰ্বাহ কৰা জনতাৰ দৰদ কিমান সেয়া পৰিৱৰ্তনগামী বিজেপি চৰকাৰখনে এতিয়াও বুজিবলৈ সক্ষম নহ'ল। ইপিনে, জিলাখনৰ নগৰ আৰু চহৰত উন্নয়ন হ'লে নহ'ব বুলি ক্ষোভ উজাৰি কাৰ্বি আংলং স্বায়ত্ত পৰিষদ আৰু ৰাজ্য চৰকাৰক অতি শীঘ্ৰে গাঁওসমূহতো বাট-পথ, স্বাস্থ্য কেন্দ্ৰ, খোৱাপানী আৰু দলং নিৰ্মাণৰ প্ৰতি মনোযোগ দিবৰ বাবে দাবী উত্থাপন কৰিছে দুৰ্ভগীয়া আপাৰ দেইক্ৰুং পাহাৰৰ ৰাইজে।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com